

# প্ৰান্তিক

৫ম বছৰ ৪ৰ্থ সংখ্যা। ১৬—২৮ ফেব্ৰুৱাৰী '৮৬

অৱহেলিত ৰংঘৰ কাৰেংঘৰ

হীৰেন ভট্টাচাৰ্যৰ কবিতা

গাড্ডাফি কিমান শক্তিশালী?

## কেন্দ্ৰীয় বিত্ত: অসমৰ প্ৰসংগ

OKDISCD




anjan chakraborty Cal

# প্ৰান্তিক

৫ম বছৰ ৬ষ্ঠ সংখ্যা ১৬—২৮ ফেব্ৰুৱাৰী '৮৬ | মূল্য চাৰি টকা

যোগাযোগৰ ঠিকনা ঃ পোঃ শিলপুখুৰী, গুৱাহাটী-৭৮১০০৩

## অহা সংখ্যাত

ভাৰতবৰ্ষৰ সংবিধানে প্ৰতিজন ভাৰতীয় নাগৰিককে দেশখনৰ সকলো ঠাইতে অবাধে বিচৰণ, সংস্থানৰ সন্ধান আৰু ব্যৱসায়-বাণিজ্য কৰাৰ অধিকাৰ দিছে। সেই পিনৰ পৰা অনা-অসমীয়া ব্যৱসায়ীয়ে অসমত ব্যৱসায় কৰি থকা কথাটোত আপত্তি কৰিবলগীয়া একো থাকিব নোৱাৰে। আনহাতে অসমীয়া মানুহৰ ব্যৱসায়িক দক্ষতা প্ৰয়োজনীয় পৰ্যায়ৰ বহু তলতে আছে। কিন্তু আজি অনা-অসমীয়া ব্যৱসায়ীসকলৰ,—বিশেষকৈ এচাম চতুৰ লোকৰ ব্যৱসায় অসমত এটা পূৰ্ণবিকশিত, নিৰ্বিচ্ছিন্ন, লুণ্ঠন আৰু শোষণৰ প্ৰক্ৰিয়াত পৰিণত হৈছে।

অসমৰ ব্যৱসায়ৰ প্ৰাণকেন্দ্ৰ স্বৰূপ গুৱাহাটীৰ ফাঁচীবজাৰত অনুসন্ধান চলাই প্ৰস্তুত কৰা **পৰাগ কুমাৰ দাসৰ প্ৰবন্ধ : অসমত এচাম ব্যৱসায়ীৰ লুণ্ঠন প্ৰক্ৰিয়াৰ বিচাৰ আৰু বিকল্পৰ সন্ধান**

গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক-বিশ্ববিদ্যালয় পৰীক্ষাৰ ফলাফল ঘোষণা কৰাত পলম হ'ল; কিছুমান ফলাফলত ভুল ওলাল, কিছুমান নম্বৰৰ কাগজত ভুল ওলাল। এইবোৰ কাৰ দোষত হ'ল? উপাচাৰ্য, পৰীক্ষা-নিয়ন্ত্ৰক, কম্পিউটাৰ কেন্দ্ৰৰ মুৰব্বী, অপাৰেটৰসকল, প্ৰগ্ৰেম-কৰোঁতা, নে কাৰ দোষত হ'ল? আচল দোষী হ'ল "গিগো"।

**ড° কুলেন্দু পাঠক কমপিউটাৰ সম্পৰ্কীয় প্ৰবন্ধ ঃ গিগো**

ভাৰতীয় জাতীয়-জীৱনৰ বিস্ময়কৰ বিকাশ আন আন যুগতো হৈছিল; কিন্তু উনবিংশ শতিকাটো বিশেষভাৱে তাৎপৰ্যপূৰ্ণ এইবাবেই যে এই সময়তে ভাৰতবৰ্ষত আধুনিক মনৰ বিকাশ ঘটে, ভাৰতীয় মানসিকতাত নৱজাগৰণৰ সূত্ৰপাত হয়। এই সময়ছোৱাত অসমৰ অৱস্থাৰ ওপৰত আলোকপাত কৰা প্ৰবন্ধ

**উনবিংশ শতিকাৰ ভাৰতীয় নৱজাগৰণ আৰু অসম : ড° শৈলেন ভৰালী**

## এই সংখ্যাত

বিশ্ব সন্ত্ৰাসবাদৰ পৃষ্ঠপোষকতা কৰা বুলি অভিযোগ তুলি মাৰ্কিন যুক্তৰাষ্ট্ৰই লিবিয়াৰ বিৰুদ্ধে অৰ্থনৈতিক প্ৰতিবন্ধকতা আৰোপৰ সিদ্ধান্ত লৈছে। ৰেগান প্ৰশাসনে আশা কৰিছিল যে এই ব্যৱস্থাই গাড্ডাফিক সংকটত পেলাব আৰু এই কাৰ্যই তেওঁৰ পতন ঘটাব। কিন্তু গাড্ডাফিৰ জংগী প্ৰশাসন অলপো বিব্ৰত হোৱা নাই আৰু ৰেগান প্ৰশাসনৰ আশা সদ্যহতে পূৰণ হোৱাৰ কোনো লক্ষণ পৰিলক্ষিত হোৱা নাই। বিশ্ব পৰিক্ৰমাত **ড° সুনীল পৱন বৰুৱাৰ ঃ শিৰোনামাত লিবিয়া ঃ গাড্ডাফি কিমান শক্তিশালী** ।১২।

অসমৰ সপ্তম পৰিকল্পনাৰ বাবে অধিক ধন মঞ্জুৰী, অষ্টম বিত্ত আয়োগৰ প্ৰতিবেদনৰ আধাৰত অভিলেখসূচক বিত্ত সাহায্য ইত্যাদি ধৰণৰ দৃষ্টান্তৰে সম্প্ৰতি এনে এটা ধাৰণা দিব খোজা হৈছে যে সমস্যা-কণ্টকিত ৰাজ্যখনৰ উন্নতিৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰ উদাৰ হৃদয় আৰু সদা-প্ৰস্তুত। কিন্তু এনে প্ৰচাৰৰ আঁৰত লুকাই থকা প্ৰশ্নটো হ'ল—স্বাধীনতাৰ পৰৱৰ্তী তিনিটা দশকত অসমে কেন্দ্ৰৰপৰা ন্যায্যপ্ৰাপ্য আৰু সুবিচাৰ পাইছেনে? **কেন্দ্ৰীয় বৃত্ত ঃ অসমৰ অংশ ঃ ভুবন বৰুৱা** ।১৮।

নিয়মাৱলী এখনৰ অবিহনে কোনো অনুষ্ঠানেই সুচাৰুৰূপে পৰিচালনা কৰিব নোৱাৰি। ৰঙালী বিহু পালন কৰা অসমৰ বিভিন্ন অনুষ্ঠানৰ ওপৰত অসমীয়া সংস্কৃতি জীয়াই ৰখাৰ গুৰু দায়িত্ব পৰিছে।... ৰঙালী বিহুৰ লগত জড়িত প্ৰতিযোগিতাসমূহ পৰিচালনা কৰিবৰ বাবে বিচাৰকসকলৰ বিচাৰ ধাৰা একে কৰিবৰ বাবে এখন সুচিন্তিত, সুলিখিত নিয়মাৱলী অতীৱ প্ৰয়োজন। এই সম্পৰ্কত **জয়কান্ত গন্ধীয়াৰ** প্ৰবন্ধ **হুঁচৰি, বিহুৱা আৰু বৰ বিহুৱা প্ৰতিযোগিতাৰ নিয়মাৱলী** ।৩২।

পত্ৰালাপ ।৪। ধ্বনি-প্ৰতিধ্বনি ।৬। ঘটনা-প্ৰবাহ ।৭। কুলদীপ নায়াৰৰ প্ৰবন্ধ ।১০। বিশ্ব পৰিক্ৰমা ।১২। গণৰাজ্য দিৱসৰ প্ৰতীক দৃশ্য ।১৫। প্ৰজ্ঞা ।১৬। কেন্দ্ৰীয় বৃত্ত ঃ অসমৰ অংশ ।১৮। অনুৰাধা আৰু অসমৰ বিজ্ঞানী ।২৩। বিহুৰ নিয়মাৱলী ।৩২। জীৱনৰ দীঘ আৰু বাণি ।৩৬। দৈনন্দিন ।৩৮। গল্প ।৪৩। উপন্যাস ।৪৪। কবিতা ।৫১। কলা-সংস্কৃতি ।৫৩। ক্ৰীড়াংগন ।৫৫। বিক্ৰম ।৫৬। শেষ পৃষ্ঠা ।৫৮।

**মুখ্য সম্পাদক ঃ ড° ভবেন্দ্ৰনাথ শইকীয়া**

**নিবন্ধকাৰ ঃ** কুলদীপ নায়াৰ * বদন বৰুৱা * ড° নিৰোদ কুমাৰ বৰুৱা * পুলক লাহিড়ী * ড° দিলীপ কুমাৰ দত্ত * পূৰ্ণ বৰা * ড° কৃষ্ণগোপাল ভট্টাচাৰ্য * ড° সুনীল পৱন বৰুৱা * ড° কুলেন্দু পাঠক * অনিল বৰুৱা * পৰাগ কুমাৰ দাস * দিলীপ কুমাৰ মহন্ত * গণেশ দাস * ধীৰেন বেজবৰুৱা * সমুদ্ৰ গুপ্ত কাশ্যপ

**সহকাৰী সম্পাদক ঃ** ইমৰান হুছেইন

**অংগ সজ্জা** দেবানন্দ উলুপ, সীমান্তজ্যোতি বৰুৱা **আলোকচিত্ৰ ঃ** দীপক বেজবৰুৱা

**মুদ্ৰাংকন** ট্ৰিবিউন প্ৰেছ আৰু শৰাইঘাট অফছেট প্ৰেছ

প্ৰদীপ বৰুৱাৰ দ্বাৰা মুদ্ৰিত, প্ৰকাশিত আৰু সম্পাদিত

*Prantik*
The Assamese Fortnightly, Vol. V. No. 6 16—28 February '86
P.O. Silpukhuri, Guwahati—781003 Phone : 28751

# পত্ৰালাপ

## অৱহেলিত ৰংঘৰ কাৰেংঘৰ আদি

ভাৰতৰ বিভিন্ন ঠাইৰ বুৰঞ্জীপ্ৰসিদ্ধ, পৰ্যটকসকলে চাবলগীয়া ঠাই, ঘৰ-দুৱাৰ আদিৰ তুলনাত অসমৰ বস্তুবোৰ বৰ আকৰ্ষণীয় নহব পাৰে, কিন্তু আমি সেইবোৰকে আন্তৰিকতাৰে ৰক্ষা কৰিব লাগিব, সজাই-পৰাই ৰাখিব লাগিব। কাৰণ, সেইবোৰেই আমাৰ জাতিটোৰ বুৰঞ্জীৰ সাক্ষী। কিন্তু দুখৰ কথা, বস্তুবোৰক অধিক অনাকৰ্ষণীয় কৰি তুলিছে সেইবোৰৰ প্ৰতি আমাৰ নিজৰে অশ্ৰদ্ধাই। অৱস্থাটো এনেকুৱা হৈছেহি যে প্ৰকৃত ৰংঘৰটোতকৈ বিভিন্ন অধিৱেশন-সভা-সমিতি উপলক্ষে নিৰ্মাণ কৰা ৰংঘৰৰ আহিৰ তোৰণবোৰহে অধিক আকৰ্ষণীয় হয়। এই তোৰণবোৰেহে ৰংঘৰটোক এবিধ মৰ্যাদা দিয়ে; কিন্তু প্ৰকৃত ৰংঘৰটো যেনে নিঠৰুৱা অৱস্থাত আছে, সি কোনো মৰ্যাদাৰ পৰিচয় নিদিয়ে; অন্তত সেই অৱস্থাটো দেখিলে বস্তুটোৰ মৰ্যাদা সম্পৰ্কে আমি সচেতন বুলি ভাব নহয়। আপোনাৰ কাকতৰ শেষ পৃষ্ঠাতে এবাৰ ৰংঘৰটোৰ চৌহদটো সজাই-পৰাই আকৰ্ষণীয় কৰাৰ বাবে এখন আঁচনিৰ কথা লিখা হৈছিল, কিন্তু তাৰ প্ৰতি গুৰুত্ব দিবলগীয়াসকলে গুৰুত্বটো নিদিলে যেনেই অনুমান হ'ল। সাত-ভনীৰ বিহু, মে-ডাম-মেফি, শিৱৰাত্ৰি আদিৰ উৰ্ধ্বলৈ উঠি, প্ৰকৃত সংস্কৃতি আৰু বুৰঞ্জী ৰক্ষাৰ দৃষ্টিভংগীৰে এই ঘৰ-দুৱাৰবোৰ (ৰংঘৰ, কাৰেংঘৰ, তলাতলঘৰ, শিৱ দ'ল, জয় দ'ল আদি) স্থায়ীভাৱে দেখনিয়াৰ কৰি তোলাৰ ব্যৱস্থা নতুন চৰকাৰে তৎক্ষণাত কৰিব লাগে।

—পবিত্ৰ গগৈ,
শিমলুগুৰি

## তলাতল ঘৰ

১৮।১।৮৬ তাৰিখে নগাঁও জিলাৰ কুঠৰীৰ পৰা জয়সাগৰলৈ বনভোজ খোৱাৰ মানসেৰে আৰু তাহানিৰ আহোম ৰজাৰ দিনত নিৰ্মিত কীৰ্তি-স্তম্ভবোৰ চোৱাৰ হেঁপাহেৰে গৈছিলোঁ। শিৱসাগৰ আৰু জয়সাগৰৰ বিভিন্ন মঠ-মন্দিৰ চাই ঘূৰি-পকি আহি বনভোজ খোৱাৰ কাৰণে সুবিধাজনক ঠাই বিচাৰি চলাথ কৰিলোঁ। শেষত তলাতল ঘৰৰ ওচৰতে খোৱাৰ ব্যৱস্থা কৰিলোঁ। আমাৰ আগতে বহুতো বনভোজৰ দল সেই ঠাইৰ পৰা ঘূৰি যোৱাটো মোৰ চকুত পৰিল। ঘূৰি যাব লগীয়া হোৱাৰ কাৰণ হ'ল চৌদিশে শৌচ পেচাপৰ গোন্ধত ঠাই ডোখৰ অপৰিষ্কাৰ হৈ পৰিছে আৰু যি পুখুৰীৰপৰা পানী খাব লগীয়া হৈছে সেইটো বৰ অপৰিষ্কাৰ আৰু অস্বাস্থ্যকৰ অৱস্থাত ৰখা হৈছে। সেই পুখুৰীত মানুহে গা-ধুইছে, গৰু-ম'হক গা-ধুৱাইছে আৰু কাপোৰ কানিও ধুইছে। ইয়াত কোনো কল (টিউবৱেল) বা কুৱাৰ ব্যৱস্থা নাই। বৰ দুখ লগা অৱস্থা। অথচ যোৱাবাৰ মই মে-ডাম-মেফি চাবলৈ আহিছিলোঁ। আহোঁতে দেখা পাইছিলোঁ সেইডোখৰ ঠাই একেবাৰে স্বৰ্গপুৰীহেন কৰি ৰখা হৈছিল। কোনে ৰাখিছিল? কথা হ'ল মে-ড্ৰাম-মেফিত ব্যৱহাৰ কৰা কল (টিউবৱেল)বোৰ আজি তাত দেখা নাপালোঁ। খাবৰ কাৰণে এচৰৰ মানুহৰ ঘৰে ঘৰে পানী বিচাৰি চলাথ কৰি ফুৰিলোঁ। পিছে এঘৰ মানুহে যেনিবা তিনি বাল্টি পানী দি সহায় কৰিলে। কাগজে-পত্ৰই অৱশ্যে পঢ়িবলৈ পাইছিলোঁ বোলে মে-ডাম-মেফিত হেনো বহুতো টকা খৰচ কৰা হৈছিল। দুই-এটা স্থায়ী কলৰ ব্যৱস্থা কৰি দিয়াটো প্ৰয়োজনীয় আছিল বুলি মই ভাবোঁ। এনেকুৱা ঠাইসমূহৰ কিবা এটা গুণ থকাৰ কাৰণেহে তাত জন সমাগমৰ ঢৌ উঠে। গতিকে ইয়াৰ সৌন্দৰ্য আৰু পবিত্ৰতালৈ লক্ষ্য ৰখাটো পৰিচালকসকলৰ কৰ্তব্য।

—দুৰ্লভ শইকীয়া,
কুঠৰী, নগাঁও

## জীৱনৰ সঁচা নাটক

শ্ৰীক্ৰন্দসী দুৱৰাই তেখেতৰ পত্ৰখন (১৬।১২।৮৫)— "তেন্তে আমাৰ জীৱনৰ সঁচা নাটকবোৰৰ পৰিণতি কি?" এই প্ৰশ্নৰে সামৰণি মাৰিছে। প্ৰতিজন সচেতন নাগৰিকৰ আগত আজি সেই একেটা প্ৰশ্নই।

আজি সমাজৰ প্ৰতি স্তৰতে দুৰ্নীতিয়ে ইমান দূৰলৈকে শিপাইছে যে ফাঁকি, প্ৰবঞ্চনা, অন্যায়, অবিচাৰকেই সমাজৰ প্ৰচলিত নীতি যেন অনুমান হয়। অধিকাংশ লোকেই আজি এইবোৰৰ বিৰুদ্ধে মাত মতাৰ সাৰ্থকতা উপলব্ধি নকৰে। মুষ্টিমেয় যি কেইজন লোকে সমাজৰ বাবে— মানুহৰ বাবে কিবা এটা কৰাৰ মানসেৰে এইবোৰৰ প্ৰতিবাদ কৰিবলৈ আগবাঢ়ি আহে, তেওঁলোক সমাজৰ দুষ্কৃতিকাৰীসকলৰ দ্বাৰা পদে পদে এনেদৰে অপদস্থ আৰু লাঞ্ছিত হয় যে তেওঁলোকে এটা সময়ত প্ৰতিৰোধৰ সকলো শক্তি হেৰুৱাই নিষ্ক্ৰিয় হ'বলৈ বাধ্য হয়।

বৰ্তমান প্ৰচলিত দুৰ্নীতিমূলক কাৰ্যকলাপৰ প্ৰধান কাৰণ হৈছে মানবীয় সকলো মূল্যবোধৰ প্ৰতি মানুহৰ চৰম আস্থাহীনতা। বৰ্তমান সময়ত বৈজ্ঞানিক প্ৰগতি আৰু বিভিন্ন দৰ্শনৰ সংঘাতৰ ফলত মানুহৰ দৃষ্টিভংগীৰ দ্ৰুত পৰিবৰ্তন হৈ আহিছে। ধুৰন্ধৰ, ভণ্ড আৰু নৈতিকতাহীন এচন লোকে যেতিয়া মন্ত্ৰীৰ গাদীত বহি দেশৰ ৰাজনীতি নিয়ন্ত্ৰণ কৰে, দুৰ্নীতিপৰায়ণ, ভেজালকাৰী আৰু চোৰাং কাৰবাৰী এজনে যেতিয়া কেৱল টকাৰ জোৰত সমাজত সন্মানিত স্থান লাভ কৰে আৰু যেতিয়া দেশৰ বাবে— দহৰ বাবে নিঃস্বাৰ্থভাৱে সেৱা কৰিও এজন সৎলোক সমাজৰ অৱহেলাৰ পাত্ৰ হয়, তেতিয়া মানবীয় মূল্যবোধসমূহৰ প্ৰতি মানুহৰ আস্থা নোহোৱা হোৱাটো তেনেই স্বাভাৱিক।

সমাজৰ প্ৰগতিৰ বাবে এই সামাজিক ব্যাধি প্ৰতিৰোধ কৰাটো অপৰিহাৰ্য। ইয়াক কৰিবলৈ হলে পৰিকল্পিত আঁচনি, বহুজনৰ নিঃস্বাৰ্থ সেৱা আৰু এক জাতীয় চেতনাৰ আৱশ্যক। এই ধৰণৰ সমূহীয়া প্ৰচেষ্টাৰ মূল লক্ষ্য হ'ব লাগিব মানুহৰ মাজত স্বাৱলম্বিতা গঢ়ি তোলা আৰু সমাজত অৰ্থনৈতিক সংস্কাৰ সাধন কৰা। দেশৰ প্ৰতিজন কৰ্মক্ষম লোকেই সামৰ্থ্য অনুযায়ী কৰ্মসংস্থান পালেহে দেশত সুস্থ অৰ্থনীতি গঢ়ি উঠিব। দেশৰ কৃষি আৰু কুটীৰ শিল্পসমূহৰ বিস্তৃত উন্নতি সাধনৰ জৰিয়তেহে এইটো সম্ভৱপৰ হ'ব। এই ক্ষেত্ৰত আমাৰ শিক্ষা-পদ্ধতিও কৰ্মমুখী হোৱা প্ৰয়োজন। সমাজৰ যি কোনো কামৰ প্ৰতি মানুহৰ মন আকৰ্ষণ কৰিবলৈ হলে শ্ৰমৰ মৰ্যাদাৰ প্ৰতি নতুন মূল্যবোধ গঢ়ি তোলাটো অতি প্ৰয়োজন। দেশত সুস্থ অৰ্থনীতি গঢ়ি তোলাত সমবায় পদ্ধতিৰ বিশেষ ভূমিকা আছে। মানুহৰ লাগতীয়াল সকলো বস্তু সমবায় পদ্ধতিৰ জৰিয়তে যোগান ধৰাৰ ব্যৱস্থা কৰিব পাৰিলে অনেক ক্ষেত্ৰত দুৰ্নীতিমূলক কাৰ্যকলাপ প্ৰতিৰোধ কৰিব পৰা যায়। মানুহৰ মাজত জাতীয় ভাব গঢ়ি তুলিব পাৰিলেহে এই ব্যৱস্থাসমূহ কৃতকাৰ্য হ'ব।

উল্লিখিত ব্যৱস্থাসমূহ কাৰ্যকৰী কৰাৰ লগে লগে সকলো ধৰণৰ দুৰ্নীতি কঠোৰ হাতেৰে দমন কৰিব লাগিব। বৰ্তমান আমাৰ দুৰ্নীতিৰ বিৰুদ্ধে লোৱা ব্যৱস্থাসমূহ "হাতী চুৰ কৰি আগে আগে যায়, বেঙেনা চুৰক ধৰে।" এই নীতিৰ মাজতে সীমাবদ্ধ। এই দৃষ্টিভংগীৰ সলনি কৰি নিৰপেক্ষভাৱে এই সমস্যাৰ সন্মুখীন হোৱা প্ৰয়োজন। প্ৰচলিত আইন-ব্যৱস্থাৰ সংশোধনৰ জৰিয়তে বৰ্তমান সমাজৰ দুৰ্নীতিমূলক কাৰ্যকলাপ প্ৰতিৰোধ কৰাটো সম্ভৱপৰ। দেশৰ কোটিপতি দালাল, ভেজালকাৰী আৰু চোৰাং কাৰবাৰীক মুকলিভাৱে গুলী কৰিব পৰাকৈ দেশৰ আইন ব্যৱস্থা সংশোধন কৰিলে আৰু সেই অনুসৰি অগ্ৰাধিকাৰ ভিত্তিত কেইজনমানৰ ওপৰত কাৰ্য ব্যৱস্থা লব পাৰিলে বৰ্তমান প্ৰচলিত দুৰ্নীতি অচিৰেই নাইকিয়া হ'ব। কিন্তু বৰ্তমান প্ৰচলিত গণতান্ত্ৰিক সমাজ ব্যৱস্থাত এই ধৰণৰ কঠোৰ আইন প্ৰণয়ন কৰা আৰু সেই অনুসৰি কাৰ্য-ব্যৱস্থা লোৱাটো সম্ভৱ হ'বনে?

—সুধন্য কুমাৰ দাস,
মঙলদৈ

## ভোগালীৰ অপসংস্কৃতি

আজি কেইবছৰৰ পৰা উৰুকাৰ নামত— আনৰ ঘৰৰ পৰা জেওৰা আদি তুলি আনি জ্বলাই দিয়া, মূলা, কবি, আলু, পাচলিবাৰী ধ্বংস কৰা, আনৰ হাঁহ-পাৰ ধৰি আনি ভোজ খোৱা এই দানবীয় কামবিলাক এচামে কৰি আহিছে। এই দানবীয় কামবিলাকৰপৰা যে দুখীয়া ৰাইজ ক্ষতিগ্ৰস্ত হৈছে, তাক তেওঁলোকে ভাবি চোৱা নাই, বৰং ৰংহে পাইছে!! আমাৰ সংস্কৃতি সম্পৰ্কে আন ঠাইৰ মানুহে কি মন্তব্য কৰিব পাৰে তাক এতিয়া চালিজাৰি চোৱাৰ একান্ত দৰকাৰ। ভোগালীৰ এই অপসংস্কৃতি নিৰ্মূল কৰা উচিত।

—নিৰ্মল কুমাৰ কলিতা,
চলন্তাপাৰা, গোৱালপাৰা

## আৰু কিমান দিন

আন বছৰৰ দৰে এই বাৰো আমাৰ গাঁৱত যুৱকসকলে মেজি পাতি আনন্দ কৰিছিল। তেওঁলোকে মাইকত গোটেই ৰাতি হিন্দী গান বজাই সকলোকে শুব নোৱৰাকৈ আমনি দিছিল।

মাইক বজোৱাত কোনোলোকে বাধা দিব নোৱাৰে; কিয়নো বাধা দিলে ল'ৰাইতে বেয়া পাব, হয়তো খং কৰিব। বোধহয় এতিয়াটো যুৱকসকলক বেয়া পোৱাটো কৰিব নোৱাৰি!

কিন্তু মোৰ কথা হ'ল এতিয়াও অসমীয়া ৰাইজে, বিশেষকৈ যুৱকসকলে আনন্দ ফূৰ্তিৰ নামত মেজিৰ দিনাও ডিস্ক'মাৰ্কা হিন্দী গানকে বাপতিসাহোন বুলি বজাই থাকিবনে?

—প্ৰদীপ কুমাৰ গগৈ,
লুমটাই চংকলা

## নৈতিকতা

এই বতৰত পিকনিকৰ থলীত বেছি ভাগ পিকনিক দলৰ চেমনীয়া আৰু যুৱকে মদ খাই কৰা অশ্লীল চিঞৰ-বাখৰ, বিহুৰ ঠাচত নচা বিকৃত নৃত্য আদিলৈ লক্ষ্য কৰিলে বিগত ছবছৰত এটা অহিংস শান্তিপূৰ্ণ আন্দোলন চলিছিল বুলি ধাৰণাই নহয়। অথচ নৈতিকতা আন্দোলনটোৰ মূল চালিকা শক্তি আছিল। এই চেমনীয়া আৰু যুৱকসকলেই আন্দোলনটোৰ কৰ্মী আৰু স্থানীয়ভাৱে কিছুমান নেতা আছিল। আন্দোলনটোৰ এচাম যুৱক নেতাই সাহসেৰে শাসনৰ গাদীত বহি দুৰ্নীতিমুক্ত নিকা সমাজ এখন প্ৰতিষ্ঠাৰ কথা দৃঢ়ভাৱে ঘোষণা কৰিছে। দুৰ্নীতিমুক্ত শব্দদুটা নৈতিকতাৰে অৰ্থবাহক। তেনেহলে পিকনিক থলীত অশ্লীল আচৰণ কৰা, ৰাস্তাই ঘাটে ছিগাৰেট হুপি অশালীন আচৰণ কৰা, চিনেমা হলত সস্তীয়া হিন্দী ছিনেমা চাবলৈ ভিৰ কৰা চেমনীয়া আৰু যুৱকচামৰ লক্ষ্য কি? এই চাম চৰিত্ৰৰ প্ৰতি অকণো সজাগ নহয় নেকি? এই চামটোৰ মানসিকতা কিমান নিম্নখাপৰ হ'ব পাৰে ভাবিবই নোৱাৰি। নৈতিক স্খলন ঘটা চামটোৰ মানসিকতা সলনি কৰিবলৈ অসমবাসীয়ে সঁচা অৰ্থত নিজৰ বুলি ভবা দুৰ্নীতিমুক্ত (বৰ্তমানলৈ দুৰ্নীতিযুক্ত বুলি একো অভিযোগ নাই) চৰকাৰৰ সহযোগিতাৰে ছাত্ৰ নেতা, শিক্ষক, অভিভাৱক আৰু সমাজৰ চিন্তাশীল ব্যক্তিসকলে এটা আন্দোলন আৰম্ভ কৰিব নোৱাৰেনে? কাৰণ সাম্প্ৰতিক বিশ্বত অভাৱনীয় শান্তিপূৰ্ণ অহিংস ছবছৰীয়া আন্দোলনটোৰ গুৰিত নৈতিকভাৱে বলীয়ান এচাম যুৱকৰ বলিষ্ঠ নেতৃত্ব আৰু এচাম দেশপ্ৰেমিক চিন্তাশীলৰ সুস্থ পৰামৰ্শ বুলিয়েই বিশ্বৰ মানুহে জানে।

—শশধৰ বৈশ্য,
চিৰাজুলি শোণিতপুৰ

## মন্ত্ৰীৰ লগত যোগাযোগ

আজি হঠাতে এজন কৰ্মচাৰী বন্ধুৰ লগত সাক্ষাৎ ঘটিল। তেখেত খুব ব্যস্ত। কলে— কাইলৈ ৰাজধানীলৈ যাব লাগে। অতুলক লগ কৰিবলৈ। ২৬ জানুৱাৰীত ডিফুলৈ আহিব। আমাৰ কৰ্মচাৰী পৰিষদৰ তৰফৰ পৰা সেইদিনা তেখেতক এসাজ ভাত খুৱাবলৈ নিমন্ত্ৰণ জনাই আহোঁগৈ। আচৰিত হলো। কৰ্মচাৰী বন্ধু চতুৰ্থ শ্ৰেণীৰ চাকৰিয়াল। ডিফুৰে হোমগাৰ্ড অফিছত। বিদেশী বিতাৰণ আন্দোলনৰ সময়ত চাকৰি গৈছিল। পাছত শুনিছিলোঁ এজন মন্ত্ৰীৰ (মন্ত্ৰীসভাৰ আমোলত) 'চামচা' নামে জনাজাত এজন ল'ৰাৰ (বৰ্তমান এই ল'ৰাজনে ডিফুতে ঠিকা-ঠুকলি কৰে। কিছুদিন আগলৈকে অফিছাৰসকলক ঠিকা-ঠুকলি নিদিলে উক্ত মন্ত্ৰীজনাৰ হতুৱাই বদলি কৰাৰ ভাবুকিও দি আছিল। এতিয়া গণ পৰিষদ চৰকাৰ গঠন হোৱাৰ পাছত এওঁ 'গণ পৰিষদ'ৰ হৈছে) সৈতে লগ লাগি কিবা প্ৰকাৰে চাকৰিত যোগ দিয়ে। এতিয়া কথা হৈছে বৰ্তমানৰ মন্ত্ৰী অতুল বৰাদেৱক ডিফুলৈ আহোঁতে এসাজ ভাত খুৱাবলৈ, তেখেত দিছপুৰলৈ মন্ত্ৰীক লগ কৰিবলৈ যাব লগা হ'ল কিয়? ইয়াতেই উপায়ুক্তৰ সৈতে যোগাযোগ কৰি এই কাৰ্যসূচী হাতত ল'বপৰা গ'লহেঁতেন। স্থানীয়ভাৱে সমাধান হোৱা সাধাৰণ কাম এটাৰ বাবেই যদি মন্ত্ৰীক লগ কৰিবলৈ যোৱা হয়, তেনে হলে মন্ত্ৰীসকলে এনে লোকক সাক্ষাৎ দিওঁতেই অনেক সময় পাৰ কৰিব লাগিব। মন্ত্ৰীৰ লগত "ভাল ভাব" থকাটোকে স্থানীয় ৰাইজক দেখুৱাবলৈ দিছপুৰলৈ গৈ থাকিলে মন্ত্ৰীসকলে অৱকাশ পাব ক'ত? গতিকে এখেতৰ দৰে লোকক অনুৰোধ জনাওঁ,— মন্ত্ৰীসকলৰ লগত নিজৰ চিনাকি থকাটোকে সৰ্বসাধাৰণ ৰাইজক দেখুৱাবলৈ সাধাৰণ কাম এটাৰ বাবে দিছপুৰলৈ গৈ দায়িত্বশীল মন্ত্ৰী একোজনক যেন অযথা জুলুম নকৰে।

—ইন্দ্ৰকান্ত তেৰাং, ডিফু

## "নতুন বাওঁপন্থী আবিষ্কাৰ"

শ্ৰীকুলদীপ নায়াৰৰ বিশেষ প্ৰবন্ধ 'নতুন বাঁওপন্থী আবিষ্কাৰ' (১৬।১।৮৬) পঢ়ি উপকৃত হৈছোঁ আৰু এনে লিখনি আমালৈ কঢ়িয়াই অনাৰ বাবে 'প্ৰান্তিক'লৈ ওলগ জনাইছোঁ। শ্ৰীনায়াৰৰ উক্ত প্ৰবন্ধৰ কিছুমান ক্ষেত্ৰত আমি একমত হ'লেও কিছুমান ক্ষেত্ৰত তেখেতে যে সঠিক দৃষ্টিভংগী দাঙি ধৰা নাই সেইটো আমাৰ চকুত পৰিছে। উদাহৰণ স্বৰূপে 'ইণ্ডিয়ান পিপলছ ফ্ৰণ্ট' (I.P.F.) প্ৰকৃততে কোনো নক্সালপন্থীৰ সংগঠন নহয়। আমি জনাত ১৯৮২ চনৰ ২৪, ২৫ আৰু ২৬ এপ্ৰিল তাৰিখে ভাৰতৰ বিভিন্ন প্ৰান্তৰ বিভিন্ন গণতান্ত্ৰিক ব্যক্তি, সংগঠনসমূহৰ সহযোগত নতুন দিল্লীত এই সংগঠনটোৰ জন্ম হয়। ই ৰাজনৈতিক দলৰপৰা সম্পূৰ্ণ আঁতৰত। ইয়াৰ নিজা সংবিধান, কৰ্মসূচী আছে। আৰম্ভণিৰপৰা এই সংগঠনে ভাৰতবৰ্ষৰ বিভিন্ন গণতান্ত্ৰিক আন্দোলনক সমৰ্থন তথা সেইবোৰৰ লগত সহযোগ কৰি আহিছে। অসম আন্দোলনকো ই আজিলৈকে সমৰ্থন দি আহিছে। কিন্তু এই সংগঠন যিহেতু বিভিন্ন গণতান্ত্ৰিক ব্যক্তি বা সংগঠনসমূহৰ এটা ফ্ৰণ্ট বা মৰ্চা, গতিকে ইয়াত কোনোবা নক্সালপন্থী দলৰ ব্যক্তিও থাকিব পাৰে, যি ইয়াৰ কৰ্মসূচী আৰু সংবিধান মানি চলে। সেই বুলি এই সংগঠনটোক কেৱল নক্সালপন্থীসকলৰ সংগঠন বুলি কব নোৱাৰি।

—লাৱণ্য বৰ্মণ,
কৰুয়া, নলবাৰী

## প্ৰেম আৰু দেশপ্ৰেম

শ্ৰীশান্তনু বৰগোহাঞি আৰু দীপান্বিতা বৰগোহাইৰ চিঠিকেইখনৰ (১৬।১।৮৬) প্ৰতি মোৰ দৃষ্টি বিশেষভাৱে আকৰ্ষিত হৈছে। আজি আমাৰ মাজত থকা কিছুমান ব্যক্তিগত বেয়া সম্পৰ্কৰ ফলত বহুতো লোক লাঞ্ছিত হ'ব লগা হৈছে। কিছুমান ভিত্তিহীন সন্দেহকে লৈ বহুতকে মিছাকৈয়ে কংগ্ৰেছী বা এ. জি. পি. বিৰোধী আখ্যা দিয়া হৈছে। মোৰ দৰে প্ৰতিজন অসমীয়াই আজি অসম মাতৃৰ উন্নতি কামনা কৰে আৰু এই উদ্দেশ্য সাধনৰ সময়ো উপস্থিত হৈছে। গতিকে আমাৰ মাজৰ ব্যক্তিগত সম্পৰ্ক এই ক্ষেত্ৰত প্ৰাচীৰ হৈ থিয় দিয়াটো জানো কোনোবাই বিচাৰে? দেশৰ এনে এটা অৱস্থাত আমি প্ৰত্যেকেই ইজনে সিজনক ভাল পাবলৈ লোৱাটোহে প্ৰকৃত দেশপ্ৰেম হ'ব বুলি মই ভাবোঁ।

—ভুবনেশ্বৰ শইকীয়া, নগাঁও

## শুধৰণী

"মুখ্যমন্ত্ৰী প্ৰফুল্লকুমাৰ মহন্ত— আঁৰত থকা অন্তৰংগ কথা" শিৰোনামাৰ (১৬।১।৮৬) প্ৰবন্ধত থকা দুটামান কথাৰ সংশোধনী দিয়াৰ প্ৰয়োজন হৈছে। শ্ৰীমহন্ত আৰু মই মাধ্যমিক আৰু কলেজ পৰ্যায়ত সহপাঠী আছিলোঁ। আমাৰ অধ্যয়নৰ সময় এনেকুৱা হব লাগে: মাধ্যমিক পৰ্যায়ৰ শিক্ষা— কুঁৱৰীটোল উচ্চ ইংৰাজী বিদ্যালয় (১৯৬৪-৭০), কলেজ পৰ্যায়ৰ শিক্ষা— নগাঁও কলেজ (১৯৭১-৭৫)।

—হৰেশ্বৰ শৰ্মা,
কলিয়াবৰ (উলুৱনি)

## সম্প্ৰদায়হীন নাম

হৈ যোৱা নিৰ্বাচনটোত মই সৰ্বভাৰতীয় দল এটিৰ পতাকাৰ তলত আছিলোঁ। নিৰ্বাচনী প্ৰচাৰ কাৰ্য চলাওঁতে মই মুখামুখি হোৱা এটা বিষয় সম্পৰ্কে ৰাইজক আৰু চৰকাৰক অৱগত কৰাব খুজিছোঁ।

নিৰ্বাচনী প্ৰচাৰ-কাৰ্য চলাওঁতে সাম্প্ৰদায়িকতাবাদৰ পৃষ্ঠপোষকতা কৰা ব্যক্তিৰ মুখামুখি হৈছিলোঁ। আমাকো শলঠেকত পেলাবলৈ বহুতে যত্ন কৰিছিল। গতিকে আমাৰ সমাজত যিবোৰ গাঁও সম্প্ৰদায়ৰ নামেৰে নামকৰণ কৰা আছে— যেনে আহোম গাঁও, মিৰি গাঁও, কছাৰি গাঁও, কৈৱৰ্ত গাঁও, বঙালী গাঁও, নেপালী গাঁও ইত্যাদি— এইবোৰ গাঁৱৰ নাম নৱগঠিত নতুন চৰকাৰে আঁতৰ কৰি নতুনকৈ নামকৰণ কৰিব বুলি অনুৰোধ কৰিলোঁ।

অন্যান্য আন্দোলনৰ লগতে উক্ত সামাজিক আন্দোলনটি নতুন গণপৰিষদ চৰকাৰে কাৰ্যকৰী কৰিবলৈ উদ্যোগ হাতত ললে মোৰ সমৰ্থন আৰু সহযোগিতা আগবঢ়াম।

—অশোক গগৈ,
টিংখাং দিল্লীবাৰী, ডিব্ৰুগড়

## শিক্ষক নিযুক্তি বিষয়ক

অসমৰ পলিটেকনিক সমূহত ছেমেষ্টাৰ পদ্ধতি প্ৰৱৰ্তন কৰা আজি কিছু বছৰহে হৈছে। এই পদ্ধতিৰে কৰা শিক্ষাদানত যথেষ্ট আসোঁৱাহ থকা দেখা গৈছে। এই পদ্ধতিৰ নিয়ম অনুযায়ী ছমাহৰ ভিতৰত এটা টাৰ্মৰ পৰীক্ষা পাতি ফলাফলসমূহ ঘোষণা কৰিব লাগে। গতিকে পাঁচ মাহৰ ভিতৰত পাঠ্যক্ৰম শেষ কৰিব লাগিব। কিন্তু কাৰ্যত দেখা গৈছে যে অসমৰ কোনো এখন পলিটেকনিকতে ছেমেষ্টাৰ পদ্ধতিত বিভিন্ন বিষয়ত ভালদৰে শিক্ষাদান কৰি পাঠ্যক্ৰম শেষ কৰিব পৰা নাই। কিছুমান বিষয়ত কেৱল মাথো থূলমূলভাৱে শিক্ষা দিয়েই পাঠ্যক্ৰম সামৰি থোৱা হয়। গতিকে ছাত্ৰ-ছাত্ৰীসকলে তেনে বিষয়ত ভালদৰে জ্ঞান আহৰণ কৰিব নোৱাৰে; সেই বাবে সেই বিষয়ত তেওঁলোক উত্তীৰ্ণ হোৱাও কঠিন হয় আৰু চাকৰিৰ জীৱনত য়ঠেষ্ট অসুবিধাৰ সন্মুখীন হয়। এই অসম্পূৰ্ণ শিক্ষাদানৰ মূল কাৰণ নিৰ্দিষ্ট পৰিমাণৰ শিক্ষাদাতাৰ অভাৱ। অসমত এনে এখন পলিটেকনিক নাই, য'ত ভালদৰে শিক্ষাদিবলৈ অধ্যাপক, ছিনিয়ৰ ইনষ্ট্ৰাক্টৰ আৰু ইনষ্ট্ৰাক্টৰৰ অভাৱ নাই। য'ত ৬।৭ জন অধ্যাপকৰ প্ৰয়োজন তাত ৪।৫ জন, য'ত ৪।৫ জন ছিনিয়ৰ ইনষ্ট্ৰাক্টৰৰ প্ৰয়োজন তাত ২।৩ জনেই শিক্ষাদানৰ কাম চলাই থকা দেখা যায়। সেই পদসমূহত ৪ বা ৫ বছৰতো কোনো অধ্যাপক নিযুক্তি দিয়া দেখা নাযায়। গতিকে এই কম পৰিমাণৰ অধ্যাপকসকলেই সকলো বিষয়সমূহ ভাগ কৰি লবলগীয়া হয়। এই অধ্যাপকসকলে দিনটোত অলপো আজৰি নোপোৱাকৈ ড্ৰইং, লেবৰেটৰি আদি কৰি সকলোবিলাক টাৰ্মৰ শ্ৰেণীসমূহ চলাবলগীয়া হয়। একেজন মানুহেই অলপো আজৰি নোপোৱাকৈ ক্লাছ কৰি থাকিলে পাছৰ শ্ৰেণীসমূহত ক্লান্ত হৈ পৰা বা অনুপস্থিত হোৱা স্বাভাৱিক। তদুপৰি কোনো অধ্যাপক ছুটীত থাকিলে সেই অধ্যাপকৰ ক্লাছসমূহ চলাবলৈ বিভাগীয় আন কোনো অধ্যাপক নাথাকে (প্ৰতি টাৰ্মত এজন অধ্যাপকৰ হাতত কমেও দুটাকৈ ক্লাছ থকা দেখা যায়)। সেইবাবে তেনে বিষয়সমূহত ছাত্ৰ-ছাত্ৰীৰ ভাল জ্ঞান থকা দেখা নাযায়। গতিকে বিভাগীয় কৰ্তৃপক্ষৰ পৰা জানিব খোজোঁ— কাৰিকৰী শিক্ষা দিবলৈ অসমত উপযুক্ত লোকৰ অভাৱ হৈছে নেকি?

—স্তৱ গোঁহাই,
যোৰহাট

## কথাটো সঁচানে?

ছান ডে' আলোচনীৰ— ১৯৮৫ চনৰ ৫-১১ জানুৱাৰী সংখ্যাত Without Comment শিতানত প্ৰকাশিত এটি বাতৰি মতে The Week কাকতত শ্ৰীহিতেশ্বৰ শইকীয়াই কৈছে যে— "Student? What sort of student is Prafulla Mahanta? At that age I was the Home Minister of Assam" তাৰ মানে ৩২/৩৩ বছৰ বয়সত শ্ৰীশইকীয়া অসমৰ গৃহ মন্ত্ৰী আছিল। কথাটো সঁচানে?

—গোবিন্দ দাস, দেৰগাওঁ



OKDISCD

## বজাৰ কৰি খোজ কাঢ়ি ঘৰলৈ ওভতা প্ৰধানমন্ত্ৰী !

'...কিন্তু গণতান্ত্ৰিক পদ্ধতিত নিৰ্বাচিত নেতাসকলৰো চালচলন বহু পৰিমাণে ৰাজকীয়। ট্ৰেজেডি এয়ে যে সাধাৰণ মানুহে যাক ভোট দি, যাৰ হাতত ক্ষমতা তুলি দিয়ে, সেই মানুহটি বৰ্ম পিন্ধি, দেহৰক্ষী পৰিবৃত অৱস্থাত থাকিব লগা হয়, সাধাৰণ মানুহৰ মাজত ঘুৰাফুৰাৰ সুযোগ তেওঁৰ নাথাকে।

'কিছুদিনৰ আগেয়ে মই ছুইডেনত ফুৰিবলৈ গৈছিলো। তাৰ বন্ধুসকলে মোক ষ্টকহোম নগৰখনত ফুৰাই ফুৰাই এঠাইত এটা সৰু ধৰণৰ পথত এটা ঘৰ দেখুৱাই ক'লে, এই ঘৰটোতে ছুইডেনৰ প্ৰধানমন্ত্ৰী থাকে। তাত এজনো চিপাহী-চন্তৰী নাই। শুনিবলৈ পালো, প্ৰায়ে দেখা যায়— কেবিনেটৰ মিটিং সামৰি ওভতাৰ পথত ছুপাৰ মাৰ্কেটৰপৰা বজাৰ কৰি প্ৰধানমন্ত্ৰী খোজ কাঢ়ি ঘৰলৈ ওভতে।

'যিমান বেছি দুখীয়া দেশ, সিমান বেছি আড়ম্বৰ, সিমান বেছি পুলিছ-মিলিটেৰিৰ প্ৰতাপ। এছিয়াড খেলৰ সময়ত দিল্লীক নতুনকৈ সজাই-পৰাই অন্য দেশৰ প্ৰতিনিধিসকলক দেখুৱাবৰ চেষ্টা কৰা হৈছিল— ভাৰত দুখীয়া নহয়। আমাৰ দেশৰ ৰাষ্ট্ৰপতি, প্ৰধান-মন্ত্ৰীসকল একো একোখন মিটিং কৰিবলৈ যায়; তাৰ বাবে কিমান লাখ টকা যে বাজে খৰচ হয় তাৰ সীমা সংখ্যা নাই। বস্তিৰ মানুহবোৰৰ দুয়োবেলা চকুৰ তলৰ জুই নজ্বলে, তাৰ কামতে নিৰ্মাণ হয় পাঁচ তৰাৰ হোটেল... ।'

[ 'দেশ'ত সুনীল গংগোপাধ্যায় : ঢাকাত অনুষ্ঠিত ছাৰ্ক শীৰ্ষ সন্মিলনলৈ প্ৰধানমন্ত্ৰীৰ লগত যাওঁতে হোৱা অভিজ্ঞতাৰ পৰা।]

## 'হিন্দু' গীৰ্জা

'... তৃতীয় বিশ্বৰ আনবোৰ দেশৰ দৰে ভাৰতৰ কেথলিক সকলো গীৰ্জাৰ আচাৰ-অনুষ্ঠানবোৰ স্থানীয়, সংস্কৃতিৰ লগত খাপ খুৱাই লোৱাৰ ক্ষেত্ৰত কিমান দূৰলৈকে যোৱা উচিত সেই লৈ বিভক্ত হৈ পৰিছে। ভাৰতৰ বিছপসকলে কেথলিক আশ্ৰম-সমূহৰ প্ৰসাৰত, হিন্দুসকলৰ গূঢ় অৰ্থ-পূৰ্ণ সংস্কৃত মন্ত্ৰ ওঁম ধ্বনিত কৰাত, উপাসনাত ভাৰতীয় ধুপ ব্যৱহাৰ কৰাত আৰু গীৰ্জাত সোমোৱাৰ আগেয়ে বাহিৰত জোতা খুলি থৈ যোৱা প্ৰথাত উৎসাহ যোগাইছে। কিছুমান ৰক্ষণশীল কেথলিক গোষ্ঠীয়ে এনে হিন্দুয়ানা আচাৰ-অনুষ্ঠানৰ ঘোৰ বিৰোধিতা কৰিছে। কিন্তু জন পলে উপস্থিত হোৱাৰ ঠিক পাছতে ভাৰতৰ বিচপসকলৰ লগত হোৱা এখন সভাত গীৰ্জাৰ প্ৰাৰ্থনা-অনুষ্ঠানবোৰত ভাৰতীয় আচাৰ-অনুষ্ঠান লগ লগোৱাৰ প্ৰচেষ্টা-বোৰক সমৰ্থন জনায়।...'

['নিউজ উইক'ৰ পৰা]

## এজন আদৰ্শ ভাৰতীয়

'...গোটেই দেশখনেই মোৰ গন্তব্য-স্থল। মোৰ জন্ম কৰ্ণাটকত, বিয়া কৰাইছো বংগত, আত্মগোপন কৰিছিলো উৰিষ্যাত আৰু গ্ৰেপ্তাৰ হৈছিলো কলিকতাত। মোৰ বিৰুদ্ধে গোচৰটো আছিল গুজৰাটত। মোক আটক কৰি থৈছিল হিছাৰত। গোচৰটোৰ বিচাৰ হৈছিল দিল্লীত। এতিয়াও কোনোৱাই জানিব খোজেনে মই ক'লৈ যাম?

[ জৰ্জ ফাৰ্ণাণ্ডেজ : 'দি ইলাষ্ট্ৰেটেড উইকলী'ত দিয়া উদ্ধৃতি।]

## সম্পাদক ডাঙৰীয়া !

'মই বুঢ়িছ আৰু সেইকাৰণে হয়তো কথাটো বুজা নাই, কিন্তু গা বেজাই যোৱা, তীব্ৰ বা-বাতৰিৰে উপচি থকা বছৰ এটাত আপোনাৰ আন দিশত অতি উত্তম বৎসৰান্তৰ সংখ্যাটোৰ এটা সম্পূৰ্ণ পৃষ্ঠা 'অত্যন্ত অদৰকাৰী মানুহ' ব্ৰুছ স্প্ৰিংষ্টিনৰ বাবে খৰচ কৰাৰ প্ৰকৃততে কিবা প্ৰয়োজন আছিলনে? মই শুনিছো মানুহটো তেওঁৰ বৃত্তিৰ কামটোত অসামান্য পাৰদৰ্শী, কিন্তু সেইটো হ'লেও, ৰাণী দ্বিতীয় এলিজাবেথো তেনেকুৱাই—আৰু তেওঁ চকুত নপৰা ছপা আখৰত বাদে আন ধৰণে একেবাৰে প্ৰচাৰ নাপায়।'

['নিউজ উইক'ত প্ৰকাশ পোৱা চিঠি।]




[কাৰ্টুনিষ্ট আৰ. কে. লক্ষ্মণ 'দি টাইমচ অৱ ইণ্ডিয়া'ত।]





# মুখ্যমন্ত্ৰী হিচাপে নতুন দিল্লীত প্ৰফুল্ল কুমাৰ মহন্ত

ছবছৰীয়া বাক-বিতণ্ডাৰ অভিজ্ঞতাৰ পাছত যোৱা তিনি ফেব্ৰুৱাৰীত প্ৰফুল্ল কুমাৰ মহন্ত অসমৰ মুখ্যমন্ত্ৰী হিচাপে দিল্লীৰ অসম হাউছত উপস্থিত হওঁতে তেওঁক যি আন্তৰিক আদৰণি জনোৱা হৈছিল, তেনে আদৰণি ৰাজ্যখনৰ কোনো মুখ্যমন্ত্ৰীয়ে আগে-পাছে পোৱা নাই। আগৰজনা মুখ্যমন্ত্ৰীৰ আমোলত অসম হাউছটো বন্দুকধাৰী চিপাহী-চন্তৰীৰে এটা দুৰ্জেয় দুৰ্গত পৰিণত হৈছিল। (কিছুমানে কয়, বাটকৰাই অসম হাউছলৈ কেৰাহিকৈ দৃষ্টি নিক্ষেপ কৰিলেও দায় লাগিছিল।)

মুখ্যমন্ত্ৰী মহন্তৰ প্ৰথম দিল্লী ভ্ৰমণে স. অ. ছাত্ৰসন্থাৰ সভাপতি মহন্তৰ শেষ দিল্লী ভ্ৰমণেৰে মোটামুটি সমান গুৰুত্ব পাইছিল। এই কথা স্পষ্ট হয় তেওঁক দেখা কৰিব খোজা মানুহৰ সংখ্যাৰপৰা। ৰাজধানীত মহন্তই কটোৱা পাঁচটা দিনৰ আজৰি সময়ৰ প্ৰতিটো মুহূৰ্তততে তেওঁক বিভিন্ন ধৰণৰ মানুহক লগ পোৱাৰ ব্যৱস্থা কৰিবলগীয়া হৈছিল। দৰ্শনাৰ্থীৰ ভিৰ ইমান বেছি হৈছিল যে 'পাছ' লিখাৰ দায়িত্বত থকা নিৰাপত্তাৰ লোকে দৰ্শনাৰ্থীসকলক দুইৰপৰা পাঁচ মিনিটৰ বাবেহে অনুমতি দিবলগীয়া হৈছিল।

ৰাজধানীৰ প্ৰায় প্ৰতিখন বাতৰি-কাকতেই তিনি ফেব্ৰুৱাৰী সংখ্যাত 'আজি মহন্ত পাবহি' শিৰোনামাৰ বাতৰি প্ৰকাশ কৰে আৰু চাৰি ফেব্ৰুৱাৰীৰ দিনা একাধিক কাকতে মুখ্য-মন্ত্ৰীগৰাকীৰ আলোকচিত্ৰ ছপা কৰে।

দিল্লীত উপস্থিত হোৱাৰ ক্ষন্তেক পাছতেই আগৰ সদৌ অসম ছাত্ৰ-সন্থাৰ সভাপতি হিচাপে আৰু এতিয়াৰ মুখ্যমন্ত্ৰী হিচাপে ইয়াত উপস্থিত হওঁতে কেনে লাগিছে বুলি সোধাত শ্ৰীমহন্তই প্ৰান্তিকক কয়,— "আগতে মই ৰাইজৰ ওজৰ-আপত্তিৰ বাহক হৈ আহিছিলো, এতিয়া মই ৰাজ্যখনৰ সমুদায় দায়িত্বলৈ আহিছো।"

মূলতঃ ৰাজ্যখনৰ বাৰ্ষিক পৰিকল্পনাৰ ব্যয়-নিৰ্ধাৰক সভাৰ কামত অহা মুখ্যমন্ত্ৰীয়ে অসমলৈ ঘূৰি যোৱাৰ আগমুহূৰ্তত কয় যে তেওঁৰ দিল্লী ভ্ৰমণ 'সফল' হৈছে। উল্লেখযোগ্য যে যোৱা বছৰৰ ব্যয়ৰ মঞ্জুৰি ৪১০ কোটি টকাৰ ঠাইত এইবাৰ অসমে ৫০০ কোটি টকা লাভ কৰিছে। এই পৰিমাণ আগৰ তুলনাত শতকৰা প্ৰায় ২২ ভাগ বেছি। ৰাজ্য চৰকাৰে অৱশ্যে কেন্দ্ৰৰ ওচৰত মুঠ ৫৭০ কোটি টকাৰ দাবী তুলিছিল।

অসম চুক্তি ৰূপায়ণৰ পৰিপ্ৰেক্ষিততো মহন্তই কেন্দ্ৰৰ বিভিন্ন মন্ত্ৰালয়ৰ সৈতে কিছুমান গুৰুত্বপূৰ্ণ আলোচনা চলায়। ইয়াৰ থূলমূল কথা হ'ল ভাৰত-বাংলাদেশ সীমান্তৰ অসম অংশত যিমান পৰা যায় সোনকালে কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণৰ কাম হাতত লোৱা হ'ব। এই মৰ্মে কেন্দ্ৰীয় অভ্যন্তৰীণ নিৰাপত্তা বিভাগৰ ৰাজ্য মন্ত্ৰী অৰুণ নেহৰুৱে মহন্তক আশ্বাস দিয়াৰ বাতৰি ইতিমধ্যে প্ৰকাশ হৈছেই।

মহন্তৰ নিজস্ব ধাৰণা হৈছে বেৰখনৰ নিৰ্মাণৰ আগতে সীমান্তত এটা ভাল পথ হ'ব লাগিব। ই পহৰা আৰু নিৰ্মাণ উভয় কামতে সহায়ক হ'ব।

কেন্দ্ৰই চুক্তি ৰূপায়ণত 'সম্পূৰ্ণ সহযোগিতা' জনোৱাৰ কথা ইতিমধ্যে একাধিকবাৰ প্ৰকাশ কৰিছে যদিও মুখ্যমন্ত্ৰীৰ মতে স্থানীয় কংগ্ৰেছ দলৰ গোটটোৱে ইয়াৰ প্ৰতি কেনেধৰণৰ সহযোগিতা আগবঢ়াব তাৰ ওপৰতো বহু কথা নিৰ্ভৰ কৰিছে।

ৰাজ্যখনৰ অন্যান্য উন্নয়নমূলক দিশৰ ক্ষেত্ৰত মহন্তই কেন্দ্ৰৰ ওচৰত অসমৰ খাৰুৱা তেলৰ ৰয়েলটি বৃদ্ধিৰ বিষয়টো উত্থাপন কৰাটো উল্লেখযোগ্য। বৰ্তমানৰ এই হাৰ প্ৰতি টনত ৬১ টকাৰ পৰা ৩৩৬ টকালৈ বঢ়োৱাৰ পক্ষে মহন্তই তোলা দাবীৰ বিপৰীতে কেন্দ্ৰীয় চৰকাৰ ১৯২ টকা পৰ্যন্ত যাবলৈহে ইচ্ছুক।

আনহাতে যোৰহাট আৰু ডিব্ৰুগড়ত শীঘ্ৰেই একোটাকৈ দূৰদৰ্শন ট্ৰেন্সমিচ্ছন কেন্দ্ৰ স্থাপনত দিল্লী মান্তি হোৱা বুলি মহন্তই প্ৰান্তিকক জানিবলৈ দিয়ে।

বোম্বাই আৰু গুৱাহাটীৰ মাজত এখন সাপ্তাহিক ৰেলৰ ব্যৱস্থা কৰা, তিনিচুকীয়া মেইল নিয়মীয়া আৰু অধিক গতিসম্পন্ন কৰা আৰু উজনি অসমলৈ গুৱাহাটী মহানগৰীৰ বাহিৰেদি ব্ৰডগেজ ৰেলপথ সম্প্ৰসাৰণৰ প্ৰয়োজনীয়তাৰ কথাও মহন্তই কেন্দ্ৰীয় ৰেল মন্ত্ৰীৰ ওচৰত দাঙি ধৰে।

দিল্লীৰ একাধিক সংস্থাই মুখ্যমন্ত্ৰীগৰাকীক সম্বৰ্ধনা জনাবৰ ইচ্ছা কৰিছিল যদিও মহন্তই সভা হিচাপে কেৱল অসম ছাত্ৰ সন্মিলনৰ (দিল্লী) সভাতহে সম্বৰ্ধনা গ্ৰহণ কৰে। এঘণ্টাৰো অধিক সময় জোৰা এই সভা দিল্লী বিশ্ববিদ্যালয় চৌহদত হৈছিল। গীত-মাত পৰিবেশনৰ পাছত দিল্লীৰ অসমীয়া ছাত্ৰ-ছাত্ৰীসকলে মহন্তৰ ওচৰত তেওঁলোকৰ বিভিন্ন অভাৱ অসুবিধাৰ তালিকাযুক্ত এখন স্মাৰক পত্ৰ প্ৰদান কৰে। দিল্লীত অসমৰ ছাত্ৰসকলৰ বাবে এটা আচুতীয়া ছাত্ৰাবাস নিৰ্মাণ কৰাৰ দাবীটো এই স্মাৰক পত্ৰৰ অন্যতম। এই সভাতে দেশৰ কনিষ্ঠতম মুখ্যমন্ত্ৰীক চাবৰ বাবে ভাৰতৰ বিভিন্ন অংশৰপৰা আহি বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি থকা ছাত্ৰ-ছাত্ৰীসকলেও এটা সুযোগ পায়।

দিল্লীৰ অসম এছ'ছিয়েচন আৰু আৰু অসমৰ মহিলাৰ অনুষ্ঠান 'উৰুলি'য়েও মহন্তক লগ ধৰে আৰু দিল্লী ৰাজ্য প্ৰশাসনে যোৱা আগষ্টত অসম এছ'ছিয়েচনক আগবঢ়োৱা মাটিডোখৰত শীঘ্ৰে এটা সাংস্কৃতিক তথা সামূহিক কেন্দ্ৰ নিৰ্মাণৰ কাম আৰম্ভ কৰিবৰ বাবে মুখ্যমন্ত্ৰীক অনুৰোধ জনায়। —সমুদ্ৰ গুপ্ত কাশ্যপ

# অসমৰ বনাঞ্চল উচ্ছন্ন কৰিলে

থিয় হৈ থকা গছ-জোপা বা ছাটি থকা হাবিখন কাঠ আৰু খৰিৰ লেখীয়া মানুহৰ ব্যৱহাৰ্য সামগ্ৰীৰ অকল উৎসই নহয়— আমাৰ জীৱনৰ আধাৰো, আমাৰ সভ্যতাৰ অৱলম্বনো। পাৰিপাৰ্শ্বিকতা বিজ্ঞানৰ দৃষ্টিত মানুহ আৰু সমাজ বৰ্তি থকাটো বহু পৰিমাণে নিৰ্ভৰ কৰিছে গছ-গছনিয়ে দিয়া প্ৰাকৃতিক সম্পদখিনি বিজ্ঞানসন্মতভাৱে ব্যৱহাৰ কৰিব পৰাৰ ওপৰত।

অসম বনজ সম্পদত চহকী আছিল, —অৰ্থনৈতিক দিশৰ পৰাও আৰু পৰিপাৰ্শ্বিকতা বিজ্ঞানৰ দিশৰ পৰাও। কিন্তু স্বাধীনতাৰ পাছৰ একাধিক চৰকাৰৰ উদাসীনতাৰ মূৰত শেহতীয়া গণ পৰিষদ চৰকাৰে নতুন গছ ৰোৱা আৰু গছৰ বংশবৃদ্ধি কৰা উদ্দেশ্যত বাদে আন সকলো ক্ষেত্ৰত গছ কটাটো নিষিদ্ধ কৰি দিব লগা হৈছে ;— অসমৰ বনাঞ্চল আজি ইমানেই ভয়ংকৰ বিপদৰ সন্মুখীন।

এই প্ৰসংগত জানুৱাৰীৰ শেষ আৰু ফেব্ৰুৱাৰীৰ প্ৰথম ভাগত প্ৰকাশ পোৱা কেইটামান বাতৰিয়ে দাঙি ধৰা পৰিস্থিতিটোত এচাম ব্যৱসায়ী আৰু এচাম বিষয়া কৰ্মচাৰীয়ে বন সম্পদৰ কেনে অপৰাধমূলক লুণ্ঠন চলালে তাৰ এখন ছবি ওলাইছে। কোৱা বাহুল্য যে এইখন দস্যু দলৰ শেহৰবাৰ কৰা লুণ্ঠনৰ আধা আঁকা ছবিহে (অৰ্থাৎ বাতৰি কেইটাই যিমান সামৰিব পাৰিছে তাৰহে)।

বাতৰিবোৰ এনেকুৱা : চৰকাৰী মহলৰ বাতৰিৰ মতে অসমৰ বন বিভাগৰ বিশেষ বাহিনীয়ে পুলিছৰ সহায়ত জানুৱাৰী মাহটোত ৰাজ্যৰ বিভিন্ন বন সংমণ্ডলবোৰত প্ৰায় ১ কোটি টকা মূল্যৰ অবৈধ ফলা কাঠ আৰু কাঠৰ কুণ্ডা জব্দ কৰে। সন্দেহ হ'লেই তালাচী চলোৱাৰ বিশেষ ক্ষমতা পোৱাৰ পাছত বিশেষ বাহিনীবোৰে তেওঁলোকৰ অভিযান ব্যাপক কৰি তুলিছে। নতুন চৰকাৰে গছ কটাটো নিষিদ্ধ কৰাৰ পাছত অবৈধভাৱে কটা কাঠৰ বিৰুদ্ধে জিলা প্ৰশসনৰ সহায়ত বন বিভাগৰ বিশেষ বাহিনী তৎপৰ হৈ পৰিছে।

জানুৱাৰী মাহৰ শেহত কাছাৰ পুলিছে সাতজন কাঠৰ ব্যৱসায়ীৰ ঘৰ খানাতালাচ কৰাত ২৫ লাখ টকাৰ মূল্যৰ কাঠৰ কুণ্ডা আৰু অপৰাধমূলক লেনদেনৰ ইংগিত থকা কাগজ-পত্ৰ ধৰা পৰে। পাঁচজন ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰা হৈছে আৰু দুজন পলাই ফুৰিছে। ৰেলৱেৰ গুদাম এটাতো তালাচী চলোৱা হয়। ব্যৱসায়ী কেইজনে বন বিভাগৰ কিছু কৰ্মচাৰীৰ লগত যোগ হৈ তেওঁলোকে লাইচেন্স পোৱা পৰিমাণতকৈ অধিক কাঠ সংৰক্ষিত হাবিৰপৰা চুৰ কৰে বুলি অভিযোগ কৰা হৈছে। কাছাৰৰ এই অবৈধ কাঠৰ ব্যৱসায়ী চক্ৰটোক ৰাজ্যৰ ভিতৰতে বৃহত্তম বুলি অনুমান কৰা হৈছে আৰু গুৱাহাটীৰ পৰা বন বিভাগীয় তদন্তকাৰী আৰু অৰ্থনৈতিক অপৰাধ ব্যুৰ'ৰ এটা মিলিত দল অধিক তদন্তত লগাবৰ বাবে নিয়া হৈছে।

'প্লাইউড কাৰখানাই অসমৰ হাবি-উদং কৰিলে' শিৰোনামাৰ বাতৰি এটাত কোৱা হৈছে যে ৰাজ্যখনৰ মুঠ ৯৪টা প্লাইউড কাৰখানাই ৰাজ্যৰ বহুমূলীয়া বনজ সম্পদ কাটি নিঃশেষ কৰাৰ বাহিৰে ৰাজ্যখনলৈ অন্য কিবা অৰ্থনৈতিক বৰঙণি আগবঢ়াইছেনে নাই সেইটো পুনাই চিন্তা কৰি চাব লগা প্ৰশ্ন হৈ পৰিছে। বাতৰিটোত কৰা অভিযোগমতে প্লাইউড কাৰখানাবোৰে বনজ সম্পদৰ অবাধ লুণ্ঠন চলাইছে আৰু এই কাৰখানাবোৰত থলুৱা নিযুক্তিৰ দুৱাৰ বন্ধ ৰখা হৈছে। লুণ্ঠন আৰু বঞ্চনা কেনেকৈ চলিছে তাৰ সবিশেষ তলানলা বাতৰিটোত দাঙি ধৰি উপযুক্ত তদন্ত আৰু ব্যৱস্থাৰ বাবে অসমৰ নতুন চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰা হৈছে।

চোৰাং কাঠৰ ব্যৱসায় কেনেকৈ চলিছে তাৰ এটা বিৱৰণ দাঙি ধৰি সম্পাদকলৈ লিখা চিঠি এখনত কোৱা হৈছে যে আন্তঃৰাজ্যিক সীমাত দৈনিক পশ্চিম বংগলৈ ছাইকেল আৰু গৰু-ম'হৰ গাড়ীৰে চোৰাংভাৱে কাঠ পাৰ কৰি নি থকা হৈছে। ঠাই বিশেষত মুকলি বজাৰতো দুই নম্বৰী কাঠ বিক্ৰি হৈছে।

সম্প্ৰতি নিলম্বিত হৈ থকা বন-সংমণ্ডল বিষয়া এজনৰ সম্পাদকলৈ লিখা চিঠি এখনত প্ৰসংগক্ৰমে প্ৰকাশ পোৱা তথ্যও অতি চাঞ্চল্যকৰ। বন-বিভাগৰ ভিতৰুৱা কামকাজ চলোৱাৰ পদ্ধতিটো বৰ্ণনা কৰি তেওঁ শেহৰ পিনে লিখিছে : "আগৰ বনসচিব আৰু মুখ্য বন সংৰক্ষকক তৎকালীনভাৱে চৰকাৰে আঁতৰাই বৰ উপকাৰ কৰিছে। এওঁলোকৰ বিৰুদ্ধে প্ৰায় ১৫০ কোটি টকাৰ অপচয়ৰ নথিপত্ৰ প্ৰমাণ আদি মোৰ হাতত আছে। উক্ত নথি পত্ৰবোৰ আগৰ চৰকাৰৰ হাতত অদৃশ্য হৈ যোৱাৰ ভয়ত দিয়া নহ'লেও বৰ্তমান চৰকাৰৰ হাতত দিয়া হৈছে।" —এই চাঞ্চল্যকৰ তথ্যৰ সম্পৰ্কত নতুন চৰকাৰে কি ব্যৱস্থা লয় তাৰ বাট চোৱাৰ বাহিৰে এতিয়া আন মন্তব্য নিষ্প্ৰয়োজন।

* সংযুক্ত সংখ্যালঘু মৰ্চা বিধায়িনী দলৰ নেতা এ. এফ. গোলাম ওচমানিয়ে স. সং. ম. দলে অসম চুক্তিৰ ৰূপায়ণত চৰকাৰৰ লগতে সহযোগিতা কৰিবলৈ সন্মত হোৱা বুলি বিবৃতি দিয়া বাবে অসমৰ গৃহ মন্ত্ৰী ভৃগু কুমাৰ ফুকনৰ তীব্ৰ সমালোচনা কৰিছে। বিবৃতিটো ভুল পথে পৰিচালিত হোৱাৰ লগতে ই সংখ্যালঘুসকলৰ মনতো সন্দেহৰ সৃষ্টি কৰিছে বুলি তেওঁ কলিকতাত সাংবাদিকৰ আগত কয়। শ্ৰীওচমানিয়ে কয় যে তেওঁৰ দল চুক্তিখন ৰদ কৰাৰহে পক্ষপাতী ; কাৰণ ই অসমৰ সংখ্যালঘু আৰু জনজাতীয়সকলৰ স্বাৰ্থৰ বিপৰীতে গৈছে। তেওঁ অ. গ. প. চৰকাৰক চুক্তিখন নতুনকৈ বিবেচনা কৰাৰ অৰ্থে এখন সৰ্বদলীয় সভা পাতিবলৈ আহ্বান জনায়।



* চলচ্চিত্ৰ উদ্যোগে ছেন্সৰ ব'ৰ্ড বৰ্জন কৰাৰ সিদ্ধান্ত লৈছে। এই অনুসৰি যোৱা ৩ ফেব্ৰুৱাৰীৰপৰা প্ৰমাণ পত্ৰৰ বাবে ছেন্সৰ ব'ৰ্ডৰ ওচৰত ছবি দাখিল নকৰাৰ সিদ্ধান্ত লোৱা হৈছে। সদৌ ভাৰত চলচ্চিত্ৰ প্ৰযোজক পৰিষদে লোৱা এই সিদ্ধান্তৰ কথা ঘোষণা কৰি ইয়াৰ সভাপতি ৰামৰাজ নাহটাই কয় যে ভালেমান ছবিক প্ৰমাণ পত্ৰ দিবলৈ অস্বীকাৰ কৰাৰ লগতে কেন্দ্ৰীয় ছেন্সৰ ব'ৰ্ডৰ সভাপতিয়ে প্ৰায়বোৰ ছবিকে কোনো কাৰণ নোহোৱাকৈ পৰ্যালোচনা সমিতিৰ বিবেচনাৰ্থে প্ৰেৰণ কৰে। ইয়াৰ ফলত ছবি মুক্তি দিয়াত অযথা পলম হয় বুলি তেওঁ কয়।



'আৰক বিষয়ক গোচৰ'ত উচ্চন্যায়ালয়ৰ ৰায় ৰাজ্য চৰকাৰৰ প্ৰতিকূলে হোৱাত স্বইচ্ছাই কৰ্ণাটকৰ মুখ্যমন্ত্ৰী ৰামকৃষ্ণ হেগড়েই পদত্যাগ কৰি ভাৰতীয় ৰাজনীতিত এটা অভিলেখ স্থাপন কৰিছে



চেলেঞ্জাৰৰ কেইজনমান মহাকাশচাৰীৰ সৈতে মেকঅ'লিফ (সোঁফালৰপৰা দ্বিতীয়)


* ১৮ জানুৱাৰীৰ দিনা আমেৰিকাৰ কেপ কেনেভাৰেল নিক্ষেপণ কেন্দ্ৰৰপৰা মহাকাশলৈ উৰা মৰাৰ মুহূৰ্তৰ ভিতৰতে বিস্ফোৰিত হৈ সাতজন মহাকাশচাৰীসহ ধ্বংস হোৱা মাৰ্কিন মহাকাশ যান ছেলেঞ্জাৰৰ দুৰ্ঘটনাটোৱে মানৱসহ মহাকাশ-যাত্ৰা এক অনাৱশ্যকীয় বিলাসিতা নে কি ? —এই প্ৰশ্নটো পুনৰ উজ্জীৱিত কৰিছে। অৱশ্যে মাৰ্কিন ৰাষ্ট্ৰপতি ৰেগানে দুৰ্ঘটনাটোৰ বাবে গভীৰ শোক প্ৰকাশ কৰিলেও পৰৱৰ্তী অভিযানসমূহ নিয়মীয়াভাৱেই চলাই নিয়া হ'ব বুলি দৃঢ়মত পোষণ কৰিছে।

চেলেঞ্জাৰৰ সাতজন মহাকাশচাৰীৰ ভিতৰৰে খৃষ্টা মেকঅ'লিফ নামৰ ৩৭ বছৰীয়া শিক্ষয়িত্ৰী গৰাকীৰ মৃত্যুৱে সমগ্ৰ মাৰ্কিন যুক্তৰাষ্ট্ৰৰ স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিশেষ শোকৰ ছাঁ পেলায়। তেওঁৰ নিজা স্কুল নিউ হেম্পশ্বায়াৰ ষ্টেটৰ কংকৰ্ড হাইস্কুলৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত টেলিভিশ্যনত চেলেঞ্জাৰৰ বিস্ফোৰণটো দেখাৰ লগে লগে কান্দোনৰ ৰোল উঠে। মেকঅ'লিফে মহাকাশৰপৰা এটা বিশেষ পাঠদানৰ কাৰ্যসূচী হাতত লোৱাৰ কথা আছিল।

মেকঅ'লিফৰ নিৰ্বাচনৰ ঘটনাটোও বিশেষ তাৎপৰ্যপূৰ্ণ। ১১,০০০ আবেদনকাৰীৰ মাজৰপৰা তেওঁৰ নামটো চেলেঞ্জাৰ মিছনৰ "নাগৰিক অংশগ্ৰহণকাৰী" হিচাপে নিৰ্বাচিত কৰা হয়।

দুৰ্ঘটনাটোৰ পাছত এই বছৰৰ সকলো মহাকাশ অভিযানৰ কাৰ্যসূচী সাময়িকভাৱে স্থগিত ৰখা হৈছে।

চেলেঞ্জাৰৰ বিস্ফোৰণৰ মুহূৰ্তৰ দুটা দৃশ্য





# কুলদীপ নায়াৰৰ
## বিশেষ প্ৰবন্ধ

এইবাৰৰ গণৰাজ্য দিৱসত বয়সত ২৬ বছৰ হোৱা ভাৰতীয় সংবিধানখন এতিয়ালৈ বহুবাৰ উলংঘা কৰা হৈছে —আচল অৰ্থৰ পিনৰ পৰাও আৰু ভাবৰ পিনৰ পৰাও। আক্ষৰিক অৰ্থৰ পিনৰপৰা হোৱা উলংঘনবোৰ প্ৰায় ক্ষেত্ৰতে উচ্চতম ন্যায়ালয়ৰ সজাগতাৰ কাৰণে ৪০ টাৰো অধিক সংশোধনীৰ কিছুমানেৰে মেৰামতি কৰি ঢকা হৈছে, কিন্তু আচল ভাবটোৰ উলংঘনবোৰ ঘটিয়ে আছে আৰু দেখা গৈছে যে এই ক্ষেত্ৰত ৰাজনৈতিক প্ৰয়োজনবোৰেই চৰকাৰৰ প্ৰধান মুখ্য কথা হৈ পৰে।

লোকসভা আৰু ৰাজ্যবোৰৰ বিধান সভাৰোৰত অনুসূচিত জাতি আৰু জনজাতিৰ বাবে সংৰক্ষণ ব্যৱস্থাটোলৈকে চাওক। সংবিধান প্ৰণেতাসকলে ১০ বছৰৰ ম্যাদ বান্ধি দিছিল, অৰ্থাৎ ১৯৬০ চনলৈকে সময় বান্ধি দিছিল। কিন্তু যিহেতু হৰিজনসকল আৰু জনজাতিসমূহ শাসনত অধিষ্ঠিত কংগ্ৰেছ পাৰ্টিৰ বাবে এটা ভোট বেংক হৈ আহিছে গতিকে সংৰক্ষণৰ ম্যাদ প্ৰতি দশকৰ মূৰে মূৰে বঢ়াই থকা হৈছে; এতিয়া ১৯৯০ চনলৈকে বঢ়োৱা হৈছে।

আচলতে সংবিধান পৰিষদৰ সংখ্যালঘু উপসমিতিখনে "স্বীকৃত সংখ্যালঘুসকলৰ" বাবেহে ১০ বছৰলৈ আসন সংৰক্ষণ ব্যৱস্থাটোৰ চুপাৰিচ কৰিছিল— যদিও পৃথকীয়া ভোটাৰ তালিকা ব্যৱস্থাটো বাতিল কৰিবলৈ তেওঁলোকে সিদ্ধান্ত লয়। উপমহাদেশখনত বিভাজন ঘটাৰ পাছত সংখ্যালঘুসকলৰ প্ৰতি সংবিধান প্ৰণেতাসকলৰ মনোভাৱ সলনি হৈ যোৱাত ধৰ্মীয় আৰু অৰ্থনৈতিক দিশৰপৰা সংখ্যালঘুসকলৰ মাজত এটা পাৰ্থক্যৰ ৰেখা টনা হয়। অনুসূচিত জাতি আৰু জনজাতিসকলক "তেওঁলোকৰ পিছ পৰা অৱস্থাৰ ভিত্তিত" সংৰক্ষণ দিয়া হয়। অৱশ্যে ধৰ্মীয় সংখ্যালঘুসকলক সম্পূৰ্ণ সাংস্কৃতিক আৰু শিক্ষাগত অধিকাৰসমূহ দিয়া হয়।

চৰকাৰে কৰ্মসংস্থানৰ ক্ষেত্ৰতো ব্যৱস্থাটো বহল কৰি ৰাখে। সংবিধান

## সংবিধানখনৰ মৰ্ম

প্ৰণেতাসকলে ৩৩৫ অনুচ্ছেদত ব্যৱস্থা দিছে যে চাকৰি-বাকৰিৰ ক্ষেত্ৰত অনুসূচিত জাতি আৰু জনজাতিসকলৰ "দাবীসমূহ বিবেচনাৰ বাবে গ্ৰহণ কৰা হ'ব"। কোনো শতকৰা হাৰ বান্ধি দিয়া হোৱা নাই আৰু এইটোৰো বিধান দিয়া হৈছে যে যিবোৰ দাবী মানি লোৱা হয় সেইবোৰ "প্ৰশাসনৰ দক্ষতা ৰক্ষা কৰাৰ লগত" সংগতিপূৰ্ণ হ'ব লাগিব। বিভিন্ন সেৱাত নিৰ্দিষ্ট হৈ থকা 'কোটা' পূৰণ কৰাৰ চেষ্টাৰে কেনেকৈ দক্ষতাৰ দিশটো উলাই কৰি অহা হৈছে সেইটো সকলোৰে জনা কথা। তাতোকৈ বেয়া কথা হৈছে পদোন্নতিৰ ক্ষেত্ৰত নিৰ্দিষ্ট কৰি থোৱা শতকৰা হাৰ। এই ক্ষেত্ৰত অনিষ্ট কৰিলে উচ্চতম ন্যায়ালয়ে,কিন্তু চৰকাৰে ৰায়টো পৰ্য্যালোচনা কৰিবলৈ ল'ব লাগিছিল, কাৰণ গুণ আৰু জ্যেষ্ঠতা থকা চৰকাৰী চাকৰিয়ালক চেৰাই অতিক্ৰম কৰা হৈছে আৰু তেওঁলোক হতাশাগ্ৰস্ত হৈ পৰিছে।

ঠিক সেইদৰেই সংবিধানৰ নীতি-নিৰ্দেশনাত অনুসূচিত জাতি, জনজাতি আৰু অন্যান্য দুৰ্বল শ্ৰেণীসমূহৰ শিক্ষাগত আৰু অৰ্থনৈতিক স্বাৰ্থৰ উন্নয়ন বিধানৰ সম্পৰ্কত থকা এটা ব্যৱস্থাৰ অপপ্ৰয়োগ কৰা হৈছে। কিছুমান ইঞ্জিনীয়াৰিং আৰু মেডিকেল কলেজত শতকৰা ৮০ ভাগ পৰ্যন্ত সংৰক্ষণৰ ব্যৱস্থা আছে। এইটো বিষয় লৈয়ে গুজৰাটত অন্তহীন আন্দোলন চলিব লাগিছে আৰু এখন ব্যৱহাৰিক (প্ৰফেছনেল) কলেজত সংৰক্ষণৰ 'কোটা' শতকৰা ৯৭ ভাগ। ছাত্ৰভৰ্তিৰ বাবে দাবী বাঢ়ি গৈ থাকিলে বহু ৰাজ্য গুজৰাটৰ লেখীয়া পৰিস্থিতিৰ সন্মুখীন হ'ব।

মই সংৰক্ষণৰ বিৰোধী নহয়; কিন্তু অনুসূচিত জাতি আৰু জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীসমূহে পোৱাৰ দৰেই অৰ্থনৈতিকভাৱে দুৰ্বলসকলেও ৰেহাই পাব লাগে। প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়ে এটা সাক্ষাৎকাৰত কৈছে যে "সদ্যহতে একো কৰিব নোৱাৰি।" তথাপি তেওঁ এটা তাৰিখ নিৰ্দ্দিষ্ট কৰি দিব পাৰে— ধৰক ২০০০ চন। তাৰ পাছত জাত-পাতৰ ভিত্তিত কোনো সংৰক্ষণ ব্যৱস্থা নাথাকিব।

কেন্দ্ৰীয় চৰকাৰৰ ভাষা হিচাপে ইংৰাজীক ১৯৬৫ চনৰ পাছতো ৰাহাল ৰখাটো সংবিধানৰ মৰ্মৰ আন এটা উলংঘন। মই ইংৰাজীৰ বিৰুদ্ধে নহয় আৰু মই স্বীকাৰ কৰো যে হিন্দীৰ অত্যুৎসাহী সমৰ্থকসকলে ভাষাটোৰ অপূৰণীয় ক্ষতি সাধন কৰিলে। কিন্তু সংবিধানৰ প্ৰণেতাসকলে হিন্দীক দেৱনাগৰী লিপিত চৰকাৰী ভাষা হিচাপে গ্ৰহণ কৰি গৈছে। তেওঁলোকে মাত্ৰ ইমানকে কৈছিল যে ১৫ বছৰৰ বাবে অৰ্থাৎ ১৯৬৫ চনলৈকে আৰু আনকি ১৫ বছৰৰ ম্যাদটো শেষ হৈ যোৱাৰ পাছতো সংসদে আইন কৰি বিধান দিলে "যিবোৰ বিষয়ত ব্যৱহৃত হৈছিল" সেইবোৰ বিষয়ত ইংৰাজী ব্যৱহৃত হৈ থাকিব। সংবিধানৰ প্ৰণেতাসকলে ইংৰাজী অনিৰ্দ্দিষ্ট কাললৈ ব্যৱহাৰ কৰি থকাটো বিচৰা নাছিল। কিয়নো সেইদৰে ব্যৱহাৰ কৰি থকাটো গণতন্ত্ৰৰ পৰিপন্থী কথা। কাৰণ ভাৰতৰ মাত্ৰ ৬ৰ পৰা ৭ শতাংশ লোকেহে ইংৰাজী জানে। ইংৰাজী অনিৰ্দ্দিষ্ট কালৰ বাবে ব্যৱহাৰ কৰি থকাৰ ব্যৱস্থা দিয়া ভাষা আইনখনে সংবিধানৰ আক্ষৰিক অৰ্থহে সলনি কৰিছে, ভাবগত অৰ্থ নাই কৰা।

সংবিধানৰ ৩৪৪ অনুচ্ছেদত থকা নিৰ্দেশনাত আছে যে ৰাষ্ট্ৰপতিয়ে "ইংৰাজীৰ ব্যৱহাৰত বাধানিষেধ"ৰ আৰু "কেন্দ্ৰীয় চৰকাৰৰ চৰকাৰী উদ্দেশ্যত হিন্দীৰ উত্তৰোত্তৰ ব্যৱহাৰৰ" চুপাৰিচ কৰিবলৈ প্ৰতি ১০ বছৰৰ পাছত এটা আয়োগ নিযুক্ত "কৰিব লাগিব (shall appoint)"। চৰকাৰে "লাগিব (shall)" শব্দটো "পাৰে (may)" বুলি ব্যাখ্যা কৰিব পাৰি বুলি কৈ সেই নিৰ্দেশনাও দেও দি চেৰাই গ'ল।

মনত পৰে, মই যেতিয়া পঞ্চাশৰ দশকত গৃহ মন্ত্ৰণালয়ৰ প্ৰেছ বিষয়া আছিলো তেতিয়া সেই সময়ৰ গৃহমন্ত্ৰী গোবিন্দ বল্লভ পন্থে বিষয়টো একেবাৰে মীমাংসা কৰি পেলাব খুজিলে। হিন্দীৰ সম্পৰ্কত প্ৰশ্ন তোলাৰ মূল ভিত্তিটো তেওঁ উলিয়াই পেলালে। তেওঁ আশংকা কৰিলে যে অধিক আলোচনাই হয়তো হিন্দীক ভাৰতৰ চৰকাৰী ভাষা কৰাৰ সাংবিধানিক দায়িত্বটোকে প্ৰত্যাহাৰ কৰাব। গতিকে তেওঁ চৰকাৰী ভাষাৰ সম্পৰ্কত আৰু আয়োগ নাপাতিবলৈ থিৰ কৰে।

কেনেকৈ গৃহ আৰু আইন মন্ত্ৰণালয়ে ৩৪৪ অনুচ্ছেদটোৰ বিষয়ে আলোচনা কৰোতে মূৰকত গৃহ মন্ত্ৰণালয়ৰ ভাষা বিভাগৰ মূৰব্বী পদত থকা ৰণছোৰ প্ৰসাদে মত দিলে যে উক্ত অনুচ্ছেদত থকা "কৰিব লাগিব (shall)" শব্দই "কৰিব পাৰে (may)" হে বুজাইছে আৰু আয়োগ এটা পাতি দিবলৈ ৰাষ্ট্ৰপতি বাধ্য নহয়— সেইবোৰ কথা মোৰ মনত পৰে। সাংবিধানিক নিৰ্দেশটোক সেইখিনিতে একেবাৰে মাৰি পেলোৱা হ'ল। সংবিধানত ৩৪৪ অনুচ্ছেদটো এতিয়াও আছে যদিও তাৰ পাছত আৰু কোনো আয়োগ পতা হোৱা নাই।

সংবিধানৰ মৰ্মৰ আৰু এটা উলংঘন ঘটিছে গণৰাজ্য দিৱসৰ খিতাপ-পদৱী প্ৰদানৰ ক্ষেত্ৰত। মৌলিক অধিকাৰ অধ্যায়ৰ ১৮ অনুচ্ছেদত কোৱা হৈছে: "সামৰিক আৰু শিক্ষা বিষয়ক নোহোৱা কোনো উপাধি-খিতাপ ৰাষ্ট্ৰই প্ৰদান কৰিব নোৱাৰিব...।" পদ্মশ্ৰী, পদ্ম বিভূষণ বা অন্যান্য খিতাপ-পদৱীবোৰ হয়তো পৰিভাষাৰ বিচাৰত খিতাপ-পদৱী নহয়, কিন্তু চৰকাৰে যি ধৰণে সেইবোৰ প্ৰদান কৰে (কেন্দ্ৰ আৰু ৰাজ্যবোৰে তেওঁলোকৰ পচন্দৰ লোক বাছনি কৰে) তাৰ পৰা বাছনিৰ মাপকাঠি "শিক্ষাগত দিশৰ উৎকৃষ্টতা" বুলি ক'ব নোৱাৰি।

মনত পৰে, ড° ৰাজেন্দ্ৰ প্ৰসাদ যেতিয়া ৰাষ্ট্ৰপতি আছিল তেতিয়া এবাৰ তেওঁ পদ্মশ্ৰী দিবৰ কাৰণে লাজাৰাছ নামৰ এগৰাকী মহিলাৰ নাম প্ৰস্তাৱ কৰিলে। মাদ্ৰাজৰ লাজাৰাছ নামৰ নেতৃস্থানীয় শিক্ষাব্ৰতী গৰাকীৰ কথা ৰাষ্ট্ৰপতিয়ে কৈছে বুলি গৃহমন্ত্ৰণালয়ে ভাবিলে। সেইমতে প্ৰথানুযায়ী খিতাপ ঘোষণা কৰাৰ আগেয়ে শিক্ষাব্ৰতী মহিলা গৰাকীৰ সম্মতি বিচাৰি অনা হ'ল। কিন্তু পাছত জনা গ'ল যে ৰাষ্ট্ৰপতিয়ে অন্ধ্ৰপ্ৰদেশৰ গুণ্টুৰৰ লাজাৰাছ নামৰ নাৰ্ছ গৰাকীকহে সন্মান প্ৰদান কৰিব খুজিছে; গুণ্টুৰৰ ওচৰত এবাৰ উদফাই বেমাৰটোৰে ধৰাত ৰাষ্ট্ৰপতিক এই নাৰ্ছ গৰাকীয়ে চিকিৎসা কৰিছিল।

সেই বছৰত দুয়ো গৰাকী লাজাৰাছে পদ্মশ্ৰী পালে। ভাৰতৰ প্ৰথমজন শিক্ষামন্ত্ৰী আৰু পুৰণা চাম নেতৃবৃন্দৰ এজন মৌলানা কালাম আজাদৰ এই খিতাপ-পদৱীবোৰৰ সম্পৰ্কত এটা শুদ্ধ মনোভাৱ আছিল। তেওঁক ভাৰত ৰত্ন দিব খোজাৰ কথাকে কাণ চোওৱাত তেওঁ 'নলওঁ' বুলি ক'লে—তেওঁ যুক্তি দিয়ে যে যিসকলে খিতাপ পাওঁতাসকলক বাছনি কৰে সেইসকলে নিজে সেই খিতাপ গ্ৰহণ কৰিব নালাগে। প্ৰধানমন্ত্ৰী হৈ থকা অৱস্থাতে জৱাহৰলাল নেহৰুৱেও ভাৰত ৰত্ন পালে আৰু ইন্দিৰা গান্ধীয়েও পালে।

সংবিধান পৰিষদত দাখিল কৰা মৌলিক অধিকাৰ সম্পৰ্কীয় অন্তৰ্বৰ্তীকালীন প্ৰতিবেদনখনত কোৱা হৈছিল যে কেন্দ্ৰীয় চৰকাৰে কোনো ধৰণৰ "পুৰুষানুক্ৰমে ভোগ কৰা খিতাপ" দিব নোৱাৰিব। সংবিধানৰ দ্বিতীয় পাঠৰ সময়ত এই "পুৰুষানুক্ৰমে ভোগ কৰা (heritable)" শব্দটো বাদ দিয়া হয়। আইনগত স্থিতি যিয়েই নহওক, গণৰাজ্য দিৱসৰ খিতাপ-পদৱীবোৰ পুৰুষানুক্ৰমে ভোগ কৰা খিতাপ হিচাপে ব্যৱহাৰ কৰা হয় আৰু খিতাপ পোৱা জনৰ সতি-সন্ততিয়ে আনকি চিঠি লিখা কাগজৰ শিৰোনামাত আৰু দৰ্শনাৰ্থীৰ পৰিচয় পত্ৰতো জাহিৰ কৰে। ইয়াতকৈও অধিক নিন্দাৰ্হ দিশটো হ'ল এই যে খিতাপ প্ৰদানৰ ব্যৱস্থাটোৱে কেতবোৰ মহলত এনে সন্দেহৰ সৃষ্টি কৰিছে যে যদি সৰহীয়াকৈ এনে খিতাপ দি থাকিবলৈ হয় (যিটো চৰকাৰে এতিয়া কৰি আছে) তেতিয়া হ'লে খিতাপ পাওঁতাসকলৰ এটা সংঘবদ্ধ শ্ৰেণীৰ সৃষ্টি হ'ব। সমতা আৰু ভ্ৰাতৃত্বৰ সংকল্প লোৱা সংবিধান প্ৰণেতাসকলে আক্ষৰিক বা ভাবগত অৰ্থ— কোনোটো দিশৰ পৰাই সেইটো বিচৰা নাছিল।

অৱশ্যে সংবিধানখন সময়ৰ পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হৈছে বুলি ক'ব লাগিব। সংবিধানে সৃষ্টি কৰা আৰু সংবিধানৰ অধীনত কাৰ্য নিৰ্বাহ কৰা সংসদ আৰু ৰাজ্যসমূহৰ বিধানমণ্ডলসমূহ, উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়সমূহ, কেন্দ্ৰ আৰু ৰাজ্যসমূহ উভয়তে থকা কাৰ্যপালিকাসমূহ আৰু আন সকলো অনুষ্ঠানে এটা দায়িত্ববোধেৰে আৰু সংবিধান আৰু আইনসমূহৰ প্ৰতি সন্মান সহকাৰে কাৰ্যনিৰ্বাহ কৰি আছে॥




OKDISCD

*শিৰোনামাত লিবিয়া*

# গাড্ডাফি কিমান শক্তিশালী ?

ডং স্নুনীল পৱন বৰুৱা

বিশ্ব সন্ত্ৰাসবাদৰ পৃষ্ঠপোষকতা কৰাৰ অভিযোগত সামৰিক হস্তক্ষেপৰ অধিকাৰ হাতত ৰাখি মাৰ্কিন যুক্তৰাষ্ট্ৰই লিবিয়াৰ বিৰুদ্ধে অৰ্থনৈতিক প্ৰতিবন্ধকতা আৰোপ কৰিবলৈ সিদ্ধান্ত কৰিছে। অৰ্থনৈতিক প্ৰতিবন্ধকতা অধিক ব্যাপক কৰাৰ মানসেৰে মাৰ্কিন বেংক সমূহত জমা থকা লিবিয়াৰ সম্পদৰাজি নিষ্ক্ৰিয় কৰাৰ আদেশো জাৰি কৰা হৈছে। ইয়াৰ লগতে লিবিয়াত বসবাস কৰা মাৰ্কিন নাগৰিকসকলক অবিলম্বে সেইদেশ ত্যাগ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে আৰু অন্যথায় ১০ বছৰ কাৰাদণ্ড আৰু ইচ্ছাকৃতভাৱে এই আদেশ উলংঘা কৰাৰ বাবদ ৫০ হাজাৰ ডলাৰলৈকে জৰিমনাৰ কথা ঘোষণা কৰা হৈছে। যোৱা ২৭ ডিচেম্বৰ তাৰিখে ৰোম আৰু ভিয়েনা বিমান-বন্দৰত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণত প্ৰৰোক্ষ্যভাৱে জড়িত থকাৰ অভিযোগ তুলি লিবিয়াৰ বিৰুদ্ধে মাৰ্কিন প্ৰশাসনে এই চৰম পন্থা গ্ৰহণ কৰিবলৈ সিদ্ধান্ত লৈছে। উল্লেখযোগ্য যে অভিযোগ মতে আবু নিদাল নামৰ বিসম্বাদী পেলেষ্টাইনী গেৰিলা নেতা এজনে ইজৰাইলী বিমানৰ ওপৰত চলোৱা অতৰ্কিত আক্ৰমণত ১৯ জন নিহত আৰু কমেও ১০০ জন লোক আহত হয়। নিহতসকলৰ ভিতৰত পাঁচজন আছিল মাৰ্কিন নাগৰিক। স্মৰণযোগ্য যে আবু নিদাল ওৰফে চাবি এল. বানাক পেলেষ্টাইনী মুক্তি মৰ্চাৰ প্ৰভাৱশালী গোষ্ঠী আল ফাটাই মৃত্যুদণ্ড দিছিল। দলত্যাগী এই গেৰিলা নেতাজনে গেৰিলা যুদ্ধৰ কৌশল প্ৰসংগত পেলেষ্টাইনী মুক্তি মৰ্চাৰ নেতা য়াছাৰ আৰাফাটৰ লগত মতানৈক্য হোৱাত তেওঁক হত্যা কৰিবলৈ চেষ্টা কৰিছিল। মাৰ্কিন অভিযোগ মতে সম্প্ৰতি আবু নিদালে কৰ্ণেল গাড্ডাফিৰ পৃষ্ঠপোষকতা লাভ কৰিছে আৰু তেওঁৰ হৈ কাম কৰিছে। ৰোম আৰু ভিয়েনা বিমানকোঠত সংঘটিত হত্যাকাণ্ডৰ বাবে সম্প্ৰতি আবু নিদা-



গাড্ডাফি

লক দায়ী কৰা হৈছে আৰু তেওঁলোকৰ মতে গাড্ডাফিৰ উচটনিতহে এনে কাম সম্ভৱ হ'ব পাৰিছে; কিয়নো তেওঁ পেলেষ্টাইনী গেৰিলাসকলৰ কাম-কাজক সন্ত্ৰাসমূলক বুলি গণ্য নকৰে। পেলেষ্টাইনীসকলৰ এখন গৃহভূমি লাভ কৰিবৰ বাবে তেওঁলোক যি কোনো কাৰ্যত লিপ্ত হ'ব পাৰে। বৰং তেওঁৰ মতে ইজৰাইলেহে পেলেষ্টাইনীসকলৰ বিৰুদ্ধে সন্ত্ৰাসবাদ ব্যৱহাৰ কৰিছে। গতিকে প্ৰথম শ্ৰেণীৰ সন্ত্ৰাসবাদী ইজৰাইলৰ সন্ত্ৰাসবাদৰ শিবিৰ মষিমূৰ কৰিবলৈ বিশ্বৰ সকলোৱে একেলগে কাম কৰিব লাগে। অৱশ্যে আবু নিদালৰ শেহতীয়া কাৰ্যত লিবিয়া জড়িত থকাৰ কথা গাড্ডাফিয়ে অস্বীকাৰ কৰিছে। বাস্তৱিকতে এই ক্ষেত্ৰত কোনো প্ৰত্যক্ষ প্ৰমাণো নাই। মাৰ্কিন সিদ্ধান্তৰ ক্ষেত্ৰত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি গাড্ডাফিয়ে এই বুলি সতৰ্ক কৰি দিছে যে যুক্তৰাষ্ট্ৰ অথবা ইজৰাইলে লিবিয়াত আক্ৰমণ চলাই ভুল কৰিলে মধ্যপ্ৰাচ্য ভূমধ্য সাগৰ আৰু সম্ভৱ গোটেই পৃথিৱীতে এই যুদ্ধ বিয়পি পৰিব। সাম্প্ৰতিক কালত আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদৰ গুৰি ধৰোঁতা বুলি অভিযোগ তুলি লিবিয়াৰ বিৰুদ্ধে উল্লিখিত নিষেধাজ্ঞা আৰোপ কৰোঁতে মাৰ্কিন প্ৰেছিডেণ্ট ৰেগানে কৰ্ণেল মুৱামাৰ গাড্ডাফিক (Col. Muammar Gaddafi) বৰ্বৰ, তৰল আৰু বিশ্বসমাজত অস্পৃশ্য বুলি গৰিহণা দি ভালেদিনীয়া মনৰ জ্বালা দূৰ কৰিছে। বাস্তৱিকতে এইটো হৈছে লিবিয়া আৰু যুক্তৰাষ্ট্ৰৰ মাজত চলি থকা দীঘলীয়া আৰু পুৰণি কাজিয়াৰ শেহতীয়া প্ৰকাশ। কিয়নো মাৰ্কিন প্ৰশাসনে বৰ্তমান লিবিয়াৰ জংগী প্ৰশাসনক তেওঁলোকৰ প্ৰধান শত্ৰুৰূপে গণ্য কৰে। ইতিমধ্যে মাৰ্কিনসকলৰ লিবিয়া ত্ৰাসক কেন্দ্ৰ কৰি ভালেমান জনৰৱ আৰু মুখৰোচক কাহিনীৰ সৃষ্টি হৈছে আৰু তেনে কাহিনীয়ে আন্তঃৰাষ্ট্ৰীয় কিতাপৰ বজাৰ গৰম কৰি তুলিছে। শত্ৰুৰ বিষয়ে বিতং খা-খবৰ ৰখাটো বুদ্ধিমান লোকৰ কাম। এই নীতি সাৰোগত কৰি মাৰ্কিন চোৰাংচোৱা তথা সাংবাদিকসকলে মুৱামাৰ গাড্ডাফিৰ জীৱন-দৰ্শন, চাল-চলন আৰু কাম-কাজৰ গতিবিধি সাৱধানে লক্ষ্য কৰি থাকে। তেওঁলোকৰ মতে উত্তৰ আফ্ৰিকাৰ অন্যতম ৰাষ্ট্ৰ লিবিয়াৰ অবিসম্বাদী নেতা কৰ্ণেল গাড্ডাফিৰ জীৱন-দৰ্শন তথা কৰ্মপন্থা যি কোনো ৰাষ্ট্ৰ প্ৰধানৰ গতানুগতিকতাৰ উৰ্ধ্বত। দাৰিদ্ৰ্যৰে ভৰা উত্তৰ লিবিয়াৰ ছাগলী ছালৰ তম্বুত জীৱন অতিবাহিত কৰা জনৈক ভেড়া ৰখীয়াৰ পুত্ৰ গাড্ডাফি এতিয়া বিশ্ব ৰাজনীতিত এটা পৰিচিত নাম।



ৰাজধানী ত্ৰিপোলিৰ ইংৰাজী মাধ্যমৰ স্কুলত পঢ়া-শুনা কৰা গাড্ডাফি কিছুদিনৰ বাবে অধ্যয়নৰ উদ্দেশ্যে ইংলণ্ডলৈও গৈছিল; কিন্তু অলপ দিনৰ ভিতৰতে স্বদেশলৈ ঘূৰি আহি তেওঁ লিবিয়াৰ সৈন্য বাহিনীত যোগদান কৰে। যাযাবৰী বেদুইন জীৱনত অভ্যস্ত গাড্ডাফি সৰুৰেপৰা আছিল বিপ্লৱৰ এক জীৱন্ত প্ৰতিমূৰ্তি। কেতিয়াবা নিজকে ইজিপ্টৰ কৰ্ণধাৰ নাছেৰ, কেতিয়াবা আকৌ ৰঙা চীনৰ নিৰ্মাতা মাও-চে ডুং ৰূপে কল্পনা কৰা গাড্ডাফিৰ জীৱনলৈ অৱশেষত এটা সুযোগ আহিল। ১৯৬৯ চনত গাড্ডাফিৰ নেতৃত্বত হোৱা এক সামৰিক অভ্যুত্থানত ৰজা ইদ্ৰিছ গাদীচ্যুত হ'ল আৰু লগে লগে আৰম্ভ হ'ল লিবিয়াত কৰ্ণেল গাড্ডাফিৰ অভিনৱ অপ্ৰতিদ্বন্দ্বী শাসন। বেদুইন সংস্কৃতিৰ মাজত ডাঙৰ-দীঘল হোৱা গাড্ডাফিৰ সচ্ছল জীৱন আৰু অভিজাত শ্ৰেণীৰ প্ৰতি এক সহজাত ঘৃণা আছে। প্ৰশাসনৰ সকলো ক্ষেত্ৰত প্ৰতিনিধিত্বৰ জৰিয়তে জনসাধাৰণে পোনপটীয়া অংশ গ্ৰহণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিলেও তেওঁ বিশ্বাস কৰে যে দেশৰ মূল শাসকজনৰ নেতৃত্ব সদায় বলিষ্ঠ হব লাগিব। কেতিয়া কি কৰে সেই বিষয়ে মানুহে আগতীয়াকৈ ধাৰণা কৰিব নোৱাৰা এই নেতাগৰাকীয়ে তেওঁৰ অগতানুগতিক ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক নীতিসমূহ লিপিবদ্ধ কৰিছে। লিবিয়াৰ প্ৰশাসনত প্ৰত্যক্ষভাৱে তেওঁ কোনো দায়িত্ব গ্ৰহণ নকৰে; তেওঁৰ একমাত্ৰ পৰিচয় হৈছে— তেওঁ লিবিয়াৰ অবিসম্বাদী নেতা। কিন্তু তেওঁ কেৱল লিবিয়াৰ মাজতে নিজৰ কৰ্তৃত্ব সীমিত ৰাখি সন্তুষ্টি লাভ কৰিব পৰা লোক নহয়। সমগ্ৰ আৰব জগত একত্ৰিত কৰি তাৰ অবিসম্বাদী নেতা ৰূপে নিজকে অধিষ্ঠিত কৰাটো তেওঁৰ ভালেদিনীয়া সপোন। প্ৰয়োজন হলে তেওঁ সেই লক্ষ্য পূৰণৰ বাবে হিংসা তথা সন্ত্ৰাসবাদৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। ৰোমাণ্টিক বিপ্লৱী হিচাপে তেওঁ দুঃসাহসিক অভিযান আৰু কাৰ্যকলাপ পছন্দ কৰে। তেনেকাৰ্যত লিপ্ত থকাসকলে লিবিয়াৰ এই বিতৰ্কিত নেতাগৰাকীৰ নৈতিক আৰু আৰ্থিক দুয়োটা সমৰ্থন লাভ কৰি আহিছে। এইক্ষেত্ৰত কোনো ৰাজনৈতিক মতাদৰ্শ, ধৰ্ম অথবা সীমাই বাধা আৰোপ নকৰে। ইয়াৰ ফলস্বৰূপে উত্তৰ আয়াৰলেণ্ডৰ বৃটিছ-বিৰোধী আইৰিছ ৰিপাবলিকান আৰ্মি, ফিলিপাইন অথবা মধ্য আমেৰিকাত চলিত শাসনৰ বিৰোধী বাঁওপন্থী গেৰিলা, ইজৰাইলৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰা বিসম্বাদী পেলেষ্টাইনী মুক্তি মৰ্চা আদি যি কোনো সন্ত্ৰাসবাদী দলে কৰ্ণেল গাড্ডাফিৰ বদান্যতাৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰ কৰিব পাৰে। এনে অৱস্থাত সাম্প্ৰতিক লিবিয়া হৈ পৰিছে আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদৰ প্ৰতীক স্বৰূপ। বৰ্তমান আৰব জগত তথা আফ্ৰিকাৰ ৰাজনীতিত গাড্ডাফি হৈছে নিজেই এক সন্ত্ৰাস। তেওঁ কেতিয়া ক'ত কি কৰে ঠিক নাই। কোনোবা সময়ত তেওঁ ইজিপ্ট, ছুডান, টিউনেছিয়া, আলজেৰিয়া আদি ইছলামিক ৰাষ্ট্ৰৰ প্ৰশাসন-বিৰোধী গোড়া মৌলিকতাবাদী গোষ্ঠী সমূহক উৎসাহিত কৰিছে, একে সময়তে ৰক্তপিপাসু ইডি আমিনৰ সমৰ্থনত উগাণ্ডাত লিবিয়ান সৈন্য বাহিনী উপস্থিত কৰাইছে, আনহাতে মৰুভূমিৰ দেশ খনিজ সম্পদেৰে ভৰপূৰ চাডৰ (Chad) নিয়ন্ত্ৰণৰ বাবে ফৰাছী সমৰ্থক স্থানীয় প্ৰশাসনৰ লগত হয়তো দীঘলীয়া যুদ্ধত লিপ্ত হৈ পৰিছে। গাড্ডাফি সাম্যবাদী নেকি, —এই প্ৰশ্নৰ কোনো পোনপটীয়া উত্তৰ নাই। কিন্তু তেওঁ সতৰ্ক কৰি দিয়ে যে লিবিয়াৰ প্ৰতি মাৰ্কিন শত্ৰুতা চলি থাকিলে তেওঁৰ দেশখন কমিউনিষ্ট হৈ যাব পাৰে। ছোভিয়েট ইউনিয়নৰ লগত অৱশ্যে গাড্ডাফিৰ সম্পৰ্ক ভাল। ৰুছ-নিৰ্মিত ভালেখিনি অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰ লিবিয়াই লাভ কৰিছে।

স্মৰণযোগ্য যে আফগানিস্থানত ছোভিয়েট হস্তক্ষেপক গৰিহণা নিদিয়া মুষ্টিমেয় মুছলিম ৰাষ্ট্ৰৰ মাজত লিবিয়াও আছে। আনহাতে লিবিয়াৰ বিৰুদ্ধে মাৰ্কিন যুক্তৰাষ্ট্ৰই গ্ৰহণ কৰা বিপদজনক পৰিস্থিতিৰ বিষয়ে গভীৰভাৱে চিন্তা কৰি চাবলৈ ছোভিয়েট ইউনিয়নে ৰেগান প্ৰশাসনক সতৰ্ক কৰি দিছে। ইয়াৰ সাধাৰণ অৰ্থ হৈছে—লিবিয়াৰ বিৰুদ্ধে ইজৰাইল তথা মাৰ্কিন যুক্তৰাষ্ট্ৰৰ যুটীয়া আক্ৰমণ চলিলে—মস্কো নিৰৱ দৰ্শক হৈ বহি নাথাকে। আনহাতে ইছলামিক গ্ৰুপৰ বৈঠকে ৪৫·০ ভোটত গাড্ডাফিক সমৰ্থন কৰাৰ প্ৰস্তাৱক মাৰ্কিন প্ৰশাসনে সহজভাৱে গ্ৰহণ কৰিব পৰা নাই। কোৱা বাহুল্য যে আৰব লীগে সকলোধৰণৰ সন্ত্ৰাসবাদী কাৰ্যকলাপক গৰিহনা দিলেও, লিবিয়াৰ বিৰুদ্ধে সম্ভাব্য মাৰ্কিন তথা ইজৰাইলী আক্ৰমণৰ সময়ত তেওঁলোকে লিবিয়াৰ কাষত থিয় দিব।

প্ৰেছিডেণ্ট ৰেগানে তেওঁৰ বিৰুদ্ধে উত্থাপন কৰা সকলো অভিযোগ নাকচ কৰি কৰ্ণেল গাড্ডাফিয়ে মাৰ্কিন প্ৰেছিডেণ্টক তেওঁৰ বেদুইন তম্বুলৈ আমন্ত্ৰণ জনাইছে,—যাতে তেওঁ প্ৰমাণ কৰিব পাৰে যে গাড্ডাফি সন্ত্ৰাসবাদী নহয়। প্ৰেছিডেণ্ট ৰেগান তেওঁৰ শিবিৰত উপস্থিত হলে তেওঁৰ (ৰেগানৰ) মন সলনি হব আৰু তেওঁ দেখিব যে কমৰবন্ধনীত হেণ্ডগ্ৰেনেড আৰু পিষ্টল লৈ তেওঁ ড্ৰেছত সোমাই নাথাকে! ত্ৰিপোলিৰ উপকণ্ঠত সুৰক্ষিত তেওঁৰ স্থায়ী বেদুইন তম্বুত পাঁচগৰাকী মাৰ্কিন মহিলা সাংবাদিকৰ যোগেদি তেওঁ ৰেগানলৈ এই আমন্ত্ৰণ পঠাইছে। উল্লেখযোগ্য যে অৰ্থনৈতিক প্ৰতিবন্ধকতা আৰু মাৰ্কিন তথা ইজৰাইলৰ পৰা সামৰিক আক্ৰমণ আশংকা কৰাৰ অৱস্থাত লিবিয়াই গোষ্ঠী-নিৰপেক্ষ আন্দোলনৰ নেতা হিচাপে ভাৰতৰ সমৰ্থন বিচাৰিছে। ভাৰতত থকা লিবিয়াৰ ৰাষ্ট্ৰদূতৰ মতে সন্ত্ৰাসবাদী কাৰ্যকলাপ উৎসাহিত কৰাৰ অভিযোগত এই দুয়োখন ৰাষ্ট্ৰই লিবিয়া আক্ৰমণ কৰাৰ চেলু বিচাৰি আছে। তেওঁৰ মতে ১৯৮০ চনৰ পৰাই কৰ্ণেল গাড্ডাফিৰ প্ৰশাসনৰ বিৰুদ্ধে মাৰ্কিন



OKDISCD

প্ৰশাসনে ভালেমান আহুকালৰ সৃষ্টি কৰি আহিছে। মাৰ্কিন বিশ্ববিদ্যালয়ত লিবিয়াৰ ছাত্ৰক প্ৰবেশ কৰিবলৈ দিয়া হোৱা নাই; উন্নয়নৰ বাবে প্ৰয়োজনীয় কাৰিকৰী সা-সঁজুলিৰ যোগান বন্ধ কৰা হৈছে আৰু গাড্ডাফিৰ জনপ্ৰিয় প্ৰশাসনৰ বিৰোধী সকলক. সকলো প্ৰকাৰৰ সাহায্য দিয়া হৈছে।

লিবিয়াৰ বিৰুদ্ধে মাৰ্কিন ভাবুকি অৱশ্যে নতুন নহয়। ১৯৮১ আৰু ৮২ চনতো গাড্ডাফি প্ৰশাসনক ঠেকত পেলাবলৈ সেই দেশে তুবাৰো চেষ্টা কৰিছিল যদিও এই ক্ষেত্ৰত তেওঁলোক বিশেষ সফল হ'ব নোৱাৰিলে। লিবিয়া তেল সম্পদৰ বাবে বিখ্যাত। দেশখনৰ অৰ্থনীতিৰ মূল উপাদান হৈছে খনিজ তেল। চাৰিটা মাৰ্কিন তেল কোম্পানি অক্সিডেণ্টেল পেট্ৰোলিয়াম (Occidental Petroleum) কনকো(Conoco) মাৰাথন(Marathon)আৰু এমেৰেণ্ডা হেছে (Amenada Hess) প্ৰধানকৈ লিবিয়াৰ তৈলক্ষেত্ৰসমূহ পৰিচালনা কৰে। কৰ্ণেল গাড্ডাফিৰ ৰাজহৰ প্ৰধান উৎস প্ৰতিদিনে ১'১ নিযুত বেৰেল খাৰুৱা তেলৰ তিনি ভাগৰ চাৰিভাগ এই কোম্পানীসমূহৰ দ্বাৰা নিয়ন্ত্ৰিত হয়। তাৰ বাদেও সম্প্ৰতি বিখ্যাত মাৰ্কিন প্ৰতিষ্ঠান ব্ৰাউন এণ্ড ৰুট (Brown and Root) লিবিয়াৰ মৰুভূমিৰপৰা পানী উলিয়াই ১১০০ মাইল দূৰৈৰ ৰাজধানী ত্ৰিপোলি আৰু আন আন জনপদ অঞ্চললৈ পাইপেৰে বোৱাই নিয়াৰ বাবে ২০ নিযুত ডলাৰৰ আঁচনি এখন কাৰ্যকৰী কৰাত ব্যস্ত আছে। লিবিয়াৰ লগত আৰু অধিক বাণিজ্যিক লেনদেনৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰিলেও, ১৯৮৪ চনৰ শেহলৈকে তাত ৪৪৬ নিযুত ডলাৰৰ পোনপটীয়া মাৰ্কিন বিনিয়োগ চলি আছিল। প্ৰেছিডেণ্ট ৰেগানৰ মতেই এহেজাৰৰপৰা ডেৰ হাজাৰলৈকে মাৰ্কিন নাগৰিকে লিবিয়াত বৈধ অথবা অবৈধভাৱে কাম কৰি আছে। নকলেও হ'ব যে লিবিয়াত পোৱা উচ্চ হাৰৰ বেতন আৰু আন সা-সুবিধাৰ বাবে নিষেধাজ্ঞা সত্ত্বেও মাৰ্কিন আৰু আন পশ্চিমীয়া দেশৰ কাৰিকৰী লোকসকলক উত্তৰ আফ্ৰিকাৰ এই মৰু দেশখনে আকৰ্ষণ কৰে। ইয়াৰ পটভূমিত মাৰ্কিন প্ৰতিবন্ধকতাৰ প্ৰশ্নটো বিচাৰ কৰাৰ থল আছে। কিয়নো শেহতীয়া মাৰ্কিন প্ৰস্তাৱত নাটো গোষ্ঠীৰ ইউৰোপীয় দেশবোৰো সুখী হ'ব পৰা নাই। কৰ্ণেল গাড্ডাফিৰ প্ৰতি মনোভাব প্ৰতিকূল হলেও এই ক্ষেত্ৰত তেওঁলোকে মাৰ্কিন সিদ্ধান্তৰ প্ৰতি মুকলি মনেৰে সহাৰি দিব নোৱাৰে। তেওঁলোকৰ মতে ইয়াৰ ওলোটা প্ৰতিক্ৰিয়াই সুদূৰপ্ৰসাৰী ৰূপ লৈ পশ্চিমীয়া ৰাষ্ট্ৰসমূহৰ সকলো দিশতে ক্ষতি কৰিব। বিশেষকৈ ইটালি, পশ্চিম জাৰ্মেনি, ইংলণ্ড আদি দেশৰ লগত লিবিয়াৰ এক বৃহৎ পৰিমাণৰ ব্যৱসায়িক লেনদেন আছে। উদাহৰণ স্বৰূপে, লিবিয়াৰ একেবাৰে কাষতে ভূমধ্য সাগৰৰ আনটো পাৰে অৱস্থিত ইটালিয়ে তেলৰ বাবে শতকৰা ১৭ ভাগ এই দেশখনৰ ওপৰত নিৰ্ভৰ কৰে। প্ৰায় ১৪ হাজাৰ ইটালীয় লোকে বসতি কৰা লিবিয়াত এক বৃহৎ পৰিমাণৰ ধন বিনিয়োগ কৰা হয়। ঠিক তেনেদৰে এছিয়াৰ ৰাষ্ট্ৰ দক্ষিণ কোৰিয়াৰ প্ৰায় কুৰি হাজাৰ লোকে এই মৰুদেশখনত জীৱিকাৰ বাবে বসবাস কৰিবলৈ লৈছে। বৃটিছ নাগৰিকৰ সংখ্যাও কম নহয়। স্বাভাৱিকভাৱেই মাৰ্কিন প্ৰস্তাৱত তেওঁলোকে সহজে অনুমোদন জনাব নোৱাৰে! ৰেগান প্ৰশাসনে আশা কৰিছিল যে অৰ্থনৈতিক প্ৰতিবন্ধকতাই গাড্ডাফিক সংকটত পেলাব আৰু এই কাৰ্যই প্ৰৰোক্ষভাৱে তেওঁৰ পতন মাতি আনিব। কিন্তু সেই আশা সদ্যহতে পূৰণ হোৱাৰ কোনো লক্ষণ দেখা নাই। কিয়নো, এই ক্ষেত্ৰত গাড্ডাফিৰ জংগী প্ৰশাসন অলপো বিতত হোৱা নাই। বৰং এই প্ৰচেষ্টা ব্যৰ্থ হলে আৰব জগতৰ অধিক বৈপ্লৱিক ৰাষ্ট্ৰসমূহত কৰ্ণেল গাড্ডাফিৰ বিপ্লৱী ভাবমূৰ্তি বেছি উজ্জ্বল হৈ উঠিব আৰু মাৰ্কিন-বিৰোধী কাৰ্যকলাপ বৃদ্ধি পাব। মধ্য-প্ৰাচ্যত ইছলামিক মৌলিকতাবাদীসকলৰ প্ৰভাৱ দুগুণে বৃদ্ধি পোৱা আৰু সম্ভাব্য সামৰিক হস্তক্ষেপৰ প্ৰতিক্ৰিয়া ভালেমান দূৰলৈ যোৱাৰ আশংকা কৰিয়েই বোধহয় ভূমধ্য সাগৰত শেহতীয়াভাৱে চলোৱা মাৰ্কিন ৰণতৰীৰ সমৰসজ্জা সম্প্ৰতি স্থগিত ৰখা হৈছে। সাম্প্ৰতিক মাৰ্কিন-লিবিয়া সংকটৰ নেতিবাচক দিশটো হৈছে,—এনেবোৰ ঘটনাই সাময়িকভাৱে আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত খলকনি তুলিলেও পেলেষ্টাইনীসকলৰ গৃহভূমিৰ বাবে চলোৱা মূল ৰাজনৈতিক সমস্যাটো তল পেলাবলৈ প্ৰয়াস পাইছে।


আমাৰ কেইখনমান উৎকৃষ্ট গ্ৰন্থ

* ৰামচৰণ ঠাকুৰ বিৰচিত গুৰুজনাৰ জীৱন চৰিত

**গুৰু চৰিত**

* **হিতেশ ডেকাৰ অমৰ উপন্যাস**

**আজিৰ মানুহ**

জ্ঞানপীঠ বঁটা বিজয়ী ড' বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ সাহিত্য প্ৰতিভাৰ বিষয়ে জানিবলৈ হলে

* **বীৰেন্দ্ৰ ভট্টাচাৰ্যৰ সাহিত্য-কৃতি**

* **ত্ৰৈলোক্য ভট্টাচাৰ্যৰ** গল্প-সংকলন

**এজন ঈশ্বৰৰ মৃত্যু**

* **ড° সত্যেন্দ্ৰ নাৰায়ণ গোস্বামীৰ**

**ধন্ম পদ**

ওপৰত উল্লেখ কৰা গ্ৰন্থ কেইখনৰ লগতে আমাৰ প্ৰকাশিত অন্যান্য কিতাপ সমূহো অসম সাহিত্য সভাৰ কামপুৰ অধিবেশনৰ আমাৰ বিপনিত বিশেষ ৰেহাই মূল্যত পাব।

**চন্দ্ৰ প্ৰকাশ**

টিহু




# গণতন্ত্ৰ দিবসৰ প্ৰতীক দৃশ্য ঃ অসম শ্ৰেষ্ঠ




সপ্তত্ৰিংশতিতম গণতন্ত্ৰ দিবস উপলক্ষে এইবাৰ ৰাজধানী নতুন দিল্লীত আয়োজন কৰা অনুষ্ঠানত যোগ দিয়া অসমৰ প্ৰতীকদৃশ্যই প্ৰথম স্থান লাভ কৰে। প্ৰতীকদৃশ্যটিৰ মাজেৰে পাঁচশ বছৰৰ আগেয়ে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে সংহতি আৰু সংস্কৃতিৰ বান্ধোনেৰে একত্ৰিত কৰা বৃহৎ অসমীয়া জনগোষ্ঠীৰ পুৰ্ণমিলনৰ আভাস দিয়াৰ প্ৰয়াস কৰা হৈছিল। ইয়াত গুৰু আসন আৰু নামঘৰৰ প্ৰতীক সন্নিবিষ্ট কৰা হৈছিল, সত্ৰীয়া নৃত্য গীত উপস্থাপনৰ জৰিয়তে জীৱন্ত কৰি তোলা হৈছিল। সত্ৰীয়া নৃত্য-গীতত অংশ গ্ৰহণ কৰিছিল গুৱাহাটী, নলবাৰী, কলিয়াবৰ আৰু কমলাবাৰীৰ বছা বছা কেইগৰাকীমান শিল্পীয়ে। অসমৰ হস্তশিল্প, ভাস্কৰ্য, চাৰুকলা, নৃত্য-বাদ্য সকলোৰে সমন্বয় সাধন কৰি তিনিখন ট্ৰেক্টৰৰ ওপৰত নিৰ্মিত এই প্ৰতীকপটে দৰ্শকসকলৰ ভূয়সী প্ৰশংসা অৰ্জন কৰিছিল।

প্ৰতীক দৃশ্যটিৰ আঁৰৰ মানুহজন আছিল সাংস্কৃতিক সঞ্চালকালয়ৰ নিয়মীয়া অভিনেতা অবিনাশ শৰ্মা। শ্ৰীশৰ্মাই অভিনয়ৰ উপৰিও সঞ্চালকালয়ৰ দ্বাৰা আয়োজিত বিভাগীয় অনুষ্ঠান-নাট্যাভিনয় আদিতো সাজ-সজ্জা, মঞ্চসজ্জা, ৰূপসজ্জা আদিৰ কাম কৰি দিয়ে। তদুপৰি দুই-এখন ভ্ৰাম্যমান থিয়েটাৰ আৰু অসমীয়া চলচ্চিত্ৰৰ শিল্প নিৰ্দেশনাৰ সৈতেও শ্ৰীশৰ্মা জড়িত।

এইবাৰৰ গণৰাজ্য দিবসৰ আগ-মুহূৰ্তত প্ৰতিৰক্ষা মন্ত্ৰণালয়ে ৰাজ্যসমূহৰপৰা প্ৰতীকদৃশ্যৰ নক্সা বিচৰাৰ লগে লগে অসমৰ সাংস্কৃতিক সঞ্চালকালয়ে বাতৰি-কাকতত বিজ্ঞাপন দি অসমৰ শিল্পীসকলৰপৰা নক্সা আহ্বান কৰে। এইবাৰৰ প্ৰতীক দৃশ্যৰ বিষয় আছিল—'সংস্কৃতিৰ জৰিয়তে সংহতি।' শ্ৰীশৰ্মাই এই বিজ্ঞাপন অনুসৰিয়ে নিজৰ নক্সা দাখিল কৰে। শ্ৰীশৰ্মাৰ উপৰিও আৰু দুজনৰ নক্সা নিৰ্বাচিত কৰি দিল্লীলৈ পঠোৱা হৈছিল যদিও শেষত শ্ৰীশৰ্মাৰ নক্সাটোৰেই অনুমোদিত হয়।

ৰাষ্ট্ৰপতি গিয়ানী জাইল সিঙৰ সৈতে শিল্পীসকল'



শ্ৰীশৰ্মাৰ সৈতে প্ৰতীক দৃশ্যটি সাজি উলিওৱাত বৰপেটা সত্ৰৰ গুৰু আসন নিৰ্মাতা টিকেন বায়ন আৰু ভাস্কৰ্য শিল্পী মাধৱ দাসে বিশেষভাৱে সহায় কৰে।

গণৰাজ্য দিবসৰ অন্যান্য ৰাজ্যৰ প্ৰতীকপট পৰিকল্পনাকাৰীসকলৰ ভিতৰত অবিনাশ শৰ্মাই আছিল কনিষ্ঠতম। সেয়েহে আন ৰাজ্যৰ দুই-একে ধেমালি কৰি সুধিছিল—অসমৰ মন্ত্ৰী-বিধায়কসকল ডেকা হোৱা বাবে প্ৰতীক দৃশ্যৰ বাবেও ডেকা শিল্পী পঠোৱা হৈছে নেকি? শ্ৰীশৰ্মাৰ মতে, এইবাৰেই তেওঁ প্ৰথম প্ৰতীক দৃশ্যৰ নক্সা কৰে। প্ৰথমবাৰতে শ্ৰেষ্ঠত্বৰ সন্মান লাভ কৰে।

**—ইমৰান হুছেইন**



OKDISCP

# টাইটানিকৰ সন্ধানত

গকুল হাজৰিকা

১৯১২ চনৰ ১৪ এপ্ৰিলৰ মাজনিশা ২ বাজি ২০ মিনিট যাওঁতে পৃথিৱীৰ নৌ-ইতিহাসৰ সবাতোকৈ শোচনীয় দুৰ্ঘটনাটো ঘটিছিল। সেই দিনা বৃটিছ ৰাজকীয় নৌ-বাহিনীৰ গৌৰৱ ৮৮২.৫ মিটাৰ দীঘল আৰু ৪৬ হাজাৰ টন ওজনৰ সেই সময়ৰ সৰ্ববৃহৎ তথা বিলাসবহুল জাহাজ—টাইটানিক, নিউফাউণ্ডলেণ্ডৰ গ্ৰেণ্ডবেংক নামৰ দ্বীপৰ দক্ষিণে ১৫০ কিল'মিটাৰ আঁতৰৰ আটলাণ্টিক মহাসাগৰৰ বৃহৎ হিমখণ্ডত (আইছবাৰ্গ) খুন্দা খাই ডুব যায়। দুৰ্ঘটনাৰ আগমুহূৰ্তত মাজৰাতি টাইটানিকৰ সৰহসংখ্যক যাত্ৰীয়েই নিশ্চিত মনে শুই আছিল। যি অলপ সংখ্যক যাত্ৰী সাৰে আছিল তেখেতসকল গল্প, হাঁহি-তামাছাত মগ্ন আছিল, কোনোৱে মদ খাইছিল বা তাচ খেলাত আপোনপাহৰা হৈ আছিল। বৃহৎ হিমখণ্ডত খুন্দা মৰাৰ সময়ত টাইটানিক পূৰ্ণ গতিত আহি আছিল। এই খুন্দাত জাহাজৰ সন্মুখ ভাগৰ ৩০০ ফুট দুফাল হৈ ফাটি যায় আৰু লগে লগে জাহাজখন ডুবিবলৈ আৰম্ভ কৰে। এই ভয়ংকৰ আঘাতত টাইটানিকৰ ক্ষতিৰ পৰিমাণ কিমান, প্ৰথমতে কোনেও ধৰিব পৰা নাছিল। কাৰণ যাত্ৰী তথা নাবিকৰ মনত এইখন বৃহৎ জাহাজৰ ঘাত-প্ৰতিঘাত সহ্য কৰিব পৰা ক্ষমতা সীমাহীন বুলি এটা দৃঢ় বিশ্বাস আছিল।

১৯১২ চনৰ ১০ এপ্ৰিলৰ দিনা, টাইটানিক প্ৰথমবাৰৰ বাবে ইংলণ্ডৰ পৰা নিউয়ৰ্কলৈ সমুদ্ৰ যাত্ৰাত ওলায়, আৰু দুদিন পাছতে ১২ এপ্ৰিলৰ দিনা ভয়ংকৰ আঘাতত ভাগি ডুব যায়। এই জাহাজখন এখন বিলাসবহুল সৰু চহৰৰ দৰে আছিল। সুখ-স্বাচ্ছন্দ্যৰ কোনো অভাৱ নথকা জাহাজখনত থকা ২২২৪ জন যাত্ৰী আৰু নাবিকৰ ভিতৰৰ ১৫১৩ জনৰ আটলাণ্টিকৰ ঠেৰেঙা লগা বৰফ-পানীত সলিল সমাধি ঘটে। এই যাত্ৰীসকলৰ মাজত জন জেকব, বেঞ্জামিন গুগেনহেইম আদি দহজন কোটিপতি আছিল। প্ৰাসাদোপম এইখন জাহাজত প্ৰদৰ্শিত হৈছিল পৃথিৱীৰ নানা বিখ্যাত আৰু আপুৰুগীয়া সামগ্ৰী। এই জাহাজত আছিল পৃথিৱী বিখ্যাত "ডি বিয়াৰ" হীৰা। এই হীৰাৰ ১৯১২ চনৰ বজাৰ-মূল্যই আছিল চাৰি কোটি ডলাৰ। এই জাহাজৰ লগত আটলাণ্টিকৰ বুকুত সমাধি লভিলে ওমৰ খৈয়ামৰ মূল "ৰুবাইত" গ্ৰন্থৰ অতি দুষ্প্ৰাপ্য এটি সংস্কৰণে। নানা দুষ্প্ৰাপ্য সামগ্ৰীৰে পৰিপূৰ্ণ এই জাহাজৰ সমুদ্ৰ ভ্ৰমণে এক বিশেষ আভিজাত্যৰ সন্মান লাভ কৰিছিল।

টাইটানিক যেতিয়া ডুবিবলৈ ধৰে তেতিয়া প্ৰথমে নাৰী আৰু শিশুসকলৰ প্ৰাণ ৰক্ষাৰ প্ৰচেষ্টা চলোৱা হয়।

পৃথিৱীৰ নৌ-ইতিহাসৰ বৃহত্তম শোচনীয় এই দুৰ্ঘটনাৰ কাৰণ বা কাৰণসমূহ ঠাৱৰ কৰিবৰ বাবে—বৃটিছ চৰকাৰে খবৰ পোৱাৰ লগে লগে লৰ্ড মাছিৰ নেতৃত্বত এক বিশেষ অনুসন্ধান কমিটি গঠন কৰে। এই সন্ধানকাৰী কমিটিয়ে পুংখানুপুংখভাৱে চলোৱা অনুসন্ধানৰ পাছত দাখিল কৰা প্ৰতিবেদনত এই ভয়ংকৰ দুৰ্ঘটনাৰ পূৰ্ণ বিৱৰণ লিপিবদ্ধ কৰা আছে।

এই অনুসন্ধানত এটা কথা দৃঢ়ভাৱে প্ৰমাণিত হয় যে টাইটানিক ডুব যোৱা দুৰ্ঘটনাস্থলীৰ পৰা ৩২ কিঃ মিটাৰ দূৰত্বইদি 'কেলিফৰ্নিয়ান' নামৰ এখন জাহাজ পাৰ হৈছিল। কিন্তু দুৰ্ভাগ্যৰ কথা, টাইটানিকে পঠোৱা অনাতাঁৰ সংকেত S. O. S মানে "ছেভ আৱাৰ ছ'ল" (আমাক ৰক্ষা কৰা) এই জাহাজে নাপালে। কাৰণ ক্ৰমাৎ ডুব যাবলৈ আৰম্ভ কৰা টাইটানিকে পঠোৱা বিপদৰ সংকেত "কেলিফৰ্নিয়ান" জাহাজৰ ৰেডিঅ' অপাৰেটৰজন কৰ্তব্যত উপস্থিত নাথাকি শুই থকাত ধৰা নপৰিল। এই ৰেডিঅ' অপাৰেটৰজন শুই নথকা হ'লে মৃত্যু হোৱা ১৫১৩ জন যাত্ৰী/নাবিকৰ বেছি ভাগেই ৰক্ষা পৰিলহেঁতেন।

কিন্তু টাইটানিকৰ বিপদ সংকেত পাই ১৫০ মাইল দূৰেদি যোৱা "কাৰ্পেথিয়া" নামৰ আন এখন জাহাজে ঢাপলি মেলি মহাসাগৰৰ হিমখণ্ডপূৰ্ণ বিপদসংকুল পথ অতিক্ৰম কৰি টাইটানিক ডুবাৰ ২০ মিনিট পাছত দুৰ্ঘটনাস্থলীত উপস্থিত হয় আৰু বাকী যাত্ৰী আৰু নাবিকসকলক উদ্ধাৰ কৰে।

১৯১২ চনৰ ১৫ এপ্ৰিলৰ প্ৰথম পুৱা টাইটানিক মহাসাগৰৰ বুকুত হেৰাই যায়। সুদীৰ্ঘ ৭৩ বছৰ টাইটানিক শুই থাকিল আটলাণ্টিকৰ সুগভীৰ বক্ষত। এই সুদীৰ্ঘ কালত টাইটানিক ৰূপান্তৰিত হ'ল কিম্বদন্তীৰ ধৰা নিদিয়া মোহনীয়া এক ৰাজকুমাৰীলৈ। টাইটানিকৰ বুকুত মহাসাগৰৰ কৰবাত পৰি থকা সাত-ৰজাৰ ধনৰ বিষয়ে শেষ নোহোৱা জল্পনা-কল্পনা চলিল। হাজাৰ হাজাৰ নাবিক অভিযানকাৰীয়ে সপোন দেখে এই ঐশ্বৰ্য উদ্ধাৰৰ। কিন্তু কাৰ্যত ই আছিল অসম্ভৱ। আটলাণ্টিক মহাসাগৰ সদায়েই অশান্ত। ইয়াৰ পানী স্থিৰ হৈ নাথাকে। শব্দ-অনুসন্ধান যন্ত্ৰও (ছোনাৰ ইকুইপমেণ্ট) টাইটানিকৰ সঠিক অৱস্থান নিৰ্ণয় কৰাত বিফল হৈছিল। সমুদ্ৰৰ অশান্ত-অৱস্থাই শব্দৰ গতিপথ বুজাত অনুসন্ধানকাৰীসকলক বিভ্ৰান্ত কৰিছিল। তথাপি অদম্য উৎসাহেৰে টাইটানিকক বিচাৰি থাকিল এদল ৰোমাণ্টিক অভিযানকাৰীয়ে। টাইটানিকক বিচৰাতেই এওঁলোকৰ অপৰিসীম তৃপ্তি। পোৱা-নোপোৱা পাছৰ কথা।

এনেদল সপোন-দেখা ৰোমাণ্টিক অনুসন্ধানকাৰীৰ ভিতৰৰ এজন হ'ল—ৰবাৰ্ট বেলাৰ্ড। আমেৰিকাৰ মাছাছুচেটছ চহৰৰ উডছহোল ওছেনোগ্ৰাফিক ইনষ্টিটিউটৰ এজন বিশিষ্ট সমুদ্ৰতত্ত্ববিদ। তেওঁ টাইটানিক জাহাজ সম্পৰ্কে পোৱা সৰু-ডাঙৰ, সকলো খবৰকে পুংখানুপুংখৰূপে পঢ়ি, গোটাই ৰাখি, জাহাজখন উদ্ধাৰৰ এটি বাসনা পুহি ৰাখিছিল। যোৱা ১৯৮২ চনত নৌ-বিভাগে আধুনিক ছাবমেৰিণ "আৰ্গো" নিৰ্মাণৰ সিদ্ধান্ত লয়। খবৰটি পাই বেলাৰ্ড দ্বিগুণে উৎসাহিত হৈ উঠে। বেলাৰ্ডৰ লিখিত প্ৰস্তাৱ অনুসৰি "আৰ্গো"ক টাইটানিকৰ সন্ধানত পঠোৱাৰ সিদ্ধান্ত লোৱা হয়। "আৰ্গো" সমুদ্ৰ-গৰ্ভৰ কুৰি হাজাৰ ফুট গভীৰলৈকে ডুব মাৰিব পৰা ক্ষমতাসম্পন্ন। "আৰ্গো"ত আছে শব্দ-সংকেত ৰেকৰ্ড কৰাৰ যন্ত্ৰ আৰু সমুদ্ৰতলিৰ ছবি তোলাৰ অতি উপযোগী ভিডিঅ' কেমেৰা। এই কেমেৰাত ধৰা পৰা ছবি কমপিউটাৰে নি প্ৰতিফলিত কৰে ভিডিঅ' পৰ্দাত। যিখন জাহাজৰ লগত "আৰ্গো" সংযুক্ত, সেই জাহাজৰ বিজ্ঞানীসকলৰ সন্মুখত এইভাৱেই আৰ্গোৱে মহাসমুদ্ৰতলিৰ সকলো খবৰ তুলি ধৰে। আৰ্গোৰ তীক্ষ্ণদৃষ্টি সম্পন্ন কেমেৰাৰ চকুৰ পৰা একোৱেই সাৰিব নোৱাৰে।

উডছহোল ইনষ্টিটিউটৰ তেৰজন অনুসন্ধানী সমুদ্ৰ-বিজ্ঞানীৰ এটি দল, আমেৰিকান গৱেষণাকাৰী জাহাজ নৰ (Knorr) যোগে ওলাই আহিল টাইটানিকৰ সন্ধানত দক্ষিণ আটলাণ্টিক মহাসাগৰৰ নিউফাউণ্ডলেণ্ডৰ ওচৰলৈ। এওঁলোকৰ লগত যোগদান কৰে ফৰাছী জাহাজ ছুৰইটে (Suroit)। আগষ্ট মাহৰ (১৯৮৫) শেষ সপ্তাহত নৰ আৰু ছুৰইটক দেখা গ'ল আটলাণ্টিকৰ সেই অঞ্চলত— যৰ পৰা বিজ্ঞানীসকলে বাৰে বাৰে এটা অদ্ভুত সংকেত পাইছিল। সংকেত ফুটি উঠে ছুৰইট জাহাজৰ যন্ত্ৰ-পাতিতো। সেই অঞ্চলৰ প্ৰতি ইঞ্চি ঠাই দুয়োখন জাহাজে যেন চালিহে পেলালে! সংকেত আৰু স্পষ্ট হৈ আহিল। নৰ-জাহাজৰ বিজ্ঞানীসকল আলোচনাত বহিল। ঠিক হ'ল ছাবমেৰিণ আৰ্গোক কামত লগোৱা সময় উপস্থিত। সংকেত তীব্ৰ ৰূপে দেখা দিয়া এক অঞ্চলত আৰ্গোক অনুসন্ধানত নমোৱা হ'ল। আৰ্গোৱে সফল কৰি তুলিলে আমেৰিকা আৰু ফৰাছী বিজ্ঞানীৰ অতদিনৰ পৰিশ্ৰম আৰু প্ৰতীক্ষাক। এসপ্তাহৰ ভিতৰতে আৰ্গোৰ ভিডিঅ' কেমেৰাত ধৰা পৰিল ৭৩ বছৰ আগেয়ে দক্ষিণ আটলাণ্টিকৰ বুকুত হেৰাই যোৱা টাইটানিকৰ ছবি। মহানিদ্ৰাৰ পৰা টাইটানিকক জগোৱা হ'ল।

এইবাৰ আৰ্গোক সাহায্য কৰিবলৈ সমুদ্ৰত ডুব দিলে আৰু এখন নাবিকহীন ছাবমেৰিণ এংগাছে। এইখন ছাবমেৰিণৰ লগত যুক্ত আছিল মহাসাগৰৰ পানীৰ তলৰ স্থিৰ-চিত্ৰ তোলাৰ বিশেষ কেমেৰা। প্ৰকাশিত বাতৰি মতে সমুদ্ৰৰ ৪৩০০ মিটাৰ গভীৰতাত নিশ্চিন্ত মনে শুই থকা টাইটানিকৰ ওপৰত ৭৩ বছৰৰ সুদীৰ্ঘ সময়ে কোনো ক্ষতিৰ দাগ পেলাব পৰা নাই। এই জাহাজ সম্পূৰ্ণ অক্ষত অৱস্থাতেই আছে। যেন ৭৩ বছৰ নহয়, যোৱা বছৰহে দুৰ্ভগীয়া জাহাজখন মহাসাগৰৰ বুকুত নিমজ্জিত হৈছিল!

আমেৰিকা আৰু ফৰাছী দেশৰ যৌথ প্ৰচেষ্টাত, নিউফাউণ্ডলেণ্ডৰ গ্ৰেণ্ড বেংক নামৰ দ্বীপৰ দক্ষিণে ১৫০ কি. মি. আঁতৰত ডুব যোৱা টাইটানিক ধৰা পৰিল নিউফাউণ্ডলেণ্ডৰ ছেণ্টজন দ্বীপৰ ৮০০ কি. মি. দক্ষিণে আটলাণ্টিকৰ ১৩ হাজাৰ ফুট গভীৰতাত।

এই বিশালকায় জাহাজখন ওপৰলৈ উঠোৱা কাৰ্য অসম্ভৱ বুলি সৰহভাগ বিশেষজ্ঞই মত প্ৰকাশ কৰিছে। কিন্তু বহুতেই এই জাহাজৰ বুকুত সোমাই থকা ঐশ্বৰ্যৰ যিমান পাৰি সিমান উদ্ধাৰ কৰাটো বিচাৰে। এই অতুলনীয় ঐশ্বৰ্যৰ অধিকাৰ লৈ ইতিমধ্যে আৰম্ভ হৈছে তৰ্ক-বিতৰ্ক। যি বীমা সংস্থাই এই জাহাজৰ যাত্ৰীসকলৰ ক্ষতিপূৰণ দিছিল, সেই বীমা সংস্থাৰ পৰা আৰম্ভ কৰি বিভিন্ন অভিযানত যি সকলে ধন ভাঙিছিল তেওঁলোক সকলোৱেই টাইটানিকৰ অমূল্য সম্পদৰ দাবীদাৰ।

কোনো দাবী, কোনো অংশ বিচৰা নাই এই শেষ অভিযানকাৰী দলেহে। বেলাৰ্ডে মাত্ৰ অনুৰোধ কৰিছে,—ইমানদিনৰ পাছত টাইটানিকৰ বুকুত সোমাই মহাসমুদ্ৰত মৃত্যু বৰণ কৰা শ শ মানুহৰ চিৰনিদ্ৰাৰ যাতে কোনেও ব্যাঘাত নজন্মায়। তেওঁৰ জীৱনৰ একমাত্ৰ হাবিয়াস, ছাবমেৰিণত গৈ এইখন ঐতিহাসিক জাহাজ নিজ চকুৰে এবাৰ চোৱাৰ।

টাইটানিক আৱিষ্কাৰৰ আনন্দত বেলাৰ্ডে পাহৰা নাই অভিশপ্ত টাইটানিকৰ হতভাগ্য যাত্ৰীসকলৰ শোচনীয় মৃত্যুৰ কথা। এইখন জাহাজৰ লগত সলিল সমাধি লভা সেই ১৫১৩ জন যাত্ৰী আৰু নাবিকক বাৰু কোনে পাহৰিব? গোটেই পৃথিৱী জুৰি শোক পালন হৈছিল টাইটানিকৰ ডেৰ হাজাৰ যাত্ৰী / নাবিকৰ স্মৃতিত। আমাৰ ব'হাগ বিহুৰ উৰুকাৰ দিনাই শেষ ৰাতি টাইটানিক দুৰ্ঘটনাত পতিত হৈছিল। অনুসন্ধানত প্ৰকাশ পাইছিল আৰু এটি বিস্ময়কৰ খবৰ—২২২৪ জন যাত্ৰী / নাবিকেৰে পৰিপূৰ্ণ টাইটানিকত লাইফবোটৰ সংখ্যা আছিল একেবাৰে নগণ্য। মাত্ৰ ১,১৭৮ খনহে।

এই দুৰ্ঘটনাৰ পাছত সমগ্ৰ পৃথিৱীৰ নৌ চালক, নৌ বাহিনীক সতৰ্ক কৰি দিয়া হৈছিল যাতে সমুদ্ৰত ওপঙি থকা প্ৰত্যেক জাহাজৰ ৰেডিঅ' অপাৰেশ্যন ২৪ ঘণ্টাই কাৰ্যকৰী থাকে আৰু জাহাজত যিমান যাত্ৰী / নাবিক থাকে, সিমান লাইফবোট থাকিবই লাগিব। ইত্যাদি।


**হেমবৰুৱাৰ কবিতা**

(বালিচন্দা, মনময়ূৰী আৰু অ-প্ৰকাশিত কবিতাৰ সংকলন)

মূল্য—৩৫ টকা

**ৰঙা কৰবীৰ ফুল**

মূল্য—১২ টকা

***এলবিএছ পাব্লিকেশ্যন***

জি, এন, বৰদলৈ ৰ'ড

পানবাজাৰ : গুৱাহাটী-১

# কেন্দ্ৰীয় বিত্তঃ

# অসমৰ অংশ

ভুবন বৰুৱা

অসমৰ সপ্তম পৰিকল্পনাৰ বাবে অধিক ধন মঞ্জুৰী, অষ্টম বিত্ত আয়োগৰ প্ৰতিবেদনৰ আধাৰত অভিলেখসূচক বিত্ত সাহায্য ইত্যাদি ধৰণৰ দৃষ্টান্তৰে সম্প্ৰতি এনে এটি ধাৰণা দিব খোজা হৈছে যে সমস্যা কণ্টকিত এই ৰাজ্যখনৰ সৰ্বাংগীন উন্নতিৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰ উদাৰ-হৃদয় আৰু সদাপ্ৰস্তুত। সন্দেহ নাই যে অসম আন্দোলনে, ৰাজ্যখনৰ প্ৰতি সুদীৰ্ঘদিন অন্যায়-অবিচাৰ কৰি অহা কেন্দ্ৰীয় চৰকাৰৰ চকু মেল খুৱাইছে আৰু এই সম্পদ-সমৃদ্ধ, পদে পদে অৱহেলিত অঞ্চলটোৰ উন্নয়ন দ্ৰুত কৰিবলৈ যোৱা পাঁচোটা বছৰত নানা প্ৰতিশ্ৰুতি ভাৰত চৰকাৰে দিছে। এনে কথাৰ পূৰ্বাভাস অ'ত ত'ত আধাৰশিলা স্থাপন, আঁচনি প্ৰস্তুতকৰণ আৰু ঘোষণা আদিত প্ৰতিফলিত হৈছে। এই সম্পৰ্কে বিভিন্নভাৱে কৰা প্ৰচাৰ নিতান্তই স্বাভাৱিক নহ'লেযে কেন্দ্ৰীয় চৰকাৰ আঞ্চলিক বৈষম্য বিয়পোৱাৰ দোষৰ ভাগী হ'ব! চৰকাৰী প্ৰচাৰ-মাধ্যমে সঘনে সৰবে চলোৱা প্ৰচাৰ ধ্বনিৰ আঁৰত লুকাই থকা প্ৰশ্নটো হ'ল: স্বাধীনতাৰ পৰৱৰ্তী তিনিটা দশকত অসমে কেন্দ্ৰৰপৰা ন্যায্যপ্ৰাপ্য আৰু সুবিচাৰ পাইছেনে? এনে এটি যুক্তিযুক্ত প্ৰশ্নৰ পম খেদি অতীত খুঁচৰিলে নেতিবাচক উত্তৰ এটাহে স্পষ্টভাৱে ওলাব। অসমক ধনমঞ্জুৰী দিয়াৰ ক্ষেত্ৰত উদাৰতাৰ দাবী কৰোঁতাসকলে প্ৰায়েই বিস্মৃত হয় এই ৰাজ্যখনে সমগ্ৰ দেশৰ সমৃদ্ধিৰ বাবে যোগোৱা বৰঙণিৰ কথা। প্ৰসংগক্ৰমে মনলৈ আহিল আন্দোলন চলা কালত চৰকাৰীভাৱে প্ৰকাশিত এটি তথ্যৰ কথা। আন্দোলন চলা বাবে অসমত উৎপাদিত খাৰুৱা তেল আৰু সাৰৰ বাবদ ১৯৭৯ চনৰ মাজভাগৰপৰা ১৯৮২ চনৰ জুন মাহৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰৰ ১২৭২ কোটি টকাৰ হানি হৈছিল। এনে ধৰণৰ তথ্য-পাতিয়ে অসমৰ বৰঙণিৰ আভাস দিলেও ৰাজ্যখন প্ৰাপ্যৰ ক্ষেত্ৰত কিমান বঞ্চিত তাৰ লেখ দিওঁতা কোনো নাই। প্ৰাপ্ত তথ্যপাতিবোৰে ৰাজ্যখনৰ শোষণ বঞ্চনাৰ কথাহে উদঙাই দেখুৱায়।

ভাৰতত সাংবিধানিকভাৱে ক্ষমতা বিকেন্দ্ৰীকৰণৰ যি পদ্ধতি স্বাধীনোত্তৰ কালত প্ৰৱৰ্তিত হৈছে, তাৰ সতে অংগাংগীভাৱে জড়িত এটি প্ৰধান দিশ হ'ল বিত্তবিভাজনৰ কথাটো। এই ক্ষেত্ৰত ভাৰতীয় সংবিধানতে নানা ব্যৱস্থা সন্নিবিষ্ট কৰা হৈছে। দেশত কেন্দ্ৰীয় চৰকাৰৰ হাতত থূপ যোৱা বিত্তবিভাজনৰ ক্ষেত্ৰত যিবোৰ পদ্ধতি অনুসৰণ কৰা হৈছে, তাৰ ফলত এটি বৈষম্যমূলক আচৰণৰ কথা ক্ৰমাৎ স্পষ্ট হৈ পৰিছে। অৱহেলা, উদাসীনতাই পুঞ্জীভূত কৰা ক্ষোভ-বিক্ষোভে দেশৰ বিভিন্ন অঞ্চলত জন্ম দিছে নানা আন্দোলন আৰু এনেবোৰ কথা হৈ উঠিছে দেশখনৰ ঐক্য-অখণ্ডতাৰ প্ৰতি প্ৰত্যাহ্বানস্বৰূপ। অসমৰ দৰে ৰাজ্যৰ প্ৰতি কেন্দ্ৰৰ বৈষম্যমূলক আচৰণৰ উপৰিও ৰাজ্যিক নেতৃত্বৰ প্ৰাপ্য আদায়ৰ ক্ষেত্ৰত দুৰ্বলতাই বঞ্চনাৰ পৰিমাণ বঢ়াইছে। এনে এটি পটভূমি সমুখত ৰাখি, কেন্দ্ৰীয় ভঁৰালৰ বিত্তৰ কিমান অংশ পাবলৈ অসম সমৰ্থ হৈছে তাৰে এটি থূলমূল তথ্যানুসন্ধানেই এই প্ৰবন্ধৰ ঘাই উদ্দেশ্য।

কেন্দ্ৰীয় বিত্তৰ অংশ ৰাজ্যসমূহে প্ৰধানকৈ তিনিটা উৎসৰপৰা পায়: (ক) সংবিধানৰ ২৮০ ধাৰা অনুক্ৰমে গঠিত বিত্ত আয়োগৰ প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে দিয়া অনুমোদন মতে, (খ) পৰিকল্পনা আয়োগৰ পৰামৰ্শৰ আধাৰত ৰাজ্যিক পৰিকল্পনাৰ বাবে ব্যয় মঞ্জুৰী; এই আয়োগেই কেন্দ্ৰীয় খণ্ডৰ ব্যয় আঁচনিৰ ৰাজ্যবোৰৰ অংশ নিৰ্ধাৰণ কৰে, আৰু (গ) ঋণ আৰু অন্যান্য উপায়েৰে। উল্লেখযোগ্য যে বিত্ত আয়োগৰ পৰামৰ্শবোৰ সাংবিধানিক (statutory)। এই আয়োগে কেন্দ্ৰৰ দ্বাৰা আৰোপিত কিছুমান কৰ-ৰাজহৰ অংশ ৰাজ্যসমূহৰ মাজত বিতৰণৰ নীতি নিৰ্ধাৰণ কৰাৰ উপৰিও ৰাজ্যিক বাজেটৰ ঘাটি পূৰণাৰ্থে সাহায্যমূলক বিত্তীয় অনুদানবো (grants in aid) পৰামৰ্শ দিয়ে।

তথ্যপাতিৰপৰা দেখা গৈছে যে ৰাজ্যসমূহে কেন্দ্ৰীয় বিত্তৰ প্ৰায় এক তৃতীয়াংশ পায় বিত্ত আয়োগৰ অনুমোদনৰ ভিত্তিত। এই ক্ষেত্ৰত বিভিন্ন ৰাজ্যৰ প্ৰাপ্তিৰ পৰিমাণত তাৰতম্য আছে যদিও বিত্ত আয়োগৰ পৰামৰ্শৰ ফলত ৰাজ্যসমূহৰ অংশ ক্ৰমাৎ বৃদ্ধি পাইছে; অৱশ্যে আয়কৰ, আবকাৰী শুল্ক আদিৰপৰা সংগৃহীত ৰাজহৰ পৰিসৰ বঢ়াৰ ফলত এইটো সম্ভৱ হৈ উঠিছে। উদাহৰণ স্বৰূপে পঞ্চম পৰিকল্পনাৰ কালত কেন্দ্ৰই ৰাজ্যসমূহলৈ দিয়া বিভিন্ন প্ৰকাৰৰ বিত্তীয় সাহায্যৰ পৰিমাণ আছিল ২৭,৭২৮ কোটি টকা। ইয়াৰ ১৩,০৭৯ কোটি টকা (৪৭·৩%) বিত্ত আয়োগৰ প্ৰতিবেদন ক্ৰমে আৰু ১০,৫৯৫ কোটি টকা (৩৮·২%) পৰিকল্পনা আয়োগৰ পৰামৰ্শৰ আধাৰত দিয়া হৈছিল। বাকী ৪০৪৫ কোটি টকা (১৪·৭%) আন শিতানৰপৰা পোৱা গৈছিল। এনেবোৰ তথ্যই ৰাজ্যসমূহে কেন্দ্ৰৰপৰা পোৱা বিত্তৰ আকাৰ-প্ৰকাৰ সম্পৰ্কে আভাস দিয়ে।

এই আলোচনাৰ প্ৰাসংগিক প্ৰশ্নটো হ'ল: কেন্দ্ৰীয় চৰকাৰে উদাৰচিত্তে বিভিন্নধৰণে দিয়া বিত্তসাহায্যৰ সমুচিত অংশ অসমৰদৰে সমস্যা কবলিত ৰাজ্যই পাইছেনে? তথ্যপাতিৰ বিশ্লেষণে অসমৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ অনুদাৰ, উদাসীন মনোভাৱৰ এখন হতাশজনক ছবিহে পৰিস্ফুট কৰে। কেন্দ্ৰীয় চৰকাৰৰপৰা সুবিচাৰ আৰু প্ৰাপ্য বঞ্চিত হোৱা বুলি ৰাজ্যখনত পুঞ্জীভূত ক্ৰোধৰ যি বহিপ্ৰকাশ ঘটিল, তাৰো যুক্তিসংগত কাৰণ নথকা নহয়। ৰাজ্যখনৰ বাবে প্ৰাপ্য আদায়ত অতদিনে শাসনভাৰ চলোৱা ৰাজ্যিক নেতৃত্ব যে করুণভাৱে ব্যৰ্থ হৈছে তাত অকণো সন্দেহ নাই। ৰাজ্য আৰু কেন্দ্ৰত একেদলীয় চৰকাৰৰ শাসন চলাতো অসমে যোৱা ৩৫ বছৰত কোনো সুবিচাৰ নাপালে। অনাদৰ, উপেক্ষা অৱহেলাৰে যন্ত্ৰণাগ্ৰস্ত অসমৰ বাবে দিল্লীসুদূৰত, দূৰ অস্ত।

এইকথা ইতিমধ্যে উন্মুকিওৱা হৈছে যে কেন্দ্ৰীয় বিত্তৰ অংশৰ মতে বিত্ত আয়োগৰ পৰামৰ্শৰ আধাৰত ৰাজ্যসমূহে সাংবিধানিকভাৱে পোৱা কৰৰ ভাগ আৰু অনুদানৰ কথাটো জড়িত। ভাৰতত এতিয়ালৈকে মুঠতে আঠোটা বিত্ত আয়োগ গঠিত হৈছে আৰু ইয়াৰ পৰামৰ্শক্ৰমে ৰাজ্যসমূহে কেন্দ্ৰীয় চৰকাৰৰপৰা বিত্তীয় সাহায্য পাইছে। বিত্ত আয়োগসমূহৰ পৰামৰ্শই ঘাইকৈ চহকী আৰু সমৃদ্ধ ৰাজ্যসমূহকহে উপকৃত কৰা বুলি সততে অভিযোগ উত্থাপিত হৈ আহিছে। আমকি তথ্যপাতিৰ বিশ্লেষণেও তেনে অভিযোগৰ সত্যতাকে প্ৰতিপন্ন কৰে। শেহতীয়াকৈ অষ্টম বিত্ত আয়োগৰ (১৯৮৫-৯০) প্ৰতিদেনতহে দুখীয়া আৰু অনুন্নত ৰাজ্যসমূহৰ সমস্যাৰ প্ৰতি অধিক মনোনিবেশ কৰা হৈছে। সংলগ্ন তালিকাত বিত্ত আয়োগৰ পৰামৰ্শৰ আধাৰত অসমে পোৱা কেন্দ্ৰীয়কৰৰ অংশ আৰু কেইখনমান ৰাজ্যৰ সতে তুলনামূলক ছবিখন দেখুওৱা হৈছে।

এক নম্বৰ তালিকাত অসমে বিভিন্ন বিত্ত আয়োগৰ পৰামৰ্শক্ৰমে পোৱা দুবিধ প্ৰধান কেন্দ্ৰীয়কৰৰ শতাংশ পৰিমাণ হিচাপে দেখুওৱা হৈছে। যোৱা তিনিটা দশকত অংশ বিভাজন হ'বলগীয়া এই দুয়োবিধ কৰৰপৰা ৰাজ্যসমূহে পোৱা ভাগ যথেষ্টৰূপে বৃদ্ধি পালেও অসমৰ শতাংশ ভাগ প্ৰায় একে পৰ্যায়তে আছে। উল্লেখযোগ্য যে সপ্তম বিত্ত আয়োগে (১৯৭৯-৮৪) কেন্দ্ৰীয়ভাৱে আৰোপিত আয়কৰৰ সংগৃহীত পৰিমাণৰ ৮৫ শতাংশ আৰু আবকাৰী শুল্কৰ ৪০ শতাংশ ৰাজ্যসমূহক দিয়াৰ পৰামৰ্শ দিছে যদিও অসমে পোৱা ভাগ বৰ বেছি বঢ়া নাই।

**তালিকা ১ঃ বিত্ত আয়োগৰ পৰামৰ্শৰ ভিত্তিত অসমৰ বাবে নিৰ্ধাৰিত কৰ ভাগৰ**

শতাংশ (মুঠ = ১০০)

| | আয় কৰ | কেন্দ্ৰীয় আবকাৰী শুল্ক |
|---|---|---|
| ২য় বিত্ত আয়োগ | ২·৪৪ | ৩·৪৬ |
| ৩য় ,, | ২·৪৪ | ৪·৭৩ |
| ৪থ ,, | ২·৪৪ | ৩·৩২ |
| ৫ম ,, | ২·৬৭ | ২·৫১ |
| ৬ষ্ঠ ,, | ২·৫৪ | ২·৭১ |
| ৭ম ,, | ২·৫২ | ২·৭৯ |
| ৮ম ,, | ২·৭৮ | ২·৯৭ |

উৎস ঃ বিত্ত আয়োগৰ প্ৰতিবেদনসমূহ।

**তালিকা ২ঃ সপ্তম বিত্ত আয়োগে নিৰ্ধাৰণ কৰা কৰ ভাগ,**

মুঠৰ (= ১০০) শতাংশ হিচাপে

| | আয় কৰ | কেন্দ্ৰীয় আবকাৰী শুল্ক |
|---|---|---|
| উত্তৰ প্ৰদেশ | ১৫·৪২ | ১৮·২৯ |
| মহাৰাষ্ট্ৰ | ১০·৯৫ | ১৮·৬৩ |
| বিহাৰ | ৯·৫৪ | ১৩·০২ |
| পশ্চিমবংগ | ৮·০১ | ৮·০২ |
| অসম | ২·৫২ | ২·৭৯ |

উৎস ঃ সপ্তম বিত্ত আয়োগৰ প্ৰতিবেদন

অসম আৰু অন্যান্য ৰাজ্যৰ তুলনামূলক অংশ সম্পৰ্কে দেখুৱাবলৈ সপ্তম বিত্ত আয়োগে নিৰ্ধাৰণ কৰি দিয়া উক্ত কৰ দুবিধৰ শতাংশভাগ কেইখনমান নিৰ্বাচিত ৰাজ্যৰ ক্ষেত্ৰত ২ নম্বৰ তালিকাত দেখুওৱা হৈছে; ইয়েই অসমৰ স্থান পৰিষ্কাৰভাৱে দেখুৱাব। এইখিনিতে উন্মুকিয়াই থোৱাটো উচিত হ'ব যে বিত্ত আয়োগসমূহে জনসংখ্যা, কৰ আদায় আদিক মাপকাঠী হিচাপে লোৱাৰ ফলত জনবহুল আৰু চহকী ৰাজ্যবোৰে অধিকতৰ বিত্ত সুবিধা লাভ কৰি আহিছে।

এইখিনিতে উল্লেখ কৰাটো উচিত হ'ব যে শেহতীয়াকৈ অষ্টম বিত্ত আয়োগে দিয়া পৰামৰ্শক্ৰমে অসমে পোৱা বিত্তীয় সাহায্যৰ পৰিমাণ আগৰ বছৰবোৰতকৈ যথেষ্ট ভাৱে বৃদ্ধি পাইছে আৰু তাৰ ফলত সপ্তম পৰিকল্পনাৰ কালছোৱাত ৰাজ্যখন উপকৃত হ'ব। সপ্তম বিত্ত আয়োগৰ প্ৰতিবেদন অনুসাৰে অসমে ১৯৭৯-৮৪ ৰ সময়ছোৱাত পোৱা বিত্ত সাহায্য কৰ ভাগৰ মুঠ আকাৰ আছিল ৫১৮·৬৫ কোটি টকা আৰু ই আছিল মুঠ পৰিমাণৰ ২·৪৯ শতাংশ। অষ্টম বিত্ত আয়োগৰ প্ৰতিবেদন অনুসৰি এই পৰিমাণ ১৬০৭·৪৮ কোটিলৈ বৃদ্ধি পাইছে আৰু মুঠ পৰিমাণ শতাংশ হিচাপে ই ৪·০৭% অলৈ উন্নীত হৈছে। ফলত এনে বিত্ত সাহায্যৰ অসমৰ জনমূৰি প্ৰাপ্তি সপ্তম আয়োগৰ ৩৫৪·৬৩ টকাৰপৰা অষ্টম আয়োগৰ প্ৰতিবেদনমতে ১০৯৯·১৩ টকালৈ বৃদ্ধি পাইছে বুলি তথ্যপাতিয়ে দৰ্শায়।

সপ্তম বিত্ত আয়োগৰ প্ৰতিবেদনক্ৰমে বিভিন্ন ৰাজ্যই লাভকৰা বিত্ত সাহায্যৰ পৰিমাণ সম্পৰ্কে তুলনামূলক তথ্যপাতি ৩ নম্বৰ তালিকাত দেখুওৱা হৈছে। এই আয়োগে উদাৰনীতি লোৱা সত্ত্বেও অসমৰ দৰে ৰাজ্য যে উপকৃত হোৱা নাই তাকেই তথ্যপাতিয়ে প্ৰমাণ কৰে। ৰাজ্যখনৰ বিত্তীয় আছকাল নাইবা অনুন্নত অৱস্থা সম্পৰ্কে ৰাজ্য চৰকাৰেও এই আয়োগক সঠিক-





OKDISCD


ভাৱে অৱগত কৰিব নোৱৰা ধাৰণা এটাহে হয়। সপ্তম বিত্ত আয়োগক অসম চৰকাৰে ১১১৩ কোটি টকাৰ ৰাজহৰ ঘাটি দেখুৱাইছিল যদিও এই আয়োগ তাত পতিয়ন নগল। সবলভাৱে যুক্তি-তথ্যেৰে প্ৰতিপন্ন কৰিব নোৱৰা বাবে ৰাজহৰ ঘাটিপূৰণৰ বাবে সাহায্যমূলক বিত্তীয় অনুদানো পাবলৈ অসম অসমৰ্থ হ'ল। সপ্তম আয়োগে দেশৰ ৰাজ্যসমূহৰ মাজত বিতৰণ কৰা মুঠ কৰৰ পৰিমাণ আছিল ১৯,৩৩১ কোটি টকা; অসমে তাৰে ৪৯৭ কোটি টকাহে পায়। এই ক্ষেত্ৰত উত্তৰ প্ৰদেশ, বিহাৰ, মহাৰাষ্ট্ৰ, পশ্চিমবংগ আদিৰ স্থান শীৰ্ষত। এই হিচাপত উক্ত আয়োগে দেশৰ ৮খন ৰাজ্যলৈ দিয়া ১১৭৩ কোটি টকাৰ সাহায্যমূলক বিত্তীয় অনুদান অন্তৰ্ভুক্ত কৰা হোৱা নাই।

৩ নম্বৰ তালিকাখন পৰীক্ষা কৰিলে দেখা যাব বিত্ত আয়োগৰ পৰা অসমৰ দৰে ৰাজ্যই প্ৰয়োজনৰ জোখাৰে বিত্ত সম্বল পাবলৈ সমৰ্থ হোৱা নাই। নিৰ্দিষ্ট ফৰ্মুলা অনুসাৰে কৰৰ ভাগ অধিকভাৱে নাপালেও অসমৰ দৰে ৰাজ্যই বাজেটীয় পৰিস্থিতিৰ জোৰা মাৰিবলৈ সংবিধানৰ ২৭৫ ধাৰামতে অধিক পৰিমাণে কেন্দ্ৰৰ পৰা অনুদানমূলক বিত্ত সাহায্য (grants in aid) পোৱাটো বাঞ্ছনীয় বুলি ভবাৰ যুক্তিসংগত কাৰণ আছে। পিছে এই আয়োগে অসমক ১৯২'৭৯ কোটি টকাৰ এনে অনুদান মঞ্জুৰ কৰিছে। দেশৰ বিভিন্ন অংশত প্ৰচলিত সেৱা-ক্ষেত্ৰতো অসম বঞ্চিত হৈয়েই আছে। সপ্তম বিত্ত আয়োগে অসমক এনে অনুদান নিদিলেই; সম্প্ৰতি অষ্টম বিত্ত সমূহৰ মান উন্নীতকৰণ আৰু তাক সকলো অংশত সমপৰ্যায়লৈ অনাৰ বাবে বিত্ত আয়োগে অসমৰ নিচিনা ৰাজ্যক কিমানদূৰ সহায় কৰিছে সেই সম্পৰ্কে নায্যভাৱেই প্ৰশ্নোদয় হয়।

কেন্দ্ৰীয় চৰকাৰৰপৰা ৰাজ্যসমূহে বিত্ত লাভ কৰাৰ আন এটা উপায় হ'ল ৰাজ্যিক পৰিকল্পনাৰ বাবে ব্যয় মঞ্জুৰী; আৰু ইয়াৰ পৰিমাণ নিৰ্ধাৰণ কৰে পৰিকল্পনা আয়োগে। অসমৰ পাঁচবছৰীয়া পৰিকল্পনাসমূহৰ আকাৰ অন্যান্য বহুতো ৰাজ্যৰ তুলনাত ক্ষুদ্ৰ। এই সম্পৰ্কে বিশদ তথ্যলৈ নগৈ সাম্প্ৰতিক কালৰ দুটামান তথ্যৰ উল্লেখ কৰিলেই অসমৰ দৰে ৰাজ্যৰ ব্যয়ৰ আকাৰ সম্পৰ্কে ধাৰণা কৰিব পৰা যাব। অসমৰ সপ্তম পৰিকল্পনাৰ বাবে বিচৰা হৈছিল ৩৫৫০ কোটি টকা আৰু ইয়াৰে ২১০০ কোটি টকাহে পৰিকল্পনা আয়োগে চূড়ান্তভাৱে মঞ্জুৰ কৰিছে। সপ্তম পৰিকল্পনাৰ আকাৰ ষষ্ঠ পৰিকল্পনাতকৈ ৮৮ শতাংশ বঢ়োৱা হৈছে বুলি হিচাপ দৰ্শোৱা হৈছে। অসমৰ ব্যয় মঞ্জুৰী বঢ়োৱা বুলি দাবী কৰোঁতে এই ৰাজ্যখনৰপৰা কেন্দ্ৰই কিমান কোটি টকা বছৰি বিভিন্নভাৱে আদায় কৰি আছে তাক কোনেও নেদেখুৱায়। কেৱল খাৰুৱা তেলৰ ৰয়েলটি বাবদ অসমে বছৰি ১০০ কোটি টকাৰো অধিক বঞ্চিত হৈ আছে। এনে উদাহৰণ বহুতো ওলাব। ৪ নম্বৰ তালিকাত অসম আৰু আন কেইখনমান ৰাজ্যৰ বাৰ্ষিক পৰিকল্পনাৰ আকাৰ সম্পৰ্কীয় তথ্যপাতি দেখুওৱা হৈছে।

তালিকা ৪ত উল্লেখ কৰা তথ্যপাতিবোৰ পৰীক্ষা কৰি চালে দেখা যাব যে সম্প্ৰতি অসমৰ বাবে বাৰ্ষিক পৰিকল্পনাৰ মঞ্জুৰী বঢ়োৱা বুলি দাবী কৰা হৈছে যদিও এই পৰিমাণ বহুতো ৰাজ্যৰ তুলনাত যথেষ্ট কম। ৰাজ্যখনৰ প্ৰয়োজনৰ তুলনাত পৰিকল্পনা আয়োগে দিয়া বিত্ত-মঞ্জুৰীক কোনোমতেই যথোচিত বুলি ক'ব নোৱাৰি।

তালিকা ৩ঃ সপ্তম বিত্ত আয়োগৰ অনুমোদন ক্ৰমে ৰাজ্যসমূহে পোৱা বিত্ত সম্বল (কোটি টকাৰ হিচাপত)




উৎস ঃ সপ্তম বিত্ত আয়োগৰ প্ৰতিবেদনৰপৰা সংকলিত



অলপতে সপ্তম পৰিকল্পনাৰ চূড়ান্তৰূপ দিয়াৰ বাবে দিল্লীত বহা ৰাষ্ট্ৰীয় উন্নয়ন পৰিষদৰ সভাত ৰাজ্যখনৰ প্ৰতিনিধিসকলে এই বিষয়ে আপত্তি তুলিছিল যদিও তাক গ্ৰাহ্য কৰা নহ'ল। উত্তৰ পূৰ্বাঞ্চলৰ আনবোৰ অংশৰ তুলনাত অসমত পৰিকল্পনাৰ বাবে কৰা জনমূৰি ব্যয়ৰ পৰিমাণ যথেষ্ট কম। ৫ নম্বৰ তালিকাই তেনে এটি ধাৰণাকে মনলৈ আনে।

অসমৰ দৰে সমস্যাকণ্টকিত ৰাজ্যৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ উদাসীন মনোভাৱৰ প্ৰমাণ কেন্দ্ৰীয় অনুদান, বিনিয়োগ আদিৰ ধৰণৰপৰা সুস্পষ্টভাৱেই পোৱা যায়। অসমত কেন্দ্ৰীয় চৰকাৰে ৰাজহুৱা খণ্ডত কৰা বিনিয়োগৰ পৰিমাণ আপেক্ষিকভাৱে কম। অলপতে ভাৰতৰ সংসদত বিত্তমন্ত্ৰীয়ে দিয়া তথ্যানুসাৰে ১৯৮৪ চনৰ মাৰ্চ মাহত বিভিন্ন ৰাজ্যত কেন্দ্ৰীয়খণ্ডৰ, ৰাজহুৱা খণ্ডৰ উদ্যোগৰ বাবে কৰা বিনিয়োগৰ পৰিমাণ আছিল ৩৮৮৪৪'৪২ কোটি টকা; আৰু ইয়াৰ ১৯৩০'১০ কোটি টকাহে আছিল অসমত কৰা বিনিয়োগ। এই পৰিমাণ বিহাৰ, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ, পশ্চিমবংগৰ দৰে ৰাজ্যৰ লগত তুলনা কৰিলেই কেন্দ্ৰীয় চৰকাৰৰ উদাসীনতাৰ তথ্যনিৰ্ভৰ প্ৰমাণ ওলায়। ৬ নম্বৰ তালিকাত এনে তুলনামূলক তথ্য দেখুওৱা হৈছে।

তালিকা ৪ঃ পৰিকল্পনা আয়োগে অনুমোদন কৰা ৰাজ্যিক পৰিকল্পনাৰ বাৰ্ষিক আকাৰ (কোটি টকা)

| | ১৯৮৪-৮৫ | ১৯৮৫-৮৬ (প্ৰস্তাবিত) |
|---|---|---|
| মহাৰাষ্ট্ৰ | ১৬৫০ | ১৭০০ |
| উত্তৰ প্ৰদেশ | ১৫০২ | ১৬৪২ |
| অন্ধ্ৰপ্ৰদেশ | ১০২১ | ১০৪৪ |
| গুজৰাট | ৯৩৫ | ৮০৪ |
| তামিলনাড়ু | ৯১৭ | ৯৬০ |
| বিহাৰ | ৭৫১ | ৮৫১ |
| পশ্চিমবংগ | ৭৪৮ | ৬৭৫ |
| দিল্লী | ১৯০ | ৩৩৫ |
| অসম | ৩৬০ | ৪১০ |
| উত্তৰ পূব পৰিষদ | ১০৭ | ১১৫ |

উৎস ঃ বাৰ্ষিক পৰিকল্পনাৰ প্ৰতিবেদনসমূহ


তালিকা ৬ঃ ৰাজহুৱাখণ্ডত কেন্দ্ৰীয় চৰকাৰে কৰা বিনিয়োগৰ পৰিমাণ, মাৰ্চ, ১৯৮৪ (কোটি টকাৰ হিচাপত)

| | |
|---|---|
| বিহাৰ | ৫১৫১'৭৯ |
| মধ্যপ্ৰদেশ | ৪৫১০'৮০ |
| পশ্চিমবংগ | ২৯০৯'৮৭ |
| মহাৰাষ্ট্ৰ | ৫৯১৭'৭২ |
| উৰিষ্যা | ২১৬৪'৫৫ |
| গুজৰাট | ১৫১১'৭৯ |
| অন্ধ্ৰপ্ৰদেশ | ৩০৮৬'৯০ |
| উত্তৰপ্ৰদেশ | ২০৯৩'৬২ |
| দিল্লী | ১০১৮'৫৬ |
| অসম | ১৯৩০'১০ |

উৎস ঃ সংসদৰ ৰিপোৰ্ট ঃ Minister of Finance R. Sabha. Uns. Question No 578 dated 7th May 1985

ছয় নম্বৰ তালিকাত দেখুওৱা তথ্যৰ পৰা এই কথা স্পষ্টভাৱেই দেখা যায় যে কেন্দ্ৰীয় চৰকাৰে বিভিন্ন ৰাজ্যত বিনিয়োগ কৰা ধনৰ পৰিমাণ অসমত তুলনামূলকভাৱে কম। ৰাজ্যখনৰ ভৌগোলিক অৱস্থিতিৰ কথালৈ চাই ইয়াত অধিকভাৱে ৰাজহুৱাখণ্ডৰ বিনিয়োগ হোৱাটোহে বাঞ্ছনীয়। উদ্যোগ ক্ষেত্ৰত অনুন্নত, অথচ সম্পদেভৰা এই ৰাজ্যখনৰ উদ্যোগ-জড়তা ভঙাৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰহে। এইক্ষেত্ৰত উদাসীন মনোভাব কষ্টদায়ক। সম্প্ৰতি সম্পাদিত অসমচুক্তিত কেন্দ্ৰীয় চৰকাৰে অসমৰ সৰ্বাংগীন উন্নতিৰ প্ৰতিশ্ৰুতি দিছে

তালিকা ঃ ৫ উত্তৰ পূৰ্বাঞ্চলত পৰিকল্পিত ব্যয়ৰ জনমূৰি পৰিমাণ (টকাৰ হিচাপত)




উৎস ঃ NEC ; A Decade of Service



OKDISCD

সঁচা, পিছে তেলশোধনাগাৰ পতাৰ নিচিনা বিষয়ত ব্যক্তিগত খণ্ডকহে আগভাগ দিব খোজাটো কিমান সমীচীন হৈছে সেই বিষয়ে প্ৰশ্নোদয় হয়। এনে সিদ্ধান্তই অসমৰ সম্পদ শুহিবলৈ বহুজাতিক বিনিয়োগৰ দুৱাৰ মুকলি কৰাৰ আশংকাহে মনলৈ আনে।

এই প্ৰবন্ধত উল্লেখ কৰা দৃষ্টান্ত-মূলক তথ্যপাতিবোৰ নিঃসন্দেহে অসমৰ প্ৰতি দেখুৱাই অহা উদাসীন মনোভাৱৰ ইংগিতকাৰী ; ইয়াত লুকাই আছে দীৰ্ঘকালীন বঞ্চনাৰ বেদনাদায়ক ইতিহাস। অসমৰ সম্পদৰ অৱলম্বনত কেন্দ্ৰীয় চৰকাৰে কোটি কোটি টকা উপাৰ্জন কৰিছে ; পিছে ৰাজ্যখনৰ উন্নয়নৰ গতি দ্ৰুত কৰাত যি ভূমিকা লোৱাটো উচিত আছিল সেই ভূমিকা লোৱা নাই বুলি ভবাৰ একাধিক কাৰণ আছে। স্বাধীনতাৰ পাছত ৰাজ্যখনৰ ৰাজনৈতিক নেতৃত্ব আৰু শাসনৰ দায়িত্ব-লোৱাসকল ইমান দুৰ্বল আৰু নিস্পৃহ ধৰণৰ আছিল যে প্ৰাপ্য আদায়ৰ ক্ষেত্ৰতো তেওঁলোকে কোনো ধৰণৰ সচেতন মনোভাব দেখুৱাব নোৱাৰিলে। ই সঁচাকৈয়ে অসমবাসীৰ বাবে দুৰ্ভাগ্য-জনক কথা।

সম্প্ৰতি অসমত এখন গণ সমৰ্থিত চৰকাৰ জনসাধাৰণৰ অভূতপূৰ্ব আৰু স্বতঃস্ফূৰ্ত সমৰ্থন লভি শাসনত অধিষ্ঠিত হৈছে। এই নতুন চৰকাৰে পূৰ্বৰ নেতৃত্বৰ সকলোধৰণৰ দুৰ্বলতা পৰিহাৰ কৰি কেন্দ্ৰীয় চৰকাৰৰপৰা প্ৰাপ্য আদায়ত সচেতন মনোভাবৰ পৰিচয় দিব পাৰিব লাগিব। তাকে কৰিব পাৰিলেহে এই চৰকাৰে অসমৰ জনসাধাৰণৰ আশা সঁচা অৰ্থত পূৰণ কৰিব পাৰিব। △


—বিতৰ্কিত উপন্যাস—

দত্তবৰুৱা / সান্যালৰ

অশ্লীলতাৰ দোষত

মূল্য—১৮'০০ টকা

এলবিএছ পাব্লিকেশ্যন



Mrinalini Guides :

Anglo-Assamese

SOLUTIONS TO MODEL QUESTIONS ON HIGHER SECONDARY COURSE

Look out for the following books to be released in the market shortly.

Subjects

1 Chemistry
2. Physics
3 English
4. Alternative English
5. Assamese MIL
6. History
7. Economics
8. Education
9. Mathamatics
10. Biology/Botany/ Zoology

REMEMBER : MRINALINI GUIDES THE BEST AVAILABLE GUIDES IN THE MARKET. PRECISE AND CORRECT,

Published by :

Lawyer's Book Stall

Guwahati

The Premier House of Books in Assam






# "অনুৰাধা" আৰু অসমৰ বিজ্ঞানী

[ড° জিতেন্দ্ৰ নাথ গোস্বামীৰ সাক্ষাৎকাৰ লৈ এই প্ৰবন্ধটো যুগুত কৰিছে মনোজ কুমাৰ গোস্বামীয়ে।]

যোৱা বছৰৰ ৬ মে'ৰ দিনা ভাৰতৰ মহাজাগতিক ৰশ্মি-নিৰীক্ষণ যন্ত্ৰ 'অনুৰাধা' আমেৰিকাৰ স্পে'ছলেব চেলেঞ্জাৰৰ সহযোগত মহাকাশত সফলতাৰে পৰীক্ষা চলাই পৃথিৱীলৈ ঘূৰি আহে। যোৰহাটৰ বৰভেটা সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীনাথ গোস্বামীৰ পুত্ৰ ড° জিতেন্দ্ৰ নাথ গোস্বামী এই 'অনুৰাধা প্ৰকল্প'ৰ সফল ৰূপদানৰ অন্যতম ৰূপকাৰ।

আহমেদাবাদৰ ফিজিকেল ৰিছাৰ্চ লেবৰেটৰিৰ বিজ্ঞানী এই অসমীয়া তৰুণৰ নাম আজি ভাৰতৰ বিজ্ঞান-সমাজত সসন্ত্ৰমে উল্লিখিত হয়। তেওঁ আন্তঃ-ৰাষ্ট্ৰীয় খ্যাতিও আৰ্জিছে প্ৰচুৰ। প্ৰকল্পটো সফল হোৱাৰ পাছত ৪ মে'ৰ লছ এঞ্জেলছ টাইমছে ড° গোস্বামী সম্পৰ্কে লিখিছিল ঃ

'One of those who celebrated (the success of Anuradha) was Dr. Jitendra Nath Goswami, a co-investigator of the Indian Experiment, who jumped to his feet and began shaking hands with colleagues when he received word that it had been fixed. 'Oh boys, that is fantastic !' He yelled.'

ড° গোস্বামীয়ে প্ৰান্তিকৰ পাঠকৰ বাবে অনুৰাধা প্ৰকল্পৰ গুৰুত্বপূৰ্ণ দিশসমূহ সহজ ভাষাৰে বৰ্ণনা কৰিছে, আৰু পাছলৈকো তেওঁলোকৰ পৰীক্ষাৰ ফলাফলৰ সবিশেষ জনোৱাৰ প্ৰতিশ্ৰুতি দিছে।



'অনুৰাধা'ক মহাকাশলৈ নিয়া স্পে'ছলেব— ৩ মিছনৰ (spacelab—3 mission) প্ৰতীকচিহ্ন। বাওঁফালে ওপৰৰপৰা ক্ৰমে আমেৰিকা, ফ্ৰান্স আৰু ভাৰতৰ ৰাষ্ট্ৰীয় পতাকা। স্পে'ছলেব—তিনিত কৰা পৰীক্ষা-নিৰীক্ষাত এই তিনিখন ৰাষ্ট্ৰই ভাগ লৈছিল।

## সাক্ষাৎকাৰ


□ আপুনি 'অনুৰাধা' বা Ionisation of cosmic rays of heavy nuclei এই প্ৰকল্পটোৰ লগত জড়িত হ'ল কেনেকৈ ?

* 'অনুৰাধা' প্ৰকল্পটোৰ লগত জড়িত হোৱাৰ কাহিনী এক প্ৰকাৰে কবলৈ গলে আৰম্ভ হয় ১৯৭৩ চনৰ শেহৰ ফালে। ডক্টৰেট ডিগ্ৰিৰ বাবে বম্বেৰ টাটা মৌলিক গৱেষণা অনুষ্ঠানত (Tata Institute of Fundamental Research) কাম কৰি থকা অৱস্থাত সেই সংস্থাতে স্কাইলেব মহাকাশযানত পৰিচালিত (conduct) কৰা এটা পৰীক্ষাত অংশ গ্ৰহণ কৰাৰ সুবিধা পাইছিলো। এইটো টাটা ইন্সটিটিউটৰ বিজ্ঞানী অধ্যাপক সুকুমাৰ বিশ্বাস আৰু আৰু দেৱেন্দ্ৰ লাল আৰু আমেৰিকাৰ বাৰ্কলি বিশ্ববিদ্যালয়ৰ অধ্যাপক বুফৰ্ড প্ৰাইছৰ এক যৌথ এক্সপেৰিমেণ্ট আছিল। এই এক্সপেৰিমেণ্টটোৰপৰা আহৰণ কৰা তথ্য-পাতিৰ বিষয়ে গৱেষণা দুয়োঠাইতে স্বতন্ত্ৰভাৱে কৰা হৈছিল। এই গৱেষণাৰ ভিত্তিতেই আমি ১৯৭৫ চনত পৃথিৱীৰ উপৰিভাগৰপৰা ৩০০ মাইলমান ওপৰত থকা এক নতুন ধৰণৰ মহাজাগতিক ৰশ্মিকণাৰ সন্ধেদ পাবলৈ সক্ষম হওঁ। বাৰ্কলিৰ বিজ্ঞানীসকলেও একে ধৰণৰ ফলাফলত উপনীত হয় যদিও এই নতুন ৰশ্মিকণাসমূহৰ উৎস আৰু উৎপত্তি সম্বন্ধে আমি আৰু তেওঁলোকে দাঙি ধৰা মতবাদৰ মিল নাছিল। স্কাইলেবৰ এই এক্সপেৰিমেণ্টত পোৱা সীমিত তথ্য-পাতিৰে এই নতুন ৰশ্মিকণাসমূহৰ ৰহস্য সম্পূৰ্ণৰূপে ভেদ কৰা সম্ভৱ নাছিল আৰু তেতিয়াই এই আঁচনিৰ লগত জড়িত ভাৰতীয় বিজ্ঞানীসকলৰ মাজত আলোচনা হৈছিল— কেনেকৈ কোনো নতুন পৰীক্ষা নিৰীক্ষাৰ যোগেদি এই ৰশ্মিকণাসমূহৰ সম্পূৰ্ণ সন্ধেদ পাব পাৰি। সেয়াই 'অনুৰাধা' আঁচনিৰ জন্মৰ কাহিনী বুলিব পাৰি। কিন্তু এনে এক আঁচ-



OKDISCD

নিৰ ৰূপায়ণৰ বাবে আমাক লাগে স্কাইলেবৰ দৰে এখন মহাকাশযান, য'ত আমি আমাৰ ইচ্ছানুযায়ী মহাকাশলৈ কিছু দিনৰ বাবে যন্ত্ৰ-পাতি পঠাই পুনৰ পৃথিৱীলৈ ঘুৰাই আনিব পাৰো। সেয়েহে 'অনুৰাধা'ৰ প্ৰকৃত কাম আৰম্ভ হয় ১৯৭৬ চনত;— যেতিয়া আমেৰিকাৰ মহাকাশ সংস্থা "নাছা"ই (NASA) স্পে'ছলেব আঁচনিৰ কথা চৰকাৰীভাৱে ব্যক্ত কৰি তাত পৰীক্ষা চলোৱাৰ সুবিধাৰ কথা উনুকিয়াই পৃথিৱীৰ সকলো ইচ্ছুক গৱেষণা সংস্থা আৰু বিজ্ঞানীলৈ আঁচনি বিচাৰি জাননী দিয়ে, ইতিমধ্যে মই আৰু অধ্যাপক দেৱেন্দ্ৰ লালে বম্বে এৰি আহমেদা-



'নাছা'ৰ জনছন মহাকাশ কেন্দ্ৰত স্পে'ছলেবৰ সকলো কথাৰ নিয়ন্ত্ৰণ কৰা ঘৰটোৰ বাহিৰ চ'ৰাত ভাৰতীয় বিজ্ঞানীৰ দল। বাঁওফালৰপৰা ড° গোস্বামী, ডি. ভি. চুবেদাৰ, এম. কে. পদ্মনাভন, এম. এন. ভাটিয়া, এন. দুৰ্গাপ্ৰসাদ আৰু এছ. বিশ্বাস।

**ড° জিতেন্দ্ৰ নাথ গোস্বামী**

| | | |
|---|---|---|
| জন্মস্থান | : | যোৰহাট |
| প্ৰাথমিক শিক্ষা | : | বৰভেটা নিম্ন বুনীয়াদী বিদ্যালয়; ১৯৫৮। বৰভেটা মধ্য ইংৰাজী বিদ্যালয়; ১৯৬০। |
| হাইস্কুলীয়া শিক্ষা | : | যোৰহাট চৰকাৰী বহুমুখী বিদ্যালয়; ১৯৬৫। |
| কলেজীয়া শিক্ষা | : | কটন কলেজ, গুৱাহাটী; ১৯৬৫-৬৮। |
| স্নাতকোত্তৰ শিক্ষা | : | গুৱাহাটী বিশ্ববিদ্যালয়; ১৯৬৮-৭০। |
| ডক্টৰেট ডিগ্ৰি লাভ কৰা প্ৰতিষ্ঠান | : | টাটা মৌলিক গৱেষণা কেন্দ্ৰ (বম্বে) আৰু ফিজিকেল ৰিছাৰ্চ লেবৰেটৰি (আহমেদাবাদ); ১৯৭৭। |
| থিছিছৰ বিষয় | : | চন্দ্ৰৰ শিল আৰু ধুলিকণাত মহাজাগতিক ৰশ্মিকণাই সৃষ্টি কৰা পৰিবৰ্তনৰ অনুসন্ধান। |
| বৰ্তমান বয়স | : | ৩৫। |
| বিজ্ঞানী হিচাপে পোৱা বিশেষ সন্মান | : | ভাৰতীয় ৰাষ্ট্ৰীয় বিজ্ঞান কংগ্ৰেছৰ (দিল্লী) "যুৱ বিজ্ঞানী" পদক; ১৯৭৯। ভাৰতীয় বিজ্ঞান কংগ্ৰেছৰ (বাংগালোৰ) যুৱ সভ্য (young associate); ১৯৮৪। আন্তঃৰাষ্ট্ৰীয় মহাজাগতিক ৰশ্মি সম্বন্ধীয় সন্মিলনৰ (বাংগালোৰ) আমন্ত্ৰিত বক্তা; ১৯৮৩। আন্তঃৰাষ্ট্ৰীয় উল্কা গৱেষণাৰ বছেৰেকীয়া সন্মিলনৰ আলোচনা চক্ৰৰ সভাপতি ১৯৮২ আৰু ১৯৮৪ (মিছৌৰি আৰু নিউ মেক্সিকো, আমেৰিকা)। |
| জীৱনৰ স্মৰণীয় মুহূৰ্ত (বিজ্ঞান বিষয়ক) | : | ১৯৮৫ চনৰ ৩ মে'ত "অনুৰাধা" পৰিচালনাত সফল কাম হোৱাৰ মুহূৰ্ত আৰু ১৯৭১ চনত গৱেষণাৰ কামত প্ৰথমবাৰৰ বাবে চন্দ্ৰশিলা চুবলৈ পোৱাৰ মুহূৰ্ত। |
| ভৱিষ্যতৰ প্ৰত্যাশা | : | সক্ৰিয় গৱেষক হিচাপে জীৱনটো কটোৱা। |

বাদৰ ফিজিকেল ৰিছাৰ্চ লেবৰেটৰি পালোহি। সেই সময়তে স্পে'ছলেবে দিয়া এই সুবিধাৰ ভাগ লবলৈ টাটা ইন্সটিটিউট আৰু আমাৰ লেবৰেটৰি একেলগ হৈ যুটীয়াভাৱে ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ ( ISRO : Indian Space Researeh Organization)যোগেদি 'নাছা'লৈ 'অনুৰাধা' আঁচনি সম্বন্ধে এটা প্ৰস্তাৱ পঠাবলৈ সিদ্ধান্ত লোৱা হয়। ১৯৭৭ চনৰ শেষৰ ফালে "নাছা"ই এই আঁচনিৰ অনুমোদন জনায় আৰু তেতিয়াৰ পৰাই মই এই আঁচনিৰ লগত সক্ৰিয়ভাৱে জড়িত।

☐ এই প্ৰকল্পটোৰ লগত ভাৰতৰ আৰু বিদেশৰ কিমান বিজ্ঞানী জড়িত আছিল? তেখেতসকলৰ ভিতৰত উল্লেখযোগ্য কোন কোন?

* 'অনুৰাধা' প্ৰকল্পটো সম্পূৰ্ণ ভাৰতীয়। ইয়াত কোনো বিদেশী বিজ্ঞানীৰ অৱদান নাছিল। এইটো আমাৰ বাবে কিছু গুৰুত্বপূৰ্ণ কথা আছিল, কিয়নো এই প্ৰজেক্টৰ সফলতা বা বিফলতাৰ ওপৰত আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত ভাৰতৰ সন্মানো কিছু পৰিমাণে জড়িত আছিল। ১৯৮৪ আৰু ৮৫ চনত 'নাছা'ই মহাকাশলৈ পঠিওৱা প্ৰথম লানিৰ তিনিখন স্পে'ছলেবত আমেৰিকা আৰু পশ্চিম ইউৰোপৰ বাহিৰে কেৱল 'অনুৰাধা' আৰু আন এটা জাপানী এক্সপেৰিমেণ্ট অনুমোদিত হৈছিল। 'অনুৰাধা'ক মহাকাশলৈ কঢ়িয়াই নিয়া স্পে'ছলেব— তিনিৰ প্ৰতীকচিহ্নত ভাৰতৰ পতাকাখনো আছিল।

আমাৰ আঁচনিখনৰ মুখ্য বিজ্ঞানী হ'ল টাটা ইন্সটিটিউটৰ অধ্যাপক সুকুমাৰ বিশ্বাস। সহকাৰী মুখ্য বিজ্ঞানী আছিল ফিজিকেল ৰিছাৰ্চ লেবৰেটৰিৰ অধ্যাপক দেৱেন্দ্ৰ লাল। ইয়াৰ উপৰিও দুয়োটা অনুষ্ঠানৰপৰা আমি ছজন সহকাৰী বিজ্ঞানী হিচাপে জড়িত। এনে এখন আঁচনিত বিজ্ঞানীৰ উপৰিও কাৰিকৰী অৰ্হতা থকা লোকসকলৰ অৱদানো যথেষ্ট। এই ক্ষেত্ৰত আমাৰ লেবৰেটৰিৰ ইলেকট্ৰনিকছ বিভাগৰ হিমাংশু মজুমদাৰ আৰু বাংগালোৰৰ ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ উপগ্ৰহ কেন্দ্ৰৰ (ISRD Satellite Centre) এম. কে. পদ্মনাভনৰ নাম উল্লেখযোগ্য। প্ৰকৃতপক্ষে এনে এখন আঁচনিৰ ক্ষেত্ৰত ব্যক্তিবিশেষৰ নাম লোৱা কিছু অসুবিধা। প্ৰায় ৫০ জনমান লোক বেলেগ বেলেগ সময়ত এই আঁচনিৰ বিভিন্ন দিশৰ কামৰ লগত জড়িত আছিল। আমি প্ৰত্যেকেই নিৰ্দিষ্ট কিছুমান কামৰ ভাৰ লৈছিলো— যাতে এই আঁচনিৰ বিভিন্ন স্তৰৰ কামবোৰ সময়মতে শেষ কৰিবপৰা যায়।

☐ এই আঁচনিৰ উদ্দেশ্যসমূহৰ এটা থুলমূল বিৱৰণ দিয়কচোন।

* মই আগেয়েই উনুকিয়াইছো যে 'অনুৰাধা'ৰ মুখ্য উদ্দেশ্য হ'ল আমি ১৯৭৫ চনত স্কাইলেব এক্সপেৰিমেণ্টৰ যোগেদি সন্ধেদ পোৱা নতুন ধৰণৰ মহাজাগতিক ৰশ্মিকণাৰ উৎস আৰু উৎপত্তিৰ ৰহস্য ভেদ কৰা। এইক্ষেত্ৰত মূল কথাটো এনে ধৰণৰ: আজি প্ৰায় ৭৫ বছৰ ধৰি আমি জানো যে পৃথিৱীৰ বায়ুমণ্ডলৰ উপৰিভাগ উচ্চ-শক্তিসম্পন্ন মহাজাগতিক ৰশ্মিকণাই অনবৰতে খুন্দিয়াই আছে। এই মহাজাগতিক ৰশ্মিসমূহ হ'ল ধনাত্মক বিদ্যুৎ আধান (positive electric charge) যুক্ত কণা, আৰু ইয়াৰ প্ৰায় শতকৰা ৯০ ভাগেই হ'ল প্ৰটন বা হাইড্ৰজেন পৰমাণুৰ নিউক্লিয়াছ আৰু শতকৰা ৮ ভাগমান হ'ল হিলিয়াম পৰামাণুৰ নিউক্লিয়াছ। বাকী শতকৰা ২ ভাগমান হ'ল কাৰ্বন, নাইট্ৰজেন, অক্সিজেন আদি পৰমাণুৰ নিউক্লিয়াছ। মন কৰিব লগা কথা হ'ল,— পৃথিৱীৰ নিজস্ব চুম্বক ক্ষেত্ৰই নিম্নশক্তিসম্পন্ন মহাজাগতিক ৰশ্মিকণাসমূহ পৃথিৱীৰ ওচৰ চপাত বাধা দিয়ে। পৃথিৱীৰ যি কোনো ঠাইৰ অক্ষাংশ আৰু দ্ৰাঘিমাংশৰপৰা আমি গণনা কৰি উলিয়াব পাৰোঁ— কিমান শক্তিসম্পন্ন হ'লে মহাজাগতিক ৰশ্মিকণা সেই ঠাইত পৃথিৱীৰ ওচৰ চাপিবহি পাৰে। স্কাইলেবৰ পৰীক্ষাত আমাৰ মুখ্য আৱিষ্কাৰ হ'ল— পৃথিৱীৰ চৌপাশে থকা নিম্ন-শক্তিসম্পন্ন মহাজাগতিক ৰশ্মিকণাৰ (যিবোৰ পৃথিৱীৰ চুম্বক ক্ষেত্ৰৰ প্ৰভাৱৰ বাবে নিয়মমতে থাকিব নালাগিছিল) এই ৰশ্মিকণাসমূহৰ গঠন (composition) উচ্চ-শক্তিসম্পন্ন মহাজাগতিক ৰশ্মিকণাতকৈ বহুতো বেলেগ আছিল। আমি ভাবোঁ যে এই নতুন ধৰণৰ ৰশ্মিকণাসমূহ প্ৰকৃতাৰ্থত নিউক্লিয়াছ নহয়, বৰঞ্চ আয়নহে। পৰমাণু হ'ল ইলেকট্ৰন আৰু নিউক্লিয়াছৰ সমষ্টি, যাৰ কোনো বিদ্যুৎ আধান বা "নেট চাৰ্জ" নাই। এতিয়া এই পৰমাণুৰপৰা এটা বা ততোধিক ইলেট্ৰন আঁতৰাই দিলেই আমি পাম ধনাত্মক বিদ্যুৎ আধানযুক্ত এক পৰমাণু বা আয়ন। গণনা কৰি দেখুৱাব পাৰি যে আমি পোৱা নতুন ৰশ্মিকণাসমূহ যদি নিউক্লিয়াছ নহৈ আয়নহে হয় তেতিয়াহলে কোনো কোনো ঠাইত এই নিম্নশক্তিসম্পন্ন ৰশ্মিসমূহ পৃথিৱীৰ চুম্বকক্ষেত্ৰৰ প্ৰভাৱ থকা সত্ত্বেও পৃথিৱীৰ ওচৰ চাপিবহি পাৰে। ইতিমধ্যে যোৱা দহ বছৰে পৃথিৱীৰপৰা বহু দূৰতো সৌৰজগতৰ বিভিন্ন কোণত এনে ধৰণৰ নিম্নশক্তিসম্পন্ন মহাজাগতিক ৰশ্মিকণাৰ উপস্থিতি সম্বন্ধে "পায়নিয়াৰ" "ভয়েজাৰ" আদি মহাকাশযানসমূহে




চেলেঞ্জাৰৰ সফল অৱতৰণৰ পাছত হোৱা প্ৰীতি মেলত মহাকাশযাত্ৰী নৰ্মান থেগাৰ্ডৰ লগত ভাৰতীয় বিজ্ঞানীৰ দল। (বাঁওফালৰপৰা) এম. পদ্মনাভন, অধ্যাপক সুকুমাৰ বিশ্বাস, থেগাৰ্ড, ড° জিতেন গোস্বামী, ড° এন. দুৰ্গাপ্ৰসাদ (চছমা পৰিহিত); ডি. চুবেদাৰ আৰু এম. ভাটিয়া। ড° গোস্বামীয়ে কয়— 'নৰ্মান থেগাৰ্ডে আমাক পৰীক্ষা চলোৱাত বিশেষ সহায় কৰে। সাতদিন মহাকাশত কটোৱাৰ পাছতো থেগাৰ্ডক অকণো ক্লান্ত, যেন লগা নাছিল। অথচ প্ৰীতিমেলৰ মাত্ৰ পাঁচ ঘণ্টা আগেয়েহে তেওঁ পৃথিৱী পাইছিলহি।'





OKDISCD



অনুৰাধা। ৪৫ কিল'গ্ৰাম ওজনৰ এই সঁজুলিটোৰ উচ্চতা ৫৩ চেন্টিমিটাৰ আৰু ব্যাস ৪৮ চেন্টিমিটাৰ। মহাকাশলৈ পঠোৱাৰ সময়ত এই সঁজুলিটোক এখন তাপীয় আৱৰণেৰে ঢাকি ৰখা হৈছিল।

কঢ়িয়াই নিয়া যন্ত্ৰ-পাতিৰ যোগেদি গম পোৱা গৈছে আৰু এই ৰশ্মিসমূহ আয়ন হিচাপে থকাৰ পৰোক্ষ আভাস পোৱা গৈছে। আমাৰ এক্সপেৰিমেণ্ট 'অনুৰাধা'ৰ বা Ionization states of cosmic ray heavy nuclei"ৰ (চমুকৈ "Ions") মুখ্য উদ্দেশ্য হ'ল পৃথিৱীৰ চৌদিশে থকা এই নিম্নশক্তিসম্পন্ন ৰশ্মি-কণাসমূহৰ আয়নাইজেশ্যন ষ্টেট (ionization state) নিৰ্ধাৰণ কৰা। এনে ধৰণৰ নিৰ্ধাৰণ বৰ্তমানলৈকে কৰা হোৱা নাই। এই নিৰ্ধাৰণৰপৰাই সৌৰজগতত থকা এই নতুন ধৰণৰ মহাজাগতিক ৰশ্মিকণাসমূহৰ উৎস আৰু উৎপত্তিৰ প্ৰকৃত ৰহস্য ভেদ কৰিব পাৰিম বুলি আমাৰ বিশ্বাস।

□ আঁচনিখনৰ অভিনৱত্ব কি কি?

* বৈজ্ঞানিক আৰু কাৰিকৰী দুয়োদিশৰ পৰাই 'অনুৰাধা' আঁচনিখনত অভিনৱত্ব আছিল। নিম্নশক্তি-সম্পন্ন মহাজাগতিক ৰশ্মিকণাৰ উৎস আৰু উৎপত্তি সম্বন্ধে জানিবৰ বাবে এই ৰশ্মিকণাসমূহৰ আয়নাইজেশ্যন অৱস্থা নিৰ্ধাৰণ কৰাটো একান্তই আৱশ্যক আৰু এই নিৰ্ধাৰণ প্ৰত্যক্ষ ভাৱে (directly) কৰিব পৰা পৰীক্ষাৰ একমাত্ৰ সমল হ'ল 'অনুৰাধা'। গতিকে এই পৰীক্ষাৰপৰা পোৱা ফলাফলে বৈজ্ঞানিক দিশৰপৰা নতুন কথাৰ সম্ভেদ নিশ্চয় দিব। কাৰিকৰী দিশৰপৰাও 'অনুৰাধা' আঁচনিখনৰ অভিনৱত্ব আছে; কিন্তু এই সকলো কথা সহজ-সৰল-ভাৱে ব্যাখ্যা কৰা টান। অৱশ্যে দুটামান কথাৰ উল্লেখ কৰিব পাৰি। আমি এই পৰীক্ষাটোত এক অতি সংবেদনশীল প্লাছটিক ডিটেক্টৰ (plastic detector) ব্যৱহাৰ কৰিছোঁ আৰু এই ডিটেক্টৰ আগতে অন্য কিছুমান পৰীক্ষাত ব্যৱহাৰ কৰা প্লাছটিক ডিটেক্টৰতকৈ বহুতো উন্নত। তদুপৰি প্ৰতিটো মহাজাগতিক ৰশ্মি স্পেচ'ছলেবটো পৃথিৱীৰ কোন অংশৰ ওপৰত থাকোঁতে আমাৰ যন্ত্ৰৰ ডিটেক-টৰত সোমালহি সেই বিষয়ে জানি-বলৈও আমাৰ বিশেষ ধৰণৰ ডিটেকটৰ ছিষ্টেম ডিজাইন কৰিছোঁ। সচৰাচৰ এনে কামৰ বাবে সক্ৰিয় ইলেকট্ৰনিকছ ডিটেক্টৰ (active electronics detector) ব্যৱহাৰ কৰা হয়। আমি এনে ব্যৱস্থাৰ ব্যৱহাৰ নকৰাকৈয়ে এই বিষয়ে গম পাব পাৰিম। ইয়াৰ বাহিৰেও "নাছা"ই নিৰ্ধাৰিত কৰি দিয়া যন্ত্ৰ-পাতিৰ ওজন সম্বন্ধীয় আৰু মহাকাশত ইয়াক পৰিচালিত কৰিবলৈ যোগান দিয়া বৈদ্যুতিক শক্তিৰ সীমাৰ ভিতৰত (ক্ৰমে ৪৫ কিল'গ্ৰাম আৰু ৫ ৱাট) যন্ত্ৰটো সাজি উলিয়াবলৈ যান্ত্ৰিক আৰু বৈদ্যুতিক ডিজাইনৰ (mechanical and electrical design) ক্ষেত্ৰতো নানা ধৰণৰ নতুন ব্যৱস্থা হাতত লোৱা হৈছিল।

□ আঁচনিখনত ভাৰতৰ কাম আৰু বিদেশৰ কাম কি কি আছিল?

* আঁচনিখনৰ সকলো কাম ভাৰতে কৰা হৈছিল। ইয়াৰ কোনো কাম বিদেশত কৰা হোৱা নাছিল। আঁচনিখন কাৰ্যকৰী কৰিবলৈ বেলেগ বেলেগ দিশৰ কথাবোৰ বেলেগ বেলেগ ঠাইত সমান্তৰালভাৱে কৰা হৈছিল। ইকেট্ৰনিকছৰ সকলো কাম আমাৰ লেবৰেটৰিত (ফিজিকেল ৰিছাৰ্চ লেবৰে-টৰি), মেকানিকেল বিষয়ৰ কামসমূহ (mechanical structure অৰ design আৰু fabrication) টাটা ইনষ্টিটিউট আৰু ভাৱা পাৰমাণৱিক গৱেষণা কেন্দ্ৰৰ (Bhabha Atomic Research Centre) সহযোগত আৰু ইনষ্ট্ৰুমেণ্টত ব্যৱহৃত ডিটেক্টৰ ছিষ্টে-মৰ (detector system) ডিজাইন আৰু ফেবৰিকেশ্যন (design and fabrication) আমাৰ লেবৰেটৰি আৰু টাটা ইনষ্টিটিউটৰ সহযোগত কৰা হৈছিল। বাংগালোৰৰ উপগ্ৰহ কেন্দ্ৰত (satellite centre) থাৰ্মেল ছিষ্টেমৰ





ফিজিকেল ৰিছাৰ্চ লেবৰেটৰি, আহমেদাবাদ

(thermal system) ডিজাইন আৰু ফেবৰিকেশ্যন কৰাৰ উপৰিও গোটেই ইনষ্ট্ৰুমেণ্টটোৰ একত্ৰীকৰণ আৰু "নাছা"ই বান্ধি দিয়া নিৰ্দেশ অনুযায়ী মহাকাশলৈ পঠোৱাৰ উপযুক্ততা-সম্পৰ্কে বিভিন্ন ধৰণৰ পৰীক্ষা-নিৰিক্ষা কৰা হৈছিল। শ্ৰীহৰিকোটাৰ ৰকেট নিক্ষেপণ কেন্দ্ৰ (Shrihorikota Rocket Launching Range) আৰু মাদ্ৰাজ আই, আই, টিতো এই সম্পৰ্কে দুই-এটা পৰীক্ষ কৰা হৈছিল। এখন বেচৰকাৰী ফাৰ্মেও যন্ত্ৰপাতিৰ এটা অংশৰ যোগান ধৰে। মুঠতে ১৯৮০ ৰ পৰা ১৯৮৩ লৈকে আমাৰ সকলোৰে বাবে এক বেছ ব্যস্ততাৰ সময় আছিল।

□ আঁচনিখন কাৰ্যকৰী কৰাৰ এটা সাধাৰণ বৰ্ণনা দিয়কচোন?


* ১৯৭৭ চনত 'নাছা'ই আমাৰ আঁচনিৰ অনুমোদন জনোৱাৰ পাছতেই যন্ত্ৰপাতিৰ ডিজাইন সম্পৰ্কীয় প্ৰাৰম্ভিক কাম আৰম্ভ হয়। ১৯৭৮ চনত আনুষ্ঠানিকভাৱে এই আঁচনি সম্পৰ্কে "নাছা" আৰু ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ মাজত মেমৰেণ্ডাম (memorandum) স্বাক্ষৰিত হয়। ১৯৭৯ চনত আমি 'নাছা'ক আমাৰ যন্ত্ৰপাতিৰ প্ৰাৰম্ভিক ডিজাইন আৰু স্পেছ'লেৰত আমাৰ পৰীক্ষা কৰিবৰ বাবে 'নাছা'ৰ ফালৰপৰা কি কি সা-সুবিধাৰ আৱশ্যক সেই বিষয়ে জনাও। ইয়াৰ ওপৰতে ভিত্তি কৰি 'নাছা' আৰু মুখ্য বিজ্ঞান অধ্যাপক বিশ্বাসৰ মাজত এখন চুক্তি স্বাক্ষৰিত হয় (mission implementation agreement)। ১৯৮০ চনটো যায় আমাৰ যন্ত্ৰপাতিৰ প্ৰাৰম্ভিক মডেল (model) সাজি তাৰ বিভিন্ন স্তৰৰ পৰীক্ষা আদি কৰাত। ইয়াৰ ওপৰত ভিত্তি কৰি ১৯৮১ চনত 'নাছা'ৰ লগত Experiment requirement document আৰু Instrument Interface document স্বাক্ষৰিত হয়। ১৯৮১ চনতে আমি কাৰিকৰী দিশৰ সকলো কথা সংযোজন কৰি যন্ত্ৰপাতিৰ এটা কাৰিকৰী মডেল সাজি মহাকাশলৈ পঠোৱাৰ উপযুক্ততা সম্পৰ্কে 'নাছা'ই বান্ধি দিয়া নিৰ্দেশ অনুযায়ী পৰীক্ষা কৰোঁ। এই পৰীক্ষা সমূহৰ ফলাফলৰ ওপৰত ভিত্তি কৰি যন্ত্ৰপাতিৰ ডিজাইনৰ কিছু সাল-সলনি কৰা হয় আৰু ১৯৮২ চনৰ জানুৱাৰী মাহত হান্সভিলৰ মাৰ্শ্বাল মহাকাশ কেন্দ্ৰত (Marshal space centre, Huntsville, USA) তিনিদিন ধৰি চলা আলোচনাৰ পাছত আমাৰ যন্ত্ৰ-পাতিৰ ডিজাইন স্পেচ'ছলেবত মহা-কাশলৈ পঠোৱাৰ উপযুক্ত বুলি 'নাছা'ই অনুমোদন জনায়। ১৯৮২ আৰু ৮৩ৰ বেছিখিনি সময়েই যায় মহাকাশলৈ পঠিওৱাৰ উপযুক্ত কৰি একেধৰণৰ দুটা ইনষ্ট্ৰুমেণ্ট সজাত। এই দুয়োটা ইনষ্ট্ৰুমেণ্ট ১৯৮৩ চনৰ ডিছেম্বৰ মাহত আমেৰিকাৰ ফ্লৰিডাত থকা "নাছা'ৰ কেনেডি মহাকাশ কেন্দ্ৰলৈ (Kennedy Space Sentre Florida) পঠোৱা হয়। মুঠতে ১৯৮০ ৰপৰা ১৯৮৩ লৈকে এই সময়খিনিত বম্বে, আহমেদা-বাদ আৰু বাংগালোৰত 'অনুৰাধা' আঁচনি সমন্ধীয় বিভিন্ন দিশৰ আৰু বিভিন্ন স্তৰৰ কাম চলি আছিল।

১৯৮৪ চনত আমাৰ বেছিভাগ কাম হয় ফ্লৰিডাৰ কেনেডি মহাকাশ কেন্দ্ৰত। প্ৰথমতে ভাৰতৰপৰা যোৱা কাৰিকৰী লোক আৰু 'নাছা'ৰ লোকৰ সহযোগত যন্ত্ৰপাতিবোৰ শেষবাৰৰ বাবে ফ্লৰিডাত পৰীক্ষা কৰা হয়। ইয়াৰ পাছত ইয়াক স্পেছ'লেব মহা-কাশযানৰ লগত একত্ৰীত কৰি স্পে'ছ-লেবত থকা কম্পিউটাৰৰ যোগেদি পৰিচালিত কৰি পুনৰ পৰীক্ষা কৰা হয়। বছৰটোত শেষৰ ফালে, ছেপ্টেম্বৰ আৰু নৱেম্বৰ, স্পে'ছলেব মহাকাশযাত্ৰাৰ আখৰা চলে। এই আখৰাত মহাকাশযাত্ৰাৰ সকলো কথা কম্পিউটাৰৰ জৰিয়তে simulate কৰে। মহাকাশযাত্ৰাৰ বেলিকা দেখা দিব পৰা মহাকাশযান বা যন্ত্ৰপাতি সম্বন্ধীয় বিপদ, আশংকা আদি সকলো-বোৰ কথাই এই আখৰাত সৃষ্টি কৰা হয়, —যাতে প্ৰকৃত মহাকাশযাত্ৰাৰ সময়ত এনেধৰণৰ বিপদ-আপদ হলে আমি কি কৰিব লাগিব সেই বিষয়ে এক সম্যক জ্ঞান পাব পাৰোঁ, স্পে'ছ-লেবক মহাকাশলৈ কঢ়িয়াই নিয়া স্পে'ছ শ্বাটল যানৰ যান্ত্ৰিক বিজুতিৰ বাবে স্পে'ছলেবৰ মহাকাশ যাত্ৰা ১৯৮৪

চনৰ ডিচেম্বৰ মাহৰ পৰা ১৯৮৫ এপ্ৰিল মাহ পায়গৈ। মহাকাশ যাত্ৰাৰ বৰ-আখৰা চলে ১৯৮৫ চনৰ এপ্ৰিল মাহৰ প্ৰথম সপ্তাহত আৰু এপ্ৰিলৰ ২৮ তাৰিখে ভাৰতীয় সময় ৰাতি চাৰে দহ বজা মানত স্পে'ছলেব-তিনি 'অনুৰাধা'ৰে সৈতে মহাকাশমুখী হয় ফ্লৰিডাৰ কেপ কেনেডি নিক্ষেপণ-কেন্দ্ৰৰ (Cape Kennedy Launching Centre) পৰা। এই স্পে'ছলেবত 'অনুৰাধা'ৰ উপৰিও আমেৰিকা আৰু ইউৰোপৰ লেৱৰেটৰিৰ অন্য চৈধ্যটা পৰীক্ষাৰ যন্ত্ৰপাতি আছিল। স্পে'ছলেবৰ সকলো কাৰ্য-কলাপৰ তদাৰক কৰা হৈছিল হিউষ্টনৰ নাছা জনছন মহাকাশ কেন্দ্ৰৰ (NASA Johnson Space Centre) পৰা। আমাৰ যন্ত্ৰপাতিৰ কাৰ্যবিধি নিৰীক্ষণ কৰিবলৈ আমি ছজন তেতিয়া হিউষ্টনত আছিলোঁগৈ।

☐ আঁচনিখনৰ ফলাফল সম্পৰ্কে এতিয়ালৈকে কি কি জানিব পৰা গৈছে ?

* স্পে'ছলেব মহাকাশযানত আমি কৰা পৰীক্ষাৰ ফলাফল পোৱাৰ্লৈ আৰু অন্ততঃ এবছৰমান সময় লাগিব। অৱশ্যে ইতিমধ্যে কৰা কামৰপৰা আমি দুই-এটা প্ৰাৰম্ভিক কথা গম পাইছোঁ। আৰু নাছাই ডিচেম্বৰৰ আগ-ভাগতে আয়োজন কৰা এখন আলোচনা চক্ৰত এই ফলাফলসমূহ জনাবৰ বাবে অধ্যাপক বিশ্বাস ইতিমধ্যে আমেৰিকালৈ ৰাওনা হৈছে। এই বিষয়ে আমি গুৱাহাটীত ফেব্ৰুৱাৰী মাহত হ'বলগীয়া ৰাষ্ট্ৰীয় মহাকাশ বিজ্ঞানৰ আলোচনা চক্ৰতো (National Space Science Symposium) বিজ্ঞানীসকলক জনাম। অৱশ্যে মই গুৱাহাটীৰ এই আলোচনাত অংশ গ্ৰহণ কৰাৰ আশা ক্ষীণ।




মহাকাশত "অনুৰাধা"
(ফটোৰ সোঁমাজত হেলনীয়া ষ্টেণ্ডৰ ওপৰত দেখা গৈছে) মহাকাশত যন্ত্ৰপাতিৰ ভিতৰৰ তাপ নিয়ন্ত্ৰণ কৰিবৰ বাবে চাৰিওফালে এখন বিশেষ আৱৰণ (Thermal Blanket) আছিল। চেলেঞ্জাৰ হ'ল স্পেছলেব মহাকাশলৈ কঢ়িয়াই নিয়া স্পেছ শ্বাটল খনৰ নাম।

☐ অনুৰাধাক এটা সম্পূৰ্ণ সফল প্ৰজেক্ট বুলিব পাৰিনে ? কোনো কোনো ক্ষেত্ৰত অনুৰাধা আংশিকভাৱে ব্যৰ্থ হোৱা বুলিও জনা যায়। এই সম্পৰ্কে আমাক জনাবনে ?

* "অনুৰাধা" প্ৰজেক্টটো সম্পূৰ্ণ সফলনে—এই প্ৰশ্নৰ উত্তৰ বৈজ্ঞানিক দিশৰ পৰা দিবলৈ আমি আৰু কিছু-দিন অপেক্ষা কৰিব লাগিব। কিন্তু মহাকাশলৈ পঠোৱা আৰু মহাকাশত সকলো সুচাৰুৰূপে হোৱাৰ পাছত পৃথি-ৱীলৈ পুনৰ ঘূৰাই অনালৈকে এই আঁচনি সম্পূৰ্ণ সফল বুলি কব লাগিব। মহাকাশযাত্ৰাৰ সময়ত বাতৰি-কাগজত ওলোৱা "অনুৰাধা"ৰ ব্যৰ্থতাৰ কথা-টোৰ কিছু ব্যাখ্যাৰ প্ৰয়োজন। আমাৰ যন্ত্ৰপাতিবোৰ মহাকাশত স্পে'ছলেবত থকা কম্পিউটাৰৰ যোগে-দিয়েই সম্পূৰ্ণৰূপে পৰিচালিত কৰাৰ ব্যৱস্থা কৰা হৈছিল। কম্পিউটাৰ আৰু যন্ত্ৰপাতিবোৰৰ মাজত সমন্বয় স্থাপন কৰিছিল 'নাছা'ই যোগান ধৰা এটা বৈদ্যুতিক ইউনিটে (Remote acquisition unit)। আমি মে' মাহৰ ২ তাৰিখে পূৰ্বে নিৰ্ধাৰিত সময়-তালিকা অনুসৰি আমাৰ যন্ত্ৰপাতিৰ কাম আৰম্ভ কৰিবলৈ নিৰ্দেশ পঠাবৰ বাবে স্পে'ছলেবৰ কম্পিউটাৰলৈ আদেশ (command) পঠালোঁ। লগে লগেই আমি গম পালোঁ যে কম্পিউটাৰ আৰু আমাৰ ইন্সট্ৰুমেণ্টৰ মাজত সকলো কামৰ সম্পূৰ্ণ সমন্বয় ঘটা নাই। ইয়াৰ কাৰণ কেইবাটাও হ'ব পাৰে: প্ৰথমে স্পে'ছলেব কম্পিউটাৰৰ বিজুতি। কিন্তু সেইটো হোৱা অসম্ভৱ; —কাৰণ একেটা কম্পিউটাৰে অনান্য যন্ত্ৰপাতি চলোৱাৰ কাম সফলভাৱে কৰি আছে। দ্বিতীয়তে আমাৰ যন্ত্ৰপাতিৰ বিজুতি। তৃতীয়তে 'নাছা'ই যোগান দিয়া সমন্বয়কাৰী ইউনিটটোৰ বিজুতি। 'নাছা'ই প্ৰথমতে নিজৰ ইউনিটটোৰ বিজুতিৰ কথা চিন্তা কৰিবলৈ টান পালে আৰু সেয়ে স্পে'ছলেব মহাকাশ-যাত্ৰা সম্পৰ্কে সেইদিনা 'নাছা'ৰ পৰা ওলোৱা প্ৰেছ বিজ্ঞপ্তিত "অনুৰাধা"ৰ কাম আৰম্ভ কৰাৰ অসমৰ্থতাৰ কথাৰ লগতে ইয়াৰ কাৰণ "instrumental problem" হ'ব পাৰে বুলি ওলাল। কিন্তু প্ৰায় ২৪ ঘণ্টা জুৰি চলোৱা বিভিন্ন প্ৰচেষ্টাৰ পাছত ধৰা পৰিল



যে বিজুতিৰ মূল কাৰণ হ'ল 'নাছা'ই যোগান ধৰা ইউনিটটোহে। অৱশেষত স্পে'ছলেবত অন্য এটা পৰীক্ষা চলাবলৈ 'নাছা'ই যোগান ধৰা একেধৰণৰ ইউ-নিট এটাৰ যোগেদি আমি 'অনুৰাধা'ৰ যন্ত্ৰপাতি আৰু স্পে'ছলেব কম্পিউটাৰৰ মাজত সম্পূৰ্ণ সমন্বয় স্থাপন কৰিবলৈ সক্ষম হলোঁ। এই সময়ছোৱাত পূৰ্বে অপৰিকল্পিত নানা কাম স্পে'ছলেব মহাকাশযানৰ ভিতৰত কৰিবলগা হৈছিল। এই ক্ষেত্ৰত মহাকাশযাত্ৰী ডন লিণ্ড আৰু নৰ্মান থেগাৰ্ডে যথেষ্ট অৰিহনা যোগায়। যোৱা মে মাহৰ ৩ তাৰিখে পূৰ্বে নিৰ্ধাৰিত সময়তকৈ প্ৰায় ২৪ ঘণ্টাৰ পাছত আমি 'অনুৰাধা'ৰ কাম আৰম্ভ কৰাত সফল-কাম হলোঁ। সেয়ে 'অনুৰাধাৰ কাৰ্য-কাল পূৰ্বে নিৰ্ধাৰিত ৯০ ঘণ্টাৰ ঠাইত ৬৬ ঘণ্টা হ'ল যদিও বৈজ্ঞানিক দিশৰ পৰা ই আমাৰ মুখ্য উদ্দেশ্যত কোনো ব্যাঘাত নজন্মায়।

☐ Follow up work, processing আদি ক'ত কৰা হৈছে ? এই কামবোৰ কেনে পৰ্যায়ত আছে ?

* বৰ্তমান "অনুৰাধা"ত ব্যৱহাৰ কৰা ডিটেক্টৰৰ বিশ্লেষণৰ (analysis) কাম বম্বেৰ টাটা ইনষ্টিটিউট আৰু আহমেদাবাদৰ আমাৰ লেবৰেটৰিত (ফিজিকেল ৰিছাৰ্চ লেবৰেটৰি) চলি আছে। মহাকাশযাত্ৰাৰ পৰা উভতি অহাৰ পাছতে যন্ত্ৰটো কলিকতাৰ Variable Energy Cyclotron Centre অলৈ নিয়া হয়। উদ্দেশ্য হ'ল—এই ছাইক্ল'ট্ৰনত উৎপন্ন কৰিব পৰা শক্তিশালী হিলিয়াম ৰশ্মিকণা ব্যৱহাৰ কৰি যন্ত্ৰটোত ব্যৱহৃত ডিটেকটৰত কিছুমান বিশেষ চিহ্ন দিয়া। প্ৰাৰম্ভিক বিশ্লেষণৰ কাম ইতিমধ্যে প্ৰায় শেষ পৰ্যায়ত পৰিছেহি আৰু মূল ডিটেক্টৰ বিশ্লেষণৰ কাম ইতি-মধ্যে আৰম্ভ হৈছে।


☐ ভাৰতে এই আঁচনিখন গ্ৰহণ কিয় কৰিলে ? ভাৰতৰ ইয়াত আনু-মানিক ব্যয় কিমান ? এই ব্যয় অনু-পাতে আমাৰ দেশ লাভবান হৈছেনে।

* ভাৰতে এই আঁচনি কিয় গ্ৰহণ কৰিলে তাতকৈ বোধকৰোঁ আমি এই আঁচনি কিয় হাতত ললোঁ তাৰ উত্তৰ দিবলৈ সহজ। ইয়াৰ মূলতে আছিল আমাৰ এক সহজাত অনুসন্ধিৎসা আৰু এই অনুসন্ধিৎসা হ'ল যি কোনো গৱেষণাৰে মূল ভেটি। স্কাইলেবৰ (Skylab) পৰীক্ষাত সন্ধেদ পোৱা নতুন ৰশ্মিকণাৰ ৰহস্য ভেদ কৰাৰ ইচ্ছাই আছিল "অনুৰাধা" আঁচনিৰ মূল কথা। "নাছা"ই এই আঁচনি স্পে'ছ-লেবৰ বাবে গ্ৰহণযোগ্য বুলি জনোৱাত ভাৰতৰ মহাকাশ গৱেষণা সংস্থাই সকলো ধৰণৰ আৰ্থিক আৰু কাৰি-কৰী সা-সুবিধা আগবঢ়োৱাটো সহ-জেই বোধগম্য অন্ততঃ দুটা কাৰণত: প্ৰথমতে স্পে'ছলেবৰ দৰে এক নতুন ধৰণৰ মহাকাশযানত কৰা পৰীক্ষা-নিৰীক্ষাত ভাৰতৰ অংশ গ্ৰহণ, আৰু দ্বিতীয়তে, ইয়াৰ যোগেদি আহৰণ কৰিব পৰা বৈজ্ঞানিক আৰু কাৰিকৰী অভিজ্ঞতা—যি আমাৰ দেশৰ ভৱিষ্যত মহাকাশ গৱেষণাৰ ক্ষেত্ৰত সহায়ক হ'ব।

"অনুৰাধা" আঁচনিৰ ৰূপায়ণত প্ৰায় ৫০ লাখমান টকা খৰচ হ'ল। প্ৰায় ছটা বছৰত কৰা এই ব্যয় বৰ বেছি বুলি মই নাভাবোঁ। ইয়াৰ বাবে দেশৰ কিবা লাভ হৈছেনে নাই সেই বিষয়ে দেখ-দেখকৈ প্ৰমাণ কৰা টান। আন্তঃৰাষ্ট্ৰীয় বিজ্ঞানৰ ক্ষেত্ৰত ভাৰতৰ অৱদান আৰু কাৰিকৰী দিশত অৰ্জন কৰা অৰ্হতা আৰু অভিজ্ঞতাই এই ক্ষেত্ৰত আমাৰ মুখ্য লাভ বুলি কব পাৰি। মৌলিক গৱেষণাৰ প্ৰয়ো-জনীয়তা দুই কৰি এই আঁচনিৰপৰা দেশৰ কোনো লাভ হোৱা নাই বুলি কোনোবাই কব খুলিলে সেয়া দূৰ-দৃষ্টি সম্পন্নতাৰ পৰিচায়ক নহ'ব বুলি-য়েই মই ভাবোঁ।

☐ আপুনি এনেধৰণৰ বা ইয়াতকৈ উন্নত আঁচনিৰ লগত ভৱিষ্যতে জড়িত হোৱাৰ সম্ভাৱনা আছেনে ?

* আমি ইতিমধ্যে "নাছা"ক "অনুৰাধা"ক পুনৰ মহাকাশলৈ প্ৰেৰণ কৰাৰ ইচ্ছা সম্বন্ধে জনাইছোঁ। এই ক্ষেত্ৰত আমাৰ লক্ষ্য হ'ব সূৰ্যৰপৰা নিৰ্গত শক্তি সম্পন্ন ৰশ্মিকণাৰ সম্বন্ধে




'নাছা'ৰ জনছন মহাকাশ কেন্দ্ৰত 'অনুৰাধা'ৰ মনিটৰ কক্ষত ড° গোস্বামী। 'আমাৰ পৰীক্ষা সম্বন্ধীয় সকলো কথা আমি ইচ্ছানুযায়ী টি. ভি. স্ক্ৰিনৰ সহায়ত চাব পাৰোঁ ইয়াত বহিয়েই। মহাকাশচাৰীসকলৰ লগত নিয়ন্ত্ৰণ কক্ষৰপৰা হোৱা কথোপকথনো শুনিব পৰাৰ ব্যৱস্থা আছিল।'—ড° গোস্বামী

অনুসন্ধান কৰা। ১৯৮৯ চনৰপৰা ১৯৯১ চনলৈকে, এই সময়ছোৱা এনে এটা প্ৰচেষ্টাৰ বাবে উপযুক্ত হ'ব। ইয়াৰ উপৰিও এই শতিকাৰ শেষ ভাগলৈ মহাকাশত স্থাপন কৰাৰ সম্ভাৱনা থকা স্পে'ছ-ষ্টেছনত কৰিব পৰা দুই-এক পৰীক্ষাৰ কথা আমি চিন্তা নকৰা নহয়। কিন্তু এই সকলোবোৰ কথাই বৰ্তমান কল্পনাৰ স্তৰতে থকা বুলি কোৱাটোহে শুদ্ধ হ'ব।

☐ ভাৰত আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰৰ মহাকাশ সম্পৰ্কীয় কামৰ গুণগত বিচাৰ এটা কৰিব খোজোঁ। ইয়াত আৰু তাত কাম কৰি কোনো উল্লেখযোগ্য পাৰ্থক্য অনুভৱ কৰেনে?

*** ভাৰত আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰৰ মহাকাশ সম্পৰ্কীয় কামৰ পাৰ্থক্য সহজ ভাষাত কবলৈ গলে থৰক-বৰককৈ খোজকাঢ়িব পৰা শিশু আৰু গভীৰ আত্মবিশ্বাসেৰে খোজকাঢ়ি ফুৰা চঞ্চল ডেকাৰ মাজৰ পাৰ্থক্য।** ভাৰতে মহাকাশ সম্পৰ্কীয় কামত পূৰ্ণোদ্যমে হাত দিয়া দহ বছৰ মানহে হৈছে। ইতিমধ্যে আমি বিভিন্ন দিশত যথেষ্ট অগ্ৰগতি লাভ কৰিছোঁ; কিন্তু আমেৰিকাৰ লগত ভাৰতৰ এই ক্ষেত্ৰত তুলনা কৰাটো যুক্তিসংগত নহ'ব। ভাৰতৰ মহাকাশ সম্পৰ্কীয় কামৰ মূল লক্ষ্য হ'ব আত্মনিৰ্ভৰশীলতা। গতিকে সময় যিমানেই নলওক এই লক্ষ্যত উপনীত হ'ব পৰাটোহে ডাঙৰ কথা। কাৰিকৰী দিশসমূহত আমি আমেৰিকাতকৈ বহুতো পিছ পৰি থকাৰ মূল কাৰণ— আমাৰ দেশত এনেধৰণৰ কামৰ বাবে আৱশ্যকীয় technological infrastructure অৰ অভাৱ বুলিয়েই মই ভাবোঁ।

মহাকাশ সম্পৰ্কীয় কামত ভাৰত আৰু আমেৰিকাৰ পাৰ্থক্যৰ কথাটো এই ক্ষেত্ৰত জড়িত কাৰিকৰী লোক বা বিজ্ঞানীৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়। মহাকাশ গৱেষণাত জড়িত ভাৰতীয় লোকৰ জ্ঞান আৰু আত্মবিশ্বাস আমেৰিকা বা ইউৰোপৰ লোকতকৈ কোনো



হিউষ্টনৰ জনছন মহাকাশ কেন্দ্ৰত স্পে'ছলেৰত পৰিচালিত পৰীক্ষা কণ্ট্ৰ'ল কক্ষ। এই কক্ষৰপৰাই কমাণ্ড পঠিয়াই স্পে'ছলেৰ কম্পিউটাৰৰ যোগেদি যন্ত্ৰপাতি পৰিচালনা কৰিব পাৰি। মহাকাশ-যাত্ৰীৰ (astronaut) লগতো এই কক্ষৰপৰাই কথা-বতৰা হ'ব পাৰি।

গুণে কম নহয়। কিন্তু এটা পাৰ্থক্য চকুত নপৰা নহয়। সেইটো হ'ল "নাছা"ৰ সৰহ সংখ্যক লোকেই কাম-কাজৰ ক্ষেত্ৰত প্ৰকৃতাৰ্থত প্ৰফেশ্যনেল; সেইটো কথা ভাৰতীয় লোকৰ ক্ষেত্ৰত সিমান প্ৰযোজ্য নহয়।

☐ বিদেশৰ লগ নলগাকৈ এনে আঁচনি ভাৰতে কাৰ্যকৰী কৰাৰ যুক্তিযুক্ততা আছেনে? আৰু তেনে কৰাটো এই সময়ত সম্ভৱনে?

* বিজ্ঞানৰ অগ্ৰগতিৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় সহযোগিতা একান্তই প্ৰয়োজন। "অনুৰাধা"ৰ দৰে আঁচনি এখন কাৰ্যকৰী কৰিবলৈ আমাৰ দৰকাৰ স্পে'ছলেৰৰ দৰে এখন মহাকাশযান। গতিকে এনে এখন আঁচনি ভাৰতে অকলে কাৰ্যকৰী কৰাৰ যুক্তিযুক্ততা বৰ্তমান অৱস্থাত নাই, অৱশ্যে ইয়াৰ অৰ্থ এইটো নহয় যে ভাৰতে এদিন স্পে'ছলেৰৰ দৰে মহাকাশযান নিক্ষেপ কৰিবলৈ আৱশ্যকীয় কাৰিকৰী অৰ্হতা অৰ্জন কৰিবলৈ চেষ্টা নকৰিব। আনহাতে আন কিছুমান পৰীক্ষা, —যিবোৰ আমি ভাৰততে কৰিব পাৰোঁ আৰু কৰা হৈছেও, তেনেবোৰ পৰীক্ষা আমি বিদেশৰ লগ লাগি কৰিবলৈ দৌৰিলে সি নিশ্চয় আমাৰ নীচাত্মিকা মনোভাৱৰ পৰিচায়কহে হ'ব।

☐ বিদেশ আৰু ভাৰতৰ বৈজ্ঞানিক কাম-বনৰ পৰিপ্ৰেক্ষিতত অসমৰ বিজ্ঞান-চৰ্চা আৰু কাম-বনৰ বিষয়ে এটা মতামত দিয়কচোন।

* একে আষাৰে কবলৈ গলে অসমত বিজ্ঞান চৰ্চাৰ বাবে অনুকূল পৰিবেশৰ অভাৱ বুলি ক'ব লাগিব। মৌলিক বা ব্যৱহাৰিক গৱেষণাৰ (Fundamental or applied research) গুৰি ধৰে বিশ্ববিদ্যালয় আৰু গৱেষণাগাৰসমূহে। কিন্তু আজি অত বছৰে কেন্দ্ৰই স্থাপিত কৰা আঞ্চলিক গৱেষণাগাৰটোৰ বাহিৰে অসমত কোনো ৰাজ্যিক বা কেন্দ্ৰীয় বৈজ্ঞানিক সংস্থা আৰম্ভ কৰা নহ'ল। তদুপৰি বিশ্ববিদ্যালয় দুখনৰ বিজ্ঞান বিভাগসমূহতো গৱেষণাৰ কথাটোত বিশেষ প্ৰাধান্য দিয়া চকুত নপৰে। সেয়েহে ভাৰতৰ অন্যান্য ঠাইৰ তুলনাত অসমে বিজ্ঞানৰ ক্ষেত্ৰত বিশেষ গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়াব পৰা নাই। অৱশ্যে এনে এটা অৱস্থাৰ মাজতো গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দুই-এক বিজ্ঞান বিভাগত, কটন কলেজত, গুৱাহাটীৰ ইনষ্টিটিউট অৱ এডভান্স ষ্টাডিজ, যোৰহাটৰ আঞ্চলিক গৱেষণাগাৰ আৰু চাহ গবেষণা কেন্দ্ৰত কৰা জনদিয়েক বিজ্ঞানীৰ কাম ভাৰত আৰু বিদেশতো সমাদৃত হৈছে আৰু এই কথাটো মই বিশেষ তাৎপৰ্যপূৰ্ণ বুলি ভাবোঁ। ই প্ৰমাণ কৰে যে, অসমত বিজ্ঞান চৰ্চা আৰু গৱেষণাৰ মান উন্নত কৰাৰ যথেষ্ট স্থল আছে। তাৰ বাবে আৱশ্যক এক অনুকূল পৰিবেশৰ। এইখিনিতে মই আৰু এটা কথা উন্মুকিয়াব খোজোঁ। আজিৰ বস্তুবাদী সংসাৰত আমাৰ সকলোৰে প্ৰকৃত মূল্যবোধৰ যথেষ্ট অভাৱ ঘটিছে। এই অভাৱেও বিজ্ঞান চৰ্চা বা গৱেষণাৰ ক্ষেত্ৰত অনুকূল পৰিবেশ সৃষ্টি কৰাত যথেষ্ট বাধা দিয়ে। এই সমস্যা ভাৰতৰ সকলো ঠাইতে পৰিলক্ষিত হয় যদিও অসমত ইয়াৰ মাত্ৰা অন্য ঠাইতকৈ বেছি বুলি কলে ভুল কোৱা নহব। আমাৰ সামাজিক মূল্যবোধৰ কিছু সলনি নহলে, কেৱল মাথোন চৰকাৰী পৃষ্ঠাপোষকতাৰ ওপৰত ভিত্তি কৰি অসমত বিজ্ঞান চৰ্চা বা গৱেষণাৰ মান উন্নত কৰাটো সম্ভৱপৰ নহব বুলি মোৰ বিশ্বাস।

☐ আপুনি অসমলৈ আহিব খোজেনে?

* মই বৰ্তমান অসমলৈ ঘূৰি যোৱাৰ বিশেষ চিন্তা কৰা নাই। মই ভাবোঁ যে মই ক'ত থাকি কাম কৰিছো সেই কথাটোতকৈ মই কেনে কাম কৰিব পাৰিছোঁ.সেই কথাটোহে বেছি গুৰুত্বপূৰ্ণ। অৱশ্যে কেতিয়াবা অসমলৈ ঘূৰি যোৱাৰ সপোন নেদেখা নহয়; কিন্তু ইয়াৰ বাবে আগতীয়াকৈ চিন্তা-চৰ্চা আৰু পৰিকল্পনা কৰাৰ প্ৰয়োজন; আৰু সেইটো মোৰ ক্ষেত্ৰত এতিয়াও হৈ উঠা নাই। মই ভাবোঁ যে এইক্ষেত্ৰত আগভাগ লব লাগিব অসমৰ বৰ্তমান "সক্ৰিয়" বিজ্ঞানীসকলেহে। এই প্ৰচেষ্টাৰ কোনো ক্ষেত্ৰত যদি আমি কেনেবাকৈও সহায় কৰিব পাৰোঁ, সেইখিনি নিশ্চয় কৰিম।

☐ শেহত, প্ৰান্তিকৰ পাঠক পাঠিকাৰ বাবে আপোনাৰ কিবা ক'বলগীয়া আছে নেকি?

* প্ৰথমে মই "প্ৰান্তিক"ক ধন্যবাদ জনাওঁ—অসমৰপৰা দূৰৈত থকা অসমীয়া এজনৰ খবৰ-বাতৰি লোৱাৰ বাবে। প্ৰান্তিকৰ পাঠক-পাঠিকালৈ শুভেচ্ছা জনাইছোঁ। এটা নিজস্ব চিন্তা প্ৰকাশ নকৰি নোৱাৰিলো। অসমীয়া মানুহৰ দুটা দোষ আছিল। প্ৰথমটো হ'ল কোনো কামতে একানপতীয়াকৈ লাগি থকা স্বভাৱৰ অভাৱ। মোৰ বিশ্বাস যে যোৱা পাঁচ-ছবছৰ ধৰি চলা জনজাগৰণে এই অভ্যাসৰ ওৰ পেলালে। আমাৰ দ্বিতীয় দোষ হ'ল— জীৱনৰ সকলো স্তৰতে এটা পৰিৰক্ষিত (sheltered) পৰিবেশৰ প্ৰতি একান্ত আকাংক্ষা। ইয়াৰ কাৰণেই বহুতো অসমীয়া গুণী বা মেধাৱী লোকে তেওঁলোকৰ নিজৰে প্ৰতি সুবিচাৰ কৰিব নোৱাৰিলে বা কৰা নাই বুলি মোৰ ধাৰণা। এই অৱস্থাৰ যে এতিয়াও কিবা সলনি হৈছে সেই বিষয়ে মোৰ সন্দেহ আছে। আৰু ইয়াৰ বাবে যাইকৈ দায়ী আমাৰ কেৰোণীয়া সামাজিক মূল্যবোধ। মই ভাবোঁ যে অসম আৰু অসমীয়াৰ উন্নতিৰ বাবে এই পৰিস্থিতিৰ সলনি কৰিবলৈ চেষ্টা কৰাটো উঠি অহা চামৰ কান্ধত থকা এক গধুৰ কৰ্তব্য।


প্ৰকাশ পালে

চাৰিজন উদীয়মান কবিৰ নবীন কাব্যসম্ভাৰেৰে অসমীয়া কবিতা জগতলৈ অন্য এক সংযোজন

**সমকালীন**

প্ৰকাশক : **উত্তৰণ সাহিত্য গোষ্ঠী**

বাহনা, যোৰহাট—৭৮৫১০১



প্ৰকাশ পালে! প্ৰকাশ পালে!!

**নতুন বছৰটোত**

**'জাৰ্ণাল এম্প'ৰিয়াম'ৰ**

**সশ্ৰদ্ধ নিবেদন ঃ**

অসমৰ কুটিল ৰাজনীতি, অসমৰ বিপদাপন্ন অৰ্থনীতি, অসমৰ সমস্যাবহুল ঘটনাৱলী, সকলোখিনিকে ভুককাত ভৰাই অঞ্জন শৰ্মাই লিখা এখন অনন্য গ্ৰন্থ—

## "অসম আৰু অসম গণ পৰিষদ"

প্ৰতিজন অসমীয়াৰ বাবে এখন আৱশ্যকীয় গ্ৰন্থ।

যোগাযোগৰ ঠিকনা ঃ

*জাৰ্ণাল এম্প'ৰিয়াম*

নলবাৰী (অসম)



নপঢ়াৰ অধিকাৰ আপোনাৰ নিশ্চয় আছে, পঢ়িলে কিন্তু এই কথা আপুনি ভাবিবই লাগিব—

এখন অগতানুগতিক গ্ৰন্থ,
এখন অসাধাৰণ গ্ৰন্থ,
এখন অনবদ্য গ্ৰন্থ,
এখন ... ... ...।

অসমীয়া সাহিত্যলৈ
'ক্লাছিক পাবলিছাৰ্ছ'ৰ
সশ্ৰদ্ধ নিবেদন—

অঞ্জন শৰ্মাৰ সৰ্বপ্ৰথম উপন্যাস

## 'ভাইৰাচ্'

মূল্য— ষোল্ল টকা মাথোন

মুখ্য পৰিবেশক ঃ

বি· আৰ· কলিতা এণ্ড কোঃ

পাণবজাৰ, গুৱাহাটী-১

# হুঁচৰি, বিহুৱা আৰু বৰ বিহুৱা

# প্ৰতিযোগিতাৰ নিয়মাৱলী

জয়কান্ত গন্ধীয়া

নিয়মাৱলী এখনৰ অবিহনে কোনো অনুষ্ঠানেই সুচাৰুৰূপে পৰিচালনা কৰিব নোৱাৰি। অসমৰ বিভিন্ন ঠাইৰ ৰঙালী বিহু পালন কৰা সমিতিসমূহ, বহাগী বিদায় উৎসৱ পালন কৰা সমিতিসমূহ একোটা অনুষ্ঠান-স্বৰূপ বুলিব পাৰি। শেষৰ ফালে অস্থায়ী ৰূপৰ এই অনুষ্ঠানসমূহে স্থায়ী ৰূপেই লৈছেগৈ বুলিব লাগে। এই অনুষ্ঠানসমূহৰ ওপৰত অসমীয়া সংস্কৃতি (কেৱল বিহু-সংস্কৃতিয়েই নহয়) জীয়াই ৰখাৰ,—পুৰণিখিনি উদ্ধাৰ কৰাৰ আৰু ৰক্ষা কৰাৰ গুৰু দায়িত্ব পৰিছে। বিহু-সংস্কৃতিৰ লগত এই সমিতিসমূহৰ সম্পৰ্ক পোনপটীয়া বাবে বিহু-সংস্কৃতিৰ ভূত-ভৱিষ্যত আচলতে এই সমিতিসমূহৰ ওপৰতে নিৰ্ভৰ কৰিছে। আজি অতদিনে সমিতিসমূহ সচেতন নোহোৱা বাবেই বিহু-সংস্কৃতি বিকৃতিৰ পথত আগবাঢ়িছে বুলিব পাৰি। প্ৰতিযোগিতাৰ যুগত ৰঙালী বিহুৰ লগত সম্পৰ্ক থকা বিভিন্ন বিষয়ৰ প্ৰতিযোগিতা ইতিমধ্যে আৰম্ভ হৈছে। কিন্তু এই প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে, বিচাৰকসকলৰ দৃষ্টিভংগী বা বিচাৰৰ ধাৰা একে কৰিবৰ বাবে কোনেও আজিলৈকে এখন সুচিন্তিত, সুলিখিত নিয়মাৱলী (বা সংবিধান) গ্ৰহণ কৰিছে বুলি আমাৰ মনে নধৰে। পথৰপৰা আঁতৰি যাবলৈ ওলোৱা বিহু-সংস্কৃতিক শুদ্ধ পথলৈ আনিবৰ বাবে, কিম্ভূত-কিমাকাৰ ৰূপ লোৱা ৰঙালী বিহুৰ নাচ-বাগবোৰৰ আচল ৰূপটো ধৰি ৰাখিবৰ বাবে, বিকৃতি ৰোধ কৰিবৰ বাবে আমি ইয়াত প্ৰস্তাৱিত নিয়মাৱলীখনৰ (বা সংবিধানখনৰ) দুটি বিষয়ৰ এখনি আহি নিয়মাৱলী দাঙি ধৰিলো। এইখিনিৰ এটি জঁকা যোৱা বছৰ কেইবাখনো বাত্তৰিকাকতত 'আহি সংবিধান' হিচাপে ছপা হৈছিল। বৰ্তমানে তাকে আমি মনোযোগেৰে পৰিবৰ্ধন আৰু সংশোধন কৰি সদাশয় ৰাইজলৈ আগবঢ়ালোঁ। স্থানীয়ভাৱে যোগ-বিয়োগ কৰি ৰাইজে নিয়মাৱলীখনৰ এই অংশটো গ্ৰহণ কৰিলে আমাৰ শ্ৰম সাৰ্থক হ'ব। (হুঁচৰি, মুকলি বিহু, গাভৰু বিহু, বিহুৱতী আৰু বৰ বিহুৱতী, বিহুৱা আৰু বৰ বিহুৱা,—এই আটাইকেইটি বিষয়ে মনোযোগেৰে ৰচনা কৰা সম্পূৰ্ণ নিয়মাৱলীখন আমাৰ 'হুঁচৰি, মুকলি বিহু আৰু বিহুনাচ' গ্ৰন্থখনত সংকলিত হৈছে।)

## হুঁচৰি প্ৰতিযোগিতা

(ক) হুঁচৰি প্ৰতিযোগিতাত কেৱল পুৰুষেহে (ল'ৰা-বুঢ়া-ডেকা) অংশ গ্ৰহণ কৰিব পাৰিব। ডেকাই গাভৰুৰ দৰে সাজ পিন্ধিও অংশ গ্ৰহণ কৰিব নোৱাৰিব। হুঁচৰিত গাভৰু নাচনীৰ কোনো স্থান নাই*। 'হুঁচৰি' শব্দই এই প্ৰসংগত হুঁচৰিৰ 'পদ গোৱা' (বা পদ দিয়া) আৰু 'বিহু মৰা' এই দুয়োটা অংশকে সামৰিব।

(খ) প্ৰতিযোগী দলসমূহে হুঁচৰিৰ দুটা অংশ—পদ গোৱা (বা পদ দিয়া) আৰু বিহুমৰা, প্ৰকটভাৱে দেখুৱাব লাগিব। পদ গোৱা অংশত আধ্যাত্মিক শুচিতা ৰক্ষা কৰাটো নিতান্তই বাঞ্চনীয়। পদ গোৱা বা পদ দিয়াৰ পাছত গৃহস্থই 'পদ সেৱা লোৱাটো, ৰাইজে আশীৰ্বাদ দিয়াটো আৰু বিহু মাৰিবৰ বাবে বিহুৱাসকলে গৃহস্থৰ অনুমতি লোৱাটো প্ৰয়োজনীয় কথা। পদ সেৱাৰ পাছতহে হুঁচৰিৰ দলত অহা ডেকাসকলে বিহু মাৰিবৰ নিয়ম। পদ সেৱাত আশীৰ্বাদ দিয়াৰ উপৰিও বিহুৱা ডেকাৰ বিহুৰ অন্তত বিহু-সেৱাতো (বা ৰাইজ সেৱাতো) আশীৰ্বাদ দিব লাগিব। এই আশীৰ্বাদৰ পাছতহে হুঁচৰিৰ সকলো আনুষ্ঠানিক কাম শেষ হৈছে বুলি ধৰা হ'ব। [মঞ্চৰ হুঁচৰি প্ৰতিযোগিতাত 'গৃহস্থ' শীৰ্ষক চৰিত্ৰটিৰ অৱতাৰণা নকৰি, অভিনয় সংযোগ নকৰাকৈ এই দায়িত্ব মঞ্চৰ উদ্যোক্তাসকলৰ কোনোবা এজনে সাধাৰণভাৱে পালন কৰাহে ভাল।]

(গ) হুঁচৰি দলসমূহে কেৱল হুঁচৰিৰ পদত হুঁচৰিৰ বিহুত বজোৱা ছেও-চাপৰবোৰহে, যেনে— কছাৰী ছেও, মিছিং (মিৰি) ছেও, ধেমেলীয়া ছেও, * হুমুনী ছেও, খৰা ছেও আৰু স্থানীয়ভাৱে হুঁচৰিৰ উভয় অংশত বজোৱা ছেও-চাপৰবোৰহে বজাব পাৰিব।

(ঘ) হুঁচৰিত ডেকা-গাভৰুৱে মুকলি বিহুত (ৰাতি বিহুত, গছতলৰ বিহুত) গোৱা বিহুনামসমূহ গাব নোৱাৰিব। ইয়াত হুঁচৰি আৰু হুঁচৰিৰ বিহুৰ লগত সম্পৰ্ক থকা মাৰ্জিত নামসমূহহে গাব পাৰিব। নামবিলাক আৰু নামৰ লগত গোৱা জাতবিলাক পুৰণি তথা হুঁচৰিৰ বিহুৰ মহিমা প্ৰকাশক হোৱা ভাল। যেনে—প্ৰথমে প্ৰণামো দেৱী সৰস্বতী দ্বিতীয়ে প্ৰণামো হৰি। তৃতীয়ে প্ৰণামো গাঁৱৰ বুঢ়া-মেথা ধৰি যাওঁ নামৰে গুৰি॥ নামৰে কঠিয়া ঈশ্বৰে দিছিলে ব্ৰহ্মাই সৰজা নাম। বেয়া নাম ওলালে খেমিবা সদৌৱে বিহুৰে গীতকে গাম॥ বিহুৰে বিৰিণা পাতে সমনীয়া বিহুৰে বিৰিণা পাত। বিহু থাকে মানে বিহুকে বিনাবা বিহু গলে বিনাবা কাক॥ উজাই আহিলে মাছে কি মগৰে উজাই আহিলে শিহু। কান্ধতে ঢোলটি মুখতে পেঁপাটি পালেহি বহাগৰ বিহু॥ আজি বাৰ মাহে হুঁচৰি গোৱা নাই হুঁচৰি ভটিয়াই গ'ল। হাতে মেলি মেলি নাচিবলৈ নাপালোঁ হাত-ভৰি ঠৰঙা হ'ল॥ কালৈ সাঁচিলা জপাৰ বৰে কাপোৰ কালৈ সাঁচিলা ধন। জপাৰ বৰে কাপোৰ জপাতে পঁচিব হাড়তো গজিব বন॥ —ইত্যাদি। হুঁচৰিৰ বিহুত গোৱা বিহু নামৰ জাতবিলাকত 'ভনীটি', 'লাহৰী' আদি পোনে পোনে গাভৰু নাচনীৰ লগত সম্পৰ্ক স্থাপন কৰিব পৰা শব্দবোৰ ব্যৱহাৰ নকৰি আগৰ বুঢ়াসকলৰ মুখত শুনা 'মোৰ মইনা', 'নল মইনা' 'ৰ' ৰ' ৰতি মইনামতী', 'মোৰ সোণটি', 'মোৰ সোণ সোণাই ঐ' আদি শব্দবোৰ বা ব্যাকাংশবোৰ ব্যৱহাৰ কৰি গোৱাহে বাঞ্চনীয়। লগতে 'নই নাচনীৰ নই কুকুতা নই গুদাম ঐ নই চাবিটা, নই চাবিকো নই চাবিয়ে চৰে', 'অ' ৰাধা হাৰলি, যমুনালৈ নাযাবি, বলাভদ্ৰ গোঁসায়ে ঘিলানো খেল পাতিছে, যমুনা ঐ নকৰে পাৰ।' আদি জাতবোৰহে বা স্থানীয়ভাৱে পূৰ্বে প্ৰচলিত হুঁচৰিৰ বিহুৰ নামবোৰহে গোৱা ভাল।

(ঙ) হুঁচৰিৰ দলসমূহে স্থানীয়ভাৱে পালন কৰা নিয়মসমূহ; যেনে—ৰাইজক পদূলিৰপৰা আদৰি অনা; পদ গোৱাৰ আগতে 'গৃহস্থৰ (বা ৰাইজৰ) কুশলাৰ্থে হৰি বোল', 'সবাৰো মংগলাৰ্থে হৰি বোলা', 'জয় ৰাম বোলা জয় হৰি বোলা', 'গোহালিত গৰু— হৈছে, পুখুৰীত মাছ— হৈছে, বাৰীত তামোল-পাণ—হৈছে, ভঁৰালত ধান— হৈছে, সবাৰো কুশলাৰ্থে হৰি বোলা' ... আদি কোৱা; স্থানীয়ভাৱে প্ৰচলিত খোজ-কাটল দেখুওৱা; লহৰী খেলা দেখুওৱা; চোতালত গামোছা পাৰি দিয়া; মৰলিয়া বন ছটিওৱা; বিহুৱাৰ মূৰত তেল-পানী দিয়া আদি বিভিন্ন অঞ্চলত বিভিন্ন ৰূপে প্ৰচলিত নিয়মসমূহ পৰম্পৰাগত শুচিতা ৰক্ষা কৰি ৰূপায়িত কৰা বাঞ্চনীয়। (নিজ নিজ অঞ্চলত প্ৰচলিত নিয়মসমূহহে এই ক্ষেত্ৰত পালন কৰা উচিত)।

(চ) প্ৰতিযোগীসকলে জাতীয় তথা হুঁচৰিৰ ঐতিহ্য প্ৰকাশ, স্থানীয়ভাৱে প্ৰচলিত আৰু গ্ৰহণযোগ্য বুলি বিবেচিত সাজ-পাৰহে পিন্ধিব পাৰিব। সেই বুলি খৰা বনিয়ন পিন্ধা, ককালত গামোছা মৰা, চাহাবে 'কণ্ঠ-লেঙুটি' মৰাদি ডিঙিত গামোছা মৰা, লগুণ লোৱাদি গামোছা আৰু টঙালি লোৱা, যথাৰীতিৰে চুৰিয়া নিপিন্ধা (এই প্ৰসংগত যথা-ৰীতি বুলি চুৰিয়াৰ এটা আগ পোন্ধ মাৰি, আনটো আগ আগফালে চুটিকৈ থোৰ মাৰি কলাফুল ঢাকি পিন্ধা ৰীতিক বুজোৱা হৈছে। বিহুৱা ডেকাই চুৰিয়াৰ এটা আগ পোন্ধ মাৰি, আনটো আগ থোৰ নামাৰি পিছফালেদি মেৰিয়াই লৈছে বিহু মাৰিছিল বুলি বহুতে যুক্তি দৰ্শায়। পিছে মুকলি বিহুত এনেদৰে চুৰিয়া পিন্ধা কাৰ্যটি চলিলেও, চলালেও পিছে ভাল নেদেখি, ৰুচি-সম্মত যেনো নালাগে। হুঁচৰিত, হুঁচৰিৰ বিহুত কিন্তু কোনোমতে নচলে, চলাব নোৱাৰি। নিয়মাৱলীৰ 'গ' ছেদত উল্লেখ কৰা ঢোলৰ ছেওঁসমূহত পিছফালেদি মেৰিয়াই চুৰিয়া পিন্ধি নাচ-বাগ কৰিব নোৱাৰে।) আদি ব্যৱস্থাবোৰ কোনোমতে গ্ৰহণযোগ্য নহ'ব। জনজাতীয় ডেকাই নিজস্ব সাংস্কৃতিক বৈশিষ্ট্যযুক্ত সাজ-পাৰ পিন্ধিব পাৰিব। কোনো ক্ষেত্ৰতে কৃত্ৰিম, ৰুচি-বিগৰ্হিত সাজ-পাৰ গ্ৰহণযোগ্য নহ'ব। হুঁচৰিৰ বিহুৱা ডেকাৰ সাজ-পাৰ হিচাপে ডেকাৰ মূৰত ফুলাম গামোছা, গাত স্থানীয়ভাৱে প্ৰচলিত আৰু গ্ৰহণযোগ্য বুলি বিবেচিত একেআদি বিহুচোলা [স্থান ভেদে বিহুচোলাও বেলেগ বেলেগ হোৱা দেখা যায়। বহুতে বিহুচোলা বুলি উল্লেখ কৰা সম্পূৰ্ণ মুগা কাপোৰৰ 'হালোৱা চোলা' বা 'এণ্ডাচোলা' টোতকৈ অসমৰ কোনো কোনো ঠাইৰ হুঁচৰি দল আৰু ঢুলীয়া ওজাসকলে (কেৱল বিহুৰ ঢুলীয়াই নহয়) ব্যৱহাৰ কৰা পিঠিফালে ক'লা ছিঙ্কৰ কাপোৰৰ আৰু বুকুফালে মুগা কাপোৰৰ বুকুফলা, বুতামৰ সলনি বুকুফালে জৰী বন্ধা, ককালত ক'লা ফিটা বন্ধা কুকুতা জাতীয় চোলাটোহে বিহুৱা ডেকাৰ গাত বেছি ভাল দেখি বুলি আমাৰ অভিজ্ঞতাৰ পৰা ক'ব পাৰোঁ। মঞ্চত এইটি চোলাহে বেছি আকৰ্ষণীয় হয়। কলাসম্মত আৰু ৰুচিসম্মত যেনো লাগে। যুগসম্মতো; —কাৰণ মুগা কাপোৰৰ পৰিমাণ কম বাবে খৰচ কম।] মুগাৰ বা কপাহী চুৰিয়া, ককালত ৰঙা টঙালি, দুহাত গুটি ফুলৰ বা ৰঙা গোলাপ ফুল থকা হাঁচতি (সৰু গাঁঠিত বন্ধা, কোনো কোনোৱে সমুখৰ ফালে ফুলপাহ জিলিকি থকাকৈ পিছফালে গাঁঠি দি ডিঙিতো হাঁচতি বান্ধে। কোনো ঠাইত ককালৰ টঙালিখনৰ উপৰিও ডেকাসকলক ডিঙিতো টঙালি একোখন মেৰিয়াই লোৱা দেখা যায়।) —সাধাৰণ সাজ-পাৰ হিচাপে গ্ৰহণযোগ্য হ'ব।

(ছ) হুঁচৰিৰ ডেকাসকলৰ বিহুৰ নাচ-বাগত তেওঁলোকে আনন্দৰ আতিশয্যৰ বাবে বিকৃত তথা অমাৰ্জিত আৰু স্থানীয়ভাৱে অপ্ৰচলিত ভাব-ভংগী প্ৰকাশ কৰিব নোৱাৰিব। হুঁচৰিৰ ঢোলৰ ছেও-চাপৰৰ লগত ৰজিতা খুৱাই বিহুৱা ডেকাই পুৰুষসুলভ নাচোন ভংগীৰে নচাটোহে বাঞ্চনীয়। (বহুতে বিহুৰ নাচোন-ভংগীয়েহে ঢোলৰ ছেও-চাপৰ নিয়ন্ত্ৰণ কৰে বুলি কয় যদিও হুঁচৰিৰ বিহুত কিন্তু ঢোলৰ ছেৱেহে নাচোন ভংগী নিয়ন্ত্ৰণ কৰে। নিয়মাৱলীৰ 'গ' ছেদত উল্লেখ কৰা ছেওসমূহৰ নাচোন-ভংগী ঢোলৰ চাপৰৰ লগে লগে দি নগলে এনেদৰে দিয়া অসুবিধা।)

(জ) ডেকা বিহুৱাৰ নাচোনৰ দুই ধৰণৰ পদ-চালনা সাধাৰণভাৱে গ্ৰহণযোগ্য বুলি বিবেচিত হ'ব। (১) ভৰিৰ টিপা ধৰি ভৰি চোঁচৰাই ইফালে সিফালে যোৱা; (২) সামান্যভাৱে ঢেঁকী দিয়াৰ নিচিনা কৰি মণ্ডলাকাৰে আগবঢ়া।

(ঝ) হুঁচৰিত ঢোল, পেঁপা, গগণা

* গাভৰু নাচনী নাচিব পাৰে ডেকা-গাভৰুৱে একেলগে মৰা মুকলি বিহুত (বা ৰাতি বিহু, গছতলৰ বিহুত), গাভৰু বিহুত, বিহুৱতী প্ৰতিযোগিতাত।

* উজনিৰ ফালৰ কিছুমান লোকে এইবোৰ ছেও সত্ৰীয়া নাচৰ অংশ বুলি ভাবে। পিছে তেনে ধাৰণা শুদ্ধ নহয়।





OKDISCD

মুতুলি, টকা আৰু স্থানীয়ভাৱে প্ৰচলিত আন আন লোক-বাদ্যৰ বাহিৰে ভাৰতীয় সংগীত মাৰ্গৰ কোনো শাস্ত্ৰীয় বাদ্য বা আন বাদ্যও প্ৰতিযোগিতাৰ ক্ষেত্ৰত (বা প্ৰদৰ্শনৰ ক্ষেত্ৰতো) গ্ৰহণযোগ্য নহ'ব।

(ঞ) বিচাৰকৰ সিদ্ধান্তকে চূড়ান্ত সিদ্ধান্ত হিচাপে গ্ৰহণ কৰা হ'ব। কিন্তু চূড়ান্ত সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত প্ৰয়োজন হলে কেৱল শীৰ্ষ নম্বৰ বা নম্বৰৰ ক্ৰমকে বিবেচনা নকৰি প্ৰতিযোগী দলসমূহৰ দ্বাৰা বিহু সংস্কৃতিৰ ঐতিহ্য ৰক্ষা কৰাৰ বিভিন্ন দিশৰ কথা আলোচনা কৰি অবান্তৰ। অৱশ্যে এই ছেদটো কেৱল প্ৰতিযোগিতাৰ ক্ষেত্ৰতহে প্ৰযোজ্য হোৱা উচিত)।

(খ) বিহুনাচ একক নাচ নহয়, গতিকে প্ৰতিযোগীৰ লগতে কেইজনমান সংগীও মঞ্চত উপস্থিত থাকিব লাগিব।

(গ) বিহুৱা, বৰ বিহুৱাৰ নাচোন-ভংগীৰ ক্ষেত্ৰত প্ৰথমতঃ ম'হৰ শিঙৰ দৰে কপালৰ আগলৈ হাত মেলি ককাল ভঙা আৰু হাতৰ সৰু গাঁঠিত হাতৰ তলুৱা ভঙা, দ্বিতীয়তঃ হাতৰ পিঠি, পিঠিফালে ককালত থৈ মুখ সোঁ বা বাঁওফালে বাহুৰ ফালে ঘূৰাই বাহু ভঙা আৰু ককাল ভঙা, তৃতীয়তঃ হাত গাঁঠিত হাতৰ তলুৱা ভঙা, দ্বিতীয়তঃ হাতৰ পিঠি, পিঠিফালে ককালত থৈ মুখ সোঁ বাহু বা বাঁও বাহুৰ ফালে ঘূৰাই ককাল ভঙা আৰু ককাল ভঙাৰ লাচতে বুকুৰ উঠা নমা দেখুওৱা, তৃতীয়তঃ ককালত হাত থৈ ককালৰপৰা ওপৰ অংশ চাৰিওফালে ঘূৰাই বতাহত গছ জোকাৰ খোৱাৰ দৰে হালি-জালি নচা, চতুৰ্থতঃ হাত মেলি তাকুৰি ঘূৰাদি ঘূৰা, পঞ্চমতঃ বুকুৰ স্পৰ্শ ভংগীৰ ইংগিতসূচক নাচোন দেখুওৱা, ষষ্ঠতঃ এখন হাত খোপাত থৈ এখন হাত ককালত দি সাধাৰণভাৱে (কোনো ধৰণৰ অভিনয় সংযোগ নকৰাকৈ)



*বিহু উৎসৱ পালন কৰা সমিতিসমূহত চিন্তাশীল, ৰুচিবান আৰু অসমৰ থলুৱা সংস্কৃতিৰ সম্যক জ্ঞান থকা লোকক অন্তৰ্ভুক্ত কৰা উচিত। সমিতিসমূহে 'বাহিৰৰ আৰ্টিষ্ট' আৰু লঘু সংগীতৰ পাছত হাজাৰ-হাজাৰ টকা খৰচ নকৰি অসমৰ থলুৱা সংস্কৃতিৰ পৰিবেশনাত খৰচ কৰা উচিত।*

ঐক্যমতত উপনীত হোৱাৰ স্বাধীনতাও বিচাৰকসকলৰ থাকিব।

**বিহুৱা আৰু বৰ বিহুৱা প্ৰতিযোগিতা**

(ক) বিহুৱা, বৰ বিহুৱা প্ৰতিযোগিতাত (এই প্ৰসংগত বিহু কোঁৱৰ, বিহু ৰাজকোঁৱৰ, বিহু সম্ৰাট আদি শব্দ গ্ৰহণযোগ্য বুলি বিবেচনা কৰা হোৱা নাই) নিশ্চিতভাৱে ১৫ বছৰ বা তাৰ ওপৰৰ বয়সৰ ডেকাইহে অংশ গ্ৰহণ কৰিব পাৰিব। (এই প্ৰসংগত ক শাখা খ শাখা আদি বিভাজন সোঁৱে বাঁৱে, আগলৈ পিছলৈ মাৰি ককাল ভঙা আৰু হুঁচৰিৰ ঢোলৰ ছেও সমূহৰ নাচোন-ভংগীসমূহ সাধাৰণভাৱে গ্ৰহণযোগ্য হ'ব।

[এই ছেদত উল্লেখ কৰা প্ৰথম তিনিটা নাচোন-ভংগী ডেকা-গাভৰুৰ 'মুকলি বিহু'ৰ ডেকা বিহুৱাৰ ক্ষেত্ৰতো গ্ৰহণযোগ্য। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে মুকলি বিহুৰ গাভৰুৰ নাচোন ভংগীৰ ক্ষেত্ৰত প্ৰথমতঃ ম'হৰ শিঙৰ দৰে হাতৰ ঠাৰি ঘোৰ খুৰাই হাত মেলি ককাল ভঙা আৰু হাতৰ সৰু ককাল ভঙা— এই ছটা নাচোন ভংগীকে গ্ৰহণযোগ্য বুলি বিবেচনা কৰা উচিত। ইয়াৰ বাহিৰে আজিকালি ভুলক্ৰমে প্ৰচলন হ'বলৈ ধৰা হাতযোৰ কৰি নচা নাচ, জাপি লৈ নচা নাচ, গাভৰুৱে কাঁহী ঘূৰুৱা নাচ, পেঁপা ৰজালেই আঠুকাঢ়ি নচা নাচ, নিতম্ব সঞ্চালন, গ্ৰীৱা সঞ্চালন, আধুনিক লয়লাস আদি বৰ্জনীয় বুলি বিবেচিত হোৱা উচিত।]

(ঘ) বিহুৱা, বৰ বিহুৱাৰ পদ-চালনাৰ ক্ষেত্ৰত 'হুঁচৰি— প্ৰতিযোগিতা' শিতানৰ 'জ' ছেদৰ নিয়মেই ইয়াতো



প্ৰয়োজ্য হ'ব।

(ঙ) প্ৰতিযোগীসকলৰ সাজ-পাৰ হিচাপে এই ক্ষেত্ৰতো 'হুঁচৰি প্ৰতিযোগিতা' শিতানৰ 'চ' ছেদত উল্লেখ কৰা বিহুৱাৰ সাজ-পাৰেই গ্ৰহণযোগ্য হ'ব আৰু উক্ত ছেদৰ বাধানিষেধেই ইয়াতো যথা লিখিত ৰূপত প্ৰযোজ্য হ'ব।

(চ) বিহুৱা, বৰ বিহুৱাই শুদ্ধ নাচোন-ভংগীৰে নাচ দেখুওৱাৰ উপৰিও বিহুৰ সকলো বিধ বাদ্য বজোৱা, হুঁচৰিৰ বিহুৰ বিহুনাম আৰু আন বিহুনামসমূহ নিজস্ব বৈশিষ্ট্য ৰক্ষা কৰি গোৱা বাঞ্ছনীয়। (বাদৰ ক্ষেত্ৰত 'হুঁচৰি প্ৰতিযোগিতা' শিতানৰ 'ঝ' ছেদ চাওক)।

(ছ) বিচাৰকৰ সিদ্ধান্তৰ ক্ষেত্ৰত ইয়াতো 'হুঁচৰি প্ৰতিযোগিতা' শিতানৰ 'ঞ' ছেদৰ বিধি-বিধানেই প্ৰযোজ্য হ'ব।

শেষত কওঁ— এনে ধৰণৰ নিয়ম-নীতি কিছুমান প্ৰতি ঠাইৰে বিহু উৎসৱ পালন কৰা সমিতিসমূহে অতি শীঘ্ৰে গ্ৰাহণ কৰা উচিত বুলি আমি গভীৰভাৱে উপলব্ধি কৰিছো। এই নিয়মসমূহ (সম্পূৰ্ণ নিয়মাৱলীখন) বিচাৰকসকলক পঢ়িবলৈ দিয়াটোও অতি প্ৰয়োজনীয় কথা। জনা লোককহে, বিহু সংস্কৃতিৰ বিষয়ে চিন্তা-চৰ্চা কৰা, পঢ়া-শুনা কৰা লোককহে ৰঙালী বিহুৰ বিভিন্ন প্ৰতিযোগিতাৰ বিচাৰক পতা উচিত। ওপৰত উল্লেখ কৰা নিয়মসমূহ আমি অগ্ৰজ লেখকসকলৰ ৰচনাসমূহ মনোযোগেৰে পঢ়া-শুনা কৰি, লগতে আমাৰ বাস্তৱ অধ্যয়ন আৰু অনুসন্ধানৰ অভিজ্ঞতা ব্যৱহাৰ কৰি, দকৈ ভাবি-চিন্তিহে লিপিবদ্ধ কৰিছোঁ। উপকৰা ভাব-চিন্তাৰ, অতিআধুনিক, উদাৰপন্থী কোনো ব্যক্তিয়ে হয়তো এই নিয়মসমূহ বিহুৱা ৰাইজৰ ওপৰত হেঁচা মাৰি জাপি দিবলৈ বিচৰা বুলি, এনে দৰে জাপি দিলে জাতীয় উৎসৱটিৰ স্বাভাৱিক ৰূপ-সৌন্দৰ্যখিনিয়েই হেৰাই

## বিহু-সংস্কৃতি ৰক্ষা কৰিবলৈ হ'লে

* বিহু উৎসৱ পালন কৰা সমিতিসমূহে, বহাগী বিদায় উৎসৱ পালন কৰা সমিতিসমূহে গাভৰুক অংশ গ্ৰহণ কৰিবলৈ নিদিয়াকৈ হুঁচৰি প্ৰতিযোগিতা অনুষ্ঠিত কৰক।

* হুঁচৰি প্ৰতিযোগিতাৰ লগে লগে একেটা মঞ্চতে গাভৰুসকল মুকলিমূৰীয়াকৈ নাচিব পৰাকৈ ডেকা-গাভৰুৰ মুকলি বিহু প্ৰতিযোগিতা অনুষ্ঠিত কৰক।

* বিহুৱতী গাভৰুসকলৰ দৰে বিহুৱা ডেকাসকলেও উপযুক্ত যেন বিবেচিত হোৱা একেআগি বিহু সাজেৰে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰক।

* কৃত্ৰিম অলংকাৰেৰে (যেনে কাগজৰ গামখাৰু, কাগজৰ ফুল আদিৰে), বজৰুৱা অলংকাৰেৰে বিহুনাচ নচাৰপৰা, প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰাৰপৰা বিৰত হওক।

* বিহুনাচত (বিশেষকৈ গাভৰুৰ) আধুনিক আৰু মনেসজা লয়লাস (মুদ্ৰা) সংযোগ কৰাৰপৰা বিৰত হওক। বিহুৱতী আৰু বৰ বিহুৱতী প্ৰতিযোগিতাৰ প্ৰতিযোগীসকলে এই কথা সততে মনত ৰাখক।

* হুঁচৰি, মুকলি বিহু আদিৰ পাৰ্থক্য ফটফটীয়া হোৱাকৈ, বিহু-সংস্কৃতিৰ বিকৃতি ৰোধ কৰিব পৰাকৈ, প্ৰতিযোগিতাৰ বিচাৰকসকলৰ বিচাৰৰ আধাৰ একে কৰিব পৰাকৈ, বিচাৰকৰ দৃষ্টিভংগী মিলাব পৰাকৈ সমিতিসমূহে এখন নিয়মাৱলী গ্ৰহণ কৰক। (এনে এখন নিয়মাৱলী আমাৰ 'হুঁচৰি, মুকলি বিহু আৰু বিহুনাচ' গ্ৰন্থখনত প্ৰকাশ কৰা হৈছে)*। গৃহীত নিয়মাৱলীখন বিচাৰকসকলক অধ্যয়ন কৰিবলৈ দিয়ক।

* বিহু উৎসৱ পালন কৰা সমিতিসমূহত ৰুচিবান, অসমৰ থলুৱা সংস্কৃতি সম্পৰ্কে সম্যক জ্ঞান থকা লোকক অন্তৰ্ভুক্ত কৰক।

* সমিতিসমূহে 'বাহিৰৰ আৰ্টিষ্ট' আৰু লঘু সংগীতৰ নামত হাজাৰ হাজাৰ টকা খৰচ কৰাতকৈ থলুৱা সংস্কৃতি পৰিৱেশনা আৰু প্ৰযোজনাত অধিক টকা খৰচ কৰক।

* লেখকৰ ঠিকনা: ঘৰ নং ১৬৬০ক
চি. এম. এইচ. এৰিয়া
ডিগবৈ-৭৮৬১৭১

যাব বুলি মত প্ৰকাশ কৰাৰ সম্ভাৱনা নথকা নহয়। পিছে অলপ ভাবি চালেই সকলোৱে বুজিব পাৰিব যে আমি একোকে জাপি দিবলৈ বিচৰা নাই। প্ৰচলিত বিধি-ব্যৱস্থাবোৰ চালি-জাৰি চাই সেইবোৰকে একোটা সিদ্ধান্তৰ (বা নিয়মৰ) ৰূপত লিপিবদ্ধ কৰিছোঁ মাত্ৰ। প্ৰতিযোগিতাৰ ব্যৱস্থা মানি লৈছোঁ যেতিয়া বিচাৰৰ আধাৰ এটাও নিশ্চয় মানি ল'ব লাগিব। তাতে পুৰণিখিনি ৰক্ষাৰ ব্যৱস্থা এটা কোনেও আজিলৈকে নকৰা বাবেই শেষৰ ফালে অসমীয়াৰ এই লোক-নাচটিৰ 'লোক-নাচ' হিচাপে থকা মৰ্যদাখিনিয়েই যে হেৰাই যাবৰ উপক্ৰম হৈছে সেই কথা পাহৰি গলেও নচলিব। 'হুঁচৰি প্ৰতিযোগিতা' শিতানৰ নিয়মসমূহে হুঁচৰিৰ বিহুৰ ডেকা বিহুৱা নচা ঢোলৰ ছেও-চাপৰ-নাচ-বাগবোৰ পাহৰি মুকলি বিহুৰ নামবোৰ গাই কেৱল গাভৰু নাচনী নচুৱাই 'হুঁচৰি' অনুষ্ঠান সম্পূৰ্ণ কৰা-সকলক অসুবিধাত পেলাব পাৰে। আজিকালি কেৱল গাভৰুক নাচৰ দায়িত্ব দি মাত্ৰ ঢোল বজাই, নাম

৩৯ পৃষ্ঠাত চাওক

পঁচত্ৰিশ

# জীৱনৰ দীঘ আৰু বাণি

মহেশ্বৰ নেওগ



## এইবাৰ হ'ল যাত্ৰা- আৰম্ভণ

১৯৭৬ চনৰ শেহৰ ফালে মই to pasture new, নতুন মলহানি পথাৰলৈ পংপঙাই আঁতৰি যোৱাৰ এটা কথা উঠিছিল। ৭৭ৰ আদিতে জানিবাঁ কথাটো মাৰ গ'ল। সি মাৰ গ'ল যদিও সেইবাৰ এপ্ৰিল মাহত এদিনাখন গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত পঞ্জীয়ক চিদানন্দ দাসদেৱেৰে কথা হওঁতে পটিআলাৰ পঞ্জাবী বিশ্ববিদ্যালয়ত মহাপুৰুষ শংকৰদেৱৰ নামত এখন 'চেয়াৰ' খুলিব খোজা কথা ওলাল। চেয়াৰখন কিন্তু তেতিয়াও খোলাৰ সিদ্ধান্ত হোৱা নাই। প্ৰস্তাৱহে চলিছে। দাসদেৱে সেই বিষয়ে জানিবলৈ সখিয়েক, পঞ্জাবৰ ৰাজ্যপাল মহেন্দ্ৰমোহন চৌধুৰীলৈ চিঠি লিখিলে আৰু সেই প্ৰসংগত মোৰ নামো উল্লেখ কৰি দিলে। উত্তৰত চৌধুৰী ডাঙৰীয়াই প্ৰস্তাৱিত ব্যৱস্থাৰ বিষয়ে দাসলৈ সবিশেষ জনাই লিখিলে, মই যদি চেয়াৰৰ বাবে যাওঁ তেতিয়া হ'লেই আটাইতকৈ ভাল হ'ব আৰু যদি যাব খোজোঁ ততালিকে মোৰ জীৱন-কথাৰ টোকা (বায়ো-ডাটা) পঠিয়াই দিব লাগে। সেইমতে সকলো কথা ভাবি-চিন্তি যোৱাটো ঠিক হ'ব ভাবি ২০ মেই ১৯৭৭ তাৰিখে চৌধুৰীলৈ কাগজ পত্ৰখিনি পঠিয়ালো। ডক্টৰ সত্যনাৰায়ণ ৰথ আৰু মুকুন্দমাধৱ শৰ্মাই তৈয়াৰ কৰা ছপা Profile and Bibliographyখন সাজু হৈয়ে আছিল। চৌধুৰীয়ে মোৰ কাগজ-পত্ৰ আৰু চিঠি বিশ্ববিদ্যালয়ৰ উপাচাৰ্যা শ্ৰীমতী ইন্দেৰজিৎ কৌৰ সান্ধুক গতাই দি মোলৈ লিখিলে (২ জুন ১৯৭৭), Most probably vou are coming here as Director of newly created Sankaradeva Chair. ··· I am very keen to see you here installed as Director of the Sankaradeva Chair. I hope in the face of these circumstances you will not reject the offer and come here and join the post. ··· ··· You should sacrifice a little for the cause which is so dear to you and to all of us —the people of Assam. Kindly co-operate and get go the scheme which has been fructified after a good deal of pressure and persuation. I hope to get a favourable reply! ইতিমধ্যে শ্ৰীমতী সান্ধুৰপৰাও এখন চিঠি (৩১ মেই ১৯৭৭) পালো, বিশ্ববিদ্যালয়ে পঞ্জাব চৰকাৰৰপৰা চেয়াৰখন খুলিবলৈ সোনকালেই কৰ্তৃত্ব পাবলৈ আশা কৰিছে। চৌধুৰীদেৱে ২৭ জুলাইৰ চিঠিত জনালে যে উপাচাৰ্যই কোৱামতে ৬ আগষ্টত বিশ্ববিদ্যালয়ৰ ছিণ্ডিকেটে চেয়াৰৰ সিদ্ধান্ত ল'ব আৰু লগে লগে মোক নিযুক্তি-পত্ৰ দিব। মই যাতে ইফাল-সিফাল নকৰোঁ সেই উদ্দেশ্যে তেওঁ লিখিলে, I hope you have taken a firm decision in this matter. তেওঁ ১ ছেপ্টেম্বৰত পঞ্জাব এৰিব আৰু পাৰিলে তাৰ আগতে গৈ মই কামত যোগ দিব লাগে, তাকো তেওঁ সকীয়াই দিলে। সেইমতে মই ৬ আগষ্টৰ দিনাই আমাৰ উপাচাৰ্যক জনাই থলো যে সেইদিনাখনেই মোৰ পটিআলাত নিযুক্তি হ'বৰ কথা, আৰু মোক সোনকালে কামৰপৰা অব্যাহতি দিলে ভাল। সিফালে সেইদিনাখনেই ছিণ্ডিকেট বহি চেয়াৰখন খোলাৰ সিদ্ধান্ত কৰিলে আৰু মোৰ গুণাৱলী বৰ্ণাই এটা প্ৰস্তাৱ যোগে মোৰ নিযুক্তিৰ সিদ্ধান্ত কৰিলে। তাৰ লগে লগে কিন্তু বিশ্ববিদ্যালয়ৰ ভিতৰত কিবা খুটুং-খাটাং লগা আৰম্ভ হৈছিল, যাৰ ফল-স্বৰূপে এমাহমানৰ ভিতৰতে শ্ৰীমতী সান্ধুৱে উপাচাৰ্যাপদ এৰি থৈ যাব লগীয়া হয়। ইপিনে চৌধুৰীদেৱে মই কিয় যোৱা নাই, কিয় যোৱা নাই বুলি প্ৰমাদ গণিছে, কাৰণ ১ ছেপ্টেম্বৰত তেওঁ চণ্ডীগড় এৰিবই। কিন্তু ২৭ আগষ্টতহে ৰেজিষ্ট্ৰাৰে পঠোৱা নিযুক্তি-পত্ৰ মই ৩০ তাৰিখেহে পাওঁ, যদিও তাত বিনয় কৰি We hope you will kindly accept the assignment বুলি আশা প্ৰকাশ কৰিলে। একে উদ্দেশ্যে পঠোৱা তেওঁলোকৰ টেলিগ্ৰাফ ৩১ তাৰিখে পটিআলা এৰি ২ ছেপ্টেম্বৰতহে গুৱাহাটী পায়হি। ৰাজ্যপাল চৌধুৰীয়ে ইতিমধ্যে চণ্ডীগড় এৰিলেই। কথাবোৰ ঢিলা-সোলোকা হোৱা যেন লগাত তেওঁৰ উপদেশমতে কামত যোগ দিবলৈ যোৱাৰ আগতে এবাৰ চণ্ডীগড়-পটিআলাত এপাক মাৰি অহাকে ঠিক কৰিলো। ছেপ্টেম্বৰৰ শেহ সপ্তাহত তাত গৈ দেখিলো, Saint Sankaradeva Chair সম্পৰ্কে বিশ্ববিদ্যালয়ৰ লোকসকলৰ আগ্ৰহ অটুট আছে; মাথোন শ্ৰীমতী সান্ধুৱে বিশ্ববিদ্যালয় এৰি যোৱাত অস্থায়ী উপাচাৰ্যৰ শাসনত খাটাং কথা কোৱা (মোৰ থাকিবলৈ ঘৰ আদি লৈ) টান হৈছে। তেতিয়া তথাপি মই এটা অফিচিয়েল নোট দি অসমত থকা দুখন গ্ৰন্থৰ (সংস্কৃত ভক্তি-ৰত্নাকৰ আৰু মণিৰাম দেৱানৰ বুৰঞ্জী-বিবেক-ৰত্ন) ফটো-কপি সংগ্ৰহ কৰিবলৈ বিশ্ববিদ্যালয়ক অনুৰোধ কৰি আহিলো। অক্টোবৰত নতুন স্থায়ী উপাচাৰ্য ডক্টৰ অমৃক সিংহই যোগ দিয়াত কথাবোৰে নিৰূপিত ৰূপ ল'বলৈ ধৰে। ইতিমধ্যে আকৌ শিৱসাগৰত অনুষ্ঠিত অসম সাহিত্য-সভাৰ লেখক-শিবিৰত যোগ দিবলৈ যাওঁতে ত'ৰ ভগৱতীপ্ৰসাদ বৰুৱা ঘূৰণ মঞ্চত বুকত খুন্দা খাই মই দুখ পালো। তদুপৰি অসম শ্ৰীমন্ত শংকৰ সংঘৰ হ'ব লগীয়া গুৱাহাটী অধিৱেশনৰ (১০ ফেব্ৰুৱাৰী ১৯৭৮) বাবে সংঘৰ স্থানীয় সদস্যসকলে ধৰি-বান্ধি মোক 'অভ্যৰ্থনা সমিতিৰ সভাপতি কৰিলে। এইদৰে সাতে-পাঁচে মোৰ উত্তৰায়ণ পিছুৱায়ে গ'ল। তেও উত্তৰায়ণ সংক্ৰান্তিৰ সময়তে সেই যাত্ৰা হ'ব বুলি পঞ্জাবী বিশ্ববিদ্যালয়ক জনালো। কিন্তু ডাক্তৰে ক'লে বুকুৰ বিষটো শাম নৌকাটোতেই উত্তৰ ভাৰতৰ মহামাৰি জাৰটোৰ মাজলৈ নোযোৱাই ভাল। ডক্টৰ অমৃক সিংহৰ চিঠিয়েও সেই চিন্তাতে সমৰ্থন জনালে। সিফালে, ডঃ মোহন সিংহ উবেৰই দিৱানা আদিয়ে মই সোনকালে গৈ পটিআলাত যোগ দিয়া বিচাৰি পত্ৰ দিলে। শেহতত জানুৱাৰীৰ অন্ত ভাগত স্থিৰ কৰিলো, ২৭ ফেব্ৰুৱাৰীত গুৱাহাটী বিশ্ববিদ্যালয় এৰি ১ মাৰ্চৰপৰা পঞ্জাবী বিশ্ববিদ্যালয়ৰ মানুহ হ'ম। ইতিমধ্যে আমাৰ খবৰ-কাগজবোৰত মোৰ নতুন নিযুক্তিৰ কথা ওলাই গৈছিল। বহুতে তাত আনন্দ প্ৰকাশ কৰিছিল। বহুতে আকৌ দুখ প্ৰকাশ কৰাৰো কাৰণ পাইছিল। মোৰ পুৰণি ছাত্ৰ এজনে (বসন্তকুমাৰ গোস্বামী) লেখিছিল 'আগতে জানো যদিও সিমান ভবা নাছিলোঁ— কোনোৱা এটা চুকত চিঠিখনে বিন্ধিছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ বৰডেঁটিৰ ঐতিহ্য ইমানতে শেষ হ'ল— উকঙা হ'ল। অসমীয়া বিভাগৰ দুৱাৰ-মুখত সাহসেৰে গৈ আৰু শংকাত থমক খাই ৰ'ব লগীয়া অৱস্থা কৰা, শ্ৰদ্ধাত অৱনত কৰিব পৰা, ভয় লগা অথচ ভয় নলগা, সকলো কথা ক'ব পৰাৰ সাহস থকা অথচ সাহস নথকা ব্যক্তিত্ব আৰু কাৰোবাৰ হ'বনে?' বসন্তই হয়তো মোৰ প্ৰতি পক্ষপাতিত্ব কৰিহে এনেকৈ লিখিছে। সোনকালে গৈ পটিআলাত যোগ দিম বুলি জানি ত'ৰ অধ্যাপক হৰবংশ সিংহই লেখিলে, This will be a matter of distinction and honour for the Department as well as for the University.

ইতিমধ্যে যোৱাগৈছেঁতেন এটা কৰিব লগীয়া কাম কৰিবলৈ থাকিয়ে গ'লহেঁতেন— অসম সাহিত্য-সভাৰ হীৰক জয়ন্তীত (২৭ ডিচেম্বৰ ১৯৭৭) যোগ দিয়াটি। ভাগ্যে সভাৰ প্ৰধান সম্পাদক ডঃ নগেন শইকীয়াৰ আমন্ত্ৰণক্ৰমে সভাৰ হীৰক জয়ন্তী বক্তৃতাও দিলোগৈ যোৰহাটত, আৰু মৈথিলী সাহিত্যৰ বুৰঞ্জী-লেখক বন্ধু ডঃ জয়কান্ত মিশ্ৰৰ লগত (তেওঁৰ লগত মোৰ ককাইদেউ ডিম্বেশ্বৰ নেওগৰো ঘন পত্ৰালাপ আছিল) বিশেষকৈ তেওঁৰ হেপাহ দেখি 'ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ তাণ্ডৱণ' কমাৰ ফদীয়া গাঁৱৰ মুখখনো চাই আহিলোগৈ। লাহে লাহে যোৱা দিন চাপি অহাৰ লগে লগে বিশেষকৈ মোৰ লগত সংশ্লিষ্টসকলৰ ভাবাৱেগো বাঢ়ি গৈছিল। কোনো কোনোৱে ভাবিছিল, মোৰ নিৰ্বাসন কোনো ৰাজনীতিকৰ দুষ্কৰ্ম। এতিয়া আৰু ভাষা ঔ, সাহিত্য ঔ, সংস্কৃতি ঔ বুলি কোনে মোৰ দৰে চিয়ঁৰ-বাখৰ কৰি থাকিব! 'আপুনি এই সেউজ ভূমিৰপৰা শস্যভূমিলৈ যাব লগীয়া হ'ল। আৰু যাবই যেতিয়া, আমাৰ হিয়াভৰা শ্ৰদ্ধাৰে শুভেচ্ছাৰ বাহিৰে কি জনাম' (ভৱানী)? বন্ধুসকলে মাতি নি সভা পাতি বিদায়-শুভেচ্ছা জনালে, আপোনসকলে দেখা-শুনাকৈ হাঁহ মাৰি ভাত খালে, খুৱালে। দিল্লীত পুহ-মাঘৰ দোমোজাৰ জাৰত এজন বন্ধু নটৰাজন আৰু তেওঁৰ পত্নী বিখ্যাত কোৰিওগ্ৰাফাৰ মায়া ৰাওৰ ঘৰত (পটৌডী হাউছ) সান্ধ্য ভোজন কৰিবলৈ যাওঁতে অসমৰ সংস্কৃতি জগতৰ কথা ওলাল। কথা পাতোঁতে আমাৰ লগত থকা কত্ৰ বৰুৱাৰ মাত থোকা-থুকি হ'ল, চকু সেমেকি উঠিল। মই মাথোন ক'লো, পটিআলাত মোৰ যি কাম হ'ব, সিও অসমৰ সংস্কৃতিৰে কাৰ্য। পটিআলাৰপৰা উপাচাৰ্যই জনালে, মোৰ কাৰণে সদ্যহতে সিসকলৰ গেষ্ট হাউছতে থান-থিতি স্থিৰ কৰা হৈছে। আকৌ ৰাজআলি। আকৌ আলহী-ঘৰ। যাবৰ বেলা এগৰাকীয়ে ক'লে, 'সকলো বিভৰৰ মাজতো আপোনাৰ কিন্তু ব'ৰাগী মনটো বৈ যায়।' আকৌ ৰাজপথ। আকৌ মুছাফিৰখানা।

[ আগলৈ ]


পুলক লাহিড়ীৰ
ক্ৰিকেটৰ সাঁথৰ
মূল্য—৬·০০ টকা

সিন্ধুৰাণী চৌধুৰানীৰ
পতী-পত্নীৰ ধৰ্ম

প্ৰকাশক :
শ্ৰীখগেন্দ্ৰনাৰায়ণ দত্তবৰুৱা
এলবিএছ পাব্লিকেশ্যন্স
জি. এন. বৰদলৈ ৰ'ড,
আমবাৰী, গুৱাহাটী-১



গ্ৰন্থ : গ্ৰন্থ
অসমত সৰ্বপ্ৰথম ডঃ ভূপেন হাজৰিকাৰ
ওপৰত বিজ্ঞান সন্মত সমালোচনামূলক গ্ৰন্থ
"ভূপেন হাজৰিকাৰ
সামাজিক মূল্যায়ন"
লেখক : মোগান লস্কৰ
পকাবন্ধা : মূল্য : দহ টকা :
যোগাযোগৰ ঠিকনা
'প্ৰগতিশীল সাহিত্য প্ৰকাশন'
কামপুৰ : ৭৮২৪২৬ : নগাঁও






OKDISCD

# প্ৰপ'জেল

**দুৰ্লভ লেখাৰু**

চাহাব টুৰত আহোঁতে কথাটো উলিয়ালো। অফিছত এটা টাইপৰাইটাৰ লাগে। প্ৰপ'জেল দিয়া হৈছেনে নাই সুধিলে। নাই দিয়া বুলি কোৱাত পুনৰ সুধিলে, মোৰ ইয়াত কিমান দিন হৈছে? প্ৰায় চাৰিমাহ বুলি কোৱাত তেখেত চক খাই উঠাৰ দৰে উঠিল।

"চা-ৰি মা-হ! প্ৰপ'জেল দিয়া নাই কিয়?"

"ছাৰ, ভাবিছিলো, মানে, এই নতুন ফাইনেন্সিয়েল ইয়েৰ সোমালেই প্ৰপ'জেল এটা দিম।"

"বাট হোৱাই নট দিছ ইয়েৰ? আপোনাৰ বাজেটত টকা নাই নেকি?

"এই বছৰৰ লাষ্ট এল অ' ছি আহিলেই। আৰু আমাৰ নাইট চকীদাৰৰ ছেংশ্বনটোও আহিবলৈ আছে। সেইটো আহিলে দৰমহাখিনিও ইয়াৰ পৰাই মিট কৰিব লাগিব। সেই কাৰণে..."

"কিয় এতিয়া আপোনাৰ নাইট চকীদাৰ নাই নেকি?

"নহয় ছাৰ, চকীদাৰ আছে। তেওঁৰ প'ষ্টটোৰ এক্সুৱেল ছেংশ্বনটোহে আহোঁতে দেৰি হৈছে।"

"আচ্ছা, টেম্পৰেৰি প'ষ্ট। ইউ মিন, এন্নুৱেল ৰিটেনশ্বন। প্ৰপ'জেল দিছে?"

"দিয়া হৈছে। ৰিমাইণ্ডাৰো দিছোঁ। ছাৰ, কেনেবাকৈ মাৰ্চৰ ভিতৰত ৰিটেনশ্বনটো নাপালে এই বছৰৰ এৰিয়াৰখিনি তেওঁক প্ৰভিজনেলি দিবপৰা হ'ব নেকি? নহ'লে প্ৰায় ছহাজাৰ টকা ছাৰেণ্ডাৰ হ'ব। ইপিনে মানুহটোৰো ল'ৰা-ছোৱালী লৈ বৰ কষ্ট হৈছে।"

"গভৰ্মেণ্ট অৰ্ডাৰ নহ'লে কেনেকৈ পে'মেণ্ট কৰিব? এনি ৱে, আপুনি টাইপৰাইটাৰৰ প্ৰপ'জেলটো ইমিডিয়েটলি দিয়ক বুইছে। দেৰি নকৰিব। আন ঠাইত মানুহে কম্পিউটাৰ ইউজ কৰিব লাগিছে। আৰু ইয়াত এটা টাইপৰাইটাৰ নোহোৱাকৈ চলি আছে ইমান দিন।"

"হয় চাৰ, আমাক এটা ষ্টিল আলমাৰিও লাগিছিল ইম্পৰ্টেণ্ট ৰেকৰ্ড আদি থ'বলৈ। আৰু ছাৰ, এটা টেলিফোন... "

"চাওক, একেদিনাইতো চব নহয়। ওৱান বাই ওৱান টে'ক-আপ কৰক। যিটো আপোনাৰ ইন্‌ডিস্পেন্‌চেব্‌লি এছেনশ্বিয়েল, এই ধৰক, টাইপৰাইটাৰটো, ফাষ্ট টে'ক-আপ ডেট, এগু ফল' আপ প্ৰপাৰলি। —আচ্ছা এনি আডাৰ প্ৰব্লেম?"

চাহাব যোৱাৰ পাছতে গৰমে গৰমে টাইপৰাইটাৰৰ প্ৰপ'জেলটো দি দিলো। এপ্ৰুভড ডিলাৰৰ দোকানতো ৰেডি ষ্টকৰ খবৰ ল'লো। কেনেবাকৈ এই বছৰতে ল'ব নোৱাৰিলে ছেংশ্বন লেপ্‌ছ কৰিব।

এমাহ পাছতে অগা-পিছাকৈ দুখন চিঠি পালো। এখনত— অহা বিত্তীয় বছৰত নতুনকৈ টাইপৰাইটাৰৰ প্ৰস্তাৱ দিবলৈ উপদেশ দি লগতে কোৱা হৈছে যে এনেকুৱা প্ৰস্তাৱ বিত্তীয় বছৰৰ 'ফেগ এণ্ড'ৰ পৰিবৰ্তে বছৰটোৰ আৰম্ভণিতেই দিয়া উচিত। ধাক্কাটো চম্ভালি কথাটো পজিটিভলি লবলৈ চেষ্টা কৰিলো। অহা বছৰত টাইপৰাইটাৰৰ ছেংশ্বন দিয়াৰ বাবে এইটো এটা সৰু-সুৰা কমিটমেণ্ট নহয় জানো, যদিহে আমি ঠিক এপ্ৰিলতে নতুন প্ৰস্তাৱটো দিওঁ?

আনখন চিঠিয়ে আৰু এখন চিঠিৰ কপি এটা পিঠিত লৈ তাত তোলা তিনিটা 'প্ৰশ্নৰ উত্তৰ বিচাৰিছে: (১) চকীদাৰজন সঁচাকৈয়ে পদত অধিষ্ঠিত হৈ আছেনে নাই? (২) যি পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত পদটো সৃষ্টি কৰা হৈছিল সেই পৰিস্থিতি এতিয়াও বাহাল আছেনে নাই? আৰু (৩) চলিত বছৰৰ বাজেটত চকীদাৰৰ দৰমহাৰ বাবদ আৱশ্যকীয় পুঁজি সন্নিবিষ্ট কৰা হৈছেনে নাই হোৱা? মনতে বোলোঁ, এই সোপাই যদি নাই,...! যি হওক, যথাবিহিত উত্তৰ দি লগতে ইতিমধ্যে পাঁচ বছৰ সম্পূৰ্ণ হোৱা পদটোৰ স্থায়ীকৰণ বিচাৰিও একলম যোগ দি পঠালো।

এপ্ৰিলৰ প্ৰথম সপ্তাহতে দিয়া টাইপৰাইটাৰৰ নতুন প্ৰস্তাৱৰ উত্তৰ দুমাহতে পালো। টাইপিষ্ট অবিহনে প্ৰস্তাৱিত টাইপৰাইটাৰটোৰ সদ্ব্যৱহাৰ অসম্ভৱ। এতেকে টাইপিষ্ট পদৰ বাবে এটা প্ৰস্তাৱ অতি শীঘ্ৰে প্ৰেৰণ কৰা হওক। কৰিলো। কথা বুলিলেই বতাহ। এসপ্তাহমানৰ পাছৰপৰা দুই-এখনকৈ টাইপিষ্টৰ দৰখাস্তও পৰিবলৈ ধৰিলে। এমাহ পাছত চকীদাৰৰ আগৰ বছৰৰ ৰিটেনশ্বন অৰ্ডাৰটোৰ লগতে এপাত প্ৰশ্নবান লাগি আহিল: চলিত বছৰৰ আপ-টু-ডে'ট ৰিটেনশ্বন অবিহনে পদটোৰ প্ৰস্তাৱিত স্থায়ীকৰণ কেনেকৈ বিবেচিত হ'ব পাৰে? পুনৰ এন্নুৱেল ৰিটেনশ্বনৰ প্ৰস্তাৱ দি উঠি ভাবিলো, ইও এক প্ৰকাৰৰ কমিটমেণ্ট। মানে, যদি এই বছৰৰ ৰিটেনশ্বনটো এই বছৰৰ ভিতৰতে আহে, ধৰি লওক, যদি আহে, আৰু আমি লগে লগে পদটো স্থায়ী কৰিবলৈ লিখোঁ, তেন্তে নিৰ্ঘাত স্থায়ীকৰণ।

টাইপিষ্ট পদটো সৃষ্টি হোৱাৰ লগে লগেই যেন টাইপৰাইটাৰৰ নতুন প্ৰস্তাৱ দিওঁ, তাকে সকিয়াই নিৰ্দেশ আহিল। লগতে প্ৰস্তাৱিত পদৰ প্ৰসংগত গোটেই বছৰ জুৰি নিয়মীয়া গতিত যোগাযোগ চলি থাকিল। ছেপ্টেম্বৰত পদটোৰ যুক্তিযুক্ততা আৰু অপৰিহাৰ্যতা সম্বন্ধে এটি বিস্তৃত টোকা পঠোৱাৰ আদেশ হ'ল। ইতিপূৰ্বে সেই পদ অবিহনে সংশ্লিষ্ট কাম-কাজ কেনেকৈ চলি আছিল সেই পইণ্টটো টোকাত বিশেষভাৱে এক্সপ্লেইন কৰিবলৈ কোৱা হ'ল। 'কমন' পৰা ৰচনা লিখাদি কেইবাপাতো লিখি পঠালো। ডিছেম্বৰত টাইপিষ্টৰ দৰমহাৰ বাজেট শিতান আৰু পুঁজি সম্বন্ধে প্ৰতিবেদন তলব কৰিলে। এটা কথা ভাবি কিন্তু ভাল লাগিল যে প্ৰস্তাৱটোৱে বেচ গুৰুত্ব লাভ কৰিছে। বিভিন্ন লেভেলত পৰীক্ষা-নিৰীক্ষা বিবেচনাৰ পাছত ই এটা 'এড্‌ভান্সড্‌ ষ্টেজ'ত উপনীত হৈছে। আৰু, বাজেট শিতানৰ নিচিনা সকলোৰে জনা কথা এটাও যেতিয়া মোকেই ঘূৰাই সুধিছে, তাৰ মানে প্ৰস্তাৱকাৰী হিচাপে মোকো বেচ কনফিডেন্সত লৈছে। বাজেট প্ৰতিবেদন দি উঠি টাইপিষ্টৰ ছেংশ্বনটো পালেই টাইপৰাইটাৰৰ নতুন প্ৰস্তাৱ দিবলৈ (এইবাৰ 'ফেগ এণ্ড' বুলি ঘূৰাই নপঠাব ছাগে, কাৰণ ৰিট্‌ন ইনষ্ট্ৰাকশ্বন মতেহে কাম কৰিছোঁ) সাজু হৈ আছোঁ। এনেতে মাৰ্চত উপদেশ আহিল যে অহা বছৰৰ বাজেটত এই পদৰ খৰছ-পাতিৰ বাবদ আৱশ্যকীয় পুঁজিৰ খাটাং বন্দবস্ত কৰি নতুন প্ৰস্তাৱ দিব লাগে।

এইবাৰহে বিপদত পৰিলো। প্ৰতি বছৰৰ বাজেটৰ হিচাপ দেখোন আগৰ বছৰৰ ছেপ্টেম্বৰ মাহতেই দিব লাগে। তেন্তে আৰু মাত্ৰ এসপ্তাহ পাছতেই গৃহীত হ'বলগীয়া অহা বছৰৰ বাজেটত মই টাইপিষ্টৰ খৰচ-পাতি সুমুৱাও কেনেকৈ? আৰু বাজেট দিওঁতে দেখোন প্ৰতিজন কৰ্মচাৰীৰ নামে নামে দৰমহাৰ এক পইচালৈকে হিচাপ দেখুৱাব লাগে। তেনেস্থলত পদ নৌ হওঁতেই পদাধিকাৰীৰ দৰমহা মই অহা বছৰৰ বাজেটতহে নালাগে তাৰ পাছৰ বছৰৰ বাজেট দিওঁতেও নো কাৰ নামত কি উপায়েৰে দেখুৱাম? এইবোৰকে ভাবি-চিন্তি দুদিনমান বুৰ্বক বনি থাকোঁতেই খবৰ পালো যে আমাৰ চাহাব বদলি হৈছে। নতুন জনে চাৰ্জ লৈয়েই অহা মাহত টুৰ প্ৰগ্ৰাম দিছে। বোলোঁ ভালেই হ'ল, গোটেই কথাখিনি ভালদৰে আলোচনা কৰি ল'ব পৰা হ'ব।

নতুন চাহাবৰ আগত কথাটো উলিয়াবলগীয়া নহ'ল। ডট পেনেৰে লিখা ইন্সপেকশ্বন প্ৰফৰ্মা টেবুলত দেখিয়েই তেখেতে গৰগৰাই উঠিল।

: কি? আপোনাৰ টাইপৰাইটাৰ নাই নেকি? ...প্ৰপ'জেল দিয়া নাই কিয়?......

৩৫ পৃষ্ঠাৰ পিছৰ পৰা

গাই থকা; পুৰুষ সুলভ নাচোন ভংগী পাহৰি যোৱা তথাকথিত ডেকা বিহুৱাৰ সংখ্যাইতো সৰহ! সেই বুলিয়েই এতিয়া আমি হুঁচৰিৰ বিহুৰ ডেকা-বিহুৱাৰ মনোৰম নাচোন ভংগীসমূহ চিৰদিনৰ কাৰণে বিসৰ্জন দিমনে?

আমি ভাবোঁ, এইবোৰৰ বিষয়ে গভীৰভাৱে চিন্তা কৰাৰ দায়িত্ব বিহু উৎসৱ পালন কৰা সমিতিসমূহে, ৰহাগী বিদায় উৎসৱ পালন কৰা সমিতিসমূহে জয় জয়তে লোৱা উচিত। একেটা মঞ্চতে হুঁচৰি আৰু মুকলি বিহুৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা নহয় মানে, প্ৰতিযোগিতাসমূহ নিয়মাৱলীৰে নিয়ন্ত্ৰণ কৰা নহয় মানে বিহু-সংস্কৃতি সঠিক ৰূপত ৰক্ষা পৰিব বুলি ক'ব নোৱাৰি। বিহু উৎসৱ পালন কৰা সমিতিসমূহত চিন্তাশীল, ৰুচিবান আৰু অসমৰ থলুৱা সংস্কৃতিৰ সম্যক জ্ঞান থকা লোকক অন্তৰ্ভুক্ত কৰা উচিত। সমিতিসমূহে 'বাহিৰৰ আৰ্টিষ্ট' আৰু লঘু সংগীতৰ পাছত হাজাৰ-হাজাৰ টকা খৰচ নকৰি অসমৰ থলুৱা সংস্কৃতিৰ পৰিবেশনাতহে খৰচ কৰা উচিত। এইখিনি কথা কোৱা বাবে দোষ হৈছে যদি ক্ষমা কৰিব।

[অহা সংখ্যাত: এই লেখকৰে— "অসমীয়া গাভৰুৰ বিহুনাচ"]

### সম্পাদকৰ কোঠালিত

দিয়াচলাই কাঠীটো ক'ত পেলাব —তাকে ইফালে-সিফালে চাই বন্ধুৱে গম্ভীৰ মাতেৰে ক'লে, "যোৱা ডিছেম্বৰ মাহৰপৰা এতিয়ালৈকে,— দেৱালৰ লিখাবোৰ, আঁক-বাঁকবোৰ চকুত পৰি আছে বুইছা। কিন্তু এটা কথা মই ধৰিব পৰা নাই। অসম গণ পৰিষদৰ হাতীটোৱে কোনফালে মুখ কৰি থাকে? সোঁ ফালে নে বাওঁ ফালে। এইখন দেৱালত সোঁ ফালে, সেইখন বেৰত বাওঁফালে!"

তাৰ পাছত এহোঁপা মাৰি বন্ধুৱে কলে, "সোনকালেই ডিৰেকশ্যনটো ঠিক হৈ যাব, কি কোৱা?"


## মনোৰঞ্জন

অহা বহাগৰ পৰা নিয়মীয়াকৈ প্ৰকাশ পাব।
চালে চকুৰোৱা নতুন ৰূপত বৰ্দ্ধিত কালেবৰত।

**লিখকসকললৈ:** ৰঙালী বিহু সংখ্যাৰ বাবে ফেব্ৰুৱাৰী মাহৰ ভিতৰত প্ৰবন্ধপাতি পঠিয়াবলৈ অনুৰোধ কৰা হ'ল। বিভিন্ন স্বাদৰগল্প; উপন্যাস; অনুসন্ধানমূলক-ৰচনা; কবিতা; ৰস ৰচনা; চিঠিপত্ৰ; খেলাধুলা; ৰঙ্গমঞ্চ; চিত্ৰ প্ৰদৰ্শনী আদি বিভিন্ন সাংস্কৃতিক কামকাজ-সম্পৰ্কীয় বাতৰি আৰু পৰ্যালোচনা (ফটো সহ); উদীয়মান আৰু প্ৰতিষ্ঠিত শিল্পীৰ পৰিচিতি; যি কোনো ক্ষেত্ৰতে প্ৰতিভা প্ৰদৰ্শন কৰা স্থানীয় ব্যক্তিৰ পৰিচয় ইত্যাদি মনোৰঞ্জনত প্ৰকাশৰ বাবে গ্ৰহণ কৰা হব।

* নতুন লেখকৰ মানবিশিষ্ট ৰচনাক সদায় অগ্ৰাধিকাৰ দিয়া হ'ব।
* যোগাযোগৰ ঠিকনা: সম্পাদক 'মনোৰঞ্জন' শ্ৰীগুৰু প্ৰেছ; মালিগাওঁ; গুৱাহাটী-৭৮১০১১
* এজেণ্টসকললৈ: আৱশ্যকীয় কপি আৰু নিয়মাৱলীৰ বাবে তলৰ ঠিকনাত যোগাযোগ কৰক—

প্ৰচালন সচিব—'মনোৰঞ্জন' চেভেন ষ্টাৰ্ছ পাব্লিকেশ্যন কলেজ হোষ্টেল ৰ'ড পাণবজাৰ গুৱাহাটী-৭৮১০০১

## দুটা অনুদিত গল্প



# সহযাত্ৰী

মূল : ৰাস্কিন বণ্ড
অনুবাদ : অনিল কুমাৰ ভূঞা

ছোৱালীজনী সোমোৱাৰ আগ-মূহুৰ্তলৈকে ৰেলৰ প্ৰথম শ্ৰেণীৰ কেবিনটোৰ আধিপত্য মোৰেই আছিল। ৰোহানাত ছোৱালীজনী উঠিল। বিদায় দিবলৈ অহা দম্পতিয়োৰা বোধহয় ছোৱালীজনীৰ অভিভাৱক। ছোৱালীজনীৰ সা-সুবিধা আৰু আৰামৰ বাবে তেওঁলোক যথাসাধ্য তৎপৰ হ'ল। তিৰোতা গৰাকীয়ে ক'ত বয়বস্তু থব লাগে, খিৰিকিৰে মূৰ উলিয়াই কেতিয়া চাব নালাগে, অপৰিচিত যাত্ৰীৰ সৈতে কথা পতাৰ পৰা কেনেকৈ আতঁৰি থাকিব লাগে আদি বহুতো দিহা-পৰামৰ্শৰ জাউৰি উঠালে।

মই অন্ধ। সেয়েহে ছোৱালীজনীনো দেখিবলৈ কেনেকুৱা কব নোৱাৰোঁ ;-কিন্তু ভৰিৰ তলুৱাত হোৱা চটপ চটপ শব্দৰ পৰা ছোৱালীজনীয়ে চপ্পল পিন্ধি অহা বুলি অনুমান হ'ল। ছোৱালীজনী সুকণ্ঠী।

"তুমি ডেৰাডুনলৈ যাবা নেকি?" ৰেল গাড়ীখনে ষ্টেছন এৰাত মই সুধিলোঁ।

মই বোধহয় এটা আন্ধাৰ চুকত বহি আছিলো। মোৰ মাতত ছোৱালীজনী সচকিত হ'ল। বোধ হয় তেওঁ মই বহি থকা দেখাই নাছিল। থতমত খাই ছোৱালীজনীয়ে কলে, "অ', অন্য কোনোবা আছে বুলি মই গমেই পোৱা নাছিলো।"

এৰাতো! বৰ ভাল দৃষ্টি থকা-সকলেও কেতিয়াবা চকুৰ আগতে থকা বস্তুকে দেখা নাপায়। কিন্তু দৃষ্টিহীনসকলে মনক সকলো সময়তে সজাগ ৰাখে বাবে বোধহয় ওচৰত থকা বা ঘটা সকলো বস্তু বা ঘটনাৰে উমান পায়।

"ময়ো অৱশ্যে তোমাক প্ৰথমতে দেখা নাছিলো।" মই কলো, "কিন্তু তুমি ভিতৰলৈ অহাৰ উমান পাইছিলো।"

মই যে দৃষ্টিহীন এই কথাটো ছোৱালীজনীয়ে আৱিষ্কাৰ কৰিব নোৱাৰাকৈ লুকুৱাই ৰাখিব পাৰিম নে? নিজৰ আসনৰ পৰা উঠি ইফাল-সিফাল নকৰিলে নিশ্চয় কামটো বৰ কঠিন নহব।

"মই ছাহাৰানপুৰত নামিম।" ছোৱালীজনীয়ে কলে। "ষ্টেছনতে মোৰ মাহী মোৰ বাবে ৰৈ থাকিব। আপুনি কলৈ যাব?"

"ডেৰাডুনলৈ, আৰু তাৰ পৰা মুচৌৰিলৈ।" উত্তৰ দিলো।

"অ'—! বৰ ধুনীয়া ঠাই বুলি শুনিছোঁ। এবাৰ মুচৌৰিৰ পৰা ফুৰি অহাৰ মোৰো ইচ্ছা আছে। বিশেষকৈ অক্টোবৰ মাহত পাহাৰবোৰ হেনো মনোমোহা হৈ পৰে। মই পাহাৰ বৰ ভাল পাওঁ।"

"এৰা, এয়ে বেছ সময়।" দৃষ্টি থাকোঁতে দেখা স্মৃতিবোৰ জুকিয়াই মই উত্তৰ দিলো, "সোণালী ৰ'দ, ডালিয়া ফুলেৰে ভৰা পাহাৰ···। ৰাতিবোৰৰো একোটা বিশেষ আকৰ্ষণ আছে। কাঠখৰিৰ জুইৰ কাষত বহি ওখ-চাপৰ পাহাৰৰ ভাঁজে ভাঁজে ভাঁজ লোৱা নিৰ্জন পথবোৰো চাবলৈ মনোমোহা হৈ পৰে।"

ছোৱালীজনী নিমাত। মোৰ কথাবোৰে ছোৱালীজনীক চুই গৈছে নেকি? মোক এটা মূৰ্খ কল্পনাবিলাসী বুলি ভবা নাইতো? মই সুধিলো, "বাহিৰখন বাৰু কেনেকুৱা?" অস্ অস্ অস্! ভুলটো কৰিয়েই পেলালো।

পিছে মোৰ প্ৰশ্নত ছোৱালীজনী আচৰিত হোৱা যেন নালাগিল। মই দৃষ্টিহীন বুলি তাই আগতেই গম পাই গৈছে নেকি? কিন্তু ছোৱালীজনীৰ প্ৰশ্নই মোৰ সন্দেহ দূৰ কৰিলে।

"খিৰিকিৰে আপুনি নিজেই বাহিৰলৈ নাচায়নো কিয়?" অতি স্বাভাৱিক আৰু নম্ৰ সুৰত তাই কলে।

মই সাধাৰণভাৱে খিৰিকিৰ ওচৰলৈ হুহকি গলো। হাতেৰে খিৰিকিখন সন্তৰ্পণে অনুমান কৰিলো। খোলা আছিল। খিৰিকিখনৰ ফাললৈ মুখ কৰি বাহিৰৰ দৃশ্যবোৰ উপভোগ কৰা হেন দেখুৱালো। মোৰ মনৰ চকুৰে দেখিলো— টেলিফোনৰ খুটাবোৰ ৰেলৰ বিপৰীত ফালে দৌৰিছে।

"তুমি মন কৰিছানে?" মই সুধিলো, "আমি যেন একে ঠাইতে আছোঁ আৰু গছ-পথাৰ-পাহাৰবোৰেহে গতি কৰিছে,—তেনেকুৱা নালাগেনে?"

"লাগে।" এটা শেঁতা মাতেৰে তাই কলে।

ছোৱালীজনীৰ নিৰস উত্তৰত ক্ষুণ্ণ হোৱাৰ কোনো কাৰণ নেদেখিলো। স্বাভাৱিক মানুহওকৈ দৃষ্টিহীনৰ বাবে প্ৰকৃতিৰ সামান্যতম দৃশ্যও কল্পনা-বিলাসৰ সামগ্ৰী হোৱাই স্বাভাৱিক।

খিৰিকিখনৰ পৰা ছোৱালীজনীৰ ফালে মুখ ঘূৰালো। কিছু সময়ৰ বাবে দুয়ো নিমাত।

"তোমাৰ মুখখন বৰ আকৰ্ষণীয়।" মই কলো। ইতিমধ্যে মোৰ মনটো ডাঠ হৈ আহিছিল। তদুপৰি ই এটা নিৰাপদ মন্তব্য।

তাই এটা স্পষ্ট, খল-খলীয়া হাঁহি মাৰিলে,—"কবলৈ বৰ ভাল।" তাই কলে, "মানুহৰ মুখত এইষাৰ কথা শুনি শুনি মই ভাগৰি পৰিছোঁ।"

তাৰ মানে তোমাৰ মুখখন সঁচাই ধুনীয়া! মই মনে মনে ভাবিলো আৰু মুখ খুলি কলো, "এৰাতো! আকৰ্ষণীয় মুখ প্ৰশংসনীয় হবই।"

আপুনি বৰ সাহিয়াল।" তাই কলে, "কিন্তু আপোনাৰ কথাৰ সুৰ বৰ গহীন। যেন কিবা বিষাদ এটাই আপোনাৰ কথাৰ লগত সুৰ মিলাই আছে।"

"অতি সোনকালে আমি তোমাৰ ষ্টেছন পামগৈ।" ধৰা পৰাৰ ভয়ত কথাৰ প্ৰসংগ সলাই কলো।

"উস্! ৰক্ষা। বৰ সোনকালে সময়বোৰ পাৰ হ'ল। ৰেলেৰে দুই বা তিনি ঘণ্টাতকৈ দীঘলীয়া বাট ফুৰিবলৈ আচলতে মই বৰ অস্বস্তি পাওঁ।"

ছোৱালীজনীৰ মাতটো শুনি থাকিবলৈ এটা দীঘলীয়া ভ্ৰমণৰ আশাক উমনি দিবলৈ ধৰিছিলোহে মাত্ৰ। ছোৱালীজনীৰ মাতটোত পাহাৰীয়া জুৰিৰ দৰে এটা কুলুকুলু ধ্বনি আছে। ৰেলৰ পৰা নামি যোৱাৰ লগে লগে হয়তো তাইৰ মনৰ পৰা এই খন্তেকীয়া সংগৰ স্মৃতি আঁতৰি যাব। কিন্তু বাকী বাটছোৱাতো মই এই স্মৃতিকে ৰোমন্থন কৰি যাম। হয়তো তাৰ পাছতো মোৰ মনে গোপনে আকৌ কেতিয়াবা স্মৃতিৰ পাহত তাইক বিচাৰি চাব।

ৰেলৰ উকি, চকাৰ শব্দ আৰু সুৰ সলনি হ'ল।

ছোৱালীজনীৰ চুলিবোৰ খোপা বন্ধা নেকি বাৰু? নে পিঠিত ডাল ডাল কৈ ওলমি পৰা। নে চুটিকৈ কটা?

লাহে লাহে গাড়ীখন ষ্টেছনৰ ভিতৰলৈ সোমাল। বাহিৰত মানুহৰ উখল-মাখল, তৎপৰতা। দোকানী-পোহাৰীৰ চিঞৰ-বাখৰ। আৰু ঠিক মই বহি থকা খিৰিকিখনৰ কাষতে এগৰাকী মহিলাৰ টি-টিয়া মাত,—সম্ভৱ ছোৱালীজনীৰ মাহীয়েক।

"আহিলো দেই। আপুনি যাব।" তাই কলে।

ছোৱালীজনী মোৰ নিচেই কাষতে থিয় হৈছিলহি ; —হঠাৎ চুলিৰ পৰা অহা সুগন্ধটো নাকত লগাত অনুমান কৰিলো। হাত দাঙি ছোৱালীজনীৰ চুলিবোৰ চুই চাবলৈ মন গ'ল। কিন্তু ইতিমধ্যে তাই আঁতৰি গৈছে। কেৱল মোৰ নাকত তাইৰ চুলিৰ সুগন্ধটো জোট লাগি ৰ'ল। তাই মোৰ নিচেই কাষলৈ আহিছিল। এতিয়াও গোন্ধটোৱে কয়।

ডবাৰ দুৱাৰখনৰ বাটত কিবা এটা গণ্ডগোল লাগিছে। ভিতৰলৈ সোমাই অহা এজন ভদ্ৰলোকে কাৰোবাৰ ওচৰত ক্ষমা খুজিছে।

দুৱাৰখন বন্ধ হ'ল আৰু কোলাহল-বোৰেও সামান্য শাম কাটিলে। মই মোৰ নিজৰ আসনলৈ ঘূৰি আহিলো। পুনৰ ৰেলৰ উকি। গাড়ীয়ে গতি ললে। চকাবোৰে পুনৰ আপোন সুৰত গীত জুৰিলে।

মই খিৰিকিখন বিচাৰি ললো। বাহিৰত দিনৰ পোহৰ, মোৰ চকুত আন্ধাৰ। মোৰ কোঠালৈ এজন নতুন যাত্ৰী আহিল। মোৰ বাবে এটা নতুন খেলনা।

"ক্ষমা কৰিব, এই মাত্ৰ নামি যোৱা ছোৱালীজনীৰ দৰে মই পিছে আকৰ্ষণীয় সহযাত্ৰী নহওঁ।" মোৰ কোঠাৰ সহযাত্ৰী ভদ্ৰলোকজনে কলে।

"বৰ আকৰ্ষণীয় ছোৱালী।" মই কলো, "তাইৰ বাৰু চুলিবোৰ দীঘল নে চুটি?"

"মন নকৰিলো দেখোন।" তেওঁ উত্তৰ দিলে। "চকুজুৰি যে কি ধুনীয়া! পিছে কোনো কামৰ নহয় বুজিছে? তাই সম্পূৰ্ণ অন্ধ। আপুনি মন নকৰিলে জানো?"

OKDISCD

মোৰ কিছু ক'ব লগা আছে
ক'বলৈ গ'লে এখন ওখ টুলৰ দৰকাৰ
ভাল গলাৰ দৰকাৰ
মোৰ ওখ টুল নাই
মোৰ ভাল গলা নাই,
টুল ধাৰলৈ বিচাৰিছোঁ কোনেও দিয়া নাই
ভগা গলা ঠিক কৰাৰ চেষ্টা কৰিছোঁ পৰা নাই
অথচ মই ক'বই লাগিব ক'ব লগা আছে
মই ক'ম
মই ক'ম বিৰুদ্ধে সকলোৰে বিৰুদ্ধে সকলো বস্তুৰ বিৰুদ্ধে গছৰ পাত গজাৰ বিৰুদ্ধে সৰি পৰাৰ বিৰুদ্ধে যৌৱনৰ বিৰুদ্ধে বাৰ্ধক্যৰ বিৰুদ্ধে সূৰ্যৰ বিৰুদ্ধে অন্ধকাৰৰ বিৰুদ্ধে বাচি থকাৰ বিৰুদ্ধে মৰি যোৱাৰ বিৰুদ্ধে সাহিত্যৰ বিৰুদ্ধে ৰাজনীতিৰ বিৰুদ্ধে কাপোৰৰ বিৰুদ্ধে পেণ্টৰ বিৰুদ্ধে চুলিৰ বিৰুদ্ধে তপামূৰৰ বিৰুদ্ধে বগাৰ বিৰুদ্ধে ক'লাৰ বিৰুদ্ধে মানুহৰ বিৰুদ্ধে পশুৰ বিৰুদ্ধে হাড়ৰ বিৰুদ্ধে মাংসৰ বিৰুদ্ধে যুদ্ধৰ বিৰুদ্ধে শান্তিৰ বিৰুদ্ধে প্ৰেমৰ বিৰুদ্ধে ঘৃণাৰ বিৰুদ্ধে পেনছিলৰ বিৰুদ্ধে কলমৰ বিৰুদ্ধে গজালৰ বিৰুদ্ধে স্ক্ৰুৰ বিৰুদ্ধে হাতৰ বিৰুদ্ধে ভৰিৰ বিৰুদ্ধে সঁচাৰ বিৰুদ্ধে মিছাৰ বিৰুদ্ধে ফুলৰ বিৰুদ্ধে কাঁইটৰ বিৰুদ্ধে পানীৰ বিৰুদ্ধে মৰুভূমিৰ বিৰুদ্ধে মাৰ বিৰুদ্ধে পিতাৰ বিৰুদ্ধে স্ত্ৰীৰ বিৰুদ্ধে কন্যাৰ বিৰুদ্ধে তোমাৰ বিৰুদ্ধে মোৰ বিৰুদ্ধে সকলোৰে বিৰুদ্ধে মই ক'ম
মোৰ কিছু ক'ব লগা আছে
জানো মোৰ টুল নাই
জানো মোৰ গলা নাই
জানো ক'বলৈ গ'লে মোৰ চাৰি ফুটৰ দেহ ডেৰ ফুট হৈ যায়
জানো মোৰ হাত হেৰাই যায়
জানো কাপোৰত ভৰি বান্ধ খাই যায়
জানো মোৰ চুলি সৰি যায়
জানো জিভা লৰাব নোৱাৰা হওঁ
জানো দাঁত পৃথক হৈ যায়
তথাপি মই ক'বই লাগিব
মই ক'ম



# ক'ব লগা আছে

মূল: ৰমানাথ ৰায় (বাংলাদেশ)
অনুবাদ: নীলিম কুমাৰ

মোৰ কিছু ক'ব লগা আছে
আৰু এয়ে তাৰ উপযুক্ত সময়
এতিয়া ৰাস্তাত বহুত মানুহ
এওঁলোকৰ মাজত বুঢ়া আছে বুঢ়ী আছে যুৱক আছে যুৱতী আছে কিশোৰ আছে কিশোৰী আছে বালক আছে বালিকা আছে
কোনোবাই নীলা চোলা পিন্ধিছে কোনোবাই বগা চোলা কোনোবাই হালধীয়া চোলা কোনোবাই ক'লা চোলা কোনোবাই ৰঙা চোলা কোনোবাই গোলাপী চোলা কোনোবাই ধুতি পিন্ধিছে কোনোবাই পেণ্ট কোনোবাই ফুল ছাৰ্ট কোনোবাই হাফ ছাৰ্ট কোনোবাই পাঞ্জাবী কোনোবাই বহুৰূপী
কাৰোবাৰ মূৰত চুলি কাৰোবাৰ মূৰ তপা কাৰোবাৰ দাড়ি আছে গোঁফ আছে কাৰোবাৰ দাড়ি নাই গোঁফ নাই
কাৰোবাৰ ভৰিত জোতা কাৰোবাৰ নাই কাৰোবাৰ বুট কাৰোবাৰ ছেণ্ডেল কাৰোবাৰ চটি কাৰোবাৰ পাম্পশ্ব কোনোবা বেগাই গৈছে কোনোবা থিয় হৈ আছে কোনোবা গাড়ীত উঠিছে কোনোবা নামিছে কোনোবাই হাঁহিছে কোনোবা মৌন হৈ আছে
এতিয়াই সেই সময়
এয়ে তাৰ উপযুক্ত সময়
সামান্য কাহি গলাটো পৰিষ্কাৰ কৰি ললো
বন্ধুসকল
কোনেও নাচালে
বন্ধুসকল
কোনেও নাচালে
বন্ধুসকল
কোনেও নাচালে
বন্ধুসকল
কোনেও নাচালে
মই বোধহয় ডেৰ ফুট হৈ গ'লো মোৰ হাত হেৰাই গ'ল কাপোৰত মোৰ ভৰি বান্ধ খাই গ'ল মোৰ চুলি সৰি গ'ল জিভা জঠৰ হ'ল দাঁত পৃথক পৃথক হৈ গ'ল
তেনেহ'লে
তেনেহ'লে কি কৰোঁ এতিয়া
অথচ মই ক'বই লাগিব
মোৰ কিছু ক'ব লগা আছে
অৱশ্যে মই লিখিব পাৰোঁ লিখি সকলো ক'ব পাৰোঁ লিখি ৰাস্তাত পঢ়িব পাৰি
ছপাই বিলাই দিব পাৰি
ৰাস্তাৰ দেৱালত আঁৰি দিব পাৰি
মই লিখিম
লিখিয়েই সকলো ক'ম
আৰু মোৰ লিখাৰ কোনো অসুবিধা নাই
মোৰ কাগজ আছে
মোৰ কলম আছে
মোৰ টেবুল আছে

উভতি অহাৰ পথত এজন মানুহে থুন্দিয়ালে
একো নক'লো
উভতি অহাৰ পথত এজন মানুহে গাত তামোলৰ পিক পেলালে
একো নক'লো
উভতি অহাৰ পথত এজাক ছোৱালীয়ে আঙুলি দেখুৱাই হাঁহি-হাঁহি গ'ল
একো নক'লো
উভতি অহাৰ পথত কোনোবাই মূৰত জাবৰ পেলালে
একো নক'লো
মই লিখিম লিখিয়েই সকলো ক'ম আৰু মোৰ লিখাৰ কোনো অসুবিধা নাই
মোৰ কাগজ আছে মোৰ কলম আছে মোৰ টেবুল আছে
উভতি অহাৰ পথত অলপ খাই ললো
ভাতত শিল আছিল
একো নক'লো
দাইল দেই গৈছিল
একো নক'লো
মাছ গেলা আছিল
একো নক'লো
ভাতৰ দাম বেছি লৈছিল
একো নক'লো
মই লিখিম লিখিয়েই সকলো ক'ম আৰু মোৰ লিখাৰ কোনো অসুবিধা নাই
মোৰ কাগজ আছে মোৰ কলম আছে মোৰ টেবুল আছে
ঘৰ পাই দেখিলো দুৱাৰ খোলা
একো নক'লো
দেখিলো ইটাৰ টুকুৰা
একো নক'লো
দেখিলো ভগা গিলাছ
একো নক'লো
দেখিলো বিছনাখন ভিজা
একো নক'লো
মই লিখিম লিখিয়েই সকলো ক'ম আৰু মোৰ লিখাৰ কোনো অসুবিধা নাই
মোৰ কাগজ আছে মোৰ কলম আছে মোৰ টেবুল আছে
কিন্তু এতিয়াই নহয়
আৰু অলপ পাছত
আৰু অলপ ৰাতি হওক
মানুহ ঘৰলৈ উভতি যাওক বিছনালৈ উভতি যাওক চৌদিশ শান্ত হওক ৰাস্তা খালী হওক
মই তেতিয়ালৈ শুই থাকোঁ বিছনাত শুই থাকোঁ ভিজা বিছনাত শুই থাকোঁ শুই ভাবি থাকোঁ বাহিৰত ৰাতি বাঢ়ক ভিতৰত ৰাতি বাঢ়ক
মই তেতিয়ালৈকে অপেক্ষা কৰি থাকোঁ তেতিয়ালৈকে ভিজা বিছনাত শুই থাকোঁ তেতিয়ালৈকে শুই ভাবি থাকোঁ
কাষতে টেবুল আছে
টেবুলত ড্ৰয়াৰ আছে
ড্ৰয়াৰত কাগজ আছে
ড্ৰয়াৰত কলম আছে
মোৰ এতিয়া কাম কেৱল উঠি বহা আৰু লিখিবলৈ আৰম্ভ কৰা
কিন্তু এতিয়াই নহয় আৰু অলপ পাছত আৰু অলপ ৰাতি হওক
মই শুই থাকিলো ভিজা বিছনাত শুই থাকিলো শুই অপেক্ষা কৰি থাকিলো
তাৰ পাছত ৰাতি হ'ল
চকুলৈ টোপনি আহিলেও খেদি দিলো
মানুহ উভতি গৈছে ঘৰলৈ উভতি গৈছে চৌদিশ শান্ত হৈছে ৰাস্তা খালী হৈছে
আকাশত পৰিষ্কাৰ জোন থমকি ৰৈ আছে ঘৰ ভৰি গৈছে পোহৰেৰে
মই এইবাৰ উঠিম
উঠি চাকি জ্বলাম
মই লিখিম লিখিয়েই সকলো ক'ম
মই ক'ম
মোৰ কিছু ক'ব লগা আছে
মই ইমান দিনে ক'ব পৰা নাই আজি পাৰিম পাৰিবই লাগিব
মই উঠিম এইবাৰ উঠিম
উঠিবলৈ গৈ দেখিলো শৰীৰটো সুলকি গ'ল উঠিবলৈ গৈ দেখিলো গাৰু কঁথা পিঠিৰ তলৰপৰা সুলকি পৰিল উঠিবলৈ গৈ দেখিলো তক্তাপোছ তুফাল হৈ গ'ল উঠিবলৈ গৈ দেখিলো টেবুল তুফাল হৈ গ'ল
গাৰু কঁথা পিঠিৰ তলৰপৰা সুলকি শূন্যত ভাহিবলৈ ধৰিলে তক্তাপোছ তুফাল হৈ শূন্যত ভাহিবলৈ ধৰিলে তাৰ খুৰা খহি পৰিল শূন্যত ভাহিবলৈ ধৰিলে টেবুল তুফাল হৈ শূন্যত ভাহিবলৈ ধৰিলে তাৰ খুৰা খহি পৰিল শূন্যত ভাহিবলৈ ধৰিলে ড্ৰয়াৰ খুলি পৰিল শূন্যত ভাহিবলৈ ধৰিলে কাগজবোৰ ড্ৰয়াৰৰপৰা ওলাই পৰিল শূন্যত ভাহিবলৈ ধৰিলে কলম ড্ৰয়াৰৰ পৰা চিটিকি পৰিল শূন্যত ভাহিবলৈ ধৰিলে
সিহঁতক ধৰিবলৈ গৈ মোৰ সোঁ হাত খহি গ'ল
সিহঁতক ধৰিবলৈ গৈ মোৰ বাঁও হাত খহি গ'ল
উঠি থিয় হ'ব খোজোঁতে মোৰ ভৰি দুখন খহি পৰিল
ডিঙি ঘূৰাব খোজোঁতে মোৰ মূৰ খহি পৰিল
সকলো পৃথক পৃথক হৈ গ'ল
সকলো শূন্যলৈ উঠি গ'ল
সকলো ভাহিবলৈ ধৰিলে
ঘৰত জোনৰ উজ্জ্বল পোহৰ পৰি আছিল
সকলো ঘূৰিবলৈ ধৰিলে
ঘৰত জোনৰ উজ্জ্বল পোহৰ পৰি আছিল
সকলো গোটেই কোঠাত ঘূৰিবলৈ ধৰিলে
গাৰু কঁথা ঘূৰিবলৈ ধৰিলে তক্তাপোছ তুফাল হৈ ঘূৰিবলৈ ধৰিলে টেবুল তুফাল হৈ ঘূৰিবলৈ ধৰিলে তক্তাপোছৰ চাৰিটা খুৰা চাৰি পিনে ঘূৰিবলৈ ধৰিলে টেবুলৰ চাৰিটা খুৰা চাৰি পিনে ঘূৰিবলৈ ধৰিলে ড্ৰয়াৰ ঘূৰিবলৈ ধৰিলে কাগজ ঘূৰিবলৈ ধৰিলে কলম ঘূৰিবলৈ ধৰিলে মোৰ দুই হাত দুই পিনে ঘূৰিবলৈ ধৰিলে মোৰ দুই ভৰি দুই পিনে ঘূৰিবলৈ ধৰিলে মোৰ মূৰ ঘূৰিবলৈ ধৰিলে মোৰ ঘৰ ঘূৰিবলৈ ধৰিলে
ঘৰত জোনৰ উজ্জ্বল পোহৰ পৰি আছিল
সকলো গোটেই কোঠাত ভাহিবলৈ ধৰিলে
সকলো গোটেই কোঠাত ঘূৰিবলৈ ধৰিলে

OKDISCD



# এনাজৰী

যোগেশ দাস

ছয়

সুশীলাই মেট্ৰিক পাছ কৰাৰ পাছত এদিন জোচেফে তাইৰ সন্মতি লৈ ফাদাৰ কাৰভেলোৰ ওচৰত দুয়ো বিয়া পাতিব খোজে বুলি কৈ অনুমতি খুজিলে। ফাদাৰে পলাশ দত্তক মতাই আনিলে। কাৰণ সুশীলাৰ অভিভাৱকৰ যদি আৱশ্যক হয় তেন্তে তেওঁকেই বিচাৰিব লাগে বুলি কৈ থোৱা আছিল। এই বাৰো দত্তই আপত্তি নকৰিলে। বৰং উৎসাহহে দেখুৱালে। কাৰণ দুৰ্ভাগিনী সুশীলাই এইবাৰ জীৱনটো সম্পূৰ্ণ কৰাৰ এটা সুযোগ পাইছে।

কেৰালাৰ জোচেফ এণ্টনিৰ লগত তেনেকৈয়ে অসমীয়া গাভৰু সুশীলাৰ বিয়া হৈছিল।

আৰু আজি সেই জোচেফে গুচি গৈ দুৰ্ভাগিনী সুশীলাক আকৌ এবাৰ ককাইদেৰেকৰ দুৱাৰত থিয় কৰাইছে।

"ফাদাৰ", গোটেইবোৰ কথা থূলমূলকৈ বৰ্ণাই শেষত পলাশ দত্তই কলে, "সুশীলাক আপোনাৰ এই মিছনত গতাই দিবৰ সময়ত তাইৰ মৃত সন্তানটোৰ কথা মই কোৱা নাছিলোঁ। কিজানি আপোনালোকে তাইক নাৰাখে—এই ভাবি। যদি ইয়াত সুশীলাক নাৰাখিলেহেঁতেন তেন্তে মই বৰ বিপদত পৰিলোহেঁতেন। আনহাতে সন্তানটো সম্বন্ধে মোৰ মনতো নানান ভাব আহি গৈছিল। কিন্তু পাছত লাহে লাহে মোৰ দৃঢ় বিশ্বাস হ'ল যে সুশীলাই মিছা কোৱা নাছিল। মৃত সন্তানটো অবৈধ নাছিল। এই কথা লুকুৱাই ৰখা কাৰণে আজি মই আপোনাৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছোঁ ফাদাৰ।"

ফাদাৰ কাৰভেলোৱে তলমূৰকৈ থাকি করুণভাৱে কলে, "বাছা, ছোৱালীজনীৰ নিষ্ঠা আৰু সজ আচৰণ দেখি আমি ভাবি আহিছোঁ যে তাই কেতিয়াও কোনো দোষ কৰিব নোৱাৰে। মোৰ দৃঢ় বিশ্বাস সুশীলা নিষ্পাপ। তুমি যে সকলো কথা খুলি কলা তাৰ কাৰণে ভাল পাইছোঁ। ঈশ্বৰে তোমাৰ মংগল কৰক।"

"আপুনি মহৎ ফাদাৰ," দত্তই হাত যোৰ কৰি কলে, "সুশীলাৰ খবৰ মাজে-সময়ে মিছনলৈ আহি মই লৈয়ে আছোঁ। লাহে লাহে অনুভৱ হৈ আহিছিল যে তাই মোৰ এজনী আচল ভনীয়েই। তায়ো মোক নিজৰ ককায়েক বুলি ভাবে। তাই এতিয়া ইচ্ছা কৰিছে ল'ৰা-ছোৱালী দুটাক লৈ মোৰ তালৈকে যাবলৈ। এতিয়া আপুনি দয়া কৰিলেই হয়।"

ফাদাৰ কাৰভেলো আগৰ দৰেই তলমূৰকৈ কিছু সময় বহি থাকিল। তেওঁক কিছু চিন্তিত দেখা গ'ল। তেওঁৰ গম্ভীৰ মুখখন বৰ করুণ হৈ উঠিল।

দত্তই মাত লগালে, "ফাদাৰ, মই কথা দিছোঁ মই সুশীলাৰ ধৰ্মত হাত নিদিওঁ। তাই আৰু ল'ৰা-ছোৱালী দুটা খৃষ্টান হৈয়ে থাকিব। মই মাত্ৰ তাইক লৈ যাব খুজিছোঁ তাইক এখন ঘৰ লাগে কাৰণে। তায়ো মোৰ ঘৰখনকে পাবলৈ কামনা কৰিছে।"

ফাদাৰে এইবাৰ মূৰ তুলি একেথৰে দত্তলৈ চাই আছিল। পাছত লাহে লাহে কলে, "ছন, ধৰ্মৰ কথা মই চিন্তা কৰা নাই। সুশীলাক আমি জোৰ কৰা নাছিলোঁ। তেওঁ নিজ ইচ্ছাৰেই ধৰ্মান্তৰ গ্ৰহণ কৰিছিল। এতিয়া যদি তেওঁ মন সলায় তেনেহলেও মোৰ কোনো আপত্তি নাই। কিন্তু ছোৱালীজনীৰ প্ৰতি আমাৰ এটা মোহ উপজি গৈছিল। মিছনটোৰ ভিতৰতে তেওঁৰ দৃষ্টান্ত একক। যি হওক, তেওঁ যেতিয়া তোমাৰ লগত যাব খুজিছে মই বাধা নিদিওঁ। যদিও মাজে-মাজে আহি থাকিলে এই বুঢ়াই মনত সন্তোষ পাব।"

দত্তই মূৰ দোঁৱাই সেৱা কৰি কলে, "আমি নিশ্চয় আহি থাকিম। মোৰ বিশ্বাস সুশীলাই মিছনটোক কেতিয়াও পাহৰিব নোৱাৰে। ময়ো মিছনৰ সেৱাত থাকিলোঁ— যেতিয়াই মোৰ দৰকাৰ হ'ব আপুনি আদেশ কৰিব, মই দৌৰি আহিম।"

অতীতৰ এইবোৰ কথাকে পলাশ দত্তই বিছনাত পৰি থাকি সুশীলাক দুটা-এটা ঘটনাৰ উল্লেখেৰে মনত পেলাই দিছিল। সৰহভাগ অৱশ্যে তেওঁৰ স্মৃতি ৰোমন্থন মাত্ৰ। ককায়েকৰ মনৰ গতি বুজি লৈ সুশীলায়ো মাজে মাজে দুই-এটা প্ৰসংগ মনত পেলাই দিছিল। তেওঁ অৱশ্যে দুটোসিটো ঘৰুৱা কামত মাজে মাজে উঠিও গৈছিল। কিন্তু কামটো কৰি আকৌ ককায়েকৰ ওচৰত আহি বহিছিল। মুঠতে দত্তক সন্তুষ্ট কৰি ৰাখিবলৈ তেওঁ আপ্ৰাণ চেষ্টা কৰিলে। যেতিয়া দত্তৰ পুৰণা কাহিনী শেষ হোৱা যেন পালে তেতিয়া সুশীলাই তেওঁৰ কাৰণে চাহ একাপ কৰি আনিলেগৈ।

দত্তই ভবা মতে কাম নহ'ল।

বাহিৰত গাড়ী এখন আহি ৰোৱাৰ শব্দ তেওঁৰ কাণত পৰিলহি। এনেয়ে ঘৰৰ চোতালৈ গাড়ী নাহে। নিজৰ গাড়ী গেৰেজতে থাকে। সুশীলাই চাহ কাপ আনি ককায়েকৰ হাতত তুলি দিব খোজোঁতেই শোভনা আৰু বিমান বৰুৱা বাহিৰৰপৰা সোমাই আহিল। দুয়ো উদ্বিগ্ন আৰু চিন্তিত। কোনোবা অহা আৰু উৎকণ্ঠ হৈ কথা কোৱা শুনি ওপৰৰপৰা হিয়াও নামি আহিল।

"পলুদা", বিছনাৰ ওপৰত হাউলি দত্তৰ কপালত হাত দি শোভনা বৰুৱাই মাত লগালে : "কেইদিন জ্বৰ ? আমাক খবৰ দিয়া নাই কিয় ? মকবুলেহে কলে— খবৰ পায়েই দৌৰি আহিছোঁ।"

"মকবুলে ?"

"অঁ তেওঁ কিবা কামত সেই পিনে গৈছিল ;— আমাৰ তাত সোমাই কথাটো কলে।"

সুশীলাই কলে, "আজি তিনি দিন হৈছে বাইদেউ। মই আপোনালৈ ফোন কৰাবই খুজিছিলোঁ,— নিদিয়ে নহয় মোক একো কৰিব বৰ খং কৰে। কয়— একো হোৱা নাই যা, তইঁতে হৈচৈ নকৰিবি।"

"আহ সুশীলা।" চাহত সোহা এটা মাৰি দত্তই মাত দি উঠিল।

"দাদা," বিমানে কলে, "এইবিলাক কি শুনিছোঁ ? দুটা পিল আনি দি নাম কৰিবলৈ আমাক এটা সুযোগ নিদিব ?"

দত্তই খাই বৰ তৃপ্তি পোৱাৰ দৰে আৰু কেইঢোকমান চাহ খাই ললে। তাৰ পাছতহে কলে, "নু কমেণ্ট বিমান। মই যেনিবা হস্পিটেললৈ যোৱা নাই, হস্পিটেলখনেই মোৰ ঘৰলৈ আহিছে। ইয়াৰ ওপৰত আৰু কথা নচলে।"

শোভনা বৰুৱাই বিমানৰ ফালে চাই কলে, "তিনি দিনেই যদি জ্বৰ এৰা নাই তেন্তে ডাক্তৰ আনি দেখুৱাই ভাল হ'ব। তুলু তয়েই যা— ডাক্তৰ এজনক মাতি লৈ আহগৈ।"

সুশীলাই কলে, "ড° ৰঞ্জন বৰাকে অনা ভাল হ'ব। তেখেতেই সাধাৰণতে আমাৰ ঘৰখনৰ চিকিৎসা কৰে।"

বিমানে সুধিলে, "তেখেত কোনখিনিত থাকে ?"

সুশীলাই ঠিকনাটো বুজাই দিবলৈ চেষ্টা কৰিলে। কিন্তু এনেতে বন্দনাই মাত লগালে, "নালাগে, বিমানদাৰ লগত ময়ো যাওঁ। ডাক্তৰ খুৰা তেতিয়া তৎক্ষণাত আহিব।"

বিমান আৰু বন্দনা ওলাই গ'ল। সুশীলাই তেওঁলোকৰ ফালে চাই পঠিয়ালে। শোভনাই পলাশ দত্তৰ ভাবান্তৰ লক্ষ্য কৰিবলৈ চেষ্টা কৰিলে। কিন্তু দত্তই একান্তমনে চাহ কাপ শেষ কৰাত লাগিছে, যেন সম্প্ৰতি সেইটোহে আটাইতকৈ দৰকাৰী কাম। কাপটো সুশীলাৰ হাতত দি তেওঁ ওপৰমুৱৈকে দীঘল দি চকু দুটা মুদি দিলে। যেন চাহ কাপ খাই বৰ আৰাম পালে। সুশীলাই কাপ-প্লেটবোৰ লৈ ভিতৰৰ পিনে গুচি গ'ল। শোভনাই একেথিৰে পলাশৰ মুদ খোৱা চকু দুটাৰ পিনে চাই থাকিল।

"আচল কথা চুভী," হঠাৎ চকু মেলি দত্তই কবলৈ ধৰিলে, "মই বুঢ়া হৈ আহিছোঁ। শৰীৰৰ বলশক্তি চিৰদিন একে নাথাকে। সামান্য অসুখ-বিসুখ হলেই কথাটো মই গম পাওঁ। মানুহ চিৰদিন সংসাৰত থাকিব নোৱাৰে। ময়ো তাৰ ব্যতিক্ৰম নহওঁ।"

শোভনাই কন্দনামুৱা হৈ তলৰ ওঁঠটো কামুৰি ধৰিলে। দত্তই সেইটো লক্ষ্য কৰিলে। তেওঁ হাঁহি এটা মাৰি কলে, "এইটো জ্বৰতে যাম বুলি কোৱা নাই চুভী। কিন্তু আজিকালি কেতিয়াবা কেতিয়াবা মৃত্যুৰ কথা মই ভাবোঁ। যেতিয়া এইবোৰ ভাবোঁ তেতিয়া সংসাৰৰ সকলো কাৰ্যকলাপ অৰ্থহীন অৰ্থহীন লাগে।"

"এনে কথা মুখলৈ নানিবা" শোভনাই কোনো মতে কলে, "আপদ নোচোচৰাবা পলুদা।"

"তুমি অন্ধবিশ্বাস মানা ?"

"সংস্কাৰক মই কোনো দিনেই জয় কৰিব নোৱাৰিলোঁ। সেই কাৰণেই চিৰজীৱন মই কষ্ট ভুগি আহিছোঁ।"

বাহিৰত কাৰোবাৰ খোজৰ শব্দ শুনি শোভনা উঠি ভিতৰৰ পিনে সুশীলাক বিচাৰি ওলাই গ'ল।

বাহিৰৰপৰা নমিতা আৰু আগনেছ সোমাই আহিল। "মামা" বুলি দুয়ো দত্তৰ বিছনাতে বহিল।

"এতিয়া গা কেনে পাইছে ?"

দত্তই দুয়োৰে গাত হাত বুলাই বুলাই মৰম কৰি কলে যে হিয়াবা আৰু বিমানদা গৈছে ড° বৰাক ধৰি আনিবলৈ। ডাক্তৰ খুৰা আহিলেই এগাল পিল দিব আৰু জ্বৰচৰ চব পলাই পত্ৰং দিব। ছোৱালী দুজনী সন্তুষ্ট হৈ ওপৰলৈ উঠি গ'ল। স্নিগ্ধতলৈ মৰমেৰে চাই দত্তই হাঁহিলে।

চোতালত গাড়ী আকৌ ৰ'লহি।

শকত-আৱত ড° ৰঞ্জন বৰাক লৈ হিয়া আৰু বিমান আহি সোমাল। বিমানে ডাক্তৰৰ বেগটো লৈ আহিছে।

কি হ'ল দাদা ?" ডাক্তৰে চকু টিপিয়াই সুধিলে, "ডাক্তৰৰ মেবা-

OKDISCD

মন্তিৰ দৰকাৰ হ'ল নেকি? গেৰেজৰ মেৰামতিৰে কাম নহ'ল?" তেওঁ অন্য-মনস্কভাৱে হাত মেলি বিমানৰ পৰা বেগটো ল'লে। ষ্টেথিছকোপ ডাল উলিয়াই কাণত খুৰাই লৈ পৰীক্ষা কৰিবলৈ ওলাল।

"ডাক্তৰে ডাক্তৰে আছে ভায়া, তোমাৰ মেৰামতি তুমি কৰা—গাড়ী বেয়া হলে মোৰ ওচৰলৈ আনিবা।" আনন্দ মনেৰে দত্তই কামিজ, গেঞ্জি কোঁচাই বুকু, পিঠি পাতি দিলে। তেওঁ ডঃ বৰাক বৰ ভাল পায়।

পৰীক্ষা শেষ নোহওঁতেই ডাক্তৰে কলে, "তিনি বিধ মানৰ এশটামান পিল খাব পাৰিবানে? তেতিয়া হলে আৰু কোনো ঔষধ খাব নালাগিব।"

"নাই নোৱাৰোঁ। কাৰণ তুমি তেতিয়া নহা হবা।"

"বাৰু বাৰু কমায়েই দিম। কিন্তু ৰাতি ভাত নচলিব। ৰুটি খাই থাকিব লাগিব।"

"নাই নহব ডাক্তৰ। মোৰ জ্বৰ ভাল হ'ব নালাগে।"

বাৰু বাৰু ভাতকে খাব।"

বিমানে বৰ আমোদ পাইছিল। এনেতে শোভনা আৰু সুশীলাও ভিতৰৰ পৰা আহিল। দুয়ো জনীয়ে প্ৰথমে ডাক্তৰৰ কথা একো বুজা নাছিল। কিছু সময়ৰ পাছত গেৰেজৰপৰা বেন্দাঙেও আহি ভিৰ কৰিলেহি।

"প্ৰি-ৰাৰ শৰীল," ডঃ বৰাই কলে, "তিমান মেৰামতিৰ দৰকাৰ নাই। তথাপি মাজে মাজে তেল-চেল দি থাকিব লাগে দাদা। আপোনাৰ গেৰেজৰ বেয়া গাড়ীবোৰৰপৰা তফাৎ একো নাই। মই লিখি দিয়া পিলবোৰ পূৰাকৈ খাব লাগিব। কাৰণ মাজতে মই আহিব নোৱাৰোঁ— শহুৰৰ ঘৰত মাৰৈ পূজা আছে, তালৈ যাবই লাগিব।"

বেন্দাঙে মাত লগালে, "ডাক্তৰ খুৰা আপুনি যাওক, মই আপোনাৰ ফাৰ্মেছিৰপৰা পাছত দৰকাৰ হলে আৰু দাৰাই লৈ আহিম।"

বন্দনাই ধমক লগালে, "উঁহ এওঁ ওলালহি ডাক্তৰটো!"

"নহয় কি?" বেন্দাঙে আত্মপক্ষ সমৰ্থন কৰিলে, "আগতে কোনে দাৰাই আনি দিয়ে? মই।"

ডঃ বৰাই হাত দাঙি কলে, "হ'ব হ'ব। বেন্দাঙে দাদাৰ বেমাৰ হলে কি ঔষধ লাগে মোতকৈও ভালকৈ জানে। এতিয়া মই যাওঁ।"

শোভনা বৰুৱাই কলে, "তুলু তয়েই যা ঔষধ কেইটা লৈ আহিবি, ডঃ বৰাকো থৈ আহিবি। মই সিমান পৰে ইয়াতে বহি থাকোঁ।"

বিমান, ডঃ বৰা আৰু বেন্দাং বাহিৰলৈ ওলাই গ'ল। বন্দনা আৰু সুশীলাও ওপৰলৈ উঠি গ'ল—সুশীলাই ল'ৰা-ছোৱালী কেইটাৰ তদাৰক কৰিব লাগে। শোভনা দত্তৰ ওচৰতে চকি এখন পাৰি বহি থাকিল।

"চুভী!"

"কিবা লাগিব পলুদা?"

"নাই নালাগে। পলুদা! মোক পলু বুলি মতা কোনো মানুহ আজি নাই জানা? কিন্তু তোমালোক অহাৰ আগতে আজি মই আৰু সুশীলাই পুৰণা কথা পাগুলি আছিলোঁ। তাইক সৰুৰেপৰা জানোতো,— এদিন বাৰু সকলো কথা কম,— মানে সুশীলানো মোৰ ঘৰলৈ কেনেকৈ আহিবলৈ পালে।"

কিবা চিন্তা কৰি শোভনাই সুধিলে, "সৰুৰেপৰা যে জানিছিলা, সুশীলাই মোক তেতিয়া দেখিছিলনেকি? একো কোৱা নাইনে তেওঁ?"

দত্তই শোভনালৈ চালে। তেওঁ কিয় সেইদৰে সুধিছে অনুমান কৰি ললে। শেষত কলে, "নাই কোৱা নাই। বোধহয় সুশীলাই তোমালোকৰ নামেই শুনা নাছিল।"

পলাশ দত্ত ভাল হৈ আহিল। পাছ দিনাই জ্বৰ কমিল। দ্বিতীয় দিনা তেওঁ বিছনা এৰিব পৰা হ'ল। তৃতীয় দিনা গেৰেজলৈ যাবলৈ ওলালেই; —কিন্তু সকলোৰে জোৰ কৰি ৰাখিলে; বিশেষকৈ সুশীলা আৰু চেনেহী বেগমে। চেনেহী বাইটি এতিয়া বেছ বুঢ়ী হৈছে, কিন্তু তথাপি ইঠাই-সিঠাই কৰি আছে। সেই দিনা মকবুলহঁতৰ ঘৰলৈ গৈছিল। পুৰা গৈয়েই যেতিয়া শুনিলে দত্তৰ অসুখ, তেতিয়া তেওঁ মকবুলৰ লগতে খবৰ এটা লবলৈ গুচি আহিল। কেইবা মাহৰো মূৰত তেওঁক পাই সুশীলা আৰু দত্ত দুয়ো বৰ ভাল পালে। তেতিয়াই বাইটিয়ে শেষ সিদ্ধান্ত দিলে আৰু দুদিন জিৰণি লোৱা ভাল হব; — মানুহৰ শৰীৰহে, কিমান সহিব? তাতে দত্ত ডেকামানুহ হৈ থকা নাই।

গতিকে তৃতীয় দিনা কামলৈ ওলোৱা দত্তৰ নহ'ল। কিন্তু মনে মনে তেওঁ উচপিচাই থাকিল। কিয়নো চুভীক এবাৰ লগ পাবলৈ বৰ মন গৈছিল। বিশেষকৈ শোভনা বৰুৱাৰ সেই দিনাৰ শেষ কথাষাৰে তেওঁক এতিয়াও ভবাই তুলি আছে। চুভীয়ে সেই দিনা কৈছিল —তেওঁ সংস্কাৰক জয় কৰিব নোৱা-ৰিলে আৰু সেই কাৰণেই চিৰজীৱন কষ্ট ভুগি আহিল। তাৰ অৰ্থ কি? নিজৰ বিয়াখনৰ কথা কৈছে? বা যিখন বিয়া হব নোৱাৰিলে সেইখনৰ কথা কৈছে? নিজৰ দুৰ্বলতাৰ কথাকে তেওঁ বুজাব খুজিছিল? এইবিলাক প্ৰশ্নৰ উত্তৰ তেওঁৰ মনটোৱে বিচাৰিছিল। সেই বাবে এবাৰ শোভনাক অকলশৰে লগ পাবলৈ বৰকৈ ইচ্ছা কৰিছিল। কিন্তু কেনেকৈ যাব অকলে? কি অজুহাত লৈ? তোমাৰ গা বেয়া, ময়ো লগতে যাওঁ— বুলি যদি সুশীলাও যাবলৈ ওলায়, বাধা দিব পাৰিবনে?

তথাপি কেইদিনমানৰ পাছত এদিন ওলাল। তেতিয়ালৈ তেওঁ গেৰেজলৈ নিয়মীয়াকৈয়ে ওলাইছিল। কঠোৰ পৰি-শ্ৰম কৰা নাই যদিও সকলো কথাৰে তদাৰক কৰিছিল। বিশেষকৈ নতুনকৈ আৰম্ভ কৰা স্প্ৰেইং ইউনিটটো নিজে চলাবলৈ চেষ্টা কৰিলে। সেইটো আন কাৰো হাতত দিবলৈ ইচ্ছা নকৰিলে। সেই দিনা গেৰেজ বন্ধ নো-হওঁতেই তেওঁ বেন্দাঙক লৈ ওলাই গ'ল; —ট্ৰেকাৰখনকে বেন্দাঙে চলাই লৈ গ'ল। মকবুলক লগত নললে। নহলে ঘৰত নমাই থৈ যাব পাৰিলে-হেঁতেন। কেনেবাকৈ মকবুলে ময়ো এপাক মাৰি আহোঁ ব'লক বুলি লগত ওলায় বুলি দত্তই ভয় খালে। গেৰেজৰ সমস্ত ভাৰ মকবুলৰ ওপৰত দি দুয়ো ওলাই গ'ল।

বাটত দত্তই কোনো কথা কোৱা নাছিল। মাত্ৰ হাতেৰেহে ড্ৰাইভাৰ বেন্দাঙক বাট দেখুৱাই নিলে। দিছ-পুৰৰ পিনে যাত্ৰা কৰা কাৰণে অৱশ্যে বেন্দাঙে অনুমান কৰি ললে যে বিমান বৰুৱাহঁতৰ ঘৰলৈকে তেওঁলোক গৈছে। মাক-পুতেক দুয়ো ফোন কৰি কৰি যোৱা কেইদিন গা কেনে খবৰ লৈয়ে আছে। এবাৰ বেন্দাঙৰ কাণত পৰিল যে দাদাকে আশ্বাস দিছে, —চাবা চুভী মই যে সম্পূৰ্ণ ভাল হৈ উঠিছোঁ সেইটো তোমাৰ সমুখত ওলাই প্ৰমাণ কৰি দিম! তালৈকে নগলে আজি দাদাৰ আৰু ক'লৈ যাবলগীয়া আছে?

মাক-পুতেক দুয়ো ঘৰতে আছিল। শোভনা বৰুৱায়েই প্ৰথমে মাত লগালে আৰু কলে যে তুলুও ঘৰতে আছে— সি এইমাত্ৰ আহিছে, এতিয়াই আকৌ ওলাই যাব হবলা। তেওঁ দত্তক নি ড্ৰয়িংৰুমত বহুৱালে। বেন্দাং বাহিৰতে ৰ'ল। ড্ৰাইভাৰ ৰামলালৰ লগত বিমানৰ গাড়ী চাফ কৰাত লাগি গ'ল। লগে লগে নানান গল্প-গুজৱো চলিল।

পেণ্টৰ ওপৰত নতুনকৈ ভাজ ভঙা হাৱায়ন ছাৰ্ট এটা খুৱাই খুৱাই নিজৰ কোঠাৰপৰা বিমান ওলাই আহিল। "দাদা", তেওঁ কলে, "আপোনাক দেখি বৰ ভাল লাগিল। সিদিনা আপো-নাক জ্বৰত পৰি কষ্ট খাই থকা দেখি বৰ বেয়া লাগিছিল। এতিয়া কিন্তু আপোনাক সেই আগৰ নিচিনাই লাগিছে।"

"কৰবালৈ ওলাইছা বোলে?"

"আমিনগাওঁ। তাত হৰলালকা এণ্ড চন্সৰ নতুন কাৰখানা এটা বহিব। কনষ্ট্ৰাকছনৰ কামটো আমাৰে পোৱাৰ আশা আছে। তেওঁলোকে আজি ছাইট চাবলৈ মোক মাতিছে। তালৈকে ওলাইছোঁ।"

"ময়ো যাম নেকি?"

"নালাগে দাদা," বিমানে কলে।" অসুখৰ পাছত আপোনাক এই প্ৰথম ভালে ভালে পাইছোঁ। তালৈ গলে বোকাই-পথাৰৰ নামিব লাগিব। মোৰ লগত বিশেষ কাম নাই যদি আপুনি মাৰ লগতে কথা পাতি থাকক; —জিৰণিও লোৱা হব। আপুনি জানো গেৰেজৰপৰা পোনে পোনে অহা নাই।" তেওঁ দত্তৰ কামকৰা কাপোৰসাজলৈ চালে।

"তাৰেপৰা আহিছোঁ। তোমাৰ লগত তেনেকৈ বিশেষ একো কাম নাই। বোলোঁ তোমালোকে সিদিনা ইমান সহায় কৰিলা —গাটো টঙাইছোঁ যেতিয়া আজি ধন্যবাদকে দি আহোঁ।"

"দাদাৰ যে আৰু কথা!"

এনেতে পাকঘৰৰপৰা আলহ-উদহ কৰি হাঁহিমুখে শোভনা বৰুৱাও ওলাই আহিল। "পলুদা, তুলুৰ লগতে তোমাকো চাহ দি দিওঁনে? নে বৰ সোনকাল হব?"

কোঠাৰ পিনে যাবলৈ ধৰা বিমানে কলে, "দিয়া দিয়া মা। দাদা গেৰে-জৰপৰা বাজে বাজেই আহিছে। নিশ্চয় ভোক লাগি আছে। মই ৰাম-লাল আৰু বেন্দাঙকো মাতি দিছোঁ।"

চাহ-জলপান পাকঘৰতে দিলে। ৰান্ধনিজন আছে যদিও আটাইখিনি শোভনাই নিজেই কৰিছে। ৰামলাল আৰু বেন্দাঙো আহিল। বেন্দাঙে চকুৰে মুখে হাঁহি বিৰিঙাই মন্তব্য কৰিলে, "বাইদেউ ভালেই হৈছে। আমি ঘৰত একো খাই অহা নাই। ঘৰলৈ যোৱাই নাই। ইয়ালৈ নহা হলে আমি দুইটা ভোকতে মৰিলোহেঁতেন। বাই-দেউ মাৰ নিচিনা, আমাক দেখিয়েই বুজিলে যে আমাৰ ভোক লাগিছে।"

খাই থকাৰপৰা বিমানে সুধিলে, "বেন্দাং মোৰ লগত আমিনগাৱলৈ যাবানে?"

বেন্দাং পাকঘৰৰ ভিতৰৰপৰা ওলাই আহিল। সি প্ৰশ্নবোধক দৃষ্টিৰে বিমা-নলৈ চালে। বিমানে কলে, "দাদাই ইয়াতে জিৰণি লৈ থাকক। মাৰো লগ হ'ব। তোমাক লগত লব খুজিছোঁ গাড়ী বেয়া হ'লে ঠেলিব লাগিব কাৰণে।"

বেন্দাঙে দত্তলৈ অনুমতিৰ কাৰণে চালে।

দত্তই কলে, "যা লগ লৈছে। কিন্তু ইমান বেছি কথা কৈ নাথাকিবি। তোক কিয় নিছে শুনিলি নহয়।"

কথাটো বুজিবলৈ অলপ সময় লৈ বেন্দাঙে কলে, "এইবাৰ দাদাৰ গাড়ী বেয়া হলে চিধা আমাৰ গেৰেজলৈ লৈ যাম। একেবাৰে ভাল কৰিহে ঘুৰাই দিম।"

পলাশ দত্ত আহি আকৌ ড্ৰয়িং ৰুমত বহিল। এটাচি কেছ এটা লৈ তালৈকে আহি বিমানে কলে, "দাদা আমি ঘুৰি নহালৈকে তেন্তে বহক। আমি যিমান পাৰোঁ সোনকালে উভতি আহিবলৈ চেষ্টা কৰিম।"

বিমান আৰু বেন্দাঙে মাত লগাই ওলাই গ'ল। ৰামলাল আগতেই গাড়ীলৈ গৈছিল।

দত্ত ভিতৰি অলপ কঁপি উঠিল। তেওঁ চুভীৰ মনৰ কথা জানিবলৈ আহিছে —এয়ে সুযোগ নেকি? তুলুৱে বাৰু তেওঁলোকৰ পুৰণা সম্বন্ধৰ কথা জানে নেকি? সেই কাৰণেই দুয়োকে এইদৰে অকলে এৰি থৈ গৈছে নেকি? নাই নহয়, নিজৰ যুক্তি দত্তই নিজেই কঠোৰভাৱে কাটিলে: কোনো পুত্ৰই মাকক পুৰণা প্ৰেমিকৰ হাতত এইদৰে এৰি থৈ নাযায়।

গাড়ীখন ওলাই যোৱা চাই বাহিৰৰ পৰা আহি শোভনা বৰুৱাই দত্তৰ সমুখত বহি তামোলৰ বটাটো ওচৰ চপাই লৈ প্ৰশ্ন কৰিলে, "পলুদা, কথা এটা সোধো। এই বেন্দাঙক দেখিলোঁ। সুশীলাৰ কথাও শুনিলোঁ— নমিতাৰ কথাও তুমিয়ে কৈছা। তুমি খুৰাদেউৰ আদৰ্শ মতেই তোমাৰ ঘৰখনক গঢ় দিছা নহয়নে?"

"কেনেকৈনো" দত্তই বুজিও নুবু-জাৰ দৰে ওলোটাই প্ৰশ্ন কৰিলে।

"বিকাশ দত্তৰ আদৰ্শ কি আছিল মই তোমাক বুজাই নিদিলেও হব।"

শোভনাই অলপ টানকৈয়ে উত্তৰটো দিলে। কিন্তু তেনেদৰে উষ্মা প্ৰকাশৰ যে কোনো কাৰণ নাছিল সেইটো তেওঁ লগে লগেই উপলব্ধি কৰিলে। সেই বাবে তৎক্ষণাৎ তেওঁ নিজকে সংযত কৰি ললে। "এওঁলোক সকলোকে গোটাই-পিটাই লৈ এখন ডাঙৰ সংসাৰ কৰিছা, অথচ তোমাৰ নিজৰে সংসাৰ নহ'ল। —তোমাৰ এতিয়াৰ সংসাৰখনত জানো খুৰাদেউৰ আদৰ্শৰে প্ৰতিফলন ঘটা নাই?"

"মোৰ নিজৰ সংসাৰ নহ'ল বুলিনো কেনেকৈ কবা চুভী?" এইদৰে প্ৰশ্ন কৰি উঠিয়েই পলাশ দত্ত বৈ গ'ল। তেওঁ অন্যমনস্ক হৈ পৰিল। তেওঁ কি কবলৈ গৈছে? তেওঁ ধৰা নপৰিবৰ মনেৰে আকৌ অলপ পাছতে কবলৈ আৰম্ভ কৰিলে, "তুমি নিজেই ক'লা মোৰ এখন ডাঙৰ সংসাৰ হৈছে। মোৰতো এটা বিৰাট পৰিয়াল—কাথহাজৰিকা আৰু অনিল মহন্তও তাৰ ভিতৰৰে জানাই— হয়তো তাৰ মাজত দেউতাৰ আদৰ্শয়ো ঠাই পাইছে। কিন্তু মই যে চেষ্টা কৰিহে এইবোৰ কৰিছোঁ এনে নহয়। সকলো ঘটনাচক্ৰত পৰিহে হৈছে। মই মাত্ৰ কৰ্তব্যবোধতহে সকলোকে সামৰি লৈছোঁ। এই বেন্দাংটোৰ কথাকে ধৰা—যুদ্ধৰ পাছত তাক মই কহিমাতে এৰি থৈ আহিছিলোঁ—কিন্তু সি নিজেই আকৌ মোক বিচাৰি আহিল—তাকনো মই আশ্ৰয় নিদিয়াকৈ কেনেকৈ থাকোঁ। সেইবিলাক দিনৰ কথা মনলৈ আনিলে গল্প-গল্প যেন লাগে। —শুনা বাৰু কওঁ, বেন্দাঙে মোৰ প্ৰাণটো ৰক্ষা কৰিছিল··।"

প্ৰথমে মণিপুৰতহে বেন্দাঙক পলাশ দত্তই লগ পায়। সিহঁত নগা-পাহাৰৰ মানুহ যদিও পৰিয়ালটো মণিপুৰত আছিলগৈ। দেউতাকে কিবা চাকৰি কৰিছিল। জাপানীবিলাকৰ প্ৰথমটো খুন্দাতে বেন্দাঙৰ মাক-বাপেক দুয়ো মৰে। বেন্দাং আৰু ককায়েক তেতিয়া স্কুলত আছিল। হুলস্থূল লাগিলত ককায়েকটো কেনি গ'ল কোনেও কব নোৱাৰিলে। বেন্দাং তেতিয়া ক্লাছ এইটৰ ছাত্ৰ। কেনেকৈ উফৰি আহি ইণ্ডিয়ান আৰ্মিৰ স্থানীয় সহায়কাৰীৰ দল এটাত সোমালহি কোনেও কব নোৱাৰে। তেনেকৈয়ে দত্তৰ লগত বেন্দাঙৰ পৰিচয় হৈছিল। কিন্তু সি আৰু কোনো দিনে দত্তৰ লগ নেৰিলে। গাৰ ছাঁৰ দৰেই ফুৰিবলৈ ধৰিলে।

ফাইটাৰ বিমানবোৰৰ সহায়ত ক্ৰমাৎ আগুৱাই অহা জাপ সৈন্য আৰু আজাদ হিন্দ ফৌজৰ প্ৰতাপত তিষ্ঠিব নোৱাৰি বৃটিছ সৈন্য কহিমালৈ ঘূহকি আহিবলৈ বাধ্য হৈছিল। বৰ কষ্টকৰ আছিল সেই দিনবোৰ। অহৰহ শংকা আৰু বিপদ। কিন্তু বেন্দাং আৰু অন্যান্য সহায়কাৰী থলুৱা মানুহবিলাকে যে কি সাহসিকতাৰে তেওঁলোকক অশেষ সহায় কৰিছিল ভাবি তেতিয়াই দত্তহঁত বিস্মিত হৈছিল। দুশমনৰ গুলী আৰু চোকা পহৰাৰ মাজেদি তেওঁলোকে কেতিয়াবা ৰচদ-পাতি, কেতিয়াবা গুলী-বাৰুদ, কেতিয়াবা ঔষধ-বেণ্ডেজ সৰকাই আনি পাৰেমানে সহায় কৰিছিল। পৰ্বতীয়া হাবিতলীয়া বাটপথ নগা মানুহৰ নখদৰ্পণত। বেন্দাঙে তেওঁলোকক অনুসৰণ কৰি কৰি সকলো আয়ত্ত কৰি পেলাইছিল।

এদিন দত্ত আহত হৈ পৰি গ'ল। এখন হাত আৰু এটা কৰঙনত গুলী লাগিছিল। তেওঁৰ জ্ঞানো নাছিল। বেন্দাং আও নামে স্কুলীয়া ল'ৰাটোৱে আন দুজনমানৰ লগ লাগি কেনেকৈ যে তেওঁক পৰি থকাৰ পৰা চোচোৰাই আতঁৰাই লৈ গৈছিল তেওঁ কব নোৱাৰে। আৱাহুৱা পাহাৰৰ কোনখিনিত তেওঁ গৈ ৰৈছিল তাকো ভালদৰে নাজানে;—পাছতহে বেন্দাঙৰ মুখত শুনিছিল;—কিন্তু যেতিয়া তেওঁ জ্ঞান ফিৰাই পায় তেতিয়া দেখে মিলিটেৰি ছাৰ্জন এজনে তেওঁৰ ওপৰত অস্ত্ৰোপচাৰ কৰিবলৈ লৈছিল। বেছি পৰীক্ষা-চৰীক্ষা কৰিবৰ সময় নাছিল। ডাক্তৰে এটা বেজী দি দত্তক আকৌ অজ্ঞান কৰি লৈছিল। তাৰ পাছত ছুৰী তুলি লৈছিল গুলী কেইটা উলিয়াই পেলাবৰ কাৰণে। তেওঁ মন-নমনকৈহে দেখিছিল—বেন্দাং আৰু অন্যান্য নগা মানুহ কেইটাই তেওঁলৈ স্থিৰ হৈ চাই আছে। দূৰে দূৰে তেতিয়াও বন্দুকৰ শব্দ উঠি থকা শুনা গৈছিল।

পাছ দিনা যেতিয়া এটা তম্বুৰ তলত এখন চফা বিছনাত পলাশ দত্তই সাৰ পালে তেতিয়া পোনপ্ৰথমে বেন্দাঙকে দেখিলে—ল'ৰাটোৱে একেথৰে তেওঁলৈকে চাই ওচৰতে বহি আছিল। সি হাঁহি এটা মাৰি লাহেকৈ কলে, "আৰ ভয় নাই। জাপানী ভাগি গৈছে। কালি কহিমা ডিচি হিলত বৰ লেড়াই হৈ গৈছে।" অৰ্থাৎ দত্ত জখম হবৰ দিনাই সেই বিখ্যাত তয়াময়া ৰণখন হৈছিল—আজিকালি য'ত মিলিটেৰি চিমেটেৰি আছে সেই পাহাৰটোতে— যিখন তয়াময়া ৰণেই জাপানীসকলক পুনৰ মণিপুৰিলৈ ঘূহকি যাবলৈ বাধ্য কৰিলে।

দত্তই লাহে লাহে জানিব পাৰিছিল যে অজ্ঞান হৈ পৰাৰ পাছতে তেওঁক নিৰাপদ দূৰত্বলৈ আঁতৰাই লৈ যাওঁতেই বেন্দাঙে নিজৰ বিবেচনাৰে তেওঁৰ বাহুত এ· টি· এছ বেজী এটা দিছিল। মিলিটেৰি ছাৰ্জনজন অহাত তেওঁক সি কথাটো জনালে। ছাৰ্জনে হেনো কলে ভালেই কৰিলে বুলি, নহলে বিপদ হবও পাৰিলেহেঁতেন।

বেন্দাঙৰ ককায়েকটোৱে হেনো নগা বিদ্ৰোহী দলত যোগদান কৰে। তেওঁ এতিয়া ক'ত আছে সেইটোহে আজিলৈকে কোনেও একো কব নোৱাৰে। বেন্দাং কহিমাৰ পৰা অসমলৈ গুচি অহালৈকে একো খবৰ পোৱা নাছিল।

আহত হোৱা কাৰণে পলাশ দত্তই ডিমাপুৰ হৈ গুৱাহাটীলৈ আহিবলৈ অনুমতি পাইছিল। যুদ্ধ অৱশ্যে তেতিয়াও শেষ হোৱা নাছিল। সেই বাবে তেওঁ বেন্দাঙৰ পৰা বিদায় লৈ আহিব লগাত পৰিল। গুচি আহিবৰ সময়ত পলাশে তাৰ হাতত ভালেখিনি টকা দি উপদেশ দিছিল, ভালকৈ চলিবা। গৱৰ্ণমেণ্টে সহায় কৰিব। মই ডিচি চাহাবকো তোমাৰ কথা কৈছোঁ। এইখন কাগজত মোৰ ঠিকনা লিখা আছে। চিঠি লিখি থাকিবা।"

বেন্দাঙে একো উত্তৰ দিয়া নাছিল। মাত্ৰ বেজাৰতে তলমূৰ কৰি আছিল।

সি অৱশ্যে একো চিঠিপত্ৰ নিদিলে। কিন্তু বহুত দিনৰ মূৰত সেই ঠিকনা লিখা কাগজ ডোখৰকে সাৰথি কৰি এদিন গুৱাহাটী ওলালহি। বহুত ঠাইত সুধি-পুছি সি যেনে-তেনে পলাশ দত্তক বিচাৰি উলিয়ালেহি।

বেন্দাঙৰ কাহিনী শেষ কৰি দত্তই শোভনা বৰুৱাক কলে, "তাক মই আদৰি নোলোৱাৰ কোনো কাৰণ নাছিল। মই প্ৰথমৰ পৰাই বুজিছিলোঁ যে ঘূৰি যাবলৈ সি অহা নাই। আশ্ৰয় বিচাৰিয়ে আহিছে। মই তাক এটা সংস্থান দিব পাৰিম বুলি সি ভাবিছিল। মোৰ ওপৰত তাৰ অগাধ বিশ্বাস। এতিয়াও। পাহাৰৰ সৰলতা আৰু স্বাভাৱিক স্নেহ বেন্দাঙৰ বিশেষত্ব—যিটো সমগ্ৰ উত্তৰ-পূব অঞ্চলটোৰে বিশেষত্ব যেন লাগে। সি গাড়ীৰ কাম ভালেখিনি শিকিলে। সৰু সুৰা মেৰামতি অকলেই কৰি দিব পাৰে—অনিল মহন্তৰ আচবাব সি অকলেই পুৰণা বস্তুৰ পৰা কৰি দিছে। সি মাত্ৰ আলবাৰ্টহঁতৰ আগত বহুৰালি কৰি দেখুৱায়—গাড়ী বেয়া নচলায়—সি এতিয়া মোৰ ৰথী।"

সকলো কথা তলমূৰকৈ শুনি থাকি শোভনাই লাহেকৈ কলে, "খুৰাদেউৰ সপোনক বাস্তৱত ৰূপ দিবলৈ ঈশ্বৰে কিজানি তোমাৰেই সহায় লৈছে পলুদা।"

"নাজানো চুভী। মোৰ তেনে কোনো দাবী নাই। আজিকালি অলপ-অচৰপ ঈশ্বৰত বিশ্বাস ৰাখিবলৈ আৰম্ভ কৰিছোঁ। যি যি কৰিছোঁ হয়তো তেৰেঁই কৰাইছে।"

"তোমাক আৰু একাপ শুদা চাহ দিওঁ পলুদা?"

"দিয়া। চাহ একাপৰ প্ৰয়োজন হৈছেও।"

শোভনা বৰুৱা উঠি পাকঘৰলৈ গ'ল।

দত্তই ছিগাৰেট এটা জ্বলাই ললে। হঠাৎ তেওঁৰ মনত খেলালে—তেওঁ আজি আহিছিল কিয়? এইবোৰ কি গাই-বাই আছে? আচল কথাতো একো কোৱাই হোৱা নাই!

সৰু ট্ৰে' এখনত দুকাপ চাহ লৈ শোভনা পাকঘৰৰপৰা আহিল। একাপ দত্তৰ হাতত তুলি দি ইকাপ নিজে লৈ তেওঁ খাবলৈ ললে।

দত্তই ইতিমধ্যে মনটো জুকিয়াই লৈছিল। কেনেকৈ আৰম্ভ কৰিব ঠিক কৰি পেলাইছিল। নিৰৱে কেইশোহা-মান চাহ খাই লৈ তেওঁ আৰম্ভ কৰিলে, 'ইমান পৰে যুদ্ধৰ কথাই কলোঁ চুভী। সেই বাবে পুৰণা কথা এটা মনলৈ আহিছে। মইযে মাজতে এবাৰ আহিছিলোঁ— দেউতা ঢুকাবৰ সময়ত— তোমাৰ মনত আছে নিশ্চয়? সেই সময়ত যে দুখনমান পকাবন্ধা বহী তোমাৰ হাতত দি থৈ গৈছিলোঁ তোমাৰ মনত আছে নহয়? সেই বহী কেইখনৰ কি হ'ল বাৰু? তুমি নিশ্চয় প্ৰকাশ কৰোৱা নাই, নহলে কিতাপ মোৰ চকুত পৰিল হয়।"

শোভনা বৰুৱাই তলমূৰ কৰিলে। সেই বহী কেইখন আনিবলৈকে তেওঁ অলপতে গোলাঘাটলৈ গৈছিল। ঘূৰি আহিবৰ দিনাই দত্তহঁত আহিছিল। কিন্তু সামান্য সময়ৰ হেৰফেৰৰ বাবে সেই দিনা লগ পোৱা নহ'ল। তাৰ পাছত বহীবোৰ ঘূৰাই দিবলৈ বা প্ৰসংগটো উলিয়াবলৈ শোভনাই সুযোগেই পোৱা নাই। আজি তেওঁ তলমূৰ কৰিছে প্ৰসংগটো পলুদাই নিজে উত্থাপন কৰাত। তেওঁ অলপ লাজত পৰিছে।

তেওঁ একো সমিধান নিদিয়াত দত্তই কলে, "অৱশ্যে বহীকেইখন যদি এতিয়া নাই তেনেহলে তুমি তাৰ কাৰণে চিন্তা কৰিব নালাগে চুভী। ইমান দিন আগেয়ে লিখা কথা, আজি তাৰ কিবা মূল্য আছেনে নাই তাকো নাজানো। কিন্তু যদি বহীকেইখন থাকিলহেঁতেন তেন্তে দেউতাৰ হাতৰ আখৰ কেইটাকে চালোহেঁতেন। তেখেতক ওচৰতে পোৱা যেন লাগিলহেঁতেন। তুমি চিন্তা কৰিব নালাগে। হঠাৎ কথাটো মনত পৰি গ'ল কাৰণে কলোঁ।"

তেতিয়াও শোভনাই একো নামাতিলে। আৰু অলপ সময় তলমূৰকৈ বহি থাকি তেওঁ উঠি নিজৰ শোৱা কোঠাৰ ফালে গ'ল।

পলাশ দত্ত উঠি আগফাললৈ আহিল। তেতিয়াও বেলি মাৰ যাবলৈ বাকী। তাতে তিনিখন প্লাষ্টিকেৰে গোঁথা ফল্ডিং চেয়াৰ আছিল। এখন ৰেলিঙৰ ওচৰলৈ নি, পাৰি লৈ বহিল। তেওঁ বাহিৰখনলৈকে, দূৰৰ আলিবাটত অহা-যোৱা কৰি থকা গাড়ী, মানুহ আদিলৈ চাই থাকিল।

অলপ পাছত ভিতৰৰপৰা শোভনা অহা তেওঁ গম পালে। বাৰান্দাৰ ওপৰত থকা কম পাৱাৰৰ বাল্ব এটা তেওঁ জ্বলাই দিলে আৰু দুৱাৰখন টান মাৰি থলে।

পাছলৈ উলটি নোচোৱাকৈয়ে দত্তই কলে, "আহা চুভী। পোহৰ গৈ কেনেকৈ আন্ধাৰত পৰিণত হয় আজি তাকেই আমি চাওঁ। অলপ পাছতে সূৰ্যৰ পোহৰ যাব।"

কিন্তু শোভনাই একো নকলে। তেওঁ দত্তৰ ওচৰলৈ আগুৱায়ো নাহিল। ক্ষন্তেকৰ নিস্তব্ধতাৰ পাছত চাঁটকৰে দত্তই ঘূৰি চালে।

দুৱাৰমুখৰপৰা অলপ আহি শোভনা স্তব্ধ হৈ ৰৈ আছে। তেওঁ বুকুত হেঁচা মাৰি লৈ আছে এজাপ বহী। দত্তৰ চকুলৈ চোৱা নাই, সমুখৰ ৰেলিং পাৰ হৈ চোতাললৈকে চাই আছে। দেউতাকৰ বহী কিখন? তাকে আনিবলৈ চুভী লাহে লাহে নিজৰ কোঠাৰ পিনে গৈছিল?



OKDISCD

'চুভী ? !"

"আছে পলুদা, বহীকেইখন আছে। মই সযতনে এক আপুৰুগীয়া বস্তুৰ দৰে ইমান দিনে ৰক্ষা কৰি আহিছোঁ। যোৱাবাৰ যে গোলাঘাটলৈ গৈছিলোঁ — তুমি যিবাৰ আহি মোক লগ পোৱা নাছিলা— সেই দিনাই লৈ আহিছিলোঁ— একপ্ৰকাৰ ইয়াকে আনিবলৈ গৈছিলোঁ বুলিব পাৰি।"

"চুভী! সেইবোৰ এৰা। আহা বহাহি।" এই বুলি উদ্বিগ্ন হৈ দত্তই নিজৰ চকিখনকে আগবঢ়াই দিলে আৰু নিজে সাউৎকৰে আন এখন ফল্ডিংচেয়াৰ আনি পাৰি ললে।

"সংৰক্ষণ কৰাৰ বাহিৰে মই আন একো কৰিব নোৱাৰিলোঁ পলুদা।"

শোভনাৰ অস্বাভাৱিক আচৰণত দত্তই ভয় খাই গ'ল।

"নালাগে চুভী।"

"কিবা কৰিব পৰাৰ পৰিবেশ মই নাপালোঁ।" এই বুলি তেওঁ আগবাঢ়ি আহি দত্তই নতুনকৈ আনি লোৱা চকিখনতে বহীজাপ হৈ ইখন চকিত বহি পৰি কান্দিবলৈ ধৰিলে। এবাৰ মাত্ৰ বহীবোৰৰ ফালে চাই দত্তই তেওঁৰ কাষ চাপি গ'ল। শোভনাই "পলুদা মোক ক্ষমা কৰা" বুলি কান্দি কান্দি দত্তৰ গাত সাৱটি ধৰিলে। তেওঁৰ মূৰত হাত এখন থৈ পলাশে কলে, "শান্ত হোৱা চুভী। এই কথাটোৰ কাৰণেই তুমি ইমান দুখ কৰাৰ কোনো কাৰণ নাই। মই মাত্ৰ কৌতুহলবশতহে সুধিছিলোঁ।"

"নহয় পলুদা নহয়," মূৰটো পলাশৰ কঁকালতে খুন্দিয়াই খুন্দিয়াই শোভনাই প্ৰতিবাদ কৰিলে। "মই নোৱাৰিলোঁ। মই ব্যৰ্থ হলোঁ। মোৰ একান্ত ইচ্ছা আছিল। কিন্তু ভাগ্যই কামটো কৰিবলৈ নিদিলে।"

।ত্ৰিবাৰ ভয়ে ভয়ে দত্তই বন্ধ দুৱাৰৰ পিনে চাই কলে, "বাৰু হওক। তুমি শান্ত হোৱাচোন। এইবোৰ যে কৰিছা চুভী, ভিতৰত ৰান্ধনি ল'ৰাটো আছে নহয় ?"

"থাকক। মোক সকলোৱে দেখক। মোৰ আচল মানুহজনী আজি সকলোৱে দেখক। মই কিমান আৰু পলাই ফুৰিম ?"

অনেক চেষ্টা আৰু বুজনিৰ মূৰত দত্তই শোভনাক গাৰপৰা এৰুৱাই ইখন চকিত বহুৱাই দিলে। তেতিয়ালৈ তেওঁ কিছু শান্তও হৈ " ,হল। চকু দুটা আঁচলেৰে মোহাৰি শুকান কৰি ললে। সংযমৰ প্ৰয়োজন অৱশেষত তেওঁ অনুভৱ কৰিলে। দত্তই সন্তুষ্ট হৈ বহীজাপ তুলি ললে আৰু চকিখনত নিজে বহি বহীজাপ কোলাত স্থাপন কৰিলে— বিকাশ দত্তৰ হস্তৰ স্পৰ্শ আৰু তেওঁৰ আত্মাৰ উপলব্ধিৰ কথা মনলৈ অহাত তেওঁ সামান্য কঁপি উঠিল। আকৌ এটা ছিগাৰেট জ্বলাই লৈ তেওঁ নিজকে চম্ভালি লবলৈ চেষ্টা কৰিলে।

"বিফলতা যদি মোৰ জীৱনৰ লগৰীয়া, কিয় সাজি বালিঘৰ সময় কটাওঁ," হঠাৎ বৰিয়সী শোভনা বৰুৱাই গণেশ গগৈৰ উদ্ধৃতি এটাৰে কবলৈ আৰম্ভ কৰিলে ঃ

প্ৰাচীনপন্থী, গোড়া পিতৃ নীলাম্বৰ চক্ৰৱৰ্তীয়ে অবাটে যোৱা বুলি জীয়েকক শাস্তি স্বৰূপে নগাঁৱৰ মামাকৰ ঘৰলৈ জোৰ কৰি পঠাই দিয়া দিন ধৰি শোভনা দেৱীয়ে উপলব্ধি কৰিছিল যে তেওঁ জীৱনত বিফল হৈছে — যিহেতু তেওঁ সেই শাস্তি গ্ৰহণ কৰিলে, তাৰ কোনো প্ৰতিবাদ নকৰিলে। কিন্তু সেয়া আৰম্ভহে। তেওঁৰ ভাগ্যত ঘটিবলগীয়া দুৰ্ঘটনা আৰু বাকী আছিল। সেইবোৰ যেতিয়া এটা এটাকৈ ঘটিবলৈ ধৰিলে তেতিয়া শোভনা বৰুৱাই অনুভৱ কৰিলে যে তেওঁ গণেশ গগৈৰ দৰেই বালিঘৰ সাজি মাত্ৰ সময় কটাইছে— ঘৰ সংসাৰ কৰা নাই।

গোলাঘাটৰ বুধীন বৰুৱা দহজনৰ মাজত ভালেখিনি আচৰিত ধৰণৰ মানুহ আছিল। বিগতদাৰ, নিঃসন্তান— আঠ বছৰে ই. এ. ছি; কিন্তু পুনৰ বিবাহ কৰোৱা নাই। নিয়মিতভাৱে মদ্যপান কৰে, প্ৰায়েই মাত্ৰাধিককৈ। উচ্চশ্ৰেণীৰ সভ্যবৃন্দৰ সৈতে পাতি লোৱা ক্লাবত ফ্লাছ খেলে। কিছুমানে ভাবে বুধীন বৰুৱাই স্ত্ৰীক খুব ভাল পাইছিল। সেই কাৰণে মৃত সন্তান প্ৰসৱ কৰিবলৈ গৈ মৃত্যুবৰণ কৰা পত্নীৰ বিৰহ সহিব নোৱাৰি বৰুৱাই মদত ধৰে। আন কিছুমানে কয় যে সেইবোৰ মিছা কথা। বৰুৱা ভণ্ড। জুৱাৰী, মদপী মেজিষ্ট্ৰেটজন আচলতে চৰিত্ৰহীন। গোপনে বেয়া তিৰোতাৰ সংসৰ্গ কৰে, যদিও কোনেও এইজনীয়েই বুলি আঙুলিয়াই দিব পৰা নাছিল। সমাজখনৰ লগত তেওঁ-সম্পৰ্ক নাৰাখিছিল। মানুহে তেওঁক ভয় আৰু ঘৃণাৰ চকুৰে চাইছিল। অৱশ্যে গোলাঘাটতে বৰুৱা সদায় থকা সম্ভৱ নাছিল। ট্ৰেন্সফাৰ হৈ হৈ ঘূৰি ফুৰিছিল। শোভনা দেৱীৰ লগত হঠাৎ বিয়াখন পাতিব লগা হওঁতে অৱশ্যে তেওঁ গোলাঘাটৰ নিজৰ ঘৰতে আছিল।

বিয়াখন হোৱাত শোভনাই কিয় বাধা নিদিলে সেই কথা তেওঁ কোনো ।দিনেই নুবুজিলে। পলাশ দত্তৰ প্ৰতি থকা তেওঁৰ প্ৰেমত কোনো দ্বিধা নাছিল। প্ৰাচীনপন্থী ঘৰ এখনৰ জীয়ৰী হোৱা সত্ত্বেও তেওঁ আধুনিক উচ্চ শিক্ষা লাভ কৰি জাতপাতৰ ব্যৱধান মানি নলবলৈ স্থিৰ কৰিছিল। সেই কাৰণেই পলুদাৰ লগত ইঠাইসিঠাই কৰিছিল দুয়োৰে মাজত খোলাখুলিকৈ কথাবতৰা হৈছিল। তৰ্ক আৰু ঠাট্টা চলিছিল। পণ্ডিত ব্যক্তি, উদাৰ শিক্ষক বিকাশ দত্তৰ আদৰ্শ, বক্তৃতা, ব্যাখ্যা আদিয়েও চুভীৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছিল। কিন্তু তথাপি জোৰ কৰি পতা বিয়াখন তেওঁ মানি ললে বা মানি লবলৈ বাধ্য হ'ল। বাধ্য হ'ল মানে বাধা দিব পৰাকৈ মানসিক বল তেওঁ গোটাব নোৱাৰিলে।

কিয় নোৱাৰিলে শোভনাই বিয়াৰ পাছত বহু দিনেই বিশ্লেষণ কৰি চাইছিল। দিনবিলাক অতিক্ৰম হৈ যোৱাৰ লগে লগে প্ৰশ্নটো বেছি ঘনকৈ তেওঁৰ মনলৈ আহিবলৈ ধৰে। তাৰ মাজত এটা কথাই বাৰে বাৰে তেওঁ মনত ভুমুকি মাৰিছিল—যদিও তেওঁ পলাশক গ্ৰহণ কৰিবলৈ ওলাই সংস্কাৰক জয় কৰিব পাৰিছে বুলি ভাবিছিল আচলতে কিন্তু সেইটো তেওঁ ভাবি লোৱা কথাহে, সংস্কাৰক কোনো দিনেই তেওঁ সম্পূৰ্ণ অতিক্ৰম কৰা নাছিল। বিকাশ দত্তই দাঙি ধৰা বিয়াৰ প্ৰস্তাৱে যেতিয়া প্ৰাচীনপন্থী ঘৰখনক এখাহ কোদোৰ দৰে উজাৰি দিলে তেতিয়া সেই কোদোবোৰে এনে ভয়ংকৰভাৱে চাৰিওফালে আক্ৰমণ কৰিবলৈ ধৰিলে যে অন্য সকলো কথা তল পৰি গ'ল। অসমৰ সৰ্বত্ৰ সিঁচৰতি হৈ থকা বংশৰ লোকসকল জাগুৰ খাই উঠিল— আকৌ এজাক কোদোৰ দৰেই তেওঁলোকে ঐক্যবদ্ধ হৈ শত্ৰুপক্ষৰ আক্ৰমণ ওফোৰাই দিবলৈ নানান যুক্তিৰ অস্ত্ৰ তুলি ললে। নগাঁৱত থকা মোমায়েকৰ ঘৰখন বেছ কিছু দিনলৈ এই যুদ্ধৰ হেডকোৱাৰ্টাৰ হৈ পৰিল। বংশ আৰু জাতিৰ তিৰোতা মানুহবিলাক দুপৰীয়া দুপৰীয়া আহিল যুদ্ধৰ কাৰণে ৰচদ-পাতি লৈ— যে এনে কাণ্ড তেওঁলোকে দেখাও নাই, শুনাও নাই। চেঙেলীয়া ল'ৰাবিলাক আহিল— ক'ৰ এটা নোম-নেগুৰ বৰ্জিত শূদিৰৰ লগত বিয়া সোমাবলৈ ওলোৱা ছোৱালীজনীক চাই যাবলৈ। সকলোৱে মিলি এনে এটা পৰিবেশ সৃষ্টি কৰি দিলে যে চুভীৰ নিজৰে দৃঢ়তাৰ বান্ধোন শিথিল হৈ আহিল। বোধহয় সঁচাই এনে এটা অসামাজিক কাম হৈ যাব পাৰে যাৰ ফলত সমাজত এটা ডাঙৰ বিশৃংখলাৰ সৃষ্টি হৈ যাব পাৰে। একে ধৰণৰ যুক্তি-তৰ্ককে শুনি শুনি তেওঁৰ একোবাৰ ভাব নোহোৱাকৈও নাথাকিল যে তেওঁৰ কৃতকৰ্ম এটা ডাঙৰ পাপো হ'ব পাৰে। তেওঁৰ দৃঢ়তা বজাই ৰাখিবলৈ, তেওঁৰ মনত বলশক্তি দিবলৈ, তেওঁৰ পথ যে ভুল নহয় এই কথা অনুভৱ কৰাবলৈ তেওঁৰ ওচৰত তেতিয়া কোনো সহানুভূতিশীল বন্ধু-বান্ধৱী নাছিল, কণাৰ লাখুটি বিকাশ দত্ত নাছিল, দৃঢ় অৱলম্বন পলুদা নাছিল।

ইয়াৰ মাজতে—খুব কম সময়ৰ ভিতৰতে—বুধীন বৰুৱা হাকিমৰ কথা ওলাল। তেওঁৰ প্ৰথম বিবাহৰ কথা ওলাল, ঘুহুক-বানাককৈ মদ্যপানৰ কথাও ওলাল। কিন্তু সেইবিলাকত কোনেও দোষ নেদেখিলে। যুক্তি দিলে যে বয়সত বছতেইতো সংসাৰ কৰে—আনকি বৃদ্ধয়ো কৰে—বিশেষত কলেজত পঢ়ি থকা ছোৱালীৰো বয়স বৰ কম হোৱা নাই। কলে যে পানদোষটো আজিকালি বেছি হৈছেই। বিশেষকৈ হাকিমৰ নিচিনা উচ্চ পদত থাকিলে সামাজিকতা বজাই ৰাখিবলৈকে দুই-এঢোক ধৰিব লগা হয়। মাত্ৰাধিক্য অৱশ্যে বেয়া। কিন্তু বুধীন বোপাই মাত্ৰাধিক কৰে বুলিনো কোনে দেখি আছি কৈছে ? সকলো গুজব। জুৱা খেলে ? ক্লাবঘৰত সময় কটাবলৈ তাচ খেলাক জুৱা নোবোলে। এইবিলাক হিংসুকৰ ৰটনা।

এইবিলাক শোভনাৰ কাণতো পৰিছিল। গৃহবন্দিনী ছোৱালীজনীৰ কাণত কিছুমান কথা ইচ্ছা কৰিয়েই পেলোৱাও হৈছিল। যাতে তেওঁৰ ওপৰত প্ৰভাৱ পৰে। সেইজন দৰাৰ কাৰণে তেওঁক প্ৰস্তুত কৰাৰো প্ৰয়োজন আছিল।

"সেই সময়ত মানুহজনৰ বিষয়ে মই কি ভাবিছিলো এতিয়াও স্পষ্ট মনত আছে। অতীতটোক এৰি পেলাবলৈ মই বাধ্য হৈছিলোঁ যেতিয়া নতুন পৰিস্থিতিলৈ মই নিজকে সাজু কৰিছিলোঁ। অকমান বিহ খাই মই মৰিব পাৰিলোহেঁতেন। কিন্তু মৰাৰ কথা কিবা কাৰণত মোৰ মনলৈ কোনো দিনেই অহা নাছিল। হয়তো মই জীৱনক বৰ ভাল পাওঁ। সেইটো যদি এটা দোষ তেন্তে তাক স্বীকাৰ কৰি লবলৈ মই বেয়া নাপাওঁ। এই কথাত তুমি কি ভাবা মই কব নোৱাৰোঁ। তেতিয়া ভাবিছিলোঁ— ঠিকেই, মই আৰু অপুষ্পিতা সৰু ছোৱালী হৈ থকা নাই যে বুঢ়া দৰা বুলি আপত্তি কৰিম। মদখোৱা কথাটো সম্বন্ধে ভাবি লৈছিলোঁ যে মোৰ যদি মনৰ বল আৰু চৰিত্ৰবল আছে তেন্তে সেই অভ্যাস এৰুৱাই দিব পাৰিম। কিন্তু সেইটো অস্বাভাৱিক পৰিবেশত মোৰ সকলো ধাৰণাই ভুল আছিল। ভুলটো অচিৰেই ধৰা পৰিল। তাতেই মোৰ জীৱনৰ ব্যৰ্থতাটো প্ৰমাণিত হৈ গ'ল।"

শেষত পিতৃ-মাতৃৰ প্ৰতি আনুগত্যই চুভীক সম্পূৰ্ণ কাহিল আৰু পৰাজিত কৰি দিলে। প্ৰচীনপন্থী আৰু আধুনিক পৰিবৰ্তনৰ খবৰ নৰখা হ'লেও নীলাম্বৰ চক্ৰৱৰ্তী আৰু তেওঁৰ পত্নী চুভীৰ দেউতাক-মাক। যি তাইক স্নেহ দি পালন-পোষণ কৰিছে। তাইৰ সুখ-দুখৰ খবৰ ৰাখিছে। তাইৰ কোনো অপকাৰ হবলৈ দিয়া নাই (দত্তৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰাটোও তাৰে ভিতৰুৱা বুলিব পাৰি)। এনে গোড়া ঘৰ এখন হোৱা সত্ত্বেও বিকাশ দত্তৰ ঘৰলৈ যাবলৈ দিছে, পলুৰ লগত মিলামিছা কৰিবলৈ দিছে। তাইৰ নামত বেংকত এটা একাউণ্ট খুলি দিছে। ইয়াতকৈ আৰু কি কৰিব পাৰে ? এদিন হয়তো ভাল এঘৰৰ ভাল ল'ৰালৈ বিয়াও দিব।

(আগলৈ)


হীৰেন ভট্টাচাৰ্যৰ
নিৰ্বাচিত কবিতা

সুগন্ধি পখিলা

মূল্য—২০'০০ টকা

পৰিবেশক/প্ৰকাশিকা গুৱাহাটী-১


OKDISCD

## সাহিত্য উৎসৱৰ তিনিদিন

হীৰেন ভট্টাচাৰ্য্য

জাৰ গ'ল
মোৰ আৰু কবিতা নহ'ল।


কবিতাই বৰ বেছি সন্মান বিচাৰে।
শব্দইও
কবিতাৰ কাষলৈ আহোঁতে
খুলি থৈ আহে
তাৰ পোছাকী কাপোৰ।

এইবাৰ উৎসৱৰ তিনিদিন
ময়ো তোমালোকৰ স'তে কটাম;
উলাহত তেজী ৰেলখনো বৈ যাব
পোন্ধৰ মিনিট।

আঁহা, তৰুণ কবিসকল,
আৰম্ভ কৰা তোমালোকৰ কবিতা।

দেশভাঙি আহিছে মানুহ……





## শিশুৰ দৰে গাঁওখনক

ভবেশ মিশ্ৰ

শিশুৰ দৰে
গাঁওখনক
দেশখনক
মানুহবোৰক
মাটিভৰাক
আইৰ দৰে
ভনীজনীৰ দৰে
ভাল পালো

শুকুলা চৰাই এজনী
উৰুৱাই দি
সৰু ছোৱালী জনীৰ দৰে
হাঁহিলো এমুখ
কান্দিলো দুগাল
নাচিলো এচোতাল


আঐ দেহি—
বুকুৰ ভিতৰতে
তেজে ধোৱা
মেটেকাৰ আলি
সেউজীয়া ঘাহঁনি গচকি
উলটি আহোঁ
গাঁৱৰ সোণালী
এপদূলি গধূলি।





## অগ্নিস্নান

দীপক শৰ্মা



এক বলিষ্ঠ বক্তব্যক সুসংহত চলচিত্ৰসুলভ পৰিকল্পনা আৰু সংযমেৰে উপস্থাপন কৰি 'অগ্নিস্নান'ক ড° ভবেন্দ্ৰনাথ শইকীয়াই ভাৰতীয় চলচিত্ৰ প্ৰসংগত নিঃসন্দেহে আলোচ্য হোৱাৰ যোগ্যতা অৰ্পণ কৰিলে।

অতি-চলচিত্ৰীয় পৰীক্ষা-নিৰীক্ষাৰ ভেকো-ভাওনা পাতি অৰ্থ, সময় আৰু উদ্দেশ্যৰ অপচয় কৰাৰপৰা আঁতৰত থাকি ড° শইকীয়াই অগ্নিস্নানক সজাই তুলিছে—পোনপটিয়াভাৱে, — হয়তো নিৰ্মমভাৱেও।

চিত্ৰনাট্যৰ গাঁথনি বৰ সবল। চৰিত্ৰাংকণ আঁসোৰাহমুক্ত, প্ৰায় স্পষ্ট কাহিনীৰ কেন্দ্ৰৰ মেনকা সমসাময়িক নহৈও বহুদিশত অগণন সমসাময়িক ভাৰতীয় নাৰীৰ প্ৰতিনিধি। "নাৰী স্বাধীনতা" এই দুটা শব্দৰ গভীৰত মেনকাহঁতৰ নিৰ্মম বেথা, ক্ৰোধ, সুপ্ত আগ্নেয়গিৰিৰ দৰে নিতাল মাৰি আছে। আৰু অগ্নিস্নানত মেনকাই সুপ্ত আগ্নেয়-গিৰি জগাই তুলিছে।

অগ্নিস্নান প্ৰতিবাদৰ ছবি। এই প্ৰতিবাদ স্বোচ্চাৰে ঘোষিত হৈছে মেনকাৰ যোগেদি। ভাৰতীয় নাৰীৰ নাৰীত্বক সতীত্বৰ আঁৰকাপোৰেৰে ঢাকি যি পুৰুষচামে যুগে যুগে স্বামী-স্ত্ৰীৰ পবিত্ৰ সম্পৰ্কক কলংকিত কৰি আহিছে,—সেই পুৰুষচামৰ পুৰুষত্বক আলোড়িত কৰিবলৈ সক্ষম হৈছে মেনকা।

মেনকাৰ যোগেদি নিৰ্যাতিত নাৰীৰ প্ৰতিবাদেৰে মুখৰিত হ'লেও অগ্নি-স্নানৰ কাহিনী-ভাগে পৰোক্ষভাৱে কেইটামান সামাজিক দিশ সুন্দৰকৈ সাঙুৰিছে। ধন-সম্পত্তিৰ বলত চিৰকাল সামাজিক প্ৰতিপত্তি বৰ্তি নাথাকে। তেনেদৰে প্ৰতিষ্ঠিত সামাজিক প্ৰতিপত্তিয়ে মহীকান্তক কিন্তু ধান কিনিবলৈ যাওঁতে এজনী গাভৰুকো কিনি আনিবলৈ অধিকাৰ চিৰকাললৈ নিদিয়ে। "সতীত্ব"ৰ ডোলেৰে বান্ধ খাই— মেনকাই মহীকান্তৰ পৌৰুষ দৰ্পৰ গচকত নাৰী সত্তাক চিৰদিনলৈ চূৰ্ণ হ'বলৈ এৰি দিব নোৱাৰে। অগ্নিস্নানে এটা প্ৰশ্ন উত্থাপন কৰিছে। নাৰী সত্তাক উপেক্ষা কৰাৰ অধিকাৰ মহীকান্তহঁতে ক'ৰপৰা আহৰণ কৰে? ইয়াৰ উত্তৰো আছে। অৰ্থোপাৰ্জিত সামাজিক প্ৰতিপত্তি আৰু সতীত্বৰ মোহমন্ত্ৰেৰে নিৰ্বাক কৰি ৰখা মেনকাহঁতৰ পৰাই— মহীকান্তহঁতে এনে অমানুষিক অধিকাৰ বলপূৰ্বক-ভাৱে সাব্যস্ত কৰি লয়। কিন্তু কিমান দিনলৈ? আৰ্থোপাৰ্জিত সামাজিক প্ৰতিপত্তি সময়ে ধীৰে ধীৰে কাঢ়ি নিয়ে। বিভিন্ন সামাজিক উপাদানে এই প্ৰক্ৰিয়াক সহায় কৰে।

বিংশ শতাব্দীৰ শেষ প্ৰান্তত উপনীত হৈও—অসমীয়া তথা ভাৰতীয় সমাজখনে যি কিছুমান অনৰ্থক মূল্য-বোধৰ কান্ধত থিয় হৈ সামাজিক বিশৃংখলতাৰ সৃষ্টি কৰি আছে, সেই মূল্যবোধবোৰৰ বিৰুদ্ধে প্ৰতিবাদ জনাবলৈ প্ৰতিগৰাকী মেনকা প্ৰস্তুত হ'ব লাগিব, প্ৰতিজন মহীকান্ত ভীতিগ্ৰস্ত হ'ব লাগিব। 'অগ্নিস্নান'ৰ সামাজিক ভূমিকা এই দিশত বৰ গুৰুত্বপূৰ্ণ।

চলচিত্ৰৰ গাঁথনি হিচাপেও 'অগ্নি-স্নান' কৃতকাৰ্য। চিত্ৰনাট্যখন বৰ নিটোল। অৱশ্যে সংলাপ—প্ৰধান হোৱা বাবে চলচিত্ৰৰ কিছু গুণ হয়তো হ্ৰাস হৈছে। কিন্তু 'অগ্নিস্নান'ৰ দৰে বক্তব্যক কেৱল দৃশ্যধৰ্মিতাৰ প্ৰাধান্য অটুট ৰাখি উপস্থাপন কৰিবলৈ গ'লে দৃষ্টিভংগীৰ স্বচ্ছতা হ্ৰাস পোৱাৰ সম্ভাৱনা থাকে। তদুপৰি অতি বিশ্বাস-যোগ্য অভিনয়, দৃশ্যগ্ৰহণ আৰু সম্পাদনাই অগ্নিস্নানত চলচিত্ৰৰ সৰ্বাধিক লক্ষণকেই অটুট ৰাখিছে।

মহীকান্ত ৰূপী বিজু ফুকনৰ অভিনয় নিঃসন্দেহে বলিষ্ঠ। বিজু ফুকনৰ দৰে জনপ্ৰিয় অভিনেতা এগৰাকীৰ বাবে অগ্নিস্নান এক সুন্দৰ ব্যতিক্ৰম। মেনকাৰ ভূমিকাত মলয়া গোস্বামীয়ে মুহূৰ্তে-মুহূৰ্তে দৰ্শকৰ সহানুভূতি কাঢ়ি আনিবলৈ সক্ষম হৈছে। মদনৰ ভাওত অৰুণ নাথে আৰু এজন প্ৰতিভাবান অসমীয়া অভিনেতাৰ অস্তিত্ব সাব্যস্ত কৰিলে। অন্যান্য ভূমিকাসমূহো বিশ্বাসযোগ্য হৈছে।

ছবিখনৰ সম্পাদনাই খট সংযোজনৰ ক্ষেত্ৰত প্ৰায়বোৰ ছিকুৱেন্সতেই এটা নিৰ্দিষ্ট পেটাৰ্ণ অনুসৰণ কৰা দেখা



OKDISCD

গৈছে। দৃশ্যান্তৰৰ (transition) বাবে সাধাৰণতে ক্ল'জ-আপৰ পৰা ক্ল'জ আপ কাট হৈ Zoom-out—এই পেটাৰ্ণটো সঘনে ব্যৱহৃত হৈছে। সম্পাদনাত দুই এঠাইত মুভমেণ্টৰ পৰা steady শ্বটলৈ কাট কৰোঁতে jerk কৰিছে যদিও ছবিখনৰ গতি সুন্দৰভাৱে—অটুট আছে। বহু ক্ষেত্ৰত প্ৰয়োজনতকৈ এক ছেকেণ্ডো শ্বট stay কৰা নাই। শ্বট সংযোজনে এটা কথা প্ৰমাণ কৰে যে চিত্ৰনাট্যৰ পৰ্যায়ত যথেষ্ট পৰিমাণে লিখাৰ পৰিশ্ৰম কৰা হৈছে। মদন-মেনকাৰ ঘনিষ্ঠ মুহূৰ্তত ব্যৱহৃত cut-awayৰ ব্যৱহাৰ সুন্দৰ।

কমল নায়কৰ ফটোগ্ৰাফি ছবিখনৰ এক বিশেষ উল্লেখযোগ্য দিশ। নিশাৰ ছিকুৱেন্সবোৰত পোহৰৰ প্ৰতি যথেষ্ট সাৱধানতা অৱলম্বন কৰা হৈছে। প্ৰয়োজন সাপেক্ষে কেমেৰা মুভমেণ্ট যথাযথ। উদাহৰণ স্বৰূপে মহীকান্তই এবাৰ বিছনাত পৰি থকা মেনকাক উদ্দেশ্য কৰি বলকি থকাৰ সময়ত বিছনাক কেন্দ্ৰ কৰি কেমেৰাই ট্ৰেক কৰাৰ দৃশ্য মনকৰিবলগীয়া। একেদৰেই বাগী চলি থকাৰ সময়ত কেমেৰা মুভমেণ্ট বৰ স্বাভাৱিক।

অগ্নিস্নানৰ বক্তব্য, সংলাপে প্ৰাপ্তবয়স্কৰ দৰ্শনৰ বাবেহে ছবিখনক অনুমতি দিয়ে। ড° শইকীয়াই বহুতো ঘনিষ্ঠ মুহূৰ্তৰ দৃশ্যৰূপায়ণৰ পৰা বিৰত থাকি ইংগিতেৰে উপস্থাপন কৰিছে। মহীকান্তই নৱ-বিবাহিতা পত্নীৰ সৈতে সহবাস কৰাৰ দৃশ্যৰ পৰিবৰ্তে অকলে বিছনাত উচুপিচাই থকা মেনকাৰ দৃশ্যৰ ওপৰত কেৱল কেইটামান শব্দ নিক্ষেপ কৰি পৰিচালকে বৰ দক্ষতাৰে সমগ্ৰ ছিকুৱেন্সটো চলচিত্ৰসুলভ ৰূপত উপস্থাপন কৰিছে। কিন্তু মদনৰ সৈতে মেনকাৰ মিলনৰ দৃশ্যাৱলী পৰিচালকে বৰ বেছি বল প্ৰয়োগ কৰি আঁতৰাই ৰাখিব লগীয়া হৈছে। উপৰিও ক্ৰমাৎ বাঢ়ি অহা চন্দ্ৰৰ উপমাৰ ব্যৱহাৰ কৰি স্পষ্টভাৱে বোধগম্য হোৱা অৱস্থা এটিৰ অনাৱশ্যকভাৱে ইংগিতৰ জৰিয়তে উপস্থাপন কৰা হ'ল।

দৈনন্দিন জীৱনৰ খুটিনাটি কিছুমানৰ প্ৰতি থকা ড° শইকীয়াৰ চোকা নজৰ সুসমাদৃত যদিও 'অগ্নিস্নান'ৰ লেখীয়া চিত্ৰনাট্যত ঘোঁৰা-বাগীৰ পিছে পিছে সৰু ল'ৰা-ছোৱালী দৌৰি গৈ থকাৰ দৃশ্য অপ্ৰয়োজনীয় বুলিব পাৰি। একেদৰেই মহীকান্ত মেনকাৰ ল'ৰা-ছোৱালী কেইটিৰ ধেমালিৰ দৃশ্যাৱলীও কম কৰাৰ থল আছিল।

অগ্নিস্নানত এটা নিৰ্দিষ্ট সময় (period) প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা চলোৱা হৈছে। সেই সময় প্ৰতিপত্তিশীল পৰিয়ালৰ ঘোঁৰা-বাগী থকাৰ সময়, কেৰাছিন তেল ব্যৱহৃত আলিবাটৰ লেম থকাৰ সময়। কিন্তু এই ধৰণৰ দুই এক সময় নিৰ্ধাৰণকাৰী উপাদানে একপ্ৰকাৰ বলপূৰ্বকভাৱে এটা নিৰ্দিষ্ট সময়ৰ পৰিৱেশ সৃষ্টি কৰিবলৈ চেষ্টা কৰা যেন লাগে। এবাৰ, পুৰণি দিনীয়া মুদ্ৰাৰ ক্লজ-আপেৰেও এই প্ৰচেষ্টা চলোৱা হৈছে। যিহেতু 'অগ্নিস্নান'ৰ সমস্যা সমসাময়িক সমাজৰো এক সমস্যা, এক নিৰ্দিষ্ট সময়ৰ পৰিসৰত কাহিনী-ভাগ আবদ্ধ কৰাটো আৰু বেছি কঠিন হৈ পৰিল।

সামগ্ৰিকভাৱে অগ্নিস্নানে অসমীয়া চলচিত্ৰলৈ এখন গৌৰৱ কৰিবলগীয়া পূৰ্ণাংগ ছবি আগবঢ়ালে বুলি নিঃসন্দেহে ক'ব পাৰি। ভাৰতীয় তথা বিশ্ব-চলচিত্ৰৰ সুস্থ সমাজখনলৈ অসমীয়া চলচিত্ৰক ড° ভবেন্দ্ৰ নাথ শইকীয়াই বাট দেখুৱাই দিলে। △


অসমকেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ

জন্ম শতবাৰ্ষিকীত
'সুৰতীৰ্থ'ৰ নিবেদন

চেতনাৰ কণ্ঠ

ৰায়চৌধুৰীৰ আঠত্ৰিশটা
আধ্যাত্মিক-ভাৱৰ গীতৰ

প্ৰথম প্ৰকাশ
লগতে তেখেতৰ পাঁচোটি বিখ্যাত
গীতৰ স্বৰলিপি
ভূমিকা ঃ ড° বীৰেন্দ্ৰ নাথ দত্ত

পোৱাৰ ঠাই ঃ
গ্ৰন্থপীঠ
পাণবজাৰ, গুৱাহাটী-১
আৰু
ষ্টুডেণ্ট্চ্ ষ্টোৰ্চ
কলেজ হোষ্টেল ৰ'ড
গুৱাহাটী-১



সনন্ত তাঁতিৰ
মই মানুহৰ অমল উৎসৱ
মূল্য—১০·০০ টকা
ৰিৰিঞ্চি ভট্টাচাৰ্য্যৰ
দেওলগা ঘোঁৰা
মূল্য—৮·০০ টকা
প্ৰকাশক ঃ
এলবিএছ পাব্লিকেশ্যন
জি. এন. বৰদলৈ ৰ'ড
আমবাৰী ঃ গুৱাহাটী-১



যাত্ৰিক

নতুন আংগিকৰ
তিনিমহীয়া আলোচনী
আপুনিও পঢ়ক,
আনকো পঢ়ুৱাওক।






## পঞ্চম বাৰ্ষিক নেহৰু গ'ল্ডকাপ ফুটবল ঃ

## ছোভিয়েট ইউনিয়ন চেম্পিয়ন

ত্ৰিবান্দ্ৰমত অনুষ্ঠিত পঞ্চম বাৰ্ষিক নেহৰু গ'ল্ড কাপৰ ফাইনেল খেলত ছোভিয়েট ইউনিয়ন দলে চীনক ১-০ গ'লত পৰাজিত কৰি চেম্পিয়ন হৈছে। খেলৰ দ্বিতীয়াৰ্ধত পেনাল্টিৰ সহায়ত বিজয় সূচক গ'লটো দিয়ে ছোভিয়েট দলৰ লেফট ষ্ট্ৰাইকাৰ এভটুছেস্কোৱে। যোৱাবাৰো ছোভিয়েট দলে এই ট্ৰফি লাভ কৰিছিল। পাঁচবাৰৰ প্ৰতিযোগিতাৰ চাৰিবাৰেই চীন দলে ৰানাৰ্ছ আপৰ সন্মান লাভ কৰিলে। ইয়াৰ আগতে প্ৰথম, দ্বিতীয় আৰু তৃতীয় নেহৰু কাপত চীন পৰাজিত হৈছিল যথাক্ৰমে উৰুগুৱে, হাংগেৰি আৰু পোলেণ্ডৰ হাতত। এইবাৰৰ প্ৰতিযোগিতাত ছোভিয়েট দলৰ এভটুছেস্কোৱে মুঠতে ৬ টা গ'ল দি সৰ্বাধিক গ'ল দাতাৰ সন্মান লাভ কৰিছে। সেই দলৰে ছাভলোৱে লাভ কৰিছে 'প্লেয়াৰ অৱ দি টুৰ্ণামেণ্ট'ৰ সন্মান। শ্ৰেষ্ঠ ভাৰতীয় খেলুৱৈ নিৰ্বাচিত হৈছে মৰিছিও এলফানছো।

### ভাৰতৰ শোচনীয় ব্যৰ্থতা

নেহৰু গ'ল্ড কাপ ফুটবলত ভাৰতীয় ফুটবল দলে চৰম ব্যৰ্থতাৰ পৰিচয় দিছে। ছোভিয়েট ইউনিয়ন, পূব জাৰ্মানি, দক্ষিণ কোৰিয়া আৰু পেৰুৰ হাতত যথাক্ৰমে ৬-০, ৫-০, ২-০ আৰু ১-০ গ'লত পৰাজিত হৈ, আৰু চীনৰ লগত ০-০ ভাৱে খেল শেষ কৰি মাত্ৰ ১ পইণ্ট সংগ্ৰহ কৰি আমাৰ দেশে সৰ্বনিম্ন স্থান অধিকাৰ কৰে। প্ৰতিটো বিভাগতে ভাৰত সম্পূৰ্ণভাৱে ব্যৰ্থ হয়। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ খেল খেলিবলৈ হ'লে যি প্ৰাথমিক যোগ্যতা থকাৰ প্ৰয়োজন সেয়া ভাৰতৰ নাছিল। এসময়ৰ এছিয়ান চেম্পিয়ন ভাৰতীয় ফুটবলৰ এই অৱস্থাৰ বাবে প্ৰধান দোষী ভাৰতীয় ফুটবলৰ বৰ্তমান কৰ্মকৰ্তাসকল। নতুন খেলুৱৈ সৃষ্টি কৰাৰ কোনো ব্যৱস্থা, কোনো পৰিকল্পনা ভাৰতীয় ফুটবলত নাই। 'বৰ্তমানে যি গৰাকী প্ৰশিক্ষকৰ অধীনত দলটোৱে খেলিছে, সেইগৰাকী 'ক্লাব প্ৰশিক্ষক'. আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ কাৰণে সম্পূৰ্ণ তেওঁ অযোগ্য : কাৰণ ইউৰোপীয়ান নাইবা লেটিন আমেৰিকাৰ ফুটবলৰ বিষয়ে কোনো ধাৰণাই তেওঁৰ নাই। পূৰ্বে মাৰ্ডেকা আৰু এছিয়াডত বৰ্তমানৰ এই, প্ৰশিক্ষকৰ অধীনত ভাৰত ব্যৰ্থ হৈছে ; —কিন্তু কি কাৰণে তেওঁ এতিয়াও ৰাষ্ট্ৰীয় দলৰ প্ৰধান প্ৰশিক্ষক হৈ আছে সেইটো দুৰ্বোধ্য। গোষ্ঠীচক্ৰই কেনেকৈ ভাৰতীয় ফুটবলৰ ক্ষতি কৰিছে তাৰে জ্বলন্ত প্ৰমাণ এইবাৰৰ নেহৰু গ'ল্ড কাপ। ঢাকাত অনুষ্ঠিত 'ছাফ' প্ৰতিযোগিতাত দুৰ্বল বাংলাদেশৰ বিৰুদ্ধে ট্ৰাইব্ৰে'কাৰত জয়লাভ কৰি আত্মতুষ্টি লাভ কৰিলে এছিয়াডত ভাৰত এছিয়াৰ তৃতীয় শ্ৰেণীৰ ফুটবল দললৈ ৰূপান্তৰিত হ'ব। ছিৰিক মিলোভানে কি দুখত হতাশ হৈ ভাৰত ত্যাগ কৰিছিল এই বিষয়ে ফুটবলৰ কৰ্মকৰ্তাসকল এতিয়াও নিমাত।

### এয়াৰ লাইনছ চেম্পিয়ন

ৰাষ্ট্ৰীয় হকিৰ স্বৰ্ণজয়ন্তী বছৰত চেম্পিয়ন হৈছে ইণ্ডিয়ান এয়াৰ লাইনছ। ফাইনেলত তেওঁলোকে ৩-২ গ'লত ৰেলৱেক পৰাজিত কৰে। ১৯৭৬ চনৰ পৰা ৰাষ্ট্ৰীয় হকিত ভাগ লোৱা এয়াৰ লাইনছে এইবাৰকে লৈ পাঁচবাৰ ৰংগস্বামী কাপ লাভ কৰিলে। প্ৰথমাৰ্ধত খেলৰ ফলাফল আছিল ১-১। দ্বিতীয়াৰ্ধত এয়াৰ লাইনছে ৩-১ গ'লত অগ্ৰগতি লাভ কৰে। খেলত ৰেলৱে দলে ৮ টা পেনাল্টি কৰ্ণাৰ পাইছিল। এয়াৰ লাইনছে ৫ টা পেনাল্টিকৰ্ণাৰৰ দুটাৰে গ'ল দিয়ে বিনীত কুমাৰে।



লেণ্ডেল

### বছৰৰ শ্ৰেষ্ঠ টেনিছ খেলুৱৈ লেণ্ডেল

১৯৮৫ চনত আমেৰিকা যুক্তৰাষ্ট্ৰ টেনিছ খিতাপ প্ৰথমবাৰৰ বাবে জয় কৰা আৰু মুঠতে ১০খন টুৰ্ণামেণ্টত বিজয়ী হোৱাৰ কাৰণে ইভান লেণ্ডেলে 'বছৰৰ শ্ৰেষ্ঠ টেনিছ খেলুৱৈ'ৰ সন্মান লাভ কৰিছে। এ. টি. পিৰ বছৰেকীয়া বঁটা বিতৰণী অনুষ্ঠানত লেণ্ডেলক এই সন্মান দিয়া হয়। লেণ্ডেলে '৮৫ চনত মুঠ ৮৭খন মেচৰ ভিতৰত ৮০খনতে জয়লাভ কৰিছে। ২৫ বছৰ বয়সীয়া এই চেক খেলুৱৈৰ আটাইতকৈ উল্লেখযোগ্য সাফল্য আছিল যোৱা ছেপ্টেম্বৰত যুক্তৰাষ্ট্ৰৰ অ'পেন ফাইনেলত মেকেনৰোৰ বিৰুদ্ধে। লেণ্ডেলে প্ৰথমবাৰৰ বাবে 'বছৰৰ শ্ৰেষ্ঠ টেনিছ খেলুৱৈ'ৰ সন্মান লাভ কৰিলে। ইয়াৰ আগতে এই সন্মান লাভ কৰা খেলুৱৈসকল হৈছে : আৰ্থাৰ এছ ('৭৫), বিয়ন বৰ্গ ('৭৬ চনৰপৰা '৮০ চনলৈকে), জন মেকেনৰো ('৮১, '৮৩, '৮৪) আৰু জিমি কোনৰ্ছ ('৮২)।



OKDISCO





গাভাছকাৰ

তেলুগু ...
'উদয়ন' পৰিচা...
য়ন অৰ দি ইয়া...
কাৰে ৭০ টা ভোটত ক...
জিত কৰিছে। গাভাছকা...
২৪৮১ টা ভোট আৰু কপিলে ...
২৪১১ টা। পি. টি. উষাই তৃতীয় আৰু ৰবি শাস্ত্ৰীয়ে চতুৰ্থ স্থান লাভ কৰিছে।

## স্বৰূপ কিৰেণে 'পদ্মশ্ৰী' লাভ কৰিলে

১৯৮৬ চনৰ গণতন্ত্ৰ দিবসত ৰাষ্ট্ৰীয় খিতাপ পোৱা ব্যক্তিসকলৰ ভিতৰত খেলাধূলাত কৃতিত্বৰ বাবে 'পদ্মশ্ৰী' লাভ কৰিছে চাৰিজনে। এখেত সকল হৈছে— বিখ্যাত ক্ৰিকেট আম্পায়াৰ স্বৰূপকিষেণ, এমেচাৰ বিলিয়াৰ্ডছ চেম্পিয়ন গীত শেঠি, হকি অধিনায়ক মহম্মদ শ্বহীদ আৰু এছিয়ান ডবা চেম্পিয়ন অনুপমা অভয়ংকৰ। বিশেষভাৱে উল্লেখ যোগ্য যে বিভিন্ন খেল-ধেমালি আৰু ক্ৰীড়া প্ৰশাসনৰ দক্ষতাৰ বাবে অতীতত বহুতে ৰাষ্ট্ৰীয় খিতাপ লাভ কৰিছে ; কিন্তু খেল পৰিচালনাৰ বাবে কোনো আম্পায়াৰ বা ৰেফাৰিয়ে ৰাষ্ট্ৰীয় সন্মান লাভ কৰা নাছিল। আম্পায়াৰ স্বৰূপ কিষেণেই প্ৰথমে এই সন্মান লাভ কৰিলে।

## অতীতৰ টেষ্ট খেলুৱৈয়ে আৰ্থিক সাহায্য পাব

অতীতৰ টেষ্ট ক্ৰিকেট খেলুৱৈসকলক অৰ্থ সাহায্যৰ কাৰণে পলি উমৰিগড়ৰ পৰিকল্পনা ক্ৰিকেট কণ্ট্ৰ'ল ব'ৰ্ডে গ্ৰহণ কৰিছে! ইয়াৰ ফলত ১৯৭৬ চনত ব'ৰ্ডৰ বেনি ভোলেণ্ট ফাণ্ড গঠন হোৱাৰ আগতে যিসকল টেষ্ট খেলুৱৈয়ে অৰ্থ সাহায্য পোৱা নাই নাইবা অতি সামান্যহে পাইছে, তেওঁলোকে বুজন পৰিমাণৰ অৰ্থ পাব। মৃত খেলুৱৈৰ উত্তৰাধিকাৰীয়েও এই সুবিধা লাভ কৰিব। দেশ বিভাজনৰ ফলত যি ছগৰাকী টেষ্ট খেলুৱৈয়ে পাকিস্তানৰ নাগৰিকত্ব লৈছে তেওঁলোকেও

... ৰমেন
... চন্দু বোৰ্ডে আৰু বিজয় মঞ্জেৰকাৰৰ উত্তৰাধিকাৰীয়ে পাব ১ লাখ ১০ হাজাৰ টকাকৈ। ছি. কে. নাইডু, ঘোৰপাড়ে, ভিনু মানকড় আৰু দাত্তু ফাডকাড়ৰ উত্তৰাধিকাৰীয়ে পাব যথাক্ৰমে ৪ হাজাৰ, ১৬ হাজাৰ, ৮৮ হাজাৰ আৰু ৬১ হাজাৰ টকা।

**গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃকলেজ ক্ৰীড়া মহোৎসৱ সুদীৰ্ঘ ৬ বছৰৰ বিৰতিৰ পাছত এইবাৰ গুৱাহাটীত অনুষ্ঠিত হ'ব প্ৰাগ্‌জ্যোতিষ কলেজৰ তত্ত্বাৱধানত। চল্লিছখন কলেজে এই প্ৰতিযোগিতাত যোগদান কৰিব বুলি বাতৰিত প্ৰকাশ।**

দেশ বিভাজনৰ ফলত পাকিস্তানৰ নাগৰিক হোৱা উজিৰ আলিয়ে ভাৰতৰ হৈ ৭খন, গুল মহম্মদে ৮খন, আমীৰ ইলাহিয়ে এখন, দিলৱাৰ হুছেইনে ৩খন, জাহাংগীৰ খাঁই ৪খন আৰু আব্দুল হাফিজকাৰদাৰে ৩খন টেষ্ট খেলিছে। তেওঁলোকক ব'ৰ্ডে মুঠতে ৫২ হাজাৰ টকা দিব।

## ছানিলৈ ডনৰ উপহাৰ

বেনছন এণ্ড হেজেছ ৱৰ্ল্ড ছিৰিজৰ ক্ৰিকেটত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে হোৱা খেলৰ আগতে সুনীল গাভাছকাৰক ৰূপৰ ফলিৰে সন্মানিত কৰে ক্ৰিকেটৰ প্ৰবাদ-পুৰুষ চাৰ ডন ব্ৰেডমেনে। ছাৰ ডনে তেওঁৰ সংক্ষিপ্ত ভাষণত কয় : "এইটো বৰ সুখৰ কথা যে ছানিয়ে এডেলেইড অভেলত ছেঞ্চুৰি কৰিছে। মই এতিয়াও ভাবোঁ যে এইখন হৈছে পৃথিৱীৰ অন্যতম শ্ৰেষ্ঠ ক্ৰিকেট খেল

... এই সন্মান
... মাৰক লাভ কৰি মই গৌৰৱিত। এইটো মোৰ ঘৰত যথাযথভাৱে ৰক্ষিত হ'ব আৰু ই ভৱিষ্যতৰ দিনবোৰ পৰিপূৰ্ণ কৰিব মধুৰ স্মৃতিৰে।"

## ক্ৰিছৰ ১৪৩ তম খিতাপ

আঢ়ৈ লাখ ডলাৰ মূল্যৰ পুৰস্কাৰ থকা ফ্লোৰিডাৰ ভাৰ্জিনিয়া স্লিমছ টেনিছ টুৰ্ণামেণ্টত শীৰ্ষ ৰেংকিং পোৱা খেলুৱৈ ক্ৰিছ এভাৰ্ট লয়েডে ৬-৩, ৬-১ গেমত পশ্চিম জাৰ্মানিৰ ষ্টেফি গ্ৰাফক পৰাজিত কৰি চেম্পিয়ন হৈছে। উল্লেখযোগ্য যে, এইটো আছিল ক্ৰিছৰ ১৪৩তম খিতাপ আৰু এই বছৰত তেওঁৰ প্ৰথম সাফল্য।


## 'ত্ৰিনিদাদৰ প্ৰধানমন্ত্ৰীৰ প্ৰতিবাদ'

দক্ষিণ আফ্ৰিকা ভ্ৰমণ কৰাৰ বাবে ইংলণ্ডৰ যি পাঁচ গৰাকী খেলুৱৈক তিনিবছৰৰ বাবে ছাছপেণ্ড কৰা হৈছিল, সেই পাঁচ গৰাকী খেলুৱৈৰ শাস্তিৰ সময় অতিবাহিত হোৱা বাবে তেওঁলোকে এতিয়া ইংলণ্ড দলৰ লগত ৱেষ্ট-ইণ্ডিজ ভ্ৰমণ কৰিব। কেৰিবিয়ান দ্বীপপুঞ্জৰ আন চৰকাৰৰ ওচৰত এইসকল খেলুৱৈ গ্ৰহণীয় হলেও ত্ৰিনিদাদৰ প্ৰধানমন্ত্ৰী জৰ্জ চেম্বাৰ্ছে কৈছে যে তেওঁ ইংলণ্ড দলৰ মেচ বয়কট কৰিব। প্ৰধানমন্ত্ৰীয়ে কৈছে যে, "মই ক্ৰিকেট ভাল পাওঁ, কিন্তু খেল চাবলৈ নাযাওঁ, —বৰ্ণ-বৈষম্যৰ প্ৰতিবাদৰূপে।"

## ৰাজনীতিত সদানন্দ বিশ্বনাথ

ভাৰতৰ উইকেট কিপাৰ বেটছমেন সদানন্দ বিশ্বনাথে ই-কংগ্ৰেছত যোগদান কৰিছে।

**পুলক লাহিড়ী**



সভাই নিজৰ চা...

ৰক্ষা কৰি চলিব লাগে,—এইমাৰ...

স্বীকাৰ কৰা পুৰণি কথা। দেশখন যেয়েই শাসন নকৰক, এইমাৰ কথা সদায় সঁচা হৈ থাকিব লাগে। কেৱল কথা হ'ল,—যেতিয়া শাসকৰ দৃষ্টিভংগী ভাষা-সংস্কৃতিৰ মংগলৰ অনুকূলে হয়, আৰু সাহিত্য সভাও নিজৰ নীতি, কাৰ্যপ্ৰণালী আদিৰ ক্ষেত্ৰত সৎ হৈ থাকে, তেতিয়া দুয়োটা দল স্বাভাৱিকতে সমিলমিলেৰে আগবাঢ়ি থাকে। কিন্তু যেতিয়া যি কোনো এটা পক্ষৰপৰা এই অৱস্থাৰ স্খলন ঘটোৱা হয়, তেতিয়াই বিৰোধ দেখা দিয়ে। তদুপৰি, অসম সাহিত্য সভা এটা ডাঙৰ সংগঠন, গতিকে ৰাজনৈতিক জালখনো বিভিন্ন সময়ত ইয়াৰ ওচৰ চাপে। কিন্তু যিহেতু এই সংগঠনটো ৰাজনীতি, ক্ষমতা, অৰ্থৰ লোভ আদিৰ লগত সম্পৰ্কিত হোৱাৰ কথা নাই, গতিকে শেষপৰ্যন্ত ই যি কোনো নৈতিক আৰু সাংস্কৃতিক বিৰোধত জয়ী হোৱাৰেই কথা; যি কোনো ৰাজনৈতিক জালৰ পৰা বাচি থাকিবলৈ সমৰ্থ হোৱাৰেই কথা।

ভালেমান কথা বিচাৰ কৰি চালে দেখা যায়,—এতিয়া ৰাজ্যখনত অসম সাহিত্য সভাই সমিলমিলেৰে কাম কৰাৰ এটা ভাল পৰিৱেশ আৰু পৰিস্থিতিৰ উদ্ভৱ হৈছে। প্ৰয়োজনো হৈছে। এনে কিছুমান কাম ওলাইছে --যিবোৰ অসমৰ ৰাইজে মনপুতি কৰিবলৈ লোৱাটো প্ৰয়োজনীয়। ৰাইজ বোলোঁতে চৰকাৰ আৰু অসম সাহিত্য সভা—এই দুটা সংগঠনৰ কথাও কোৱা হৈছে। আৰু কামবোৰৰ ৰূপ এনেকুৱা যে সম্পূৰ্ণৰূপে নিজৰ নীতি আৰু স্বাতন্ত্ৰ্য অটুট ৰাখি দুয়োটা সংগঠনে সেইবোৰ কৰি গলে ৰাজ্যখন আৰু জাতিটোৰ মংগলৰ বাবেই কাম কৰা হ'ব; একে উদ্দেশ্য সাধন কৰাত বৰঙণি যোগোৱা হ'ব।

এটা বিশেষ উদাহৰণলৈ আহোঁ। যোৱা নিৰ্বাচনৰ আগেয়ে অসমৰ চাহ-বাগিচাৰ লোক আৰু চৰ অঞ্চলৰ লোকৰ মনোভাব সম্পৰ্কে বহু চিন্তা-চৰ্চা-হিচাপ কৰা হ'ল, আৰু নিৰ্বাচনৰ পাছত দেখা গ'ল---এই দুয়ো অঞ্চলৰ বহুলোকৰ মনোভাব আমি আগেয়ে ভবাতকৈ বেলেগ। মানুহে শেষ মুহূৰ্তত ভোটটো কাক দিলে, সেই কথাই মানুহজনৰ অন্তৰখন উদঙাই নিদিব পাৰে, কিন্তু তেওঁৰ মনটো যে সেইজন প্ৰাৰ্থীৰ ফালৰপৰা ওচৰ চাপিব পৰা ধৰণৰ, সেই কথাৰ ইংগিত নিশ্চয় দিয়ে। চৰ আৰু চাহ-বাগান অঞ্চলৰ বহু লোকে অসম গণ পৰিষদক ভোট দিছে বুলি জনাৰ পাছত, বাকীখিনি অসমীয়া মানুহৰ তেওঁলোকৰ মনৰ কাষ চপাৰ বাট বহল হৈছে। এই কাম অতি সোনকালে কৰিব লাগে। এইটো

...সম সাহিত্য ... কৰিলে ... কৰিলে ... কৰা হয়। ...ত্য সভাৰ অৱস্থা ...পদে-পদে ৰাজনৈতিক ...; কিন্তু অসম সাহিত্য সভাই ঠিক... ...ৰ্টলে ৰাজনৈতিক ধুলি উৰিবই নালাগে। গতিকে এই বিশেষ বাটটোত অসম সাহিত্য সভা অধিক আগ বাঢ়িব লাগে।

মূল প্ৰশ্নটো হৈছে,— চৰ অঞ্চলৰ আৰু চাহ বাগিছা অঞ্চলত নিগাজীকৈ থাকিবলৈ লৈ জীৱিকা নিৰ্বাহ কৰা লোকসকলৰ অসমীয়া ভাষা-সংস্কৃতিৰ প্ৰতি, অসমীয়া মানুহৰ প্ৰতি সঁচাকৈয়ে এটা বিৰূপ মনোভাব আছে নে কি? সুখ-সুবিধাৰ স্বাৰ্থত তেওঁলোকৰ দাবী অভিযোগ থাকিব পাৰে; তেনে দাবী-অভিযোগ বৰদোৱা-বৰপেটা-চাৰিং-চাৰিগাঁৱৰ মানুহৰো আছে; এই সকলো মানুহৰে দাবী পূৰণৰ বাবে, অভিযোগ নাইকিয়া কৰিবৰ বাবে ৰাজনৈতিক পন্থা লোৱাৰ অধিকাৰ আছে; যি কোনো ৰাজনৈতিক দলৰ এওঁলোকৰ মাজত কাম কৰাৰ, এওঁলোকৰ সমৰ্থন আদায় কৰাৰ অধিকাৰো আছে। কিন্তু প্ৰশ্নটো হ'ল: ধৰি লওক লেবাৰ পাৰ্টি নামৰ এটা দল চাহ বাগিছাৰ লোকৰ মাজত, আৰু ডেমক্ৰেটিক পাৰ্টি নামৰ এটা দল চৰ অঞ্চলৰ লোকৰ মাজত আস্থাভাজন হৈছে। কিন্তু দল দুটাৰ প্ৰাৰ্থী দুজন অসমীয়া বা অসমীয়া ভাষা-সংস্কৃতিক ভাল পোৱা মানুহ হলেই সেই লোকসকলে দল দুটাৰ প্ৰতিয়েই আস্থা হেৰুৱাই পেলাব,— এই সন্দেহ আমাৰ কিয় হয়? নে সন্দেহৰ কথাই নাই, আচলতে ঘটনাটোৱেই তেনেকুৱা হয়?

চালি-জাৰি চালে দেখিম— এনে সন্দেহ বা ঘটনাৰ কাৰণে অসমীয়া মানুহৰ গাতো বহু দোষ আছে। এইবোৰ অৰাজনৈতিক পৰ্যায়তহে অধিক সুকলমে আঁতৰ কৰিব পাৰি। গতিকে অসম সাহিত্য সভাৰ এটা উপ সমিতিয়ে চৰ অঞ্চল আৰু চাহ বাগিছাৰ মানুহৰ মন আৰু তেওঁলোকৰ প্ৰতি অসমৰ বাকীখিনি অসমীয়া মানুহৰ মনোভাবক লৈয়েই আন্তৰিকতাৰে কাম কৰিব লাগে। লেবাৰ পাৰ্টি, ডেমক্ৰেটিক পাৰ্টি আদিক ৰাজনৈতিক কাৰণত অসমৰ কোনোবাই ভাল পোৱাটো অসমীয়া জাতি, ভাষা-সংস্কৃতিৰ কাৰণে ক্ষতিকৰ নহব পাৰে, কিন্তু অসমীয়া ভাষা-সংস্কৃতিৰ প্ৰতি আমাৰে মাজৰ কিছুমান মানুহে বিকৰ্ষণৰ ভাব পোষণ কৰাটো ক্ষতিকৰ। এনে বিকৰ্ষণৰ কাৰণবোৰ উলিয়াই, সেইবোৰ দূৰ কৰিবলৈ আঁচনি গ্ৰহণ কৰাটো অসম সাহিত্য সভাৰ বাবে এটা মহান কাম হ'ব।

এই কাম কৰোঁতে সভাই নিশ্চয় লক্ষ্য কৰিব— এই দিশত আজিলৈকে কৰি অহা কামবোৰৰ শক্তি আৰু দুৰ্বলতা ক'ত ক'ত আছিল।

১২।২।৮৬



OKDISCD